অসমৰ শিক্ষাব্যৱস্থা

অসমৰ শিক্ষাব্যৱস্থা

(১৮২৬ চনৰপৰা ১৯৭৩ চনলৈ)

ৰেণু দেৱী এম. এ., এল. এল. বি., পি. এইচ. ডি.,
এ. আই. ই. (লণ্ডন)
ৰিডাৰ, শিক্ষাবিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

CT LIBRARY
GAUHATI

॥❀॥ বাণী প্ৰকাশ ॥❀॥
পাঠশালা ● গুৱাহাটী ● কলিকতা

প্ৰকাশক :
শ্ৰীঅম্বিকাপদ চৌধুৰী
বাণী প্ৰকাশ
পাঠশালা
কামৰূপ

পাণবজাৰ
গুৱাহাটী-১

১০ কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৬

প্ৰথম প্ৰকাশ
জানুৱাৰী ১৯৭৪

বেচ : আঠ টকা মাথোন

পূৰ্বোদয় প্ৰেছ
১০, কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৬

পাতনি

পঢ়ুৱৈসকলৰ বাবে অসমৰ শিক্ষাৰ ওপৰত বেলেগে লিখা কোনো কিতাপ নথকাৰ বাবে অসমৰ শিক্ষাব্যৱস্থাৰ ওপৰত এখন কিতাপ লিখাৰ হাবিয়াস বহুত দিনৰপৰাই আছিল। কিন্তু সময়ৰ অভাৱত কিতাপ লিখা হৈ উঠা নাছিল। বৰ্তমান কিতাপখনত অসমৰ শিক্ষাব্যৱস্থাৰ ক্ৰমোন্নতিৰ এটা আভাসহে দিছোঁ। বহুতো ভুল-ক্ৰুটি থাকিব পাৰে তাৰ বাবে ক্ষমা প্ৰাৰ্থনীয়। ভবিষ্যতে ইয়াক ডাঙৰকৈ লিখাৰ আশা ৰাখিলোঁ। আশা কৰোঁ পঢ়ুৱৈ-সকলে বিশেষকৈ ডিগ্ৰী আৰু বি-টিৰ শিক্ষাৰ্থীসকলে এই কিতাপ পঢ়ি কিছু উপকৃত হ'ব।

এই কিতাপখন লিখি শেষ কৰিবলৈ উৎসাহ যোগাইছিল মোৰ স্বামী ডঃ দেৱপ্ৰসাদ বৰুৱাই। বাণী প্ৰকাশৰ শ্ৰীগিৰিপদ চৌধুৰীয়ে নেৰানেপেৰাকৈ লাগি নথকা হলে মোৰ কিতাপখন লিখা শেষ নহ'লহেঁতেন। কিতাপখন সোনকালে ছপা কৰি উলিওৱাৰ দায়িত্ব লৈছিল শ্ৰীযুত অম্বিকাপদ চৌধুৰী ডাঙৰীয়াই। তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আন যিসকলে মোক লিখাত সময় গোটাই সহায় কৰিছিল তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ ৰ'ল।

বেণু দেৱী
গুৱাহাটী

সূচীপত্ৰ

১.	ভাৰতত ১৮৩৯ চনলৈ শিক্ষাৰ প্ৰসাৰ	১
২.	অসমত ইংৰাজী শিক্ষাৰ আৰম্ভণি	১১
৩.	শিক্ষাৰ প্ৰসাৰত চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানৰ দায়িত্ব	৩০
৪.	অসমত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ	৪২
৫.	অসমত মাধ্যমিক স্কুলৰ প্ৰসাৰ	৬৭
৬.	অসমত কলেজীয়া শিক্ষাৰ প্ৰসাৰ	৯৭
৭.	অসমত স্ত্ৰী শিক্ষা	১১১
৮.	কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা	১২২
৯.	সামাজিক শিক্ষাৰ প্ৰসাৰ	১৩৪
১০.	শিক্ষক প্ৰশিক্ষণ	১৪৭
১১.	কুঠাৰী আয়োগৰ প্ৰতিবেদনৰ মূল প্ৰস্তাৱসমূহ	১৫৮
১২.	অসমত পৰিবৰ্তিত বাৰ বছৰীয়া শিক্ষাব্যৱস্থা	১৭৪
১৩.	নতুন শিক্ষাব্যৱস্থাত প্ৰয়োজনীয় পৰিবৰ্তনৰ বিষয়সমূহ	১৮৯

*'Education has for its object
the formation of characther.'*

আৰম্ভণি

(ভাৰতত ১৮৩৯ চনলৈ শিক্ষাৰ প্ৰসাৰ)

ভাৰতৰ ঐশ্বৰ্য্য বৈভৱত আকৰ্ষিত হৈ বাণিজ্যৰ কাৰণে অহা ইংৰাজ বণিকে মোগল সম্ৰাটসকলৰ দুৰ্বলতাৰ সুযোগ লৈ লাহে লাহে ৰাজ্য বিস্তাৰত লাগিল। কেবাখনো যুদ্ধত ভাৰতৰ শাসক-সকলক পৰাজিত কৰি ইংৰাজ বণিজৰ ইষ্ট ইণ্ডিয়া কোম্পানী ৰাজনৈতিক শক্তি হিচাপে গঢ়ি উঠিছিল আৰু সাম্ৰাজ্য বিস্তাৰত মনযোগ দিবলৈ ধৰিছিল।

ইংৰাজ-বণিজ ভাৰতলৈ অহাৰ লগে লগে খৃষ্টধৰ্ম বিস্তাৰৰ বাবে মিছনাৰীসকলেও ভাৰতলৈ আহিছিল। তেওঁলোকে প্ৰথমে দক্ষিণাত্যত খোপনি পুতিলেও লাহে লাহে উত্তৰ ভাৰতলৈকে তেওঁলোকৰ কাৰ্যাৱলী বিস্তাৰ কৰিব ধৰিছিল। ধৰ্ম প্ৰচাৰৰ লগে লগে তেওঁলোকে প্ৰাথমিক স্কুলঘৰ পাতি শিক্ষাদান দিয়াৰ ওপৰতহে গুৰুত্ব দিছিল। শাসনকাৰ্য চলাবৰ বাবে অনা ইংৰাজ কৰ্মচাৰীৰ ল'ৰা-ছোৱালীক শিক্ষাদান দিবলৈ মিছনাৰীসকলক ইংৰাজ শাসকে উৎসাহ যোগাইছিল। কাৰণ, ৰাজ্য বিস্তাৰত ব্যস্ত থকাৰ কাৰণে তেওঁলোকে শিক্ষাদানত চকু দিব নোৱাৰিছিল।

ইংৰাজ শাসকৰ ভৰসাতে তেওঁলোকে বিভিন্ন ঠাইত 'মিছন' স্থাপন কৰি স্কুল পাতিছিল, বাইবেল আৰু বিভিন্ন ধৰ্মগ্ৰন্থ বিভিন্ন ভাষালৈ অনুবাদ কৰি, ছপাই মানুহৰ মাজত বিলাই দিছিল। ধৰ্ম প্ৰচাৰৰ বাবে শিক্ষাৰ যে বিশেষ প্ৰয়োজন তাক তেওঁলোকে ভাল দৰে বুজি পাইছিল আৰু সেই দেখিয়ে অকল ল'ৰা-ছোৱালীৰ স্কুলেই

স্থাপন কৰা নাছিল, মাইকী মানুহৰ বাবে "জানানা স্কুল" আৰু পুৰুষৰ বাবে গধুলি পঢ়োৱাৰ ব্যৱস্থাও কৰিছিল।

মিছনাৰীসকলে কোনো বাধা নোপোৱাকৈ ধৰ্ম-প্ৰচাৰ আৰু শিক্ষা বিস্তাৰৰ কাম চলাই আছিল। চৰকাৰেও দেশীয় মানুহৰ শিক্ষাৰ বাবে কোনো দায়িত্ব লোৱা নাছিল। বৰং দেশীয় মানুহক সন্তুষ্ট ৰাখিবলৈ দেশীয় স্কুলসমূহত মাটি বা টকাৰ অনুদান দিয়াৰ ব্যৱস্থা কৰিছিল। দেশীয় স্কুলক অনুদান দিয়াৰ উপৰিও কলিকতাত মাদ্ৰাচা, বেনাৰচত সংস্কৃত কলেজ, কলিকতাত সংস্কৃত কলেজ, আগ্ৰা আৰু দিল্লীত দুটা প্ৰাচ্য কলেজ স্থাপন আৰু সংগঠন কৰিছিল। সংস্কৃত আৰু আৰবী কিতাপ ছপা কৰিছিল আৰু আৱশ্যকীয় তত্ত্ব-গধুৰ কিতাপ ইংৰাজীলৈ অনুবাদ কৰিছিল। প্ৰথম চোৱাত ইংৰাজ শাসকে ক্ষমতাচ্যুত হোৱা দেশীয় কৰ্মকৰ্তাসকলক সন্তুষ্ট ৰাখিবলৈ দেশীয় স্কুলৰ পৃষ্ঠপোষকতা কৰাই উত্তম পদ্ধতি বুলি ভাবিছিল।

মিছনাৰীসকলে প্ৰথমতে চৰকাৰৰ পৃষ্ঠপোষকতাত তেওঁলোকৰ কাম আৰম্ভ কৰিলেও ১৭৬৫ চনৰপৰা চৰকাৰে মিছনাৰীসকলক আগৰ উদাৰতা দেখুৱাত কাৰ্পণ্য কৰা হ'ল। কোম্পানী ১৭৬৫ চনৰ-পৰা ৰাজনৈতিক শক্তিত পৰিগণিত হোৱাৰ ফলত তেওঁলোকে জনসাধাৰণক শাসন কৰাত সতৰ্ক হৈ পৰিল। মিছনাৰীক দেখুৱা উদাৰ মনোভাৱে হিন্দু-মুছলমানৰ ভিতৰত বিৰূপ মনোভাৱ সৃষ্টি কৰিব বুলি ভয় খাইছিল। খৃষ্ট ধৰ্মৰ প্ৰচাৰে যাতে মুছলমান আৰু হিন্দু ধৰ্মত হস্তক্ষেপ কৰা বুলি নাভাবে তাৰ বাবে শাসকসকলে মিছনাৰীকো দিয়া অৰ্থৰ অনুদান কমাই আনিবলৈ ধৰিলে। শাসনৰ কাৰণে স্থাপন কৰা ডিৰেক্টৰৰ সভাই মত পোষণ কৰিছিল যে হিন্দুসকলৰ নিজস্ব নৈতিকজ্ঞান আৰু বিশ্বাসৰ পদ্ধতি আছে। তাৰ ওপৰত আন ধৰ্ম গ্ৰহণত জোৰ দিলে অন্যায় কৰা হব। গতিকে কোম্পানী 'ধৰ্ম নিৰপেক্ষ' নীতি গ্ৰহণ কৰাটো অতিশয় প্ৰয়োজনীয়। ফলত ১৭৯৩ চনৰপৰা 'ধৰ্ম নিৰপেক্ষ' নীতি কোম্পানীয়ে গ্ৰহণ

কৰিছিল আৰু ১৮১৩ চনলৈ কোনো নতুন মিছনাৰীক ভাৰতৰ ইংৰাজ শাসিত অঞ্চলত সোমাব দিয়া নাছিল। কিছুমানক বহিষ্কাৰ কৰিছিল আৰু মিছনাৰী স্কুলত কোনো অনুদান দিয়া হোৱা নাছিল। অৱশ্যে শাসকেও ভাৰতৰ শিক্ষানুষ্ঠান স্থাপন কৰাৰ দায়িত্ব লোৱা নাছিল।

১৮১৩ চনৰ চনদ্ ঃ ১৮১৩ চনত কোম্পানীক ভাৰতত থাকিব দিয়াৰ ম্যাদ পুনৰ বঢ়াই দিয়াৰ সময় আহিল। এই সময়ত দুটা প্ৰশ্নই গুৰুত্ব লাভ কৰিছিল, (১) প্ৰথমটো হ'ল মিছনাৰীসকলক কোম্পানী শাসিত অঞ্চলত ধৰ্ম প্ৰচাৰৰ সুবিধা দিয়া আৰু আনটো কোম্পানীয়ে ভাৰতীয়সকলৰ শিক্ষাৰ দায়িত্ব লোৱা। চনদৰ ১৩ দফা মতে ঘোষণা কৰিলে যে ভাৰতত থকা ইংৰাজ শাসিত ঠাইবোৰত বাসিন্দাসকলৰ সুখ শান্তি বৰ্ধন কৰাটো ইংলণ্ডৰ কৰ্তব্য। তাৰ বাবে উপযুক্ত জ্ঞান বিতৰণ আৰু নৈতিক উন্নতিৰ অৰ্থে উপযুক্ত পন্থা লব লাগে। যিসকলে এনেকুৱা কামত লিপ্ত আৰু সেই কামৰ বাবে ভাৰতলৈ আহিব খোজে তেওঁলোকক সকলো ধৰণৰ সুবিধা আইনতঃ দিয়া হব। এই দফা মতে মিছনাৰীসকলে আগৰ সকলো সুবিধা ঘুৰাই পালে আৰু তেওঁলোকে শিক্ষা সম্বন্ধীয় কামত বাহিৰেও ধৰ্ম প্ৰচাৰ কৰা, গীৰ্জাঘৰ তৈয়াৰ কৰা আৰু আন ধৰ্ম সম্বন্ধীয় কাম কাজ কৰাত স্বাধীনতা পালে।

এই চনদৰ ৪৩ দফাত ঘোষণা কৰিছিল যে সামৰিক, অসামৰিক আৰু বাণিজ্য স্থাপনত যি খৰচ হয় সেইখিনি শাসিত অঞ্চলত কৰ-কাটল, আৰু লাভাংশৰপৰা বাদ দি, যিখিনি বাকী থাকে তাৰপৰা ১ লাখ টকা প্ৰতি বছৰে শিক্ষিত ভাৰতীয়সকলৰ ভাষা, সাহিত্যৰ পুনৰুদ্ধাৰ আৰু উন্নতিৰ হকে আৰু বাসিন্দাসকলক বিজ্ঞান সম্বন্ধীয় জ্ঞান দান কৰাত খৰচ কৰিব লাগিব।

এই দফা মতে কোম্পানীয়ে নিজস্ব কোনো শিক্ষানীতি লোৱাৰ কথা ভবা নাছিল। প্ৰাচ্য সভ্যতা বিকাশৰ বাবে যিসকল ইংৰাজে

প্ৰাচ্যৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ ওপৰত জোৰ দিছিল তেওঁলোকৰ মতকে গ্ৰহণ কৰিছিল।

কিন্তু ভাৰতীয় বাসিন্দাসকলৰ প্ৰাচ্যৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ ওপৰত জোৰ দিয়াৰ লগতে তেওঁলোকে বিজ্ঞান শিক্ষা বিষয়ত একেবাৰে পাছ পৰি আছিল। মিছনাৰীসকলৰ ধৰ্মমূলক শিক্ষাৰপৰা মুক্ত কৰিবৰ বাবে বেলেগে শিক্ষা দানৰ ব্যৱস্থাৰ উল্লেখ কৰিছিল।

১৮১৩ চনদে পোন প্ৰথমবাৰৰ বাবে বাসিন্দাসকললৈ শিক্ষাদান কৰাটো ইংৰাজ শাসকৰ কৰ্তব্য বুলি ঘোষণা কৰিছিল। ইংলণ্ডতে ১৮৩৩ চনলৈ ইংলণ্ডৰ শিক্ষাত চৰকাৰে হস্তক্ষেপ কৰা নাছিল। ধৰ্মীয় অনুষ্ঠানসমূহে নিজৰ নিজৰ শিক্ষানুষ্ঠান চলাইছিল। এনেস্থলত ১৮১৩ চনদেঁ ঘোষণা কৰিলেও ইংৰাজ শাসকে শাসিতসকলক শিক্ষা দান কৰাটো পবিত্ৰ হিচাপে লোৱা নাছিল। পিছলৈ যিখিনি শিক্ষা বিস্তাৰ কৰিছিল তাত ৰাজনৈতিক স্বাৰ্থহে জড়িত আছিল।

১৮১৩ চনৰ চনদে মিছনাৰীসকলক ২০ বছৰে চলা বাধাৰপৰা মুক্তি দিয়াৰ ফলত বিভিন্নদেশৰপৰা ধৰ্মপ্ৰচাৰৰ যাজকসকল ভাৰতলৈ আহিছিল। তেওঁলোকে বুজিছিল যে মানুহৰ মনক জয় কৰিবলৈ হলে শিক্ষাৰ আশ্ৰয় লোৱাটো প্ৰয়োজন। ফলত এওঁলোকে পতা স্কুলৰ সংখ্যা দ্ৰুত গতিত বাঢ়িব ধৰিছিল।

শিক্ষাৰ মাধ্যম লৈ বাদানুবাদ ঃ ১৮১৩ চনদে ইংৰাজ শাসকক শিক্ষা প্ৰসাৰৰ দায়িত্ব দিলেও এই সময়ত শিক্ষা প্ৰসাৰৰ কোনো সংগঠন নাছিল। শিক্ষা ব্যৱস্থা চলাবৰ বাবে কোনো শিক্ষা বিভাগ নাছিল বা শিক্ষাৰ বিষয়বস্তু ঠিক কৰিবলৈ কোনো কমিটি নাছিল। ফলত শিক্ষাৰ ধৰণ, ইয়াৰ বিষয়বস্তু কেনে হব আৰু মাধ্যম কি হব তাকে লৈ কোনো সিদ্ধান্তত উপনীত হোৱা নাছিল। ইংৰাজ শাসকে ৰাজ্য বিস্তাৰ আৰু বিদ্ৰোহ দমনত বেছি সময় কটাৰ লগীয়া হোৱাত তেওঁলোকে শিক্ষা বিস্তাৰত একেবাৰে প্ৰাধান্য দিয়া নাছিল।

এই সময়লৈকে প্ৰাচ্যৰ ভাষা সংস্কৃত আৰু আৰবীৰ মাধ্যমেৰে প্ৰাচ্যৰ সাহিত্য চৰ্চাৰ ওপৰত জোৰ দিছিল। শাসকসকলে ৰাজনৈতিক কাৰণত এই উদ্দেশ্য গ্ৰহণ কৰিছিল। হিন্দু আৰু মুছলমানসকলে যাতে তেওঁলোকৰ সাংস্কৃতিক জীৱনত ইংৰাজে হস্তক্ষেপ কৰিছে বুলি ধাৰণা নকৰে আৰু সেয়ে যাতে বিদ্ৰোহৰ কাৰণ হৈ নপৰে তাৰ ওপৰতহে শাসকসকলে বেছি গুৰুত্ব দিছিল। মিছনাৰীসকলে দেশীয় ভাষাতে শিক্ষাদান কৰাৰ ফলত প্ৰাচ্য শিক্ষাই প্ৰাধান্য লাভ কৰিছিল।

কিন্তু ইংৰাজ শাসকে ৰাজ্য বিস্তাৰ কৰি নিজ শাসনৰ গোজ পুতি লোৱাৰ পিছত আৰু নতুন নতুন ইংৰাজ কৰ্মচাৰী ভাৰতলৈ আহিবলৈ ধৰিলে। তেওঁলোকৰ মাজত শিক্ষাৰ মাধ্যম আৰু বিষয়-বস্তুলৈ দ্বি-মত হৈছিল। নতুন কৰ্মচাৰীসকলে ইংৰাজী শিক্ষাৰ মাধ্যমেৰে পশ্চিমীয়া বিষয়বস্তু শিকোৱাত মত দিছিল, যাতে সদায় ইংলণ্ডৰপৰা কৰ্মচাৰী অনাতকৈ ইয়াতে দেশীয় মানুহক শিক্ষিত কৰি কামত নিযুক্ত কৰিব পাৰি। এই মতৰ বাদানুবাদে ইংৰাজ কৰ্মকৰ্তাসকলৰ মাজত দুটাদলৰ সৃষ্টি কৰিছিল। শিক্ষিত ভাৰতীয়-সকলেও বিভিন্ন মত দিছিল। কিন্তু ৰাজা ৰামমোহন ৰায়ৰ দৰে প্ৰখ্যাত মানুহেও ইংৰাজী শিক্ষাৰ পক্ষেহে মত দিছিল।

জন-শিক্ষাৰ সাধাৰণ সভা স্থাপন (General Committee of Public Instruction ঃ ভাৰতত পোন প্ৰথমে জনশিক্ষাৰ সাধাৰণ সভা ১৮২৩ চনৰ ১৭ জুলাইত পতা হয়। বঙ্গদেশে ইয়াত আগ ভাগ লয় আৰু এই সভা কলিকতাত স্থাপন কৰা হয়। ইয়াত দহজন সদস্য আছিল আৰু ইয়াৰ বেছিভাগে সংস্কৃত আৰু আৰবী ভাষা আৰু সাহিত্যৰ উন্নতিৰ পক্ষপাতী আছিল। ফলত কলিকতাৰ মাদ্ৰাচা, বেনাৰচৰ সংস্কৃত কলেজ পুনৰ সংগঠন কৰা হৈছিল। নতুনকৈ সংস্কৃত কলেজ স্থাপন কৰাৰ সিদ্ধান্তও লৈছিল। সংস্কৃত আৰু আৰবী ভাষাৰ কিতাপ প্ৰকাশ কৰিছিল। ইংৰাজী

কিতাপো এইকেইটা ভাষালৈ অনুবাদ কৰিবৰ বাবে পণ্ডিত নিযুক্ত কৰিছিল।

১৮২৩ চনৰ ১১ ডিচেম্বৰত কলিকতাত সংস্কৃত কলেজ স্থাপন কৰাৰ প্ৰতিবাদ জনাই ৰাজা ৰামমোহন ৰায়ে এখন স্মাৰক পত্ৰ চৰকাৰৰ ওচৰত দিছিল। ইয়াত তেওঁ অঙ্ক, প্ৰাকৃতিক দৰ্শন, ৰসায়ন বিজ্ঞান আদি কৰি প্ৰয়োজনীয় বিজ্ঞানৰ উন্নত শিক্ষা দিয়াৰ কথা উল্লেখ কৰিছিল আৰু তাৰ বাবে ইউৰোপত বুদ্ধি-বৃত্তি থকা শিক্ষিত মানুহক শিক্ষা দিয়াৰ কথাও উল্লেখ কৰিছিল। সেই সময়ত তেওঁৰ প্ৰস্তাৱ কোনেও মানি নললেও লাহে লাহে শিক্ষিত আৰু ইংৰাজৰ সংস্পৰ্শলৈ অহা মানুহে ইংৰাজী শিকোৱাৰ সপক্ষে মাত মাতিছিল। তাৰ কাৰণ কেবাটাও আছিল। ইংৰাজী ভাষা শিকিলে চৰকাৰী কাম পোৱাত সুবিধা আছিল। দ্বিতীয়তে, মিছনেৰীসকলে পশ্চিমীয়া ঠাচত শিক্ষা দি এই ভাষা জনপ্ৰিয় কৰি তুলিছিল স্কুলত। তৃতীয়তে, ইংৰাজী ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া জ্ঞানৰ সন্তেদ লোৱাৰ সুবিধা আছিল। তাৰ ভিতৰত চৰকাৰী উচ্চ চাকৰি আৰু শকত দৰমহাই ইংৰাজী ভাষাক ৰাজভাষা হিচাপে শিকাৰ প্ৰতি গুৰুত্ব দিছিল।

ইংৰাজী ভাষাত শিক্ষা দিবলৈ সংস্কৃত আৰু আৰবী স্কুল আৰু কলেজত ইংৰাজী ক্লাচ খুলিলে সেইবোৰে বিভিন্ন ঠাইৰ দাবী মানিব পৰা নাছিল। তাৰ উপৰি ৰাজ্যৰ বিস্তৃতিয়ে আৰু ভাৰতত বৃটিছ শাসন কটকটীয়া হোৱাৰপৰা কোম্পানী শাসনকৰ্তাসকলেও ইংৰাজী শিক্ষাৰ আৱশ্যকতা অনুভৱ কৰিব ধৰিছিল। আগৰ দৰে দেশীয় বাসিন্দাসকলক ইংৰাজী শিক্ষা দিয়াত বিদ্ৰোহৰ সৃষ্টি হোৱাৰ সম্ভাৱনা নাছিল। আন ফালে ভাৰতীয় শিক্ষিত মানুহে ইংৰাজী শিক্ষা প্ৰবৰ্তনৰ দাবী কৰিছিল। ফলত কলিকতাত থকা উপদেষ্টাৰ সভাৰ (court of director) দহজন সদস্যৰ ভিতৰত পাঁচজনে ইংৰাজী শিক্ষাৰ সপক্ষে মত দিছিল।

মেক'লেৰ মত ঃ জনশিক্ষাৰ সাধাৰণ সভাতো সমান সংখ্যকৰ দুটা মত আছিল। লৰ্ড মেক'লে এই সভাৰ সদস্য হলেও তেওঁ বিতৰ্কত ভাগ লোৱা নাছিল। কাৰণ বিষয়টো কাৰ্যনিৰ্বাহক মন্ত্ৰণা সভালৈ (executive council) আহিব বুলি জানিছিল। বিষয়টো তেখেতৰ বিবেচনালৈ অহাত তেখেতে ইংৰাজীৰ সপক্ষে মত দি ১৮৩৫ চনৰ দুই ফেব্ৰুৱাৰীত এখন প্ৰতিবেদন (minute) লিখিছিল। তেখেতৰ প্ৰাচ্যৰ ভাষা, সাহিত্য আৰু সভ্যতা সম্বন্ধে ভাল জ্ঞান নথকাৰ বাবে নাইবা শাসিত শ্ৰেণীক হেয় চকুৰে চোৱাৰ বাবে তেখেতে প্ৰাচ্যৰ ভাষাৰে শিক্ষা দানৰ আৱশ্যকতা অনুভৱ নকৰিছিল। তেখেতে ইংৰাজী ভাষাৰ মাধ্যম হিচাপে লোৱাৰ যুক্তি দেখুৱাই কৈছিল, ইউৰোপীয় ভাল লাইব্ৰেৰীৰ এটা খাপেই ভাৰত আৰু আৰবৰ গোটেই সাহিত্যৰ সমান হব। তাৰ উপৰি ভাৰতীয় দেশীয় ভাষাত সাহিত্যিক আৰু বৈজ্ঞানিক জ্ঞানৰ সম্ভেদ পোৱা নাযায়। গতিকে উচ্চ শিক্ষা লাভ কৰিবলৈ যিসকলৰ বৌদ্ধিক উন্নতি সাধন কৰিব লাগিব তেওঁলোকক ইংৰাজী ভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰিব লাগিব। তেওঁ এই বুলিও যুক্তি দেখুৱাইছিল যে ভাৰতীয়-সকলৰ উন্নতিৰ বাবে তেওঁলোকৰ ৰুচি অনুযায়ী নহয়, স্বাস্থ্যৰ কাৰণে কি ভাল সেই মতেহে শিক্ষাদান কৰিব লাগিব। সেইবাবে প্ৰাচ্যৰ অনুষ্ঠান ৰখাতকৈ হিন্দু-মুছলমানৰ আইনসমূহ ইংৰাজীলৈ অনুবাদ কৰাহে উচিত। শাসনৰ বাবে আৰু শাসিতসকলৰ উন্নতিৰ বাবে মেক'লেই ইংৰাজী ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া জ্ঞান দিয়াৰ পক্ষে মত দিছিল।

লৰ্ড উইলিয়াম বেণ্টিঙ্কৰ এই মত গ্ৰহণ ঃ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিঙ্কে দুয়ো পক্ষৰ মতামত খৰচি মাৰি চাই মেক'লেৰ মত গ্ৰহণ কৰিছিল আৰু ১৮৩৫ চনৰ ৭ মাৰ্চত এই সম্বন্ধে তেওঁ এটা প্ৰস্তাৱ লৈছিল। এই প্ৰস্তাৱৰ মূল উদ্দেশ্য চমুকৈ তলত দিয়া হ'ল ঃ

(১) ইংৰাজ চৰকাৰে ভাৰতীয় প্ৰজাৰ মাজত ইউৰোপৰ সাহিত্য আৰু বিজ্ঞান শিক্ষাৰ বাবে মঞ্জুৰ হোৱা সকলো টকা খৰচ কৰিব।

(২) দেশীয় শিক্ষা দিয়া স্কুল আৰু কলেজ বন্ধ কৰা নহব আৰু আগৰ দৰেই চলি থাকিব।

(৩) প্ৰাচ্য সাহিত্যৰ ওপৰত লিখা কিতাপৰ ছপা বন্ধ থাকিব।

(৪) ইংৰাজী মাধ্যমেৰে পাশ্চাত্যৰ জ্ঞান দিয়া হব আৰু ইয়াৰ বাবে আঁচনিও লোৱা হব।

লৰ্ড উইলিয়াম বেন্টিঙ্কৰ প্ৰস্তাৱে বহুত দিনৰপৰা চলি থকা এটি বাদানুবাদৰ অৱসান ঘটায় যদিও, উত্তপ্ত পৰিবেশৰ শাম কটা নাছিল। প্ৰাচ্য সাহিত্য প্ৰকাশৰ ওপৰত মুঠেই গুৰুত্ব দিয়া নাছিল। ১৮৩৯ চনত লৰ্ড বেন্টিঙ্কৰ পিছত অহা গবৰ্ণৰ জেনেৰেল অকলেণ্ডে আন এখন ঘোষণাত কৈছিল ঃ

(১) প্ৰাচ্যৰ বিদ্যালয়সমূহ চলি থাকিবলৈ আৰু অধ্যাপকসকলৰ বাবে যথেষ্ট পৰিমাণৰ অনুদান দিছিল। ছাত্ৰসকলৰ বাবে বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছিল।

(২) প্ৰাচ্যৰ শিক্ষাৰ বাবে অনুমোদন কৰা টকাৰ ভিতৰত পৰিলে প্ৰাচ্য ভাষাৰ ওপৰত কিতাপ প্ৰস্তুত আৰু ছপা কৰাৰ কথা উল্লেখ কৰিছিল।

(৩) প্ৰাচ্য শিক্ষা দিয়াৰ পিছত আৱশ্যক হলে ইংৰাজী শিক্ষা প্ৰাচ্যৰ কলেজত চলোৱাৰ কথা উল্লেখ কৰিছিল।

শিক্ষাৰ প্ৰসাৰ ঃ ১৮৩৯ চনৰপৰা ভাৰতত ইংৰাজী ভাষাৰ মাধ্যমেৰে শিক্ষা দানৰ নীতি চৰকাৰীভাৱে গ্ৰহণ কৰিছিল। ইয়াৰ কাৰণে ডেকা ইংৰাজ কৰ্মচাৰী আৰু শিক্ষিত ভাৰতীয়ৰ সমৰ্থন লাভ কৰিছিল। ১৮৩৯ চনলৈ ভাৰতত শিক্ষা ব্যৱস্থাত কেইটামান বিষয় দোখবলৈ পোৱা যায়।

(১) ১৮৩৯ চনলৈ ইংৰাজ শাসকে ৰাজ্য বিস্তাৰত অধিক মনযোগ দিব লগীয়া হোৱাত তেওঁলোকে শিক্ষা ব্যৱস্থাৰ ওপৰত

গুৰুত্ব দিয়া নাছিল। ঠায়ে ঠায়ে বিদ্ৰোহ দেখা দিয়াৰ ফলত ইংৰাজ শাসকে কেনেকৈ ভাৰতীয়ক নিজৰ কৰ্তৃত্বৰ তলত ৰাখিব তালৈকেহে চকু দিছিল। ফলত তেওঁলোকে শাসনকাৰ্য চলোৱাতহে বেছি মনযোগ দিছিল।

(২) প্ৰথম চোৱাত তেওঁলোকে ক্ষমতাচ্যুত বিষয়াবৰ্গ আৰু পৰাধীন জনসাধাৰণক সন্তুষ্ট ৰাখিবলৈ তেওঁলোকৰ ভাষা-সাহিত্যৰ উন্নতিৰ বাবে বেছি যত্নপৰ হৈছিল। ১৮১৩ চনৰ চনদেও প্ৰাচ্যৰ শিক্ষা, ভাষা-সাহিত্যৰ উন্নতিৰ বাবে এক লাখ টকা মঞ্জুৰ কৰিছিল। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল দেশীয় মানুহক মনক্ষুণ্ন নকৰি লাহে লাহে তেওঁলোকক শাসনৰ তললৈ অনা। ইংৰাজ শাসন তেতিয়াও এক অস্থিৰ অৱস্থাত থকাৰ বাবে মানুহক তেনেকৈ সন্তুষ্ট কৰিব লগীয়া হৈছিল। এই সময়ৰ ইংৰাজ শাসকেও ভাৰতীয় ভাষা, সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা দেখুৱাইছিল আৰু ইয়াৰ বিকাশৰ বাবে দেশীয় স্কুলৰ উন্নতি সাধন হোৱাতো বিচাৰিছিল।

(৩) খৃষ্টধৰ্ম প্ৰচাৰ কৰা মিছনাৰীসকলে এই সময়ত শিক্ষা প্ৰচাৰত প্ৰধান ভূমিকা লৈছিল। চৰকাৰে টকাহে দিছিল, কিন্তু মিছনাৰীসকলে স্কুল পতাত অধিক মনযোগ দিছিল। ১৭৯৩ ৰপৰা ১৮১৩ চনলৈ চৰকাৰে 'ধৰ্ম নিৰপেক্ষ নীতি' পালন কৰিলেও মিছনাৰীসকলক ভাৰতলৈ অহাত বাধা আৰু অনুদান নিদিলেও ১৮১৩ চনৰপৰা মিছনাৰীসকলে দ্বিগুণ উৎসাহেৰে খৃষ্টধৰ্ম প্ৰচাৰ আৰু স্কুল স্থাপন কৰাত ব্যস্ত আছিল। বহুত সংখ্যক মিছনাৰী ভাৰতলৈ আহিছিল। ফলত ১৮৩৯ চনলৈ শিক্ষা প্ৰসাৰত মিছনাৰীয়ে আগভাগ লৈছিল। স্কুল স্থাপন কৰাত ভাৰতীয়সকলে উদাসীনতা দেখুৱাইছিল।

(৪) ভাৰতৰ বেছি অংশ ইংৰাজ শাসনৰ অধীনলৈ অহাৰ পিছত আৰু শাসনকাৰ্য একসুস্থিৰ গতিত চলাবলৈ নতুন নতুন ডেকা ইংৰাজ কাৰ্মচাৰী অহাত ইংৰাজ শাসকৰ আগৰ মনোভাৱৰো

পৰিবৰ্তন হৈছিল। তেওঁলোকে ভাৰতীয়সকলৰ মন জয় কৰাতকৈ শাসন কৰাৰ মনোবৃত্তিহে লৈছিল। আগৰ দৰে ভাৰতীয় ভাষা সংস্কৃতক সম্মান দেখুৱাতকৈ হেয় চকুৰে চাইছিল। আৰু উন্নত শিক্ষা দিবলৈ তেওঁলোকে ইংৰাজী ভাষাৰ মাধ্যমেৰে পাশ্চাত্য সাহিত্য আৰু বিজ্ঞান শিক্ষা দিয়াৰ ওপৰতহে জোৰ দিছিল। ফলত ১৮৩৫ আৰু ১৮৩৯ চনত ইংৰাজী ভাষাক মাধ্যম কৰি ইউৰোপৰ সাহিত্য আৰু বিজ্ঞানৰ জ্ঞান দানৰ সিদ্ধান্ত চৰকাৰে লৈছিল।

(৫) ১৮৩৯ চনলৈ ইংৰাজ চৰকাৰে কোনো নিৰ্দিষ্ট শিক্ষা ব্যৱস্থাৰ প্ৰস্তাৱ লোৱা নাছিল। কোনো ঠাইতে বিশ্ববিদ্যালয় স্থাপন হোৱা নাছিল আৰু শিক্ষাৰ কাম চলাবলৈ শিক্ষা বিভাগো খোলাৰ কথা ভবা নাছিল। দুই-এঠাইত চৰকাৰী অনুদানত ইংৰাজী স্কুল খুলিলেও কোনো স্পষ্ট শিক্ষানীতি নাছিল। এই সময়ত শিক্ষাৰ প্ৰসাৰতকৈ শিক্ষাৰ মাধ্যম কি হব সেই লৈ বাকবিতণ্ডাতহে বেছি সময় গৈছিল। ১৮৩৯ চনলৈ ভাৰতত ইংৰাজ চৰকাৰে শিক্ষাপ্ৰসাৰত কোনো নিৰ্দিষ্ট নীতি গ্ৰহণ কৰা নাছিল।

দ্বিতীয় অধ্যায়

অসমত ইংৰাজী শিক্ষাৰ আৰম্ভণি

স্বাধীন অসমে পৰাধীনতাৰ শৃংখল পিন্ধিব লগীয়া হয় ১৮২৬ চনত। আহোম ৰাজত্বৰ শেষৰ ফালে ব্ৰহ্মদেশৰপৰা মানসকল আহি অসম আক্ৰমণ কৰি অসমৰ সামাজিক জীৱন ওলট পালট কৰি দিছিল। সোতৰবাৰ মানে অসম ৰাজ্যৰ ওপৰত আক্ৰমণ চলাই, মানুহৰ ওপৰত অমানুষিক আৰু বৰ্বৰ অত্যাচাৰ চলাই অসমত অৰাজকতাৰ সৃষ্টি কৰিছিল। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক অৱস্থা আৰু ব্যক্তিগত পৰিয়ালৰ অৱস্থা শোচনীয় কৰি তুলিছিল। আহোম ৰজা পুৰন্দৰ সিংহ নিজ ৰাজধানী এৰি পলাই যাব লগীয়া হোৱাত প্ৰজাসকলেও মানৰ আক্ৰমণৰ ভয়ত পলাই হাবিত লুকাই থকা অৱস্থা হৈছিল। মানৰ এই বৰ্বৰ অত্যাচাৰৰপৰা হাত সাৰিবলৈ কেইজনমান আহোম বিষয়াৰ অনুৰোধক্ৰমে ইংৰাজ ফৌজ অসমলৈ আহিছিল আৰু যুদ্ধত মানক হৰুৱাইছিল। ১৮২৬ চনত ইংৰাজসকলৰ লগত ব্ৰহ্মদেশৰ ৰজাৰ ইয়াণ্ডাবু নামে ঠাইত সন্ধি হয়। ফলত অসম ইংৰাজৰ শাসনলৈ আহে।

অৰাজকতাত অবৰ্ণনীয় কষ্ট পোৱা প্ৰজাই দেশত শান্তি স্থাপন হোৱাত ইংৰাজক ত্ৰাণকৰ্তা বুলি গণ্য কৰিছিল; কিন্তু কিছুদিনৰ ভিতৰতে বিদ্ৰোহৰ জুই জ্বলিছিল। ইংৰাজসকলে সহজে তাক দমন কৰিছিল। মানুহৰ মন জয় কৰিবলৈ তেওঁলোকে পুৰণি শিক্ষানুষ্ঠান যেনে পাঠশালা, সত্ৰ, মাদ্ৰাচা, মোকতাব আদিত সাহায্য আগবঢ়াইছিল আৰু নতুন স্কুল স্থাপন কৰাত উদগনি দিছিল। শান্তি স্থাপনৰ লগে লগে গুৰুসকলেও সেইবোৰ পুনৰ প্ৰবৰ্তনৰ চেষ্টা কৰিছিল।

ইংৰাজ শাসকৰ নীতি ঃ অসম ইংৰাজৰ তললৈ অহাৰ পিছত ইয়াৰ শাসন ভাৰ লবলৈ ডেফিড স্কট নামেৰে এজন সুদক্ষ ইংৰাজক উত্তৰ অঞ্চলৰ গবৰ্ণৰ জেনেৰেলৰ এজেণ্ট কৰি পঠিয়াইছিল। এই সুচতুৰ শাসকজনে বুজি পাইছিল যে কোনো দিন বিদেশীৰ বশ্যতা স্বীকাৰ নকৰা আহোম ৰাজপুৰুষসকলে দেশৰ এই নতুন পৰিবৰ্তন ভাল চকুৰে চোৱা নাছিল। পিয়লিফুকন, মণিৰাম দেৱান আৰু আন আহোম ৰাজবিষয়াৰ বিদ্ৰোহে ইংৰাজ শাসকক সচেতন কৰি তুলিছিল। এওঁলোকক শাসনৰ তললৈ আনিবলৈ আহোম বিষয়া আৰু তেওঁলোকৰ অঙহী বঙহীক শাসনকাৰ্যত বিষয়বাব দিবলৈ ধাৰাছল। আনকি কিছুদিনলৈ ৰাজহ আৰু মাটি সংক্ৰান্ত কোনো পৰিবৰ্তন আনিবলৈকে ভয় কৰিছিল।

শিক্ষাৰ ক্ষেত্ৰতো তেতিয়া স্কটে কোনো পৰিবৰ্তন আনিব খোজা নাছিল। আগৰ দৰেই পাঠশালা, টোল, সত্ৰ, মাদ্ৰাচা আদি শিক্ষানুষ্ঠান পতাত উৎসাহ দেখুৱাইছিল। সংস্কৃত ভাষাৰ মাধ্যমে টোল আদিত শিক্ষা দান কৰাত বাধা দিয়া নাছিল। দেশীয় শিক্ষা পদ্ধতি প্ৰসাৰৰ বাবে তেওঁ ১৮২৬ চনত ১১ খন স্কুল স্থাপন কৰাৰ অনুমতি ভাৰত চৰকাৰৰপৰা লৈছিল। আৰু ইয়াৰ শিক্ষাৰ মাধ্যম আছিল সংস্কৃত। ১৮১৩ চনৰ চনদত প্ৰাচ্যৰ সংস্কৃত আৰু আৰবী ভাষা আৰু সাহিত্যৰ উন্নতিকল্পে উৎসাহ দিয়াৰ যি প্ৰস্তাৱ লৈছিল ডেভিদ স্কটেও সেই নীতিকে অসমতো প্ৰবৰ্তন কৰিছিল। এই নীতি প্ৰবৰ্তন কৰাৰ মূলতে আছিল বিদেশী শাসকৰ প্ৰতি বিদ্বেষ ভাব গুচোৱা আৰু মানুহৰ মনত শাসনকাৰ্যৰ প্ৰতি বিশ্বাস স্থাপন কৰা। তেওঁলোকে যে দেশীয় স্কুলৰ পৰিবৰ্তন আনিব খোজা নাই তাক প্ৰমাণ কৰিবলৈ তেওঁ দেশীয় স্কুল পাতিবলৈ মাটি আৰু টকাৰ অনুদান দিছিল আৰু তাৰপৰা পাছ কৰা ল'ৰাক চৰকাৰী কাম দিছিল। আহোমৰ ৰাজত্ব কালত থকা ডা-ডাঙৰীয়াক বিষয়বাব দি বিদ্ৰোহৰ বীজ মৰাৰ চেষ্টা কৰিছিল।

প্ৰথমে অসমত ৰাজ্য বিস্তাৰ আৰু পাহাৰীয়া জাতিৰ সঘনে হোৱা বিদ্ৰোহ দমন কৰাত ব্যস্ত থাকিব লগীয়া হলেও লাহে লাহে গোটেই অসমতে ইংৰাজৰ শাসন প্ৰবৰ্তন কৰিছিল। দেশীয় মানুহ লৈ শাসনকাৰ্য চলাবলৈ ডেভিদ স্কটে যথেষ্ট অসুবিধা পাইছিল। কাৰণ আহোম আৰু ইংৰাজৰ শাসন প্ৰণালী সম্পূৰ্ণ বেলেগ আছিল। তাৰ উপৰি টোল বা মাত্ৰাচাত পাছ কৰা ল'ৰা বা পুৰণি আহোম ৰজাৰ আমোলাই ইংৰাজৰ শাসন কাৰ্যাৱলী বুজি নাপাইছিল আৰু হিচাপপত্ৰ ৰখা, ফাইল ৰখা আদি কৰি তেওঁলোকৰ পদ্ধতি অনুসৰণ কৰিব নোৱাৰিছিল। দেশীয় স্কুলত লাভ কৰা জ্ঞানে তেওঁলোকক ভাল কৰ্মচাৰী হবলৈ নিশিকাইছিল। তাৰ উপৰি মাটিৰ পট্টন, ৰাজহৰ নতুন নিয়ম আদি প্ৰবৰ্তন কৰাৰ লগে লগে দেশীয় লোকে শাসন-কাৰ্যত কাম কৰিবলৈ টান পাইছিল। দেশীয় লোকেৰে কাম চলাব নোৱাৰাত ডেভিড স্কটে বঙ্গদেশৰপৰা বঙালী মানুহক বেছি দৰমহা দি অসমলৈ লৈ আহিছিল। বঙ্গদেশ অসমতকৈ ৭০ বছৰৰ আগতে ইংৰাজ শাসনৰ তললৈ আহিছিল আৰু সেই কাৰণে বঙালীলোকে ইংৰাজী শিক্ষা লাভ কৰাৰ উপৰিও ইংৰাজৰ শাসন পদ্ধতিৰ লগত সহজ হৈ পৰিছিল। ফলত বঙালী আমোলাই ইংৰাজৰ কৰ্মচাৰী হিচাপে অসমলৈ আহিব ধৰিছিল।

ডেভিদ স্কটে স্থানীয় লোকক ইংৰাজী শিক্ষা দিয়াৰ আৱশ্যকতা অনুভৱ কৰি এখন ইংৰাজী স্কুল খোলাৰ কথা ভাবিছিল।

সেইসময়ত ইংৰাজ শাসকৰ সংস্পৰ্শত অহা অসমীয়া বিষয়াই ইংৰাজী শিক্ষাৰ আৱশ্যকতা অনুভৱ কৰি ল'ৰাক ইংৰাজী শিকোৱাৰ চেষ্টা কৰিছিল। ১৮৩৫ চনত গবৰ্ণৰ জেনেৰেল লৰ্ড বেন্টিঙ্কে মেক'লেৰ প্ৰতিলিপি গ্ৰহণ কৰাৰ লগে লগে চৰকাৰীভাৱে ইংৰাজী ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া শিক্ষা দিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

অসমত নতুন শিক্ষানীতি ঃ ডেভিদ স্কটে শাসনৰ সুবিধাৰ্থে স্থানীয় মানুহক ইংৰাজী শিক্ষা দিবলৈ ইংৰাজী স্কুল খোলাৰ কথা

ভাবিলেও ১৮৩১ চনত তেওঁৰ মৃত্যু হোৱাত সেই ইচ্ছা পূৰণ নহ'ল। ১৮৩৪ চনত কেপ্টেইন জেনকিন্স অসমৰ কমিচনাৰ হৈ আহিছিল। তেওঁ ভাল দৰে বুজি পাইছিল যে ইংৰাজী ভাষাৰ চৰ্চা নথকাৰ বাবে আৰু ইংৰাজী স্কুল নোহোৱাৰ কাৰণে স্থানীয় লোকে চৰকাৰী চাকৰি পোৱাৰপৰা বঞ্চিত হৈছিল। তাৰ উপৰি ১৮৩১ চনৰপৰা প্ৰবৰ্তন কৰা নতুন শাসনকাৰ্য, আইন শৃঙ্খলা, ৰাজহ আৰু মাটিৰ পট্টত আৰু নতুন নতুন নিয়ম আৰম্ভ কৰাৰ লগে লগে ইংৰাজী জনা লোকৰ প্ৰয়োজন হৈ পৰিছিল। বঙ্গদেশৰপৰা মানুহ আনি শাসনকাৰ্য চলোৱাটো ব্যয় বহুল হৈ পৰিছিল। কেপ্টেইন জেনকিন্সে বুজি পাইছিল যে প্ৰয়োজনত পৰি বহিৰাগত লোকক অসমলৈ অনাৰ ফলত স্থানীয় লোক তেওঁলোকৰ প্ৰাপ্যদাবীৰপৰা বঞ্চিত হৈছিল। এনে অৱস্থাই অসমীয়া মানুহৰ মাজত অসন্তোষৰ সৃষ্টি কৰি বিদ্ৰোহৰ কাৰণ হব বুলি ভাবিছিল। এই মৰ্মে তেওঁ ভাৰত চৰকাৰলৈ এখন চিঠি লিখি অসমীয়া মানুহক শিক্ষিত কৰিবলৈ কেবাখনো ইংৰাজী স্কুল স্থাপন কৰিবলৈ প্ৰস্তাৱ দিছিল। তেওঁ ১২,০০০ টকাৰ এটা মঞ্জুৰি স্কুলস্থাপনৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত অনুৰোধ জনাইছিল। ভাৰত চৰকাৰে জেনকিন্সৰ চিঠিৰ ওপৰত গুৰুত্ব দি ইংৰাজী স্কুল পতাত সহাৰি জনাইছিল। কিন্তু কেবাখনো স্কুল-পতাৰ সলনি এখন ইংৰাজী স্কুল গুৱাহাটীত পতাৰহে মত দিছিল।

বৃটিছৰ তললৈ অহাৰ পিছত ১৮৭৪ চনলৈ অসম বঙ্গদেশৰ এটি অংশ হিচাপেহে আছিল। ফলত বঙ্গ চৰকাৰেও অসমৰ শিক্ষাৰ প্ৰসাৰৰ ওপৰত বেছিকৈ গুৰুত্ব নিদি এটা স্কুল খোলাতে মান্তি হৈছিল। ১৮৩৫ চনত গুৱাহাটীত প্ৰথম ইংৰাজী স্কুল স্থাপন হয়। ইয়াৰ প্ৰধান শিক্ষক আছিল এজন ইংৰাজ। তেখেতৰ নাম আছিল মিঃ চিঙ্গাৰ। অসমৰ নিচিনা আওহতীয়া ঠাইত স্কুল পাতিব লগীয়া হোৱাত তেখেতক সেই সময়ৰ উচ্চ দৰমহা মাহে ১৫০ টকাকৈ

দিছিল। এখেতৰ তত্ত্বাৱধানতে এই স্কুলে উন্নতি কৰিবলৈ ধৰিছিল। একে সময়তে শিৱসাগৰতো এখন ইংৰাজী স্কুল খুলিছিল; কিন্তু পিছলৈ গুৱাহাটী কলেজিয়েট স্কুলেই উচ্চ শিক্ষাৰ কেন্দ্ৰ হৈ পৰে।

হাইস্কুল স্থাপন: গুৱাহাটীৰ ইংৰাজী স্কুলে অসমত ইংৰাজী শিক্ষাৰ পাতনি মেলাত সহায় কৰিছিল। ইয়াৰ পিছতে কেবাখনো মধ্য ইংৰাজী আৰু মধ্য অসমীয়া স্কুল স্থাপন কৰা হৈছিল।

মূল নগৰবোৰতো লাহে লাহে চৰকাৰে নিজৰ খৰচতে হাইস্কুল স্থাপন কৰিছিল। ১৮৫৪ চনত "উডচ্‌ৰ বিখ্যাত ঘোষণাই উচ্চস্তৰত ইংৰাজী ভাষাক মাধ্যম কৰাৰ প্ৰস্তাৱ লোৱাৰ পিছৰপৰা অসমতো সকলো হাইস্কুলতে ইংৰাজী মাধ্যম ব্যৱহাৰ কৰিছিল।"

অসমত ৰক্ষণশীল সমাজত এসময়ত ইংৰাজী ভাষা শিকাটো অতি গৰ্হিত কাম হিচাপে গণ্য কৰা হৈছিল। লুকাই চুৰকৈ হেমচন্দ্ৰ বৰুৱাকে আদি কৰি কেইজনমান উৎসাহী যুৱকে ইংৰাজী শিকি চৰকাৰী কাম পোৱাৰ পিছৰেপৰা ইয়াৰ প্ৰতি বিদ্বেষ ভাবটো মানুহৰ মনৰপৰা নাইকিয়া হবলৈ ধৰিলে। ইংৰাজী স্কুলত পঢ়াটোৱে সামাজিক স্বীকৃতি লাভ কৰিছিল। ইংৰাজী শিক্ষাই চৰকাৰী চাকৰি পোৱাত সহজ কৰিছিল। এই চাকৰিত থাকি আড়ম্বৰপূৰ্ণ জীৱননিৰ্বাহ কৰাত সহজ হয় কাৰণে মানুহৰ ধাউতিও ইংৰাজী শিক্ষাৰ প্ৰতি আগতকৈ বাঢ়িবলৈ ধৰিছিল। ১৮৫৪ চনতে চৰকাৰে স্থানীয় লোকৰ উদ্যোগত হাইস্কুল পতাৰ কথা উল্লেখ কৰিছিল। চৰকাৰে কেৱল অনুদানহে দিয়াৰ সিদ্ধান্ত লৈছিল। আন প্ৰদেশত সাহায্যপ্ৰাপ্ত স্কুলৰ সংখ্যা বাঢ়ি আহিলেও অসমত কুৰি শতিকাৰ আগভাগলৈ কোনো অসমীয়াই হাইস্কুল পতাত আগবাঢ়ি অহা নাছিল। চৰকাৰেই স্কুল স্থাপন কৰি দিছিল। ১৮৭৩-৭৪ চনত চৰকাৰে মাত্ৰ ছয়খন হাইস্কুল স্থাপন কৰিছিল। ১৮৮৩-৮৪ চনত ১১খন হাইস্কুলৰ ভিতৰত ৯খন চৰকাৰৰ আৰু ৩ খন বেচৰকাৰী হাইস্কুল আছিল। কিন্তু কুৰি শতিকাৰ প্ৰথম দশকৰপৰা হাইস্কুলৰ

সংখ্যা বাঢ়িবলৈ ধৰিছিল। ১৯৩৬-৩৭ চনত ৮৪ খন হাইস্কুল বাঢ়ি ১৯৪৭-৪৮ চনত ১৯১ খন হৈছিল আৰু মধ্য স্কুল ৪৬৬ খনৰপৰা ৭৪২ খনলৈ বাঢ়িছিল।

১৮৫৪ চনত উডৰ ঘোষণা মতে প্ৰত্যেক প্ৰদেশতে একোটাকৈ শিক্ষা বিভাগ খোলাৰ প্ৰস্তাৱ দিছিল। ফলত ১৮৫৬ চনৰপৰা প্ৰত্যেক প্ৰদেশতে চৰকাৰক শিক্ষা বিষয়ত উপদেশ দিবলৈ একোটাকৈ শিক্ষা বিভাগ খুলিছিল। অসম ১৮৭৪ চনলৈ বঙ্গদেশৰ তলত থকা বাবে ইয়াৰ কোনো শিক্ষা বিভাগ নাছিল। ই বঙ্গদেশৰ শিক্ষা বিভাগৰ তলতে আছিল। ১৮৭৪ চনৰ পিছতহে অসম প্ৰদেশত বেলেগ শিক্ষা বিভাগ খুলিছিল আৰু অসমৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰখাত সুবিধা হৈছিল। শিক্ষা বিভাগে অনুদান বিতৰণ কৰাৰ অধিকাৰ পোৱাৰ পিছত অসমলৈ সাধাৰণতে কম পৰিমাণৰ অনুদান দিয়া হৈছিল। কম সংখ্যক পৰিদৰ্শক থকাৰ কাৰণে স্কুলসমূহো উপযুক্তভাৱে পৰিদৰ্শন কৰা নহৈছিল। সাহায্য প্ৰাপ্ত স্কুলসমূহৰ অনুদান যথেষ্ট পৰিমাণৰ নোহোৱাৰ বাবে ইয়াৰ অৱস্থাতো উন্নতি হোৱা নাছিল। শিক্ষাৰ্থীক কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰথম পৰীক্ষাৰ (পিছলৈ মেট্ৰিক বুলি জনাজাত) বাবে প্ৰস্তুত কৰাই হাইস্কুলসমূহৰ উদ্দেশ্য আছিল।

প্ৰাথমিক শিক্ষা ঃ প্ৰথম অৱস্থাত ইংৰাজ শাসকে দেশীয় স্কুল স্থাপন কৰি প্ৰাথমিক শিক্ষা দিয়াৰ উৎসাহ দেখুৱাইছিল। উচ্চবৰ্ণৰ মাজত শিক্ষা দিয়াৰ ব্যৱস্থা আহোম ৰাজত্বৰ দিনৰেপৰা আছিল। আৰু সেয়ে বৃটিছৰ দিনতো প্ৰবৰ্তন কৰিছিল। ব্ৰাহ্মণসকলে টোল স্থাপন কৰি সংস্কৃত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল, পাঠশালা স্থাপন কৰি অসমীয়া ভাষাত লিখা-পঢ়া আৰু অঙ্ক শিকাইছিল, আৰু মাদ্ৰাচা আৰু মোকতাবত আৰবী ভাষাত মুছলমানসকলক সাক্ষৰ কৰাৰ উপৰিও ধৰ্মজ্ঞান দিছিল।

১৮৫৪ চনত উডৰ ঘোষণা মতে চৰকাৰে ভাৰতীয় জনসাধাৰণৰ

মাজত শিক্ষা প্ৰচাৰৰ দায়িত্ব লৈছিল ; কিন্তু তেওঁলোকে মন্তব্য দিয়ে যে পাশ্চাত্য জ্ঞান, নৈতিক শিক্ষা আৰু বিজ্ঞানৰ অবদানৰ জ্ঞান ভাৰতীয় লোকসকলক স্কুলৰ মাধ্যমেৰে দিব লাগে। শিক্ষাৰ মাধ্যম প্ৰাথমিক স্তৰত মাতৃভাষা হলেও পাঠ্যক্ৰমৰ বেছিভাগ অংশ পাশ্চাত্যৰপৰা লোৱাৰ পৰামৰ্শ দিছিল।

ফলত এক নতুন ধৰণৰ প্ৰাথমিক শিক্ষা চৰকাৰৰ পৰিচালনাত বিভিন্ন ঠাইত স্থাপন হৈছিল। বে-চৰকাৰী অনুষ্ঠানে চৰকাৰৰ অনুদান (grant) লৈ প্ৰাথমিক স্কুল স্থাপন কৰিব পাৰিলেও উডৰ ঘোষণাই প্ৰাথমিক স্কুল স্থাপন কৰাৰ ওপৰতহে চৰকাৰে বেছি জোৰ দিছিল।

১৮৮২ চনত হাণ্টাৰ কমিছনে প্ৰাথমিক স্কুল লোকেল আৰু মিউনিচিপেল ব'ৰ্ডৰ তত্বাৱধানত প্ৰসাৰ হোৱাৰ পক্ষে মত দিছিল। ভাৰত চৰকাৰে ১৮৮৪ চনত এক শিক্ষানীতি গ্ৰহণ কৰে, য'ত প্ৰাথমিক শিক্ষা চৰকাৰৰপৰা নি লোকেলব'ৰ্ডৰ দায়িত্বত দিয়ে। কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰণ কৰি অসমত লোকেলব'ৰ্ড স্থাপন কৰি প্ৰাথমিক শিক্ষাৰ দায়িত্ব তেওঁলোকৰ হাতত অৰ্পন কৰা হয়।

প্ৰথম অৱস্থাত লোকেলব'ৰ্ডে নিজৰ সংগঠনৰ ওপৰত বেছিকৈ চকু দিব লগীয়া হৈছিল। মেম্বৰসকলেও নিজৰ দায়িত্ব আৰু কৰ্তব্য সম্বন্ধে বৰ তৎপৰ নাছিল। তাৰ উপৰি ব'ৰ্ডৰ অৰ্থ সামৰ্থ তেনেই কম আছিল। চৰকাৰে যদিও কৰ লগাই অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব নিৰ্দেশ দিছিল ; কিন্তু লোকেলব'ৰ্ডে তেনে ব্যৱস্থা লৈ মানুহৰ মাজত অসন্তোষৰ সৃষ্টি হব বুলি ভয় কৰিছিল। কেন্দ্ৰীয় বা প্ৰাদেশিক চৰকাৰেও শকত অংশৰ অনুদান লোকেলব'ৰ্ডলৈ আগবঢ়োৱা নাছিল। তাৰ ফলত লোকেলব'ৰ্ডে ৰাস্তা-ঘাটলৈ চকু দিওঁতে শিক্ষালৈ আওকাণ কৰিছিল। হাণ্টাৰ কমিছনে ১৮৮২ চনতে শিক্ষাৰ কাৰণে লোকেলব'ৰ্ডে বেলেগ এটা ফাণ্ড খোলাৰ কথা কৈছিল। কিন্তু কোনো কোনো লোকেলব'ৰ্ডত ফাণ্ড খুলিলেও

সেই টকা আন কামত ব্যৱহাৰ কৰা হৈছিল। ফলত লোকেল-ব’র্ডে প্ৰাথমিক স্কুল দুই-এখন স্থাপন কৰিলেও ইয়াৰ প্ৰসাৰৰ সম্পূর্ণ দায়িত্ব লোৱা নাছিল।

হাণ্টাৰ কমিছনে প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ বাবে পৰীক্ষাৰ ফলাফলৰ ওপৰত অনুদান (payment by results grant) দিয়াৰ ব্যৱস্থা কৰিছিল। সহকাৰী ইন্সপেক্টৰে স্কুলত আহি পৰীক্ষা লৈ যিমান সংখ্যক ল’ৰা কৃতকাৰ্য হোৱা বুলি ঘোষণা কৰে তাৰ ওপৰত ভিত্তি কৰি শিক্ষকক অনুদান দিয়াৰ ব্যৱস্থা কৰিছিল। অসমত এনেধৰণৰ অনুদানৰ ব্যৱস্থা আগৰেপৰা আছিল। ১৮৭১ চনত চাৰ জৰ্জ কেম্পবেলে বঙ্গদেশত ৪০০,০০০ টকাৰ অনুদান দিছিল এই অনুদান মতে প্ৰত্যেক শিক্ষকক মাহে ২ টকাৰপৰা ৫ টকাৰ ভিতৰত এটি বৃত্তি দিছিল। গাঁৱৰ লোকসকলে খাদ্যবস্তু দি শিক্ষকক সহায় কৰাৰ উপৰিও চৰকাৰে টকাৰে সহায় কৰিলে শিক্ষকেও পঢ়াবলৈ উৎসাহ পাব আৰু ৰাইজেও আৰু স্কুল সভাৰ উদগনি পাব বুলি আশা কৰিছিল।

হাণ্টাৰ কমিছনে পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিহে অর্থ সাহায্য দিয়াৰ কথা উল্লেখ কৰিছিল। অসমত ফলাফলৰ ওপৰত সম্পূর্ণভাৱে অনুদান দিয়াৰ ব্যৱস্থা চৰকাৰে লবলৈ সঙ্কোচ কৰিছিল। কাৰণ শিক্ষকক মাহিলী টকা দিয়াৰ ব্যৱস্থা উঠাই দিলে তেওঁলোকে পঢ়োৱাত উৎসাহ নেদেখুৱাব বুলি সন্দেহ কৰিছিল। সেই কাৰণে মাহিলী ৮ টকা নিৰ্ধাৰিত কৰি বাকীখিনি শিক্ষাৰ্থীৰ ফলাফলৰ ওপৰতহে অনুদান দিয়াৰ ব্যৱস্থা কৰিছিল। কেৱল এটা নিয়ম কৰিলে যে ছয় টকাতকৈ যাতে বেছি অনুদান কোনো শিক্ষকে নাপায়।

এনেধৰণৰ অনুদানে স্কুলৰ সংখ্যা বঢ়ালেও শিক্ষাৰ মানদণ্ড বঢ়াব পৰা নাছিল। বহুক্ষেত্ৰত দেখা গৈছিল যে শিক্ষকৰ নিজৰ শিকোৱাৰ যোগ্যতা নাথাকিলেও অনুদান পোৱাৰ আশাত স্কুল

খুলিছিল। ইন্সপেক্টৰ অহাৰ সময়ত বহুত দিন অনুপস্থিত থকা বা নপঢ়া ল'ৰাকো শিকাই বুজাই পৰীক্ষা দিয়াবলৈ আনিছিল। ছাত্ৰৰ উপস্থিতিৰ মিছা ৰেকৰ্ড ৰাখিছিল। পৰীক্ষাৰ সময়ত মুখস্থ কৰাৰ ওপৰত জোৰ দি পঢ়াইছিল, কিন্তু পৰীক্ষা শেষ হোৱাৰ পিছত নিজেও খেতিত লাগিছিল। স্কুল বহাৰ কোনো নিৰ্দিষ্ট সময় নাছিল। স্কুল ঘৰবো অৱস্থা শোচনীয় আছিল। শিক্ষকে পোৱা অনুদান অতি কম হোৱাৰ কাৰণে তেওঁলোকে ডাঙৰ ল'ৰাকো পৰীক্ষা দিয়াবলৈ আনিছিল।

ফলাফলৰ ওপৰত নিৰ্ভৰ কৰা অনুদানে প্ৰথমতে স্কুলৰ সংখ্যা বঢ়ালেও লাহে লাহে কমি আহিবলৈ ধৰে। সহকাৰী ইন্সপেক্টৰৰ সংখ্যা তেনেই কম থকা কাৰণে সকলো ঠাইতে পৰীক্ষা নিয়মিতভাৱে লব নোৱাৰিছিল। ফলত শিক্ষকসকলে চাৰি-পাঁচ মাহলৈ দৰমহা নোপোৱাত স্কুল চলাই থকাৰ ইচ্ছা এৰি দিছিল। শিক্ষাৰ্থীৰ উপস্থিতিৰ ওপৰতো জোৰ দিয়া নাছিল। ফলত স্কুল বন্ধ হৈ গৈছিল। ১৯০৪ চনত লৰ্ড কাৰ্জনে এই নীতি ত্যাগ কৰি নতুন নিয়মেৰে অনুদান দিয়াৰ প্ৰস্তাৱ লৈছিল। কিন্তু অসমত ১৯১৭ চনলৈ এই নিয়মেৰে অনুদান দিয়াৰ ব্যৱস্থা থকা কাৰণে শিক্ষাৰ বিস্তাৰ আৰু মানদণ্ড কমি গৈছিল।

অসমত প্ৰাথমিক শিক্ষা অতি ধীৰ গতিত আগবঢ়া কাৰণে লোকেলবৰ্ডেও ইয়াৰ প্ৰসাৰৰ কোনো উৎসাহ নেদেখুৱাত আৰু চৰকাৰেও বেছিকৈ অৰ্থ সাহায্য নিদিয়াত ইয়াৰ বাধ্যতামূলক কৰাৰ প্ৰশ্ন অহাই নাছিল। ১৯১৮ চনৰপৰা ভাৰতৰ আন আন প্ৰদেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰাৰ লগে লগে অসমলৈও তাৰ ঢৌ আহিছিল। ১৯২৬ চনত চৰকাৰে 'বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন' প্ৰণয়ন কৰে, কিন্তু কোনো লোকেলবৰ্ডে সক অঞ্চলতো ইয়াক প্ৰৱৰ্তন কৰিবলৈ আগবাঢ়ি নাহিল। স্বাধীনতা লাভ কৰাৰ পিছত কেবাখনো আইন প্ৰণয়ন কৰা হৈছিল, কিন্তু

বৰ্তমানলৈকে সম্পূৰ্ণভাৱে সকলো ঠাইতে বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰা নাছিল। গতিকে বেছিভাগ লোকে নিৰক্ষৰতাৰ গৰাহৰপৰা ওলাই আহিব পৰা নাছিল। স্বাধীনতাৰ আগলৈকে প্ৰাথমিক স্কুলৰ ধীৰ প্ৰসাৰৰ বাবে ইংৰাজ চৰকাৰৰ উদাসীনতা, কম অনুদান, জনসাধাৰণৰ উদাসীনতা আদিৰ ওপৰত দোষ দিয়া হৈছিল। কিন্তু স্বাধীনতাৰ পিছতো প্ৰাথমিক শিক্ষাক জনসাধাৰণৰ শিক্ষা বুলি প্ৰসাৰ কৰাত কংগ্ৰেছ চৰকাৰ ব্যৰ্থ হৈছে। ভাৰতীয় সংবিধানত ১৪ বছৰলৈ সকলো ল'ৰা-ছোৱালীক বিনামূল্যে প্ৰাথমিক শিক্ষা দিয়াৰ নিৰ্দেশাত্মক নীতি আছে আৰু ১৯৬০ চনত সকলো সাক্ষৰ কৰাৰ যি প্ৰতিশ্ৰুতি আছিল সি ব্যৰ্থ হৈছে। বাধ্যতামূলক আইন সম্পূৰ্ণভাৱে বলবৎ নকৰাৰ কাৰণে, স্কুলৰ বিতৰণ আৰু স্কুলৰ অৱস্থা ঠিক মতে নোহোৱাৰ বাবে, উপযুক্ত সংখ্যাৰ শিক্ষক নথকাৰ বাবে, শিক্ষকৰ দৰমহা কম হোৱাৰ বাবে, মাক-বাপেকৰ উদাসীনতা, ছোৱালীৰ পঢ়াত জোৰ নিদিয়াৰ বাবে, চৰকাৰে প্ৰাথমিকতকৈ মাধ্যমিক আৰু কলেজীয়া শিক্ষাত বেছি টকা খৰচ কৰাৰ বাবে, অনুদানৰ টকা ভাল দৰে খৰচ নকৰাৰ বাবে, আৰু পৰিদৰ্শকৰ সংখ্যা তাকৰ হোৱাৰ বাবে প্ৰাথমিক শিক্ষাৰ প্ৰাথমিক উদ্দেশ্য সকলোকে সাক্ষৰ কৰা এতিয়াও সফল হোৱা নাই। ইয়াৰ উপৰিও এবছৰ থাকি স্কুল এৰি যোৱাৰ অপব্যয়, একে ক্লাচতে বছৰে বছৰে থকাৰ বাবে হাজাৰ হাজাৰ ল'ৰা-ছোৱালীৰ যি অপচয় হয় সেইটো বন্ধ নকৰিলে সাক্ষৰৰ সংখ্যাও নাবাঢ়িব। স্কুলৰ পৰিবেশৰ উন্নতি নোহোৱাৰ বাবে প্ৰাথমিক শিক্ষাই এতিয়াও শিক্ষাৰ্থীক দিব লগীয়া নাগৰিকৰ প্ৰাথমিক শিক্ষা, আচাৰ-ব্যৱহাৰ, একেলগে থকাৰ যি শিক্ষা সেইবোৰ দিবলৈ এতিয়াও সক্ষম হোৱা নাই। সামাজিক জ্ঞান দিবলৈ স্কুল আৰু অভিভাৱক আৰু শিক্ষাৰ্থীৰ যি সম্বন্ধ স্থাপন হ'ব লাগে সিও হোৱা নাই। গতিকে প্ৰাথমিক স্কুলৰ প্ৰসাৰ আৰু উন্নতিকৰণৰ সকলোকে সাক্ষৰ আৰু শিক্ষিত কৰাৰ উদ্দেশ্য সফল হ'ব।

কলেজীয়া শিক্ষা ঃ ১৮৮২ চনলৈ অসমত কেবাখনো হাইস্কুল স্থাপন হলেও চৰকাৰে কলেজ স্থাপন কৰাত কোনো উৎসাহ দেখুৱা নাছিল। অসমক ১৮৭৪ চনত পৃথক প্ৰদেশ কৰাৰ পিছত অন্তত এখন কলেজ স্থাপনৰ ব্যৱস্থা কৰিব লাগিছিল। কিন্তু এণ্ট্ৰেন্স পাছ কৰা ল'ৰাক কলিকতাৰ কলেজত পঢ়িবলৈ ২০ টকাৰ সামান্য বৃত্তি দিছিল। জাহাজেৰে কলিকতালৈ এমাহ লগাৰ কাৰণে বহুতো মাক-বাপেকে ল'ৰাক পাছ কৰাৰ পিছতো কলিকতালৈ নপঠিয়াইছিল। তাৰ উপৰি ২০ টকাৰে তেওঁলোকে কলিকতাত খুব কষ্টেৰে থাকিব লগীয়াত পৰিছিল। ফলত অতি কম সংখ্যক ল'ৰাহে কলেজত পঢ়িবলৈ কলিকতালৈ গৈছিল।

অসমত কলেজ এখন নথকাৰ কাৰণে উচ্চ শিক্ষিতৰ সংখ্যাও আছিল কম। সাধাৰণ স্কুল মাষ্টৰৰ কাৰণেও বেছি দৰমহাত বাহিৰৰপৰা মানুহ আনিব লগাত পৰিছিল। ১৮৬৪ চনত অসমৰ স্কুলসমূহৰ ইন্সপেক্টৰে ভাৰত চৰকাৰলৈ প্ৰস্তাৱ দিছিল যে স্থানীয় লোকক উপযুক্ত শিক্ষা দিবলৈ হলে কলেজ এখন নহলেও কলেজৰ ক্লাছ কিছুমান খুলিলে ভাল হয়। কম খৰচতে কলেজৰ বিভাগ এটা খোলাৰ প্ৰস্তাৱটো বিবেচনা যোগ্য যেন পাই ভাৰত চৰকাৰে গুৱাহাটী স্কুলৰ লগতে কলেজৰ শাখা এটা খুলিবলৈ ১২,০০ টকা মঞ্জুৰ কৰে। ১৮৬৬ চনৰ মে মাহত গুৱাহাটী স্কুলৰ লগতে কলেজ বিভাগ এটা খোলে। কিন্তু এই শাখাত বেছি সংখ্যক ল'ৰা নোহোৱাৰ বাবে আৰু এফ. এ. পৰীক্ষাত কোনেও পাছ কৰিব নোৱাৰাৰ বাবে চৰকাৰে এই শাখাটো বন্ধ কৰে। তাৰ সলনি যিসকলে কলিকতাত পঢ়িব খোজে তেওঁলোকক ২০ টকাৰ জলপানী একোটাকৈ দিয়াৰ বন্দৱস্ত কৰিছিল। অসমৰ বিভিন্ন ঠাইত কলেজ স্থাপনৰ কাৰণে দাবী উঠা সত্বেও ১৯০১ চনলৈ অসমত কোনো কলেজ স্থাপন হোৱা নাছিল।

১৯০১ চনত গুৱাহাটীত কটন কলেজ চৰকাৰীভাৱে স্থাপন

হৈছিল আৰু ইয়াৰ পিছতে চৰকাৰীভাৱে খোলা শিলচৰৰ মুৰাৰী চান্দ কলেজ ১৯১২ চনত চৰকাৰৰ তত্বাৱধানলৈ আহে। ১৯৩০ চনলৈ এই ছুখন কলেজে অসমত কলেজীয়া শিক্ষা দান কৰে। স্বাধীনতাৰ সংগ্ৰামে জনজীৱনত এক আলোড়নৰ সৃষ্টি কৰে। সামাজিক চেতনাই মানুহৰ মন শিক্ষাৰ প্ৰতি ধাউতি আনি দিয়ে। উচ্চ শিক্ষা প্ৰসাৰৰ বাবে ৰাইজ আগবাঢ়ি আহে। ১৯৩৭ চনলৈ মাত্ৰ ৮খন কলেজ খোলে। কিন্তু দহ বছৰৰ ভিতৰতে ইয়াৰ সংখ্যা ১৭খন হ'ল আৰু ১৯৫৮-৫৯ চনত ইয়াৰ সংখ্যা ৩৮খন হ'ল। এটা চৰকাৰী কলেজৰ বাহিৰে বাকী আটাইবোৰ বেচৰকাৰী আছিল।

বিশেষ শিক্ষানুষ্ঠান ঃ ১৯৪৭ চনলৈ বিভিন্ন ধৰণৰ বিশেষ শিক্ষানুষ্ঠানসমূহ একেবাৰে চালুকীয়া অৱস্থাত আছিল। একমাত্ৰ আইন কলেজৰ বাহিৰে আন সকলোবোৰ বিশেষ শিক্ষা বা প্ৰশিক্ষণ লোৱাৰ অৱস্থাত আছিল। কিন্তু স্বাধীনতা লাভ কৰাৰ বছৰতে মেডিকেল কলেজ স্থাপন কৰা হয়। ইয়াৰ পিছত ইঞ্জিনিয়াৰিং, আয়ুৰ্বেদিক, ভেটেৰিনেৰী, কৃষি আৰু টেক্সটাইল আদিৰ কলেজ স্থাপন হৈছে। ১৯৬০ চনলৈ ছুটা ইঞ্জিনিয়াৰিং, তিনিটা পলিটেকনিক, ছয়টা ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইনষ্টিটিউট, এটা কৃষি কলেজ, এটা ভেটেৰিনেৰী কলেজ, ছুটা মেডিকেল কলেজ, এটা টেক্সটাইল ইনষ্টিটিউট স্থাপন কৰা হয়।

বিশ্ববিদ্যালয় ঃ ইংৰাজ শাসনৰ কালচোৱাত অসমত এটি বিশ্ববিদ্যালয় নোহোৱাকৈ শিক্ষা ব্যৱস্থা চলিছিল। আমাৰ হাইস্কুল আৰু কলেজসমূহ কলিকতা বিশ্ববিদ্যালয়ৰ তলত আছিল আৰু নীতি-নিয়ম এই বিশ্ববিদ্যালয়ে বান্ধি দিছিল। বিহাৰ, উৰিষ্যা বঙ্গদেশ আৰু অসম এই বিশ্ববিদ্যালয়ৰ তলত আছিল। অতিশয় বিশাল পৰিধি হোৱাৰ কাৰণে বিশ্ববিদ্যালয়ে দূৰৰ ঠাইৰ শিক্ষানুষ্ঠানত চকু দিব পৰা নাছিল আৰু স্থানীয় অভাৱ অভিযোগ বুজিব পৰা নাছিল। ১৯৪৮ চনত গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপন হোৱাৰপৰা

স্কুল-কলেজৰ সংখ্যা বাঢ়িবলৈ ধৰে আৰু সিহঁতৰ অৱস্থাৰ উন্নতি সাধন কৰিবলৈ চকু দিবলৈ সামৰ্থ হ'ল। বৰ্তমানে অসমত তিনিখন বিশ্ববিদ্যালয় আছে—গুৱাহাটী আৰু ডিব্ৰুগড়ত। যোৰহাটত কৃষি বিশ্ববিদ্যালয় অলপতে স্থাপন হৈছে।

আন প্ৰদেশৰ তুলনাত অসমত শিক্ষাৰ প্ৰগতি তেনেই কম আছিল। ১৯৪৮ চনলৈ সম্পূৰ্ণ শিক্ষা ব্যৱস্থা কৰিব পৰা নাছিল। এটা বিশ্ববিদ্যালয় নাছিল; কাৰিকৰী বা বৃত্তিমূলক কামৰ বাবে এটা কলেজ নাছিল। হাইস্কুলসমূহ এক শ্ৰেণীৰ মানুহৰ বাবেহে ধৰি লোৱা হৈছিল। কাৰণ পাঠ্যক্ৰম কেৱল বিষয়গত হোৱা বাবে কম বুদ্ধিৰ ল'ৰা-ছোৱালী লাভবান হোৱা নাছিল। তাৰ উপৰি ই বাস্তৱ জীৱনৰ কাৰণে প্ৰস্তুত নকৰাত শিক্ষাৰ্থী জীৱন নিৰ্বাহৰ বাবে কাৰ্যকৰী কামত দক্ষ হব পৰা নাছিল। প্ৰাথমিক শিক্ষাই নিৰক্ষৰতা দূৰ কৰিবলৈ অসমৰ্থ হৈছিল। ১৯৫১ চনৰ পিয়ল মতে মাত্ৰ শতকৰা ১৮ জনহে সাক্ষৰ আছিল। ১৯৬৫ চনলৈ অসমৰ সকলো ঠাইতে এতিয়াও প্ৰাথমিক শিক্ষা বাধ্যতামূলকভাৱে বলবৎ কৰিব পৰা নাই।

১৮৯৯ চনলৈ শিক্ষাৰ ধীৰ প্ৰসাৰৰ কাৰণসমূহঃ শিক্ষাৰ ক্ষেত্ৰত অসম আন প্ৰদেশতকৈ বহুত পাছ পৰা। ইয়াৰ কাৰণ বিচাৰিলে কেবাটাও পোৱা যায়। (১) উত্তৰ-পূব সীমান্তত অৱস্থিত প্ৰদেশসমূহৰ ভিতৰত অসমে একেবাৰে শেষত ইংৰাজৰ শাসনৰ তললৈ আহিছিল। ইয়াৰ গাতে লগা বঙ্গদেশ প্ৰায় ৭০ বছৰৰ আগতে পৰাধীন হোৱাত পশ্চিমীয়া সাহিত্য সংস্কৃতি আৰু শিক্ষাৰ লগত বঙ্গবাসীৰ চিনাকী হোৱাৰ সুবিধা হৈছিল। চৰকাৰী আৰু মিছনাৰীসকলৰ উদ্যোগত স্কুল কলেজো স্থাপন হৈছিল। ১৮২৬ চনত অসমক বঙ্গদেশৰ লগত শাসনৰ সুবিধাৰ্থে জাপি দিয়াৰ ফলত অসমৰ স্বকীয়া ভাষা আৰু সংস্কৃতিয়ে স্বীকাৰ নোপোৱা হ'ল। কলিকতাত মূল কাৰ্যালয় থকাৰ কাৰণে শাসকসকলে অসমৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু শিক্ষাবিষয়ৰ অসুবিধালৈ

আওকাণ কৰি আহিছিল। যাতায়াতৰ অসুবিধাৰ বাবে ভিতৰুৱা ঠাইলৈ গৈ আচল অসুবিধাৰ বুজ নলৈছিল। ফলত পাছ পৰা ঠাই হিচাপে অসমক অৱহেলা কৰিয়ে আছিল। ১৮৭৪ চনত অসমক বেলেগ প্ৰদেশ হিচাপে প্ৰতিষ্ঠা কৰাৰ পিছত শ্বিলঙত নিজস্ব শাসন কাৰ্যালয় স্থাপন হয়। কিন্তু ১৯০৫ চনৰপৰা ১৯১২ চনলৈ আকৌ পূবৱঙ্গৰ লগ লগাই এখন নতুন প্ৰদেশ কৰিছিল। ইয়াৰ কাৰ্যালয় আছিল ঢাকা। ৰাজনৈতিক স্বাৰ্থত এই ভৌগলিক পৰিবৰ্তনে দেশ-খনৰ বহুতো ক্ষতি সাধন কৰিছিল। শাসনক কাৰ্যালয়ৰ পৰিবৰ্তনে সকলোতে বিসঙ্গতি লগাইছিল আৰু ক'তো স্থিৰতা আনিব নোৱাৰাৰ ফলত চৰকাৰে আন বিষয়তো মনযোগ দিব পৰা নাছিল। চৰকাৰৰ অসুস্থ মনোভাৱৰ কাৰণে শিক্ষাকে ধৰি সকলো বিষয়তে উন্নতি পৰিলক্ষিত হোৱা নাছিল।

(১) শাসনৰ সুবিধা লৈ শিক্ষিত বঙালী ভদ্ৰলোকক কৰ্মচাৰী কৰি অসমলৈ আনিব লগীয়া হৈছিল। অসমৰ পাছ পৰা অৱস্থাৰ সুবিধা লৈ তেওঁলোকে অসমীয়া ভাষা বঙালীৰ অপভ্ৰংশ বুলি জাহিৰ কৰিবলৈ ধৰিছিল। শাসনকাৰ্যত বঙালী কৰ্মচাৰীৰ প্ৰাধান্যই অসমত এটা ভাষা চলিলে শাসন কাৰ্যটো সুচল হব বুলি চিন্তা কৰি সুচতুৰ ইংৰাজ শাসকে ১৮২৬ চনত বঙালীক চৰকাৰী ভাষা আৰু শিক্ষাৰ মাধ্যম বুলি ঘোষণা কৰিছিল। শাসনকাৰ্যৰ কথা বাদ দিও নিজৰ দেশতে আলহীৰ দৰে আনৰ ভাষা এটা গ্ৰহণ কৰিব লগীয়া হোৱাত আৰু সেই ভাষাৰে শিক্ষা লাভ কৰিব লগীয়া হোৱাত মানুহে শিক্ষাৰ প্ৰতি বিৰূপ ভাব লৈছিল। প্ৰথমে বিদেশী শাসকৰ নতুন ধৰণৰ শাসন পদ্ধতিৰ লগত নিজকে ভাল দৰে খাপখুৱাই লব পৰা নাছিল। এনে অৱস্থাত প্ৰাথমিক স্কুলত বঙালী ভাষাৰে শিক্ষা লাভ কৰিব লগীয়া হোৱাত আৰু হাইস্কুলত ইংৰাজী ভাষা আৰু পঢ়িব লগীয়া হোৱাত জনজীৱনৰ লগত সম্বন্ধ নথকা হ'ল। নিজৰ মাতৃ-ভাষাৰ লগত সম্বন্ধ নথকাৰ কাৰণে আৰু আন এটি ভাষাৰ মাজেৰে

শিক্ষা লব লগীয়া হোৱা বাবে শিক্ষাৰ প্ৰতি মানুহৰ উদাসীনতা বাঢ়িছিল। দুই এবছৰ স্কুলত পঢ়ি টান পালেই স্কুল এৰি গুচি গৈছিল। গাঁৱৰ অঞ্চলত ই এটা নিয়ম হৈ পৰিছিল। বিদেশী ভাষা এটা শিকি আয়ত্ব কৰাটো সৰু ল'ৰা-ছোৱালীৰ কাৰণে যথেষ্ট কষ্টকৰ আছিল। ফলত বিষয়বস্তু নিশিকিছিল আৰু স্কুল এৰাৰ দুই-তিনিমাহৰ ভিতৰতে আখৰো পাহৰিছিল। অসমীয়া ভাষাৰ প্ৰতি কৰা এই অন্যায় আৰু অবিচাৰৰ প্ৰতিবাদ কৰি আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে শিক্ষিত অসমীয়া আৰু মিছনাৰীসকলে এক আলোড়নৰ সৃষ্টি কৰিছিল। শাসকসকলে নিজৰ ভুল বুজিব পাৰি ১৮৭৩ চনত বঙালী ভাষা গুচাই অসমীয়া ভাষা প্ৰবৰ্তন কৰিলেও ৫০ বছৰতকৈও বেছি অসমীয়া ভাষাক নিৰ্বাসন দণ্ড দি ইয়াৰ উন্নতিত যি অপূৰণীয় ক্ষতি সাধন কৰিলে তাক পূৰাবলৈকো বিশেষ একো ব্যৱস্থা নকৰিলে। অসমীয়া ভাষা প্ৰবৰ্তন কৰাৰ পিছত পাঠ্যপুথি উলিয়াবলৈ চৰকাৰে অকণো তৎপৰতা দেখুৱা নাছিল।

(৩) প্ৰাথমিক আৰু মাধ্যমিক স্তৰত বঙালী আৰু হাইস্কুলত ইংৰাজী ভাষাৰ মাধ্যমেৰে শিক্ষা দিয়াৰ যি ব্যৱস্থা কৰিছিল সি শিকাৰুৰ মনত পঢ়াৰ প্ৰতি ধাউতি নাইকিয়াহে কৰিছিল। প্ৰথমে এটা বিদেশী ভাষাৰে বিদ্যাৰম্ভ কৰি তাৰ পিছত আৰু এটা বিদেশী ভাষাৰ মাজেৰে শিক্ষা লাভ কৰাটো সঁচাকৈয়ে বৰ টান আছিল। ফলত শিকাৰু আহিলেও শিক্ষা টান পাই স্কুল এৰি গৈছিল। অসমৰ গাঁৱলীয়া জীৱনত নিজস্ব এক শিক্ষা ব্যৱস্থা আছিল। গাঁৱৰ বাইজ লগ হৈ ধৰ্ম পুথি পঢ়া, ইজনৰপৰা সিজনে পদ শিকি মুখস্থ কৰা, আচাৰ-ব্যৱহাৰ আৰু নীতি-নিয়ম শিকোৱা, ইজনে সিজনক সহায় কৰাৰ এক বেলেগ শিক্ষা ব্যৱস্থা আছিল। ইংৰাজী স্কুলত পঢ়িলে গাঁৱৰ শৃঙ্খলা ভাঙি "নগৰৰ বাবু" হব বুলি ভয় খাইছিল। প্ৰথমে গাঁৱৰ মানুহে ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াবলৈ সঙ্কোচবোধ কৰিছিল। শিক্ষিত ল'ৰাই চৰকাৰী চাকৰি লৈ নগৰত বাস কৰাৰ ফলত গাঁৱৰ

মানুহে স্কুললৈ পঠিয়ালে খেতি এৰি চাকৰি বিচাৰি গাওঁ এৰি যাব বুলি ভয় খাইছিল। শিক্ষাৰ বিষয়বস্তুৰ লগত জনজীৱনৰ কোনো সম্বন্ধ নথকাৰ বাবে মানুহৰ শিক্ষাৰ প্ৰতি ধাউতিও কম আছিল।

(৪) কৃষি প্ৰধান ঠাইত অৰ্থনৈতিক ব্যৱস্থায়ো শিক্ষাৰ প্ৰগতিত বাধা দিছিল। গাঁৱৰ এখন যৌথ পৰিয়ালে কৃষিৰ উৎপাদনৰ ওপৰত বেছি প্ৰাধান্য দিয়ে। খেতিত কৰ্ম শক্তিৰ বেছি প্ৰয়োজন কাৰণে ডাঙৰ হোৱাৰ লগে লগে খেতিত বা ঘৰৰ কামত লগাইছিল। প্ৰকৃত অভিজ্ঞতাৰপৰা জীৱন নিৰ্বাহৰ পথ দেখুৱাই দিছিল। পঢ়িলে শাৰীৰিক কষ্ট কৰিবলৈ লাজ কৰা কাৰণে স্কুললৈ নপঠিয়াইছিল। সৰু সৰু ল'ৰা-ছোৱালীয়ে ঘৰত আমনি কৰাৰ বাবে সিহঁতক স্কুললৈ পঠিয়াই দিছিল জঞ্জালৰপৰা অব্যাহতি পাবলৈ। এবছৰ বা দুবছৰ ৰখাৰ পিছত সিহঁতক স্কুলৰপৰা এৰুৱাইছিল ঘৰুৱা কামত লগাবলৈ। ফলত শিক্ষাত অতিশয় অপচয় হৈছিল।

(৬) 'ৰক্ষণশীল সমাজে ইংৰাজী শিক্ষাক বিদেশী ভাষা' বুলি অভিহিত কৰাৰ ফলত ইয়াৰ প্ৰতি প্ৰথমে দেখুৱা মানুহৰ উদাসীনতা পিছলৈ কমিলেও, বৈ গৈছিল।

(৭) চৰকাৰৰ ফালৰপৰাও শিক্ষা বিস্তাৰৰ বাবে কোনো যত্ন লোৱা দেখা নগৈছিল। সেই সময়ত তেওঁলোকৰ উদ্দেশ্য আছিল ইংৰাজী শিক্ষা দি স্থানীয় কৰ্মচাৰী তৈয়াৰ কৰা। ফলত তেওঁলোকে হাইস্কুল স্থাপন কৰাত অধিক জোৰ দিছিল। ১৮৮২ চনত লোকেলব'ৰ্ড আৰু মিউনিচিপালিটিক প্ৰাথমিক স্কুল সজাৰ দায়িত্ব দিলেও টকাৰ অভাৱত ব'ৰ্ডে শিক্ষাৰ প্ৰসাৰৰ ব্যৱস্থা লব পৰা নাছিল। চৰকাৰে প্ৰথমে কেইজনমানক শিক্ষিত কৰি আৰু সেই শিক্ষিতই নিজৰ জাতিভাইক শিক্ষা দান কৰাৰ নিম্নগামী সংসোধনৰ (downward filtration theory) নীতি লৈছিল ; সিও সফল হোৱা নাছিল। কাৰণ শিক্ষিতসকলে গাঁৱত থাকি আনক শিক্ষা দান কৰাতকৈ চহৰত গৈ চৰকাৰী চাকৰি লোৱাতহে ব্যস্ত আছিল। চাকৰিৰ

পিছত আড়ম্বৰপূৰ্ণ জীৱন-যাপন কৰি গাঁৱৰ লগত সম্বন্ধ নাৰাখিছিল। ফলত চহৰ আৰু গাঁৱৰ জীৱনৰ লগত বিৰাট পাৰ্থক্য আহি পাৰিছিল। গাঁৱৰ মানুহে শিক্ষাৰ মাজেৰে নিজৰ ল'ৰাক হেৰুৱাৰ ভয়ত ইংৰাজী শিক্ষা দিবলৈ সঙ্কোচবোধ কৰিছিল।

(৭) মিছনাৰীসকলে প্ৰাথমিক স্কুল স্থাপন কৰি শিক্ষাৰ প্ৰসাৰত সহায় কৰিছিল। এওঁলোকে ধৰ্ম প্ৰচাৰৰ সুবিধাৰ কাৰণে পৰ্বতীয়া অঞ্চললৈ গৈ তাত স্কুল পতাতহে জোৰ দিছিল। কাৰণ ভৈয়ামত স্কুল ঘৰত কৰা খৰচৰ অনুপাতে খৃষ্টধৰ্ম গ্ৰহণৰ সংখ্যা কম আছিল। কিন্তু লোকেলবৰ্'ড আৰু মিউনিচিপালিটিক প্ৰাথমিক শিক্ষা প্ৰসাৰৰ বাবে যি দায়িত্ব চৰকাৰে দিছিল তাক সদস্যসকলে পালন কৰা নাছিল। শিক্ষাতকৈ আন বিষয়তহে গুৰুত্ব বেছি দিছিল আৰু শিক্ষাৰ নামত যি যৎসামান্য অনুদান পাইছিল তাকো ব'ৰ্ডে আন কামত খটুৱাইছিল। এবাৰ স্কুল পাতি দিলে তাক ভাল কৰা প্ৰশ্ন মনলৈ অনা নাছিল। জৰাজীৰ্ণ অৱস্থাৰ স্কুলৰ প্ৰতি কণ কণ ল'ৰা-ছোৱালীৰ মনো আকৰ্ষিত হোৱা নাছিল।

(৮) প্ৰাদেশিক চৰকাৰেও শিক্ষা সম্বন্ধে কোনো নিৰ্দিষ্ট নীতি লোৱা নাছিল। ১৮৫৪ চনত শিক্ষা দান কৰাটো চৰকাৰৰ দায়িত্ব বুলি গ্ৰহণ কৰা প্ৰস্তাৱৰপৰা শিক্ষা আন বিষয়সমূহৰ ভিতৰত এটা বুলি ধৰি লৈছিল। নিৰক্ষৰ প্ৰজাক শিক্ষাৰ পোহৰলৈ অনাত কোনো তৎপৰতা দেখুৱা নাছিল। প্ৰাদেশিক চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰপৰা তেনেই কম অনুদান শিক্ষাৰ কাৰণে পোৱাৰ বাবে তেওঁলোকেও ব'ৰ্ডক কম পৰিমাণ অনুদান দিছিল। সকলোৱে শিক্ষাৰ ক্ষেত্ৰত অৰ্থ সংকটৰ সম্মুখীন হব লগীয়া হোৱাত স্কুল স্থাপন কৰা আৰু ইয়াৰ উন্নতি সাধন কৰাটোত জোৰ দিয়া নাছিল।

(৯) এই সময়চোৱাত স্থানীয় অসমীয়া মানুহে স্কুল স্থাপন কৰাত আগভাগ লোৱা নাছিল। কোনো কোনো ঠাইত অনুদান পাবৰ বাবে কোনো কোনো ব্যক্তিয়ে প্ৰাইমেৰী স্কুল

খুলিলেও মাধ্যমিক স্তৰত তেওঁলোকে তেনেকৈ সহযোগ কৰা আছিল। স্থানীয় মানুহৰ উৎসাহ কম হোৱাত স্কুলৰ সংখ্যাও তেনেই কম আছিল।

(১০) ৰক্ষণশীল সমাজত ছোৱালীক স্কুললৈ পঠিওৱাটো এটা সামাজিকভাৱে দোষণীয় কাম বুলি ভাবিছিল। বেছিভাগৰে সৰুতে বিয়া হোৱাৰ বাবে ঘৰুৱা কাম শিকাৰ ওপৰত মাক-বাপেকে বেছি গুৰুত্ব দিছিল। মুচলমানসকলৰ পৰ্দা নিয়ম থকাৰ বাবেও ছোৱালীক স্কুললৈ পঠোৱা নাছিল। ফলত জন সংখ্যাৰ আধা প্ৰায় নিৰক্ষৰ হৈয়ে ৰৈছিল।

(১১) প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, খাৰাখাৰ বৰষুণ আদিৰ বাবে দূৰৈত থকা স্কুললৈ অহাটো কষ্টকৰ হয়। বিশেষকৈ বাৰিষা নদী জান আদি পাৰ হৈ আহিব লগীয়া হোৱাত সৰু সৰু ল'ৰা-ছোৱালীয়ে লাহে লাহে স্কুললৈ অহাটোকে বন্ধ কৰিছিল। খৰালি অৱশ্যে স্কুলত ছাত্ৰৰ সংখ্যা বাঢ়িছিল। খেতিৰ সময়তো, পথাৰত মাক-বাপেকক চাহ-ভাত আৰু ঘৰৰ ভাই-ভনীক চাবলগীয়া হোৱাৰ বাবে স্কুললৈ যোৱাটো বন্ধ কৰিছিল আৰু লাহে লাহে স্কুলেই এৰি দিছিল। নানা কাৰণত স্কুল বন্ধ কৰি দিব লগীয়া হৈছিল।

(১২) ১৮৮৯ চনলৈ অসমত ইংৰাজী শিক্ষা চালুকীয়া অৱস্থাতহে আছিল। বিশ্ববিদ্যালয়ৰ কথা বাদ দিলেও এখন কলেজেই অসমত নাছিল। কলিকতা বিশ্ববিদ্যালয়ৰ তলত অসমৰ হাইস্কুলসমূহ থকাৰ বাবে এই স্কুলসমূহ নিয়মীয়াকৈ পৰিদৰ্শন বা তত্ত্বাৱধান কৰা হোৱা নাছিল। বহুতো কলিকতাৰ নিচিনা দূৰ ঠাইত উচ্চশিক্ষা লাভ কৰিবলৈ সংকোবোধ কৰিছিল। শিক্ষিত অসমীয়া নেতৃ স্থানীয় লোকে কলেজৰ দাবী কৰিলেও নানা অজুহাতত কোনো আঁচনি এই সময়লৈ লোৱা নাছিল।

১৮৮৯ চনলৈ অসমত শিক্ষাৰ প্ৰসাৰ অতি ধীৰ গতিত চলিছিল।

চৰকাৰৰ, ব'ৰ্ডৰ আৰু ৰাইজৰো শিক্ষাৰ প্ৰতি উৎসাহ তেনেই কম আছিল। শিক্ষা দানৰ বাবে যথেষ্ট পৰিমাণৰ অনুদান চৰকাৰে দিয়া নাছিল। ১৮৮২ চনত স্থাপন হোৱা ব'ৰ্ডসমূহ তেনেই চালুকীয়া অৱস্থাত থকাৰ বাবে প্ৰাথমিক শিক্ষাৰ দায়িত্ব লোৱাত অসমৰ্থ হৈছিল। ৰাইজেও স্কুলঘৰ সজাত আগ ভাগ লোৱা নাছিল। ফলত শিক্ষাৰ প্ৰসাৰো কম হৈছিল।

তৃতীয় অধ্যায়

শিক্ষাৰ প্ৰসাৰত চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানৰ দায়িত্ব

ইংৰাজসকল ভাৰতলৈ অহাৰ পিছত বহুত দিনলৈ ভাৰতীয় প্ৰজাক শিক্ষা দিয়াৰ দায়িত্ব চৰকাৰীভাৱে লোৱা নাছিল। শাসক-সকলে দেশীয় স্কুল-কলেজ প্ৰসাৰত উৎসাহ দেখুৱাই অনুদান (grant) দিলেও চৰকাৰীভাৱে শিক্ষাৰ প্ৰসাৰৰ কোনো ব্যৱস্থা লোৱা নাছিল। ১৮১৩ চনত চৰকাৰে দেশীয় সাহিত্য বিস্তাৰত উৎসাহ জনাবলৈ আৰু প্ৰাচ্যৰ স্কুলসমূহত অনুদান দিবলৈ মাত্ৰ একলাখ টকাৰ মঞ্জুৰি দিছিল; কিন্তু সেই টকা কেনে ধৰণে খৰচ কৰিব তাৰ কোনো নিৰ্দেশ দিয়া নাছিল।

১৮৫৪ চনত প্ৰথমে গোটেই ভাৰতৰ বাবে এক শিক্ষানীতি প্ৰবৰ্তন কৰাৰ বাবে উডৰ ঘোষণা (Wood's Despatch) প্ৰবৰ্তন কৰে। পোনতে ভাৰতীয় প্ৰজাক শিক্ষা দান কৰাটো চৰকাৰৰ দায়িত্ব বুলি স্বীকাৰ কৰিছিল। তাৰ বাবে প্ৰাথমিক, মাধ্যমিক, কলেজ আৰু বিশ্ববিদ্যালয় আদি কৰি আটাইকেইটা স্তৰতে শিক্ষানুষ্ঠান সাজি শিক্ষাৰ সম্পূৰ্ণ ব্যৱস্থা কৰাৰ ওপৰত জোৰ দিছিল। দ্বিতীয়তে, এই উডৰ ঘোষণাৰ উল্লেখ কৰিছিল যে প্ৰত্যেক প্ৰদেশতে শিক্ষা ব্যৱস্থাৰ সংগঠন কৰিব। বিভিন্ন স্তৰত স্কুলঘৰ সজাত চৰকাৰে সাহায্য আগবঢ়াব। শিক্ষাৰ প্ৰসাৰত বেচৰকাৰী অনুষ্ঠানক অংশ লবলৈ উদগাব লাগিব আৰু তাৰ বাবে সাহায্য অনুদান (grant-in-aid) চৰকাৰে অনুষ্ঠানসমূহক দিব। ভাৰতৰ নিচিনা এখন ঘন বসতিপূৰ্ণ বিশাল দেশত অকল চৰকাৰী উদ্যোগেৰে শিক্ষা প্ৰসাৰ কৰাটো অসম্ভৱ প্ৰস্তাৱ। ৰাইজৰ সহযোগ নহলে নিৰক্ষৰতা দূৰ

কৰা অভিযান সফল নহয়। গতিকে ব্যক্তি বা বেচৰকাৰী অনুষ্ঠানক শিক্ষা প্ৰসাৰত অংশ গ্ৰহণ কৰাৰ আকৰ্ষণ জানোৱাৰ প্ৰস্তাৱ দিছিল। ফলত এই ঘোষণাই চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানক শিক্ষা বিস্তাৰত অংশ লবলৈ প্ৰস্তাৱ লৈছিল। ১৮৫৪ চনৰ এই প্ৰস্তাৱ সময়ে সময়ে প্ৰণয়ন কৰা শিক্ষানীতিতো গ্ৰহণ কৰিছিল। ইয়াৰ পিছৰেপৰা চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানে ভাৰতৰ শিক্ষা প্ৰসাৰত সক্ৰিয় অংশ লৈছিল। বেচৰকাৰী অনুষ্ঠানৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰৰ আছিল গধুৰ দায়িত্ব। ১৮৫৪ চনলৈ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত উদাসীন নীতি লৈছিল। ১৮৫৪ চনত জনসাধাৰণৰ শিক্ষা চৰকাৰৰ দায়িত্ব হিচাপে গ্ৰহণ কৰিলেও ১৯০১ চনলৈ চৰকাৰে বেছি সক্ৰিয় ভূমিকা লোৱা নাছিল। অৰ্থ-সংকটৰ দোহাই দি শিক্ষাৰ খৰচ বেছিকৈ কৰা নাছিল।

প্ৰথমে ১৯০৪ চনত লৰ্ড কাৰ্জনে শিক্ষাত চৰকাৰৰ দায়িত্ব সম্বন্ধে সঁকিয়াই দিছিল। তেওঁ ভাৰতৰ অতিশয় পাছ পৰা অৱস্থা দেখি শিক্ষাৰ প্ৰসাৰ আৰু মানদণ্ড উন্নত কৰাৰ ওপৰত জোৰ দিছিল। এই সময়ত পৃথিৱীত হোৱা অৰ্থনৈতিক সমৃদ্ধ অৱস্থাই ভাৰতৰো অৰ্থ-নৈতিক অৱস্থা উন্নত কৰিছিল। লৰ্ড কাৰ্জনে কেন্দ্ৰীয় চৰকাৰৰ ধনভঁৰালৰপৰা শিক্ষাৰ কাৰণে লাখ লাখ টকা দিছিল যদিও, সেই টকাৰে শিক্ষা ক্ষেত্ৰত ভাৰতৰ পাছ পৰা অৱস্থালৈ লক্ষ্য কৰি একোৱে হোৱা নাছিল। তথাপি ই শিক্ষা বিভাগ আৰু লোকেলবৰ্ডৰ অৱস্থা বহুতো উন্নত কৰিছিল। সাহায্য-অনুদানৰ (grant-in-aid) পৰিমাণ বাঢ়িবলৈ ধৰিছিল। লৰ্ড কাৰ্জন গবৰ্ণৰ জেনেৰেল হৈ থকা অৱস্থাত বিভিন্ন প্ৰদেশলৈ প্ৰায় ৫০০ লাখ টকা দিছিল। এনেকুৱা কেন্দ্ৰীয় অনুদান ইয়াৰ আগতে দিয়া নাছিল আৰু বৃটিছ শাসন কালত ১৯৪৭ চনলৈ তেনেধৰণে দিব পৰাও নাছিল।

চৰকাৰৰ দায়িত্ব ঃ পাশ্চাত্য সভ্যতাৰ অৱদান আৰু বিজ্ঞানৰ

জ্ঞান ভাৰতৰ জনসাধাৰণক শিক্ষাৰ মাধ্যমেৰে দিয়াৰ যি প্ৰস্তাৱ চৰকাৰে ১৮৫৪ চনত লয়, সেইমতে গোটেই ভাৰতে একেধৰণৰ শিক্ষানীতিও লোৱাৰ দায়িত্ব চৰকাৰৰ হাতত পৰে। ফলত উডৰ ঘোষণাত তলৰ নীতিকেইটাৰ কথা উল্লেখ কৰে :

(১) প্ৰত্যেক প্ৰদেশতে একোটাকে শিক্ষা বিভাগ খোলা হব। এই শিক্ষা বিভাগে বিভিন্ন স্তৰত স্কুল-কলেজ খোলাৰ ব্যৱস্থা কৰিব।

(২) চৰকাৰে প্ৰথমতে তিনিখন চহৰত বিশ্ববিদ্যালয় খুলিলেও পিছলৈ প্ৰত্যেক প্ৰদেশতে প্ৰাথমিক স্কুলৰপৰা বিশ্ববিদ্যালয়লৈকে সকলো স্তৰৰে স্কুল খোলাৰ দায়িত্ব লব লাগিব।

(৩) শিক্ষা বিভাগে শিক্ষা সম্বন্ধীয় বিষয়ত প্ৰাদেশিক চৰকাৰক উপদেশ দি শিক্ষাৰ উন্নতি সাধন কৰিব লাগিব।

(৪) প্ৰাদেশিক চৰকাৰে বিভিন্ন শিক্ষা অনুষ্ঠানলৈ অৰ্থ-অনুদানৰ ব্যৱস্থা শিক্ষা বিভাগৰ জৰিয়তে কৰিব। কেন্দ্ৰীয় চৰকাৰে দিয়া টকাও শিক্ষা বিভাগেহে বিতৰণ কৰিব। মুঠতে চৰকাৰে শিক্ষাৰ প্ৰসাৰৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানলৈ অনুদানৰ ব্যৱস্থা কৰিব। কিন্তু সেই অনুদানৰ মাত্ৰা নিৰ্ধাৰণ কৰিব শিক্ষা বিভাগে।

(৫) চৰকাৰীভাৱে খোলা শিক্ষানুষ্ঠানৰ পৰিচালনা, পৰিদৰ্শন আৰু তত্ত্বাৱধানৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। এই ব্যৱস্থা চৰকাৰে শিক্ষা বিভাগৰ মাধ্যমেৰে কৰিব আৰু ইয়াৰ বাবে পৰিদৰ্শক আৰু শাসকৰো প্ৰয়োজন।

(৬) কোনো অনুষ্ঠানে শিক্ষানুষ্ঠান খুলিলেও বা কোনো ব্যক্তিয়ে নিজে শিক্ষানুষ্ঠান স্থাপন কৰিলে সেইবোৰে অৰ্থ সাহায্যৰ বাবে চৰকাৰক আবেদন জনাব পাৰে। শিক্ষা বিভাগে অৰ্থ সাহায্য পাবলৈ কিছুমান নিয়ম বান্ধি দিয়ে আৰু সেইবোৰ নিয়ম পালন কৰিলে বেচৰকাৰী অনুষ্ঠানে চৰকাৰী অনুদান পাব পাৰে। অনুদান লোৱাৰ পিছৰেপৰা সকলো স্কুল কলেজ শিক্ষা বিভাগৰ পৰিদৰ্শকে বছৰি

পৰিদৰ্শন কৰাৰ ক্ষমতা লাভ কৰিব আৰু সেই স্কুল আৰু কলেজৰ সম্বন্ধে শিক্ষা বিভাগক প্ৰতিবেদন দিব।

(৭) শিক্ষাৰ বিভিন্ন দিশত হোৱা উন্নতি বা অনুন্নতিৰ বিষয়ে ৰাইজক জনাবলৈ বছৰি একোখনকৈ ৰিপোৰ্ট উলিওৱাটো শিক্ষা বিভাগৰ দায়িত্ব হব।

(৮) সাধাৰণ অনুদান দিয়াৰ উপৰিও স্কুলঘৰ, আহিলা-পাতি, চকী-মেজ, কিতাপ-পত্ৰ আদি কিনাৰ কাৰণেও অনুদান দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব।

(৯) বুদ্ধি-বৃত্তি থকা আৰু পৰীক্ষাত দক্ষতা দেখুৱা ল'ৰা-ছোৱালীক উচ্চ শিক্ষা লোৱাত উৎসাহ দিবলৈ মাহেকীয়া বৃত্তি দিয়াৰ ব্যৱস্থা কৰিব।

১৮৫৪ চনত দিয়া এই প্ৰস্তাৱবোৰ প্ৰাদেশিক চৰকাৰে কাৰ্যকৰী কৰিছিল। সময়ে সময়ে নিয়ম বদলালেও স্কুল-কলেজক অনুদান দিয়া আৰু শিকাৰুক বৃত্তি দিয়াটো সকলো প্ৰদেশে গ্ৰহণ কৰিছিল। কিন্তু প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ বাবে ১৮৫৪ চনৰপৰা ১৯১৩ চনলৈ বিভিন্ন ব্যৱস্থা সম্পূৰ্ণভাৱে কাৰ্যকৰী হোৱা নাছিল। প্ৰাথমিক শিক্ষাৰ বাবে প্ৰাদেশিক চৰকাৰৰ ৰাজহৰপৰা বেছি টকা খৰচ কৰাৰ প্ৰস্তাৱ ললেও বাস্তৱত সি কাৰ্যকৰী হোৱা নাছিল। ভাৰতৰ নিৰক্ষৰৰ সংখ্যা যিমান আছিল সেই অনুপাতে প্ৰাথমিক শিক্ষাত খৰচ তেনেই কম আছিল। উচ্চশিক্ষাই বৰং বেছি অংশ চৰকাৰৰ ৰাজহৰপৰা লৈ গৈছিল।

দেশ স্বাধীন হোৱাৰ পিছৰেপৰা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব চাৰিগুণে বাঢ়িছিল। আগৰ দৰে কেইটামান টকাৰ অনুদান দিয়েই সন্তুষ্ট থাকিব নোৱাৰে। গণতান্ত্ৰিক দেশ এখনত নাগৰিকৰ শিক্ষা অন্ততঃ ১৪ বছৰলৈ বিনামূল্যে দিয়া চৰকাৰৰ সম্পূৰ্ণ দায়িত্ব হিচাপে গ্ৰহণ কৰিছে। মাধ্যমিক স্তৰতো সকলোকে সমান সুবিধা দিবলৈ অৰ্থ আৰু আহিলাপাতিৰ যোগান ধৰিব লগাত পৰিছে। সংবিধানে

১৯৬০ চনত সকলোকে সাক্ষৰ কৰাৰ বাবে চৰকাৰক জৰুৰীমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰিলেও অসম চৰকাৰে সেই ব্যৱস্থা লবলৈ ব্যৰ্থ হৈছে। ১৯৭২ চনলৈকে সম্পূৰ্ণৰূপে স্বাক্ষৰ কৰিবলৈ বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আইন সকলো ঠাইতে বলবৎ কৰিব পৰা নাই :

মাধ্যমিক স্তৰত আগতকৈ বেছি অনুদান আৰু সা-সুবিধা দিলেও ই বাঢ়ি অহা আৱশ্যকতাতকৈ কম। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাই কলেজীয়া শিক্ষাতকৈ বেছি অনুদান আৰু মনযোগ পোৱা দৰকাৰ। আজি কেৱল জ্ঞান দানেই শিক্ষাৰ উদ্দেশ্য নহয়। চৰকাৰে ল'ৰা-ছোৱালীৰ স্বাস্থ্য ৰক্ষা কৰা, সমান অধিকাৰ পোৱাত চকু দিব লাগিব। পশ্চিমীয়া গণতান্ত্ৰিক দেশ এখনত চৰকাৰে বিনামূলীয়া বাধ্যতামূলক শিক্ষা দানৰ উপৰিও তলত উল্লেখ কৰা দায়িত্ববোৰো লৈছে। যেনে ;

(১) প্ৰত্যেক স্কুলতে দুপৰীয়াৰ গাখীৰ আৰু দিনৰ আহাৰৰ ব্যৱস্থা কৰা।

(২) নিয়মিতভাৱে স্বাস্থ্য পৰিদৰ্শনৰ ব্যৱস্থা কৰা আৰু শিক্ষাৰ্থী অসুখ আদিত পৰিলে বিনামূলীয়া চিকিৎসা কৰা।

(৩) দাঁতৰ পৰীক্ষা আৰু চিকিৎসাৰ ব্যৱস্থা কৰা।

(৪) আমোদ প্ৰমোদৰ ব্যৱস্থা কৰা।

(৫) অসামৰ্থ হলে স্কুলৰ কাপোৰ-কানি-জোতা-মোজা আৰু আৱশ্যকীয় বস্তুৰ বিনামূলীয়াকৈ যোগান ধৰা।

(৬) ঘৰৰ অৱস্থা ভাল নহলে হোষ্টেলত থকাৰ ব্যৱস্থা কৰা।

(৭) স্বাস্থ্য বজাই ৰাখিবলৈ খেলা-ধূলাৰ বাবে পথাৰ, ব্যায়াম-ঘৰ আৰু সাতোৰা পুখুৰি আদিৰ ব্যৱস্থা কৰা।

(৮) প্ৰয়োজন হলে স্কুলৰপৰা ঘৰলৈ অহা-যোৱাৰ ব্যৱস্থা কৰি দিয়া।

ছোভিয়েট ৰুচিয়াত শিশুক ৰাষ্ট্ৰৰ সন্তান হিচাপে লৈ ইয়াতকৈও

বেছি সুবিধা দিছে। ইংলণ্ড আৰু আমেৰিকাতো শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঠনৰ বাবে বিভিন্ন ধৰণৰ সুবিধাৰ ব্যৱস্থা কৰিছে। অসমত ১৯৪৭ চনলৈ বিনামূলীয়া প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থাকে কৰিব নোৱাৰিলে। স্বাধীনতাৰ পিছতো অসমত সকলো ঠাইতে আজিলৈকে বিনামূলীয়া সাৰ্বজনীন প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পৰা নাই। এই শিক্ষা সমস্যা আজিলৈকে সমাধান হোৱা নাই। পশ্চিমীয়া দেশসমূহত দিয়াৰ দৰে সুবিধাবোৰ নিয়মমতে পাবলৈ আমাৰ এতিয়াও বহুত পলম আছে, কাৰণ শিক্ষাক ৰাষ্ট্ৰৰ দায়িত্ব হিচাপে এতিয়াও সম্পূৰ্ণভাৱে লব পৰা নাই। প্ৰাথমিক শিক্ষাতকৈ আন শিক্ষাত খৰচ বেছি হোৱাৰ বাবে প্ৰাথমিক শিক্ষাৰ মূল সমস্যা এতিয়াও সমাধান হোৱা নাই। এতিয়াও প্ৰাথমিক শিক্ষা সম্পূৰ্ণ-ভাৱে বাধ্যতামূলক কৰিব পৰা নাই। ফলত শিক্ষাৰ উন্নতিকৰণো কৰিব পৰা নাই। আনকি নিৰক্ষৰতা দূৰীকৰণৰ অভিযান ১৯৭০ চনলৈ চলি আছে।

লোকেল ব'ৰ্ড আৰু মিউনিচিপালিটি ঃ ১৮৮২ চনত ভাৰতৰ গবৰ্ণৰ জেনেৰেল লৰ্ড ৰিপনে লোকেলব'ৰ্ড আৰু মিউনিচিপালিটিৰ ক্ষমতা হস্তান্তৰ সম্বন্ধে এখন আইন পাছ কৰে। এই আইনমতে প্ৰাথমিক স্কুল স্থাপন, প্ৰসাৰ আৰু উন্নত কৰাৰ সম্পূৰ্ণ দায়িত্ব লোকেলব'ৰ্ড আৰু মিউনিচিপালিটিক দিয়ে। সেই চনতে প্ৰকাশ পোৱা হাণ্টাৰ কমিছনেও এই দুয়ো বিধ ব'ৰ্ডক প্ৰাথমিক শিক্ষাৰ দায়িত্ব দিছিল আৰু বেলেগ ফাণ্ডৰ সৃষ্টি কৰি সেই ফাণ্ড সম্পূৰ্ণৰূপে প্ৰাথমিক শিক্ষাৰ প্ৰসাৰত ব্যৱহাৰ কৰিব। ১৯২৬ চন, ১৯৪৭ আৰু ১৯৬২ চনত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আইন পাছ হোৱাৰ লগে লগে লোকেলব'ৰ্ডৰ আৰু দায়িত্ব বঢ়াই দিলে। সৰু ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ বাবে স্কুল ঘৰ সজাই দিয়াৰ উপৰিও স্কুল চলোৱাৰ দায়িত্ব ব'ৰ্ডে লব লাগিব। অনিচ্ছুক মাক-বাপেকক আইনৰ সহায়ত ল'ৰা-ছোৱালীক স্কুললৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগিব আৰু

দুখীয়া ল'ৰা-ছোৱালীক কিতাপ-পত্ৰ আৰু আৱশ্যকীয় বস্তু দি সহায় কৰিব লাগিব।

নিজৰ ফাণ্ড চহকী কৰিবলৈ প্ৰাদেশিক চৰকাৰৰপৰা অনুদানৰ বাহিৰেও লোকেলব'ৰ্ডক 'শিক্ষা কৰ' তোলাৰ ক্ষমতা দিছিল। শিক্ষকক নিযুক্ত কৰা, দৰমহা দিয়া, কামৰপৰা গুচোৱা আৰু প্ৰশিক্ষণ দিয়া কামৰ দায়িত্ব এওঁলোকৰ আছিল। স্কুলঘৰ সজা, মেৰামতি কৰা, আৱশ্যকীয় বস্তুৰ যোগান ধৰা কামো ব'ৰ্ডৰ আছিল। মুঠতে প্ৰাথমিক স্কুলৰ বাধ্যতামূলকভাৱে প্ৰসাৰ কৰা, উন্নত কৰা আৰু অধিক সুবিধা দিয়াৰ ব্যৱস্থা কৰাৰ দায়িত্ব আছিল লোকেলব'ৰ্ড আৰু মিউনিচিপালিটিৰ।

মিছনাৰীৰ শিক্ষা বিস্তাৰ ঃ ইংৰাজসকল বাণিজ্য কৰিবলৈ ভাৰতলৈ অহাৰ লগে লগেই মিছনাৰীসকলে খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে ভাৰতৰ দক্ষিণাত্যত আহি খোপনি পোতে। অসম ইংৰাজ শাসনৰ তললৈ অহাৰ লগে লগে কেপ্তেইন জেনকিন্সৰ অমন্ত্ৰণ ক্ৰমে মিছনাৰী-সকল অসমলৈ আহে। ১৮৩৯ চনত ৰেভঃ নেথান ব্ৰাউন আৰু ৰেভঃ এ. টি. কাট্টাতে তেওঁলোকৰ পৰিয়ালবৰ্গক লৈ পোন প্ৰথমে শদিয়ালৈ আহে। ইংৰাজী শাসকে বুজি পাইছিল যে দুৰ্গম ঠাইত স্থানীয় মানুহৰ সহায় নোহোৱাকৈ শাসনকাৰ্যালয় স্থাপন কৰাৰ সম্ভাৱনা খুব কম। নতুনকৈ শাসন ভাৰ লোৱাত অসমৰ ভৌগলিক অৱস্থা সঠিকভাৱে নজনাৰ বাবে মিছনাৰীসকলৰ সহায় লব লগীয়াত পৰিছিল। কাৰণ মিছনাৰীসকলে দুৰ্গম ঠাই আৰু অটব্য হাবি ভাঙি মিছন সাজি সেই ঠাইৰ মানুহৰ লগত থকাৰ উদাহৰণ বহুতো আছিল।

মিঃ ব্ৰাউন আৰু মি. কাট্টাৰে শদিয়াত মিছন স্থাপন কৰি পোনেই এটা ল'ৰাৰ আৰু এটা ছোৱালীৰ কাৰণে স্কুলঘৰ সাজি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। তেওঁলোকৰ কামত সহায় কৰিবলৈ ডাঃ ব্ৰনচন আৰু আন কেইজন মিছনাৰী আহিছিল। এওঁলোকে খামটি আৰু

জয়পুৰ পাহাৰীয়া মানুহৰ মাজত খৃষ্টধৰ্ম প্ৰচাৰত ব্যস্ত হৈ পৰে। কিন্তু খামটিৰ বিদ্ৰোহ আৰু পাহাৰীয়া জাতিৰ ভিতৰত সঘনে লাগি থকা সংঘৰ্ষত তেওঁলোকৰ জীৱন বিপন্ন হোৱা যেন দেখি তেওঁলোক তাৰপৰা নামি সমতলৰ বিভিন্ন ঠাইত সোমাই পৰে। শিৱসাগৰ, নগাওঁ তেজপুৰ আদি ঠাইত নিজৰ মিছন আৰু স্কুলঘৰ সাজি ধৰ্মকাম আৰম্ভ কৰে। লাহে লাহে তেওঁলোকে আকৌ গাৰো, নগা, মিকিৰ আৰু খাচী পাহাৰৰ বিভিন্ন ঠাইত নিজৰ খোপনি পোতে।

খৃষ্টধৰ্ম প্ৰচাৰ কৰিলেও অসমৰ শিক্ষা জগতত মিছনাৰীসকলৰ অৰিহণা সদায় স্বীকাৰ কৰিব লাগিব। যেনে ঃ

(১) তেওঁলোকে য'লৈকে গৈছিল প্ৰথমে তাত স্কুলঘৰ সজাত প্ৰাধান্য দিছিল। খৃষ্টধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবলৈ লিখা পঢ়া শিকোৱাৰ উপৰিও স্কুলবোৰত ধৰ্মশিক্ষা দিছিল। শিক্ষাৰ প্ৰতি স্থানীয় মানুহৰ ধাউতি বঢ়াবলৈ সেই ঠাইৰ লিখিত বা কথিত ভাষাকে তেওঁলোকে শিক্ষাৰ মাধ্যমৰূপে লৈছিল। পাহাৰীয়া ঠাইত বেছিভাগেই কথিত ভাষা হোৱাৰ বাবে সেইবোৰ ৰোমান আখৰত লিখি কিতাপ হিচাপে প্ৰকাশ কৰিছিল। ফলত গাৰো, নগা, মিকিৰ আদি ভাষাত বিভিন্ন ধৰণৰ পাঠ্যপুথিৰ বাহিৰে ধৰ্ম, গল্প আদি কিতাপ প্ৰকাশ পাইছিল। বঙালী শিক্ষাৰ মাধ্যম হিচাপে থাকোঁতেও এওঁলোকে স্কুলবোৰত অসমীয়া ভাষাতে শিক্ষা দিছিল।

(২) এওঁলোকে স্থাপন কৰা ইংৰাজী স্কুলবোৰো তেওঁলোকৰ নিস্বাৰ্থ কামৰ বাবে আদৰ্শ স্কুল হিচাপে পৰিগণিত হৈছিল। শিক্ষাদানৰ বাবে চৰিত্ৰ গঠন, শৃঙ্খলাবদ্ধতা, পৰিষ্কাৰ পৰিচ্ছন্নতা আদি শিক্ষাৰ শলাগ লবলগীয়া।

(৩) মিছনাৰীৰ ঘৈণীয়েকসকলে অহোপুৰুষাৰ্থ কৰি ছোৱালীৰ শিক্ষাৰ বাবে ক্লাচ খুলিছিল। ঘৰে ঘৰে গৈ ছোৱালী খুজি লিখা, পঢ়া আৰু অঙ্ক শিকোৱাৰ কাৰণে অশেষ কষ্ট কৰিব লগীয়া হৈছিল।

ৰক্ষণশীল সমাজত ছোৱালীক বাহিৰলৈ নপঠিয়ায়। তেনে অৱস্থাত ছোৱালীক শিক্ষাৰ কাৰণে বাহিৰলৈ উলিয়াই অনাটো আচৰিত কথা। এই ছোৱালী শিক্ষাৰ শ্ৰেণী বা 'জানানা ক্লাচ'বোৰ বৰ বেছিদিন নিটিকিলেও মিছনাৰীসকলৰ চেষ্টা শলাগিব লগীয়া। অসমত প্ৰথম মাধ্যমিক স্কুল আৰু প্ৰথম বি-টি কলেজ এই মিছনাৰীসকলে স্থাপন কৰিছিল।

(৪) মাউৰা ল'ৰা-ছোৱালীৰ থকা আৰু শিক্ষা দিয়াৰ মূল উদ্দেশ্য আছিল তেওঁলোকক খৃষ্টান কৰা আৰু ধৰ্ম প্ৰচাৰৰ বাবে কৰ্মী হিচাপে প্ৰস্তুত কৰা।

(৫) এওঁলোকে অসমত প্ৰথম ছপাশাল পাতি 'অৰুনোদয়' নামৰ অসমীয়া আলোচনী উলিয়াইছিল। অসমীয়া ভাষা সমৃদ্ধ কৰিবলৈ ডাঃ ব্ৰনচনে এংগ্লো-আচামিজ ডিক্সনেৰী' নামৰ ১৪,০০০ শব্দ থকা অভিধান এখন পোন প্ৰথমে উলিয়াইছিল। ইয়াৰ বাহিৰেও এলিজা ব্ৰাউন, ডাঃ নাথান ব্ৰাউন, প্ৰথম অসমীয়া খৃষ্টান নিধি ফাৰৱেলে অঙ্ক, ভাষা আৰু আন আন বিষয়ত কেবাখনো পাঠ্য পুথি লেখি উলিয়াইছিল।

(৬) অসমৰ শিক্ষা জগতলৈ মিছনাৰীসকলৰ আটাইতকৈ ডাঙৰ বৰঙনি হ'ল অসমীয়া ভাষাক ইয়াৰ প্ৰাপ্য স্থান দিয়াৰ বাবে কৰা প্ৰচেষ্টা। বঙালী ভাষাক ৰাজ সন্মান আৰু শিক্ষাৰ মাধ্যম কৰাৰ পিছত অসমীয়া মানুহৰ মাজত যি বিক্ষোভৰ সৃষ্টি হৈছিল তাৰ বুজ লৈ তেওঁলোকে অৰুণোদয়ত বহুতো চিঠি পত্ৰ লিখিবলৈ ধৰিছিল। ব্ৰনচনে তেওঁৰ এংগ্লো-আচামীজ ডিক্সনাৰীৰ পাতনিত অসমীয়া ভাষাৰ ৰূপৰ বিষয়ে লিখিছিল। আন আন মিছনাৰীসকলেও অসমীয়া ভাষাৰ যে এটা স্বতন্ত্ৰ সত্তা আছে আৰু বঙালীৰ অপভ্ৰংশ নহয় তাক ভাল দৰে লিখিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হিচাপে লবলৈ যি বিবৃতি দিছিল তাক তেওঁলোকে প্ৰকাশ কৰিছিল। মিলচ চাহাবে অসমৰ শাসন ব্যৱস্থাৰ বুজ লবলৈ

মানুহৰ নানা মতামত লৈছিল। মিছনাৰীসকলে অসমীয়া ভাষাক শিক্ষা আৰু ৰাজকাৰ্যৰ মাধ্যম হব লাগে বুলি অকাট্য যুক্তিৰে বুজাইছিল। অৱশেষত ১৮৭৩ চনত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰা হয়।

(৭) মিছনাৰীসকল য'লৈকে গৈছিল তাতে নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে তেওঁলোকে প্ৰাথমিক স্কুল খুলিছিল। শিক্ষকৰ নাটনি, পাঠ্য-পুথিৰ অভাৱত বহুত অসুবিধা ভোগ কৰিলেও এওঁলোকে অনেক কষ্ট কৰি স্কুলসমূহ চলাই আছিল। শিক্ষাৰ মানদণ্ড খুব ওখ খাপৰ নহলেও শিক্ষাৰ প্ৰসাৰত তেওঁলোকৰ প্ৰচেষ্টা শলাগিব লগীয়া। নগৰ আৰু সদৰ ঠাইত তেওঁলোকে ইংৰাজী হাইস্কুল স্থাপন কৰিছিল। এই হাইস্কুলবোৰৰ ঘৰ সুন্দৰ আছিল। চাৰিওফালে অতি চাফাকৈ ৰাখিছিল। ইংৰাজী শিক্ষা দিলেও বিশ্ববিদ্যালয়ৰ মেট্ৰিক পৰীক্ষাৰ বাবে ল'ৰা-ছোৱালীক প্ৰস্তুত কৰিছিল। ভাল স্কুল হিচাপে নাম কৰাৰ কাৰণে এইবোৰত সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ ভিৰ হৈছিল। কলেজ স্থাপনত প্ৰথমে মন নিদিলেও ১৯৩৭ চনত চেণ্ট এডমাণ্ড স্কুলত আইৰিচ ব্ৰাদাৰসকলে বি-টি কলেজ খুলি এটি বহুদিনীয়া অভাৱ পূৰণ কৰে। তাৰ পিছত চেণ্ট মেৰিজ, চেণ্ট এডমাণ্ডচ, চেণ্ট এণ্টনী আদি কলেজ স্থাপন কৰে।

(৮) মিছনাৰীসকলে খাচীয়াপাহাৰ, গোৱালপাৰা আৰু নগাঁৱত শিক্ষকৰ প্ৰশিক্ষণৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ খুলিছিল। তেনে ধৰণৰ কোনো স্কুল নথকাৰ বাবে চৰকাৰেও অৰ্থ দি সহায় কৰিছিল। শিক্ষকৰ প্ৰসিক্ষণৰ আৱশ্যকতা বুজি আৰু অসমত প্ৰসিক্ষণৰ কলেজ নথকাৰ কাৰণে মাধ্যমিক স্কুলৰ শিক্ষকক প্ৰশিক্ষণৰ সুবিধা নোপোৱাৰ কাৰণে চেণ্ট এডমাণ্ডচ্ স্কুলত বি-টি ক্লাচ খোলে। চৰকাৰে এই কলেজলৈকো অৰ্থ সাহায্য দান কৰে।

মিছনাৰীসকলে শিক্ষাৰ প্ৰত্যেক স্তৰতে নিজৰ বৰঙনি দান কৰিলেও তেওঁলোকৰ মূল উদ্দেশ্য ধৰ্ম প্ৰচাৰ সমানভাৱেই

আছিল। বস্তুত ক্ষেত্ৰত ধৰ্মপ্ৰচাৰৰ অভিযানৰ লগত মানুহৰ বিশ্বাসৰ সংঘাত হোৱা বাবে আৰু কেইজনমান মিছনাৰীয়ে অসমৰ ৰাজনৈতিক সমস্যাত চৰকাৰে মিছনাৰীৰ কামত হস্তক্ষেপ কৰিব লগাত পৰে। তথাপি বৃটিছ শাসনৰ প্ৰথম পৰ্যায়ত শিক্ষাৰ প্ৰসাৰৰ বাবে মিছনাৰীসকলে চেষ্টা কৰিছিল সি সদায় স্মৰণীয়।

স্বাধীনতাৰ পিছৰেপৰা কেবাজনো মিছনাৰীয়ে ৰাষ্ট্ৰবিৰোধী কামত লিপ্ত হোৱাৰ কাৰণে মিছনাৰীসকলৰ আগৰ অবাধ গতি নিয়ম বান্ধি দিয়া হৈছে। তথাপি বিভিন্ন মিছনাৰী এতিয়াও পাৰ্বত্য অঞ্চলত কাম কৰি আছে। প্ৰধান মিছনবোৰ হ'ল,—আমেৰিকান বেপ্টিষ্ট মিছন, লুথেৰান মিছন, ৰোমান কেথলিক মিছন, ওৱেলচ্ মিছন, জাৰ্মান শিক্ষা মিছন। ইয়াৰ উপৰিও ৰামকৃষ্ণ মিছনেও নতুন পদ্ধতিত শিক্ষা বিস্তাৰৰ বাবে অসমৰ বিভিন্ন ঠাইত স্কুল স্থাপন কৰিছে।

আন আন বেচৰকাৰী অনুষ্ঠান ঃ মিছনাৰীসকলৰ বাহিৰেও গোৱালপাৰাৰ জমিদাৰসকলে শিক্ষাৰ কাৰণে যথেষ্ট টকা-পইচা খৰচ কৰিছিল। প্ৰাথমিক স্কুল স্থাপন কৰাৰ উপৰিও ১৯৩৭ চনত প্ৰায় ৪খন হাইস্কুল স্থাপন কৰিছিল। মধ্য ইংৰাজী আৰু মধ্য অসমীয়া স্কুললৈ অৰ্থসাহায্য দিছিল আৰু প্ৰয়োজন হলে স্কুলঘৰ সজা আদি কামতো অনুদান দিছিল।

অসমত থকা বিভিন্ন ভাষা-ভাষীৰ মানুহে তেওঁলোকৰ ল'ৰা-ছোৱালীক নিজৰ ভাষাত শিক্ষা দিবলৈ স্কুল স্থাপন কৰিছিল। ইয়াৰ ভিতৰত মাৰোৱাৰীসকলে প্ৰাথমিক, মধ্য ইংৰাজী আৰু হাইস্কুল স্থাপনত উৎসাহ দেখুৱাইছিল আৰু প্ৰয়োজন অনুযায়ী কলেজ আৰু হাইস্কুল আদিত সৰহ টকা দিছিল।

ইয়াৰ বাহিৰেও চহকী আৰু শিক্ষানুৰাগী ভদ্ৰলোক আৰু ভদ্ৰমহিলায়ো স্কুল আৰু কলেজ স্থাপনৰ কাৰণে বা উন্নতিৰ কাৰণে অৰ্থ সাহায্য দিছিল। ১৯৪৭ চনলৈ বেচৰকাৰী অনুষ্ঠানৰ অৱদান

শিক্ষা ক্ষেত্ৰত কম হলেও স্বাধীনতা লাভ কৰাৰ পিছৰেপৰা বেছি হবলৈ ধৰিছে।

শিক্ষানুৰাগী মুখীয়াল লোকে নিজ নিজ অঞ্চলত প্ৰাথমিকৰপৰা কলেজ বিচৰাৰ বাবে বেচৰকাৰীভাৱে হাইস্কুল আৰু কলেজ স্থাপনৰ সংখ্যাও বাঢ়ি আহিবলৈ ধৰিছে। স্বাধীনতাৰ পিছৰেপৰা শিক্ষা প্ৰসাৰত বেচৰকাৰী অনুষ্ঠানৰ অৱদান যথেষ্ট আছে।

প্ৰশ্ন

(১) শিক্ষা প্ৰসাৰত চৰকাৰৰ দায়িত্ব সম্বন্ধে বহলাই লিখা। অসমৰ শিক্ষা বিস্তাৰৰ বাবে কেনেধৰণৰ দায়িত্ব লৈছিল।

(২) অসমৰ শিক্ষা-বিস্তাৰত মিছনাৰীৰ অৱদান সম্বন্ধে লিখা।

(৩) অসমত বেচৰকাৰী অনুষ্ঠানৰ শিক্ষা বিস্তাৰত কেনে ধৰণৰ অৱদান আগবঢ়াইছিল তাৰ বিষয়ে লিখা

চতুৰ্থ অধ্যায়

অসমত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ

১৮১৬ চনৰ পিছত ইংৰাজ শাসকে অসমত দেশীয় স্কুলৰ মাজেৰে শিক্ষাৰ প্ৰসাৰত উৎসাহ দেখুৱাইছিল। নতুন ধৰণৰ স্কুল প্ৰৱৰ্তন কৰি ৰাইজৰ মাজত অসন্তোষৰ সৃষ্টি কৰিব খোজা নাছিল। কিন্তু ১৮৫৪ চনত উড্ ডেচপাচে শিক্ষাৰ প্ৰথম স্তৰ—প্ৰাথমিক শিক্ষা, ভাৰতীয় জনসাধাৰণক দিয়াটো চৰকাৰৰ দায়িত্ব বুলি ঘোষণা কৰে। কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰস্তাৱ দিছিল যে যিসকলৰ অৰ্থসংগতি আছে তেওঁলোকে নিজে খৰচ কৰি এই শিক্ষা লব। কিন্তু চৰকাৰে প্ৰত্যেক প্ৰদেশতে প্ৰাথমিক স্কুল স্থাপন কৰাৰ দায়িত্ব লব লাগিব। ইয়াৰ উপৰিও পাঠ্যক্ৰমত পাশ্চাত্যৰ জ্ঞান আৰু বিজ্ঞানৰ উন্নতি সম্বন্ধে বিষয়বস্তু থাকিব। ফলত এই ডেচপাচৰ পিছত প্ৰাদেশিক চৰকাৰে দেশীয় স্কুলতকৈ বেলেগ প্ৰাথমিক স্কুল স্থাপন কৰাৰ দায়িত্ব লব লগীয়া হৈছিল।

১৮৮১ৰ ভাৰতীয় শিক্ষা কমিছন ঃ চৰকাৰে সকলো ঠাইতে প্ৰাথমিক স্কুল স্থাপন কৰা, পৰিচালনা কৰা আৰু উন্নত কৰাটো এক অসম্ভৱ কথা আছিল। ১৮৮২ চনত ভাৰত চৰকাৰে নিযুক্ত কৰা ভাৰতৰ শিক্ষা আয়োগৰ প্ৰতিবেদন প্ৰকাশ পায়। এই ৰিপোৰ্টে প্ৰাথমিক শিক্ষা প্ৰসাৰৰ দায়িত্ব চৰকাৰৰপৰা লোকেল আৰু মিউনিচিপাল ব'ৰ্ডলৈ হস্তান্তৰ কৰাৰ মত পোষণ কৰে। কাৰণ এখন প্ৰদেশত প্ৰত্যেক অঞ্চলত স্থাপন হোৱা লোকেলব'ৰ্ডে সেই অঞ্চলত প্ৰাথমিক স্কুল স্থাপনত যিমান চকু দিব প্ৰাদেশিক চৰকাৰৰ বাবে ৰাজধানীত থাকি সেই দক্ষতাৰে তত্বাৱধান লোৱা আৰু পৰিচালনা কৰাটো অসম্ভৱ কথা আছিল। হাণ্টাৰ কমিছনে সেই কাৰণে প্ৰাথমিক শিক্ষা প্ৰসাৰৰ প্ৰস্তাৱবোৰ তলত দিয়া ধৰণে দিছিল ঃ

(১) মাতৃভাষাৰ মাধ্যমেৰে প্ৰাথমিক শিক্ষা দি জনসাধাৰণক জীৱনৰ কাৰণে প্ৰস্তুত কৰিব লাগে।

(২) প্ৰাথমিক শিক্ষাক শিক্ষা ব্যৱস্থাৰ এটা অংশ হিচাপে গ্ৰহণ কৰিব লাগে। এই শিক্ষাৰ বাবে খৰচ কৰিবলৈ বেলেগে ফাণ্ড এটা লোকেলবৰ্ডে ৰাখিব লাগিব আৰু ৰাজ্যিক চৰকাৰে ৰাজহুৰ ডাঙৰ অংশ এটা খৰচ কৰিব।

(৩) কম খৰচত কিন্তু দ্ৰুত প্ৰসাৰৰ বাবে এওঁলোকে পৰীক্ষাৰ ফলাফলৰ ওপৰত দিয়া অনুদানৰ (Payment-by-results system) ওপৰত নিৰ্ভৰ কৰিব লাগিব।

(৪) একে ধৰণৰ শিক্ষা দিয়াতকৈ স্থানীয় পৰিবেশৰ দাবী অনুযায়ী পাঠ্যক্ৰম তৈয়াৰ কৰিব লাগিব আৰু স্থানীয় পৰিস্থিতিয়ে পঢ়াৰ সময় নিৰ্ণয় কৰিব।

(৭) দেশীয় স্কুলেও শিক্ষাৰ প্ৰসাৰত সহায় কৰিব। সেইবোৰক অনুদান দিব লাগে।

(৮) শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

লৰ্ড হাণ্টাৰৰ পৌৰোহিত্যত হোৱা এই কমিছনে প্ৰাথমিক শিক্ষাক জনসাধাৰণৰ শিক্ষা বুলি অভিহিত কৰিলেও ইয়াৰ প্ৰসাৰৰ বাবে বাধ্যতামূলক ব্যৱস্থা একো নকৰিলে। লৰ্ড ৰিপনৰ আইন মতে নতুনকৈ গঠিত হোৱা লোকেলবৰ্ডসমূহৰ অভিজ্ঞতা আৰু অৰ্থ দুয়োটাই কম আছিল। অসমতো লোকেলবৰ্ডৰ সংগঠন ১৮৮২ চনৰ পিছৰপৰাহে হৈছিল। নিৰ্বাচিত মেম্বাৰসকলে শিক্ষাতকৈ আন বিষয়ত যেনে ৰাস্তা ভাল কৰা, পানী যোগাৰা আদি কামতহে চকু দিছিল। সংগঠন কৰোঁতে বহুত বছৰ লৈছিল। তাৰ উপৰি চৰকাৰেও প্ৰতিশ্ৰুতি দিয়া মতে কোনো শকত পুঁজি লোকেলবৰ্ডক দিয়া নাছিল। কেন্দ্ৰীয় চৰকাৰেও প্ৰাদেশিক চৰকাৰক শিক্ষাৰ বাবে অনুদান দিয়া নাছিল। লোকেলবৰ্ডসমূহেও কৰ-কাটল লগাই শিক্ষাৰ পুঁজি কৰিবলৈ মান্তি হোৱা নাছিল। ফলত লোকেলবৰ্ডৰ

আৰ্থিক অৱস্থা কোনো দিনে ভাল হোৱা নাছিল। প্ৰথমৰেপৰা শিক্ষাৰ প্ৰতি আওকাণ কৰাৰ ফলত পিছলৈও লোকেলব'ৰ্ডে প্ৰাথমিক শিক্ষাৰ প্ৰসাৰত আন্তৰিকতাৰে কোনো প্ৰচেষ্টা লোৱা নাছিল। বাধ্যত পৰি প্ৰাথমিক স্কুল স্থাপন কৰিলেও তাৰ উন্নতি কৰাৰ কাৰণে কোনো বিশেষ আঁচনি লোৱা নাছিল। ফলত বে-চৰকাৰী অনুষ্ঠানসমূহেও অকল লোকেলব'ৰ্ডলৈ বাট নাচাই আৱশ্যক অনুযায়ী প্ৰাথমিক স্কুল স্থাপন কৰিছিল। সেই কাৰণে অসমত ১৯৪৭ চনলৈ কেবা ধৰণৰ শাসনৰ তলত প্ৰাথমিক স্কুল আছিল।

বিভিন্ন কতৃ পক্ষৰ তলত প্ৰাথমিক স্কুল ঃ লোকেলব'ৰ্ড আৰু মিউনিচিপালিটিয়ে প্ৰাথমিক স্কুলৰ সম্পূৰ্ণ দায়িত্ব লব নোৱাৰাত আন আন অনুষ্ঠান আৰু কৰ্তৃপক্ষই কিছুমান স্কুল স্থাপন কৰিছিল। যেনে,

(১) **চৰকাৰী প্ৰাথমিক স্কুল** ঃ পাছ পৰা পাৰ্বত্য ঠাইত আৰু য'ত লোকেলব'ৰ্ড স্থাপন হোৱা নাছিল তাত চৰকাৰে নিজ খৰচত প্ৰাথমিক স্কুল বান্ধি দিছিল।

(২) **সাহায্য প্ৰাপ্ত স্কুল** ঃ মিছনাৰী অনুষ্ঠান বা কোনো ব্যক্তিয়ে সজা প্ৰাথমিক স্কুল চৰকাৰৰপৰা অনুদান ললে তাক সাহায্যপ্ৰাপ্ত স্কুল বুলিছিল। সাধাৰণতে মিছনাৰীসকলক এবছৰৰ কাৰণে এবাৰতে অনুদান দিছিল, স্কুলবোৰ চোৱাৰ কাৰণে। আন স্কুলৰ ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি অনুদান হাণ্টাৰ কমিছনে অনুমোদন কৰে। এনেধৰণৰ অনুদানৰ কাৰণে বহুতো অশিক্ষিত শিক্ষকৰদ্বাৰা পৰিচালিত স্কুলৰ সৃষ্টি হয়, কিন্তু শিক্ষাৰ মানদণ্ড তেনেই কমি যায়। ফলত ১৯১৭ চনত এই অনুদান বন্ধ কৰে। ইয়াৰ পিছত স্কুলৰ প্ৰয়োজন অনুযায়ী অনুদান দিয়াৰ ব্যৱস্থা কৰে।

(৩) **সাহাষ্যহীন স্কুল** ঃ যিবোৰ স্কুলে চৰকাৰ বা ব'ৰ্ডৰপৰা কোনো অনুদান পোৱা নাছিল সেইবোৰে ফিজ, বাইজৰ বৰঙনি বা

কোনো ব্যক্তিৰ দানৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰিছিল। এইবোৰ স্কুলৰ আৰ্থিক অৱস্থা সন্তোষজনক নাছিল।

(৪) **দেশীয় স্কুল :** বৃটিছ অহাৰ আগৰেপৰা চলা আমাৰ পাঠশালা, টোল, মাদ্ৰাচা আদি চলিবলৈ অনুদান দিব লাগে বুলি হাণ্টাৰ কমিছনে অনুমোদন কৰিছিল। পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি এনেধৰণৰ অনুদান দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে বহুতো স্কুলে এনেধৰণৰ অনুদান পোৱা নাছিল। লাহে লাহে এইবোৰ স্কুলৰ সংখ্যা কমি আহিছিল।

প্ৰাথমিক স্কুলৰ সংখ্যা : বিভিন্ন কৰ্তৃপক্ষৰদ্বাৰা পৰিচালিত প্ৰাথমিক স্কুল ১৯৬০ চনলৈকে আছিল। যদিও চৰকাৰৰ নীতি আছিল লোকেলব'ৰ্ডৰদ্বাৰা সকলো ধৰণৰ প্ৰাথমিক স্কুলৰ দায়িত্ব লোৱা। কিন্তু কাৰ্যতঃ ১৯৪৭ চনলৈ লোকেলব'ৰ্ডে সেই দায়িত্ব লব পৰা নাছিল। ফলত বিভিন্ন কৰ্তৃপক্ষই প্ৰাথমিক স্কুল চলাইছিল। তলত দিয়া ধৰণে স্কুলৰ সংখ্যা আছিল :

প্ৰাইমেৰী লৰ সংখ্যা

	১৮৮৯-৯০	১৯৩৬-৩৭	১৯৫৬-৫৭	১৯৬৪-৬৫
চৰকাৰৰ	২৪	৩৪৩	১৩০০	৮৩২
লোকেলব'ৰ্ড	১২৪৩	৪,৯০৯	৯৯৮০	১৬,৩৬৭
সাহায্যপ্ৰাপ্ত	৫১৬	৮১৬	-৯৩	৬৩১
সাহায্যহীন স্কুল	১৪২	৭২৭	১০৮০	১,১২১
অস্বীকৃত			৮৮৮	
মুঠ	১,৯২৫	৬,৭৯৫	১৩,৫৬১	১৮,৯৫৩

সিপিঠিৰ তালিকাৰপৰা পোৱা যায় যে সকলো ধৰণৰ স্কুলৰ সংখ্যা ১৮৮৯ চনৰপৰা ১৯৬৪-৬৫ চনলৈ বাঢ়িছিল। কিন্তু ১৯৩৬-৩৭ চনৰপৰা ১৯৫৬-৫৭ চনলৈ যিমান সংখ্যক ছাত্ৰ-ছাত্ৰী প্ৰাথমিক স্কুলত বাঢ়িছিল যিমান সংখ্যক ল'ৰা-ছোৱালী ১৮৮৯ চনৰপৰা ১৯৩৭ চনলৈ বঢ়া নাছিল। তাৰ কাৰণ কেবাটাও আছিল:

স্বাধীনতা সংগ্ৰামৰ কাৰণে মহাত্মা গান্ধীৰ অসহযোগ আৰু আইন অমান্য আন্দোলনে অসমৰ বাইজকো চুইছিলহি।

(১) এই সংগ্ৰামৰ লগতে মহাত্মা গান্ধীয়ে শিক্ষা বিস্তাৰৰ বাবে বুনিয়াদী শিক্ষাৰ আন্দোলন কৰিছিল। তাতে জন-আলোড়নৰ সৃষ্টি হৈছিল। এই জন-আন্দোলনে গাঁও অঞ্চলত স্কুল স্থাপন কৰাত বহুতো সহায় কৰিছিল।

(২) লোকেলব'ৰ্ডৰ সদস্যসকলো আগতকৈ বহুতো সচেতন হৈ পৰিল আৰু স্কুল স্থাপন বা পৰিচালনাৰ কাৰণে অনুদান দিয়াত সঙ্কোচ নকৰা হ'ল।

(৩) জন-আলোড়নে ৰক্ষণশীল সমাজৰ বহুতো বান্ধ ভাঙিলে। সৰুতে ছোৱালীক বিয়া দিয়া, স্কুললৈ নপঠিওৱা বা ছোৱালীক ল'ৰাৰ স্কুলত পঢ়িব নিদিয়াৰ যি ৰক্ষণশীল মনোভাব আছিল সি লাহে লাহে আঁতৰিবলৈ ধৰিলে। ফলত স্কুলত ছোৱালীৰ সংখ্যা বাঢ়িল। আনকি বহুত ছোৱালীৰ স্কুলো স্থাপন হ'ল।

(৪) ১৮২৬ চনৰপৰা ১৯৪৭ চনলৈ ঠাইৰ সংযোজনৰ কাৰণে ভাল ৰাস্তা, আলি-পদূলি নৈৰ ওপৰত দলং হ'ল। ইখন গাঁৱৰপৰা সিখন গাঁৱলৈ অহাৰ সুচল হ'ল। অৱশ্যে প্ৰয়োজন অনুযায়ী এনেধৰণৰ সুবিধা অতি কম পৰিমাণৰ আছিল।

(৫) ১৯১০ চনত গোপাল কৃষ্ণ গোখলেই বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিব লাগে বুলি ইম্পিৰিয়েল লেজিচলেটিভ কাউন্সিলত যি দুখন বিল দাঙি ধৰিছিল বিফল হলেও সেই দাবীৰ ঢৌ প্ৰদেশবোৰতো আহি পালেহি। ১৯১৯ চনৰপৰা বিভিন্ন

প্ৰদেশত বাধ্যতামূলক শিক্ষাৰ আইন প্ৰণয়ন কৰে। অসমতো ১৯২৬ চনত প্ৰাথমিক বাধ্যতামূলক শিক্ষা আইন প্ৰণয়ন কৰা হয় যদিও, কোনো অঞ্চলতে ইয়াক গ্ৰহণ নকৰিলে। টকাৰ নাটনি বুলি যুক্তি দেখুৱাই লোকেলব'ৰ্ডে এনে গধুৰ দায়িত্ব লব খুজিলে। 'শিক্ষা কৰ' বুলি কৰ এটা লগাই ভোটাৰসকলৰ অপ্ৰিয় হব খুজিলে। তথাপি এই আইন প্ৰণয়ন কৰি যি এটা আলোড়নৰ সৃষ্টি কৰিলে সি লোকেলব'ৰ্ডক নিজৰ দায়িত্ব সম্বন্ধে আগতকৈ সজাগ কৰি তুলিলে আৰু মানুহকো সচেতন কৰি তুলিলে।

বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন, ১৯২৬ঃ বাধ্যতামূলক শিক্ষা প্ৰাথমিক স্তৰত আৰম্ভ কৰিবলৈ ১৯২৬ চনত ৰাজ্য চৰকাৰে এখন আইন কৰে। এই আইনৰ মতে—

(১) কোনো স্থানীয় কৰ্তৃপক্ষই (local authority) এখন বিশেষ সভা পাতি মুঠ ⅔ ভোটত ঠিক কৰিব পাৰে যে তেওঁলোকে গোটেই অঞ্চলত বা কোনো এক অংশত ল'ৰা-ছোৱালীৰ কাৰণে বা অকল ল'ৰা বা ছোৱালীৰ কাৰণে ব্যধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিব আৰু কোনো সম্প্ৰদায় ইয়াৰপৰা বাদ নপৰিব।

(২) সেই কৰ্তৃপক্ষই চৰকাৰক এখন আঁচনিও দিব। তাত থাকিব তেওঁলোকৰ শিক্ষাত বৰ্তমান খৰচ আৰু ৰাজ্য চৰকাৰৰ খৰচ; প্ৰয়োজন হোৱা উপকৰণ টকা আদিৰ বিশদ বিৱৰণ।

(৩) স্থানীয় কৰ্তৃপক্ষই বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিব খুজিলে তিনি ভাগৰ এভাগ (⅓) খচৰ বহন কৰিব লাগিব আৰু আঁচনিখন চৰকাৰে গ্ৰহণ কৰিলে বাকী তিনি ভাগৰ দুভাগ ৰাজ্য চৰকাৰে বহন কৰিব।

(৪) স্থানীয় কৰ্তৃপক্ষই কোনো আঁচনি দিব নোৱাৰিলে, চৰকাৰে কোনো এজন বা কেবাজনো মানুহক আঁচনি প্ৰস্তুত কৰিবলৈ বা ৰূপায়িত কৰিবলৈ নিযুক্ত কৰিব পাৰে।

(৫) চৰকাৰে সেই অঞ্চলৰ কোনো সম্প্ৰদায়ৰ ল'ৰা বা ছোৱালীক প্ৰাথমিক শিক্ষা লোৱাৰপৰা বাদ দিবও পাৰে।

(৬) স্থানীয় কৰ্তৃপক্ষই পৰিচালনা কৰা বা সহায় কৰা স্বীকৃত স্কুলৰ ল'ৰা-ছোৱালীবপৰা ফিজ লব নোৱাৰিব।

(৭) শিক্ষা কমিটিৰ অনুমোদন ক্ৰমে দুখীয়া মাক-বাপেকৰ ল'ৰা-ছোৱালীক আৱশ্যকীয় কিতাপ বা লিখাৰ সঁজুলি বিনা পইচাত দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

(৮) স্থানীয় কৰ্তৃপক্ষ আৰু শিক্ষা কমিটি আইনৰ প্ৰস্তাৱসমূহ ৰূপায়িত কৰাৰ কাৰণে জগৰীয়া হ'ব আৰু ডিৰেক্টৰে ভৰা মতে পঢ়োৱাৰ বাবে ঘৰ, সঁজুলি আৰু শিক্ষকৰ ব্যৱস্থা কৰিব লাগিব।

(৯) মাক-বাপেকক ল'ৰা-ছোৱালী স্কুললৈ পঠিয়াবৰ বাবে জোৰ কৰিব পাৰিব।

ওপৰৰ নিয়মসমূহৰপৰা দেখা গ'ল যে স্থানীয় কৰ্তৃপক্ষক বাধ্যতা-মূলক প্ৰাথমিক শিক্ষা চলাবলৈ দি চৰকাৰ ক্ষান্ত নাথাকিল। নিজে খৰচৰ তিনি ভাগৰ দুভাগ দি বাকী সকলো কাম লোকেলবৰ্ডৰ ওপৰত জঁাপি দিলে। ফলত কোনো স্থানীয় কৰ্তৃপক্ষই ইমান ডাঙৰ বোজা এটা লবলৈ আগবাঢ়ি নাহিল। লোকেলবৰ্ডৰ অৰ্থ সংকতত তিনি ভাগৰ এভাগ টকা দিয়াও অতিশয় কঠিন আছিল। তাৰ উপৰি নিৰ্বাচিত হোৱা সদস্যই ৰাইজৰ ওপৰত কৰৰ বোজা জাপি দি অপ্ৰিয় হব খোজা নাছিল। ফলত এই আইন সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল।

১৯৪৭ চনলৈ আৰু কোনো আইন প্ৰণয়ন কৰা নাছিল। ১৯৪৭ চনত মাত্ৰ ৭, ৫৭৪ খন স্বীকৃত প্ৰাথমিক স্কুল আছিল আৰু শিকাৰুৰ সংখ্যা আছিল ৩, ৯৩, ২৪৭ জন।

স্বাধীনতাৰ পিছৰপৰা প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ: ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছৰেপৰা প্ৰত্যেক প্ৰদেশতে শিক্ষা বিস্তাৰৰ বাবে এক নব জাগৰণৰ সৃষ্টি হ'ল। আন প্ৰদেশৰ তুলনাত শিক্ষাৰ ক্ষেত্ৰত

অসম তেনেই পাছ পৰা আছিল। ১৯৪৭ চনলৈ বয়স্কসকলৰ সাক্ষৰৰ সংখ্যা আছিল শতকৰা প্ৰায় ১১ জনহে। দেশ স্বাধীন হোৱাৰ পিছৰে পৰা বৰ্তমানৰ শিশুক ভবিষ্যতৰ নাগৰিক কৰি গঢ়ি তুলিবলৈ শিক্ষা অতিশয় প্ৰয়োজন হৈ পৰে। ভাৰতৰ সংবিধানত ১৪ বছৰ বয়সলৈ বাধ্যতামূলক প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ বিষয়ে লিখে। ১৯২৬ চনত যিখন আইন ফলৱতী নহ'ল সেইখনলৈ চাই এই আইন-খনে প্ৰস্তাৱ লৈছিল যে (ক) বিনামূলীয়া, বাধ্যতামূলক প্ৰাথমিক শিক্ষা লাহে লাহে কৰা হব। (খ) কেইখনমান ঠাই বাচি লৈ তাত প্ৰথমে বাধ্যতামূলক শিক্ষা প্ৰচলন কৰি, তাত ফলৱতী হলে গোটেই অসমতে পিছলৈ বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিব।

কিন্তু ১৯৪৭ চনৰ শিক্ষা আইন অসমত ফলৱতী নহ'ল। ১৯২৬ চনৰ দৰে কোনো লোকেলবৰ্ডে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিবলৈ আগবাঢ়ি নাহিল। কিন্তু জনসাধাৰণে নতুন নতুন প্ৰাথমিক স্কুল পতাত যথেষ্ট সহায় কৰিছিল। ১৯৪৭-৪৮ চনত প্ৰাথমিক স্কুলৰ সংখ্যা আছিল ৭,৫৭৪। ১৯৫০-৫১ চনত ইয়াৰ সংখ্যা হ'ল ১০, ৬৯৯ আৰু ১৯৫৩-৫৪ চনত ইয়াৰ সংখ্যা ১২, ২৩৩ খন হ'ল। সেই দৰে ছাত্ৰৰ সংখ্যা আছিল ১৯৪৭-৪৮ চনত প্ৰায় ৩ লাখ, ১৯৫০ চনত প্ৰায় ৬ লাখ মান হ'ল আৰু ১৯৫৩ চনত প্ৰায় ৭ লাখ। ১৪ বছৰৰ ভিতৰত ৪৬'৫৭ খন স্কুল বঢ়াতো উৎসাহজনক হলেও নিৰক্ষৰতাৰ সংখ্যালৈ চাই ইয়াৰ গতি তেনেই কম আছিল। ১৯৫০ চনৰ পিয়লৰ মতে অসমত সাক্ষৰৰ সংখ্যা আছিল শতকৰা ১৮ জন; শতকৰা ২৭ জন আছিল পুৰুষ আৰু শতকৰা ৭ গৰাকী আছিল মহিলা। গণতান্ত্ৰিক দেশ এখনত এই সংখ্যা অতিশয় বিপদজনক আছিল। কাৰণ শিক্ষিত নাগৰিকৰ ওপৰত নিৰ্ভৰ কৰিছিল গণতন্ত্ৰৰ সাফল্য। প্ৰাথমিক শিক্ষাৰ এই ধীৰ গতিত বিধান সভাত বহুতো তৰ্ক-বিতৰ্কৰ সৃষ্টি হৈছিল। বিৰোধীদলৰ লোকে প্ৰাথমিক শিক্ষা বাধ্যতামূলক-ভাৱে প্ৰচলন কৰিব নোৱাৰাৰ বাবে চৰকাৰক দোষাৰোপ কৰিছিল।

চৰকাৰে, বেচিক শিক্ষাক প্ৰাথমিক শিক্ষাৰ স্তৰত আৰম্ভ কৰিব গৈ ব্যৰ্থ হৈছিল। বেচিক শিক্ষাৰ মূল উদ্দেশ্য যিমানে ভাল নহওক, মানুহে সহজভাৱে গ্ৰহণ কৰিবলৈ টান পালে। বেছিভাগ শিক্ষকে প্ৰশিক্ষণ নোলোৱাৰ কাৰণে সেই শিক্ষাৰ উদ্দেশ্য সফল কৰাৰ প্ৰয়াস নকৰিছিল। ফলত শিক্ষাদানে ধীৰ গতিত আগবাঢ়িছিল।

১৯৫৪ চনৰ বুনিয়াদী শিক্ষা আইন : প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ দ্ৰুত কৰিবলৈ ভাল সংগঠনৰ প্ৰয়োজন হৈ পৰিছিল। সেয়ে চৰকাৰে ১৯৫৪ চনৰ চেপ্তেম্বৰ মাহত আইন প্ৰণয়ন কৰে। এই আইনৰ মতে :

(১) এই আইন গোটেই অসমতে বিস্তৃত হব।

(২) আসাম গেজেটত অসম চৰকাৰে দিয়া জাননীৰ তাৰিখৰ পৰা ই বলবৎ হব।

(৩) বেচিক শিক্ষা সংগঠনৰ বাবে এখন ৰাজ্যিক শিক্ষা ব'ৰ্ড সংগঠন হব আৰু ইয়াত থাকিব :

(ক) শিক্ষামন্ত্ৰী—চেয়াৰমেন।

(খ) অধিকৰ্তা ৰাজ্যিক শিক্ষা—ভাইচ চেয়াৰমেন।

(গ) বিধান সভাৰপৰা নিৰ্বাচিত হোৱা পাঁচজন সদস্য।

(ঘ) চৰকাৰে বছা চেক্ৰেটাৰী।

(ঙ) ইন্সপেক্টৰ আৰু ইন্সপেক্ট্ৰেচ।

(চ) এজন হেডমাষ্টৰ।

(ছ) এজন বেচিক ট্ৰেইনিং স্কুলৰ প্ৰিন্সিপাল আৰু নৰ্মাল স্কুলৰ এজন চুপৰিণ্টেণ্ডেণ্ট।

(জ) স্কুলৰ দুজন ডেপুটি ইন্সপেক্টৰ।

(ঝ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ যুৰৰবী বা আন সদস্য।

(ঞ) দুজন আৰু এগৰাকী শিক্ষাবিদ।

আঞ্চলিক বুনিয়াদী শিক্ষা ব'ৰ্ড : ৰাজ্যিক উপদেষ্টা ব'ৰ্ডে

লোৱা সিদ্ধান্ত সুচাৰুৰূপে চলাবলৈ প্ৰত্যেক অঞ্চলতে একোখনকৈ আঞ্চলিক বুনিয়াদী শিক্ষা ব'ৰ্ড থাকিব :

(১) স্কুলৰ ডিপুটি ইন্সপেক্টৰ—চেক্ৰেটাৰী

(২) সহকাৰী ডিপুটি ইন্সপেক্টৰ

(৩) প্ৰধান চাব ইন্সপেক্টৰ

(৪) মিউনিচিপালিটিৰপৰা এজন আৰু লোকেলবৰ্ডৰপৰা দুজন সদস্য।

(৫) নিম্ন আৰু উচ্চ বুনিয়াদী স্কুলৰপৰা নিৰ্বাচিত দুজন শিক্ষক

(৬) সেই অঞ্চলৰ পঞ্চায়তসমূহৰপৰা এজন সভাপতি।

(৭) চৰকাৰৰ নিৰ্বাচিত এগৰাকী মহিলাক লৈ চাৰিজন সদস্য।

(৮) এই সদস্যসকলৰপৰা এজন সভাপতি নিৰ্বাচিত হ'ব।

ৰাজ্যিক উপদেষ্টা ব'ৰ্ডৰ কাম : ৰাজ্যিক উপদেষ্টা ব'ৰ্ডৰ প্ৰধান কামবোৰ হ'ল :

(ক) স্কুলব'ৰ্ডবোৰৰ কামসমূহক কেনেকৈ ভাল দৰে পৰিচালিত আৰু সংগঠন কৰিব পাৰি তাৰ বাবে উপদেশ দিয়া। তাৰ উপৰিও তলৰ বিষয়বোৰত ব'ৰ্ডে চৰকাৰক উপদেশ দিব।

(খ) স্কুল ব'ৰ্ডলৈ অনুদান (grant) দিয়া।

(গ) বুনিয়াদী স্কুলৰ শিক্ষকসকলক নিযুক্ত দিয়াৰ নিয়ম আৰু কাম কৰাৰ নিয়ম বন্ধা সম্বন্ধে।

(ঘ) বুনিয়াদী স্কুলৰ শিক্ষকক প্ৰশিক্ষণ দিয়া।

(ঙ) পাঠ্যক্ৰম (curriculum) নিৰ্বাচন কৰা।

(চ) পাঠ্য তালিকা (syllabus) প্ৰস্তুত কৰা আৰু তাৰ সময় নিৰ্ধাৰণ কৰা।

(ছ) বুনিয়াদী স্কুলৰ কাৰণে পাঠ্যপুথি নিৰ্বাচন কৰা, প্ৰস্তুত কৰা আৰু প্ৰকাশ কৰা।

(জ) ল'ৰা-ছোৱালীক ডাক্তৰি পৰীক্ষা কৰোৱা।

আঞ্চলিক স্কুলব'ৰ্ডৰ কাম : আঞ্চলিক স্কুলব'ৰ্ডৰ মূলকাম হ'ব

প্ৰাথমিক শিক্ষাৰ দ্ৰুত প্ৰসাৰ কৰা। ইয়াৰ বাবে এই ব'ৰ্ডে তলত দিয়া কাৰ্যসূচী হাতত লব।

(১) নতুন বুনিয়াদী স্কুল ঘৰ সাজিব।

(২) আগৰ বুনিয়াদী স্কুলৰ স্বীকৃতি দিয়া, পৰিচালনা কৰা, নতুনকৈ বঢ়োৱা আৰু লগ লগোৱাৰ ব্যৱস্থা কৰিব লাগিব।

(৩) বুনিয়াদী স্কুলৰ শিক্ষকৰ আৰু নিৰক্ষণ অফিচাৰৰ নিযুক্তি বা শাস্তি দিব পাৰিব।

(৪) যথেষ্ট সংখ্যক সা-সৰঞ্জাম আৰু নতুন আহিলাপাতিৰ ব্যৱস্থা কৰিব লাগিব।

(৫) ডাক্তৰি পৰিদৰ্শনৰ ব্যৱস্থা কৰিব।

(৬) স্কুলৰ শিল্পবিদ্যা (craft) শিকি সজা বস্তুবোৰ ৰখা আৰু বেচাৰ ব্যৱস্থা কৰিব।

(৭) চৰকাৰে নতুনকৈ স্কুলব'ৰ্ড কৰিব পাৰিব, যদিহে আগৰখনে ঠিকমতে কাম চলাব নোৱাৰে।

(৮) স্কুলব'ৰ্ডৰ এটা ফাণ্ড থাকিব আৰু চেক্ৰেটাৰীয়ে তাৰ খৰচ-পত্ৰৰ হিচাপ ৰাখিব।

(৯) লোকেলব'ৰ্ড আৰু চৰকাৰে চলোৱা মধ্য অসমীয়া স্কুল আৰু সকলো প্ৰাথমিক স্কুল, সকলো বুনিয়াদী স্কুল, স্বীকৃতি দিব লগীয়া ব্যক্তিগত স্কুলসমূহ বুনিয়াদী স্কুল হিচাপে পৰিগণিত হব।

(১০) চৰকাৰে নিৰ্ধাৰিত কৰি দিয়া শ্ৰেণীলৈ কোনো ফিজ লব নোৱাৰিব।

(১১) ৰাজ্য চৰকাৰে অসম গেজেটত জাননী দি কোনো অঞ্চলত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিব পাৰে আৰু তাৰ বাবে স্কুলব'ৰ্ডও স্থাপন কৰিব। সেই ঠাইত মাক-বাপেকক ল'ৰা-ছোৱালীক স্বীকৃত বুনিয়াদী স্কুললৈ পঠিয়াবলৈ বাধ্য কৰিব পাৰে।

(১২) অৱশ্যে যদি কোনো কাৰণত মাক-বাপেকে পঠিয়াব নোৱাৰে আৰু স্কুল ব'ৰ্ডৰ মতে সেই কাৰণ যদি সত্য হয়, তেনেহলে তেওঁলোকৰ ল'ৰা-ছোৱালী বাধ্যতামূলক উপস্থিতিৰপৰা বাদ দিব পাৰিব।

(১৩) মাক-বাপেকে কোনো ল'ৰা-ছোৱালীক স্কুল উপস্থিতিৰ নিয়মিত সময়খিনিত কামত লগাব নোৱাৰিব।

(১৪) ইয়াৰ ব্যতিক্ৰম হলে ডাঙৰক শাস্তি দিয়াৰ ব্যৱস্থা থাকিব।

(১৫) ৰাজ্য চৰকাৰে শিক্ষামূলক টেক্স সেই অঞ্চলত লগাব পাৰিব।

প্ৰাথমিক শিক্ষাৰ প্ৰগতি (১৯৫৪-৬২): ১৯৫৪ চনত বুনিয়াদী আইন প্ৰণয়ন কৰাৰ প্ৰধান কাৰণটো হ'ল যে গোটেই দেশতে শিক্ষাৰ প্ৰাথমিক স্তৰত বুনিয়াদী শিক্ষা দিয়াৰ সিদ্ধান্ত ললে। ইমানদিনলৈ বুনিয়াদী স্কুল পৰীক্ষামূলকভাৱে অসমত আৰম্ভ কৰিছিল আৰু বেছিভাগতেই সাফল্য লাভ কৰা দেখা নাছিল। কংগ্ৰেছ দলে বুনিয়াদী শিক্ষা প্ৰসাৰ কৰাৰ যি সিদ্ধান্ত লৈছিল তাক কেন্দ্ৰ চৰকাৰে গ্ৰহণ কৰিছিল। কংগ্ৰেছ শাসিত ৰাজ্যসমূহত সকলো ধৰণৰ প্ৰাথমিক স্কুলক বুনিয়াদী স্কুললৈ ৰূপান্তৰিত কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্ত অনুযায়ী ১৯৫৪ চনত অসমতো বুনিয়াদী শিক্ষা প্ৰাথমিক স্তৰত দিয়াৰ সিদ্ধান্ত লয় আৰু সেই অনুযায়ী এখন আইন প্ৰণয়ন কৰা হয়।

এই আইনৰ প্ৰস্তাৱ অনুযায়ী ১৯৫৫ চনত ৰাজ্যিক শিক্ষাব'ৰ্ড স্থাপন কৰে। শিক্ষামন্ত্ৰীক চেয়াৰমেন আৰু ডি. পি. আইক ভাইচ-চেয়াৰমেন হিচাপে লৈ এখন কমিটি গঠন কৰিছিল। এই ব'ৰ্ডে সমভূমিৰ জিলাসমূহৰ প্ৰাথমিক শিক্ষা সম্বন্ধীয় কাৰ্যাৱলী সম্বন্ধে চৰকাৰক পৰামৰ্শ দিছিল। তাৰ উপৰি আইনে আঞ্চলিক স্কুলব'ৰ্ড গঠন কৰাৰ যি পৰামৰ্শ দিছিল তাক কাৰ্যতঃ পালন কৰিছিল যদিও, সকলো প্ৰাথমিক স্কুলক বুনিয়াদী স্কুললৈ ৰূপান্তৰিত কৰাৰ দায়িত্ব পালন কৰিব পৰা নাছিল। বাধ্যতামূলক শিক্ষা প্ৰচলন কৰাৰ প্ৰস্তাৱ লৈছিল, সিও ফলৱতী হোৱা নাছিল। ১৯৫৪-৫৫ চনত ১১খন টাউন আৰু ৪১০৬খন গাঁৱত এই শিক্ষাক বাধ্যতামূলক হিচাপে আৰম্ভ কৰিবলৈ নিৰ্বাচন কৰিছিল। ১৯৫৯ চনত আৰু ৩ খন টাউন আৰু

৩০৩খন গাঁও এই আঁচনিৰ ভিতৰত লোৱা হৈছিল। কিন্তু বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিলেও মাক-বাপেকক ল'ৰা-ছোৱালী পঠিয়াবলৈ বাধ্য কৰিবলৈ সামৰ্থ হোৱা নাছিল। এই অঞ্চলসমূহতো কিছুদিন স্কুললৈ অহাৰ পিছতে ল'ৰা-ছোৱালীয়ে স্কুল এৰিছিল। আন ফালে বাইজৰ সহযোগৰ অভাৱ, স্কুল কৰ্তৃপক্ষৰ অনিচ্ছা বাবে আৰু যথাযোগ্য পুঁজিৰ অভাৱত সকলো স্কুলক বুনিয়াদী স্কুললৈ পৰিবৰ্ত্তন কৰিব পৰা নাছিল। চৰকাৰী, সাহায্য প্ৰাপ্ত, অসাহায্য প্ৰাপ্ত আৰু অস্বীকৃত প্ৰাথমিক স্কুল, নিম্ন উচ্চ বুনিয়াদী স্কুল প্ৰাথমিক স্তৰত দেখা পোৱা গৈছিল।

স্বতন্ত্ৰ পাহাৰী জিলাসমূহত জিলা কাউন্সিল আৰু শিক্ষা বিভাগে প্ৰাথমিক স্কুলসমূহ চলাইছিল। চাহ বাগিচাত চাহ বাগিচাৰ মালিক আৰু চৰকাৰে বনুৱাসকলৰ কাৰণে স্কুল পাতি দিছিল আৰু শিক্ষা বিভাগে পৰিচালনা কৰিছিল।

মুঠতে প্ৰাথমিক স্কুলক বুনিয়াদী স্কুললৈ ৰূপান্তৰিত কৰি স্কুলব'ৰ্ডৰ তলত সংগঠন কৰাৰ যি প্ৰস্তাৱ লৈছিল সি ফলৱতী নহ'ল। ১৯৫৪ চনৰ বাধ্যতামূলক বুনিয়াদী শিক্ষা আইন বিফল হ'ল।

প্ৰাথমিক স্কুলৰ সংখ্যা বৃদ্ধি ঃ আইন ব্যৰ্থ হলেও প্ৰাথমিক স্কুলৰ সংখ্যা বাঢ়িছিল। তলৰ তালিকাৰপৰা প্ৰাথমিক স্কুল কিমান বাঢ়িছিল তাৰ গম পোৱা যাব।

প্ৰাইমাৰী স্কুল

	১৯৫৩-৫৪	১৯৫৮-৫৯
চৰকাৰী	১,০০৩	১৪২০
স্কুলব'ৰ্ড	৯,৫২৯	১০,৯৪২
সাহায্যপ্ৰাপ্ত	২৭৬	৩৫৯
সাহায্য প্ৰাপ্ত	১১২০	৮৭২
অস্বীকৃত	৬৩৭	১৩৪৭
	১২,৫৬৫	১৪,৯৪০

শিক্ষকৰ সংখ্যা

চৰকাৰী	৪০,৩০৪	৭৮,৯৫০
স্কুলব'ৰ্ড	৫৮৭,৩৫০	৭,৫৭,০১৩
সাহায্যপ্ৰাপ্ত	১৬,০৩২	২০,১৫৮
সাহায্য নোপোৱা	৪০,৭৪৯	৩৪,৩১৮
অস্বীকৃত	২৭,৩১১	৬০,২৮৬
	৭,১১,৭৪৬	৯,৫০,৭৩৫

ওপৰৰ হিচাপৰপৰা দেখা গ'ল যে স্কুলব'ৰ্ডৰ স্কুলৰ সংখ্যা বেছি হলেও চৰকাৰী আৰু সাহায্য নোপোৱা স্কুলৰ সংখ্যাও কম নহয়। ১৯৫৮ চনত অস্বীকৃত স্কুলৰ সংখ্যা বেছি বাঢ়ি গ'ল। সকলো স্কুলক স্কুলব'ৰ্ডৰ তললৈ অনাৰ প্ৰতিশ্ৰুতি দিলেও ১৯৬০ চনলৈ সকলো স্কুলক ব'ৰ্ডৰ তললৈ আনিব পৰা নাছিল।

শিক্ষকৰ সংখ্যাও ৫ বছৰৰ ভিতৰত যথেষ্ট বাঢ়িছিল। ১৯৫৩ চনৰপৰা ১৯৫০ চনলৈ শিক্ষকৰ সংখ্যা ২,৩৮৯ জন বাঢ়িছিল। পাঁচ বছৰত এই সংখ্যা যথেষ্ট হলেও বাধ্যতামূলক শিক্ষা দানলৈ চাই এই সংখ্যা তেনেই কম আছিল। বহুত সময়ত দেখা গৈছিল যে মাক-বাপেকে বিশেষকৈ গাঁৱত আন এটা কাৰণ দেখুৱাই ল'ৰা-ছোৱালীক স্কুলৰপৰা আঁতৰাই আনি খেতি বা ঘৰৰ কামত লগাইছিলহি। ফলত বহুত ল'ৰাই যিকণ জ্ঞান লাভ কৰিছিল সিও ভবিষ্যতৰ কোনো কামত নাহিছিল আৰু পিছলৈ লিখাপঢ়া পাহৰি গৈছিল।

বুনিয়াদী শিক্ষা : ১৯৫৪ চনত বুনিয়াদী শিক্ষা আইন প্ৰণয়ন হোৱাৰ পিছত বুনিয়াদী স্কুল প্ৰসাৰ কৰাৰ আৰু প্ৰাথমিক স্কুলক নিম্ন বুনিয়াদী স্কুললৈ পৰিবৰ্তন কৰাৰ চেষ্টা চলাইছিল। কিন্তু স্কুল অলপ বাঢ়িলেও প্ৰাথমিক স্কুলক বুনিয়াদী কৰাৰ চেষ্টা সম্পূৰ্ণ ব্যৰ্থ হয়। তথাপি সূতাকটা, বোৱা, শাক-পাচলিৰ খেতি কৰা, বাঁহ-বেতৰ কাম

কৰা আদি শিকোৱাৰ যত্ন কৰা হৈছিল। তাৰ মাজতে সামাজিক আৰু ভূ-পৰিবেশৰ লগত চিনাকি কৰি দিয়াৰ চেষ্টা চলাইছিল। স্কুলসমূহত চাফাইকাম, বন্ধা আৰু বাচন চাফা কৰা আদি কামো স্বাৱলম্বী হবলৈ শিকাইছিল। বৃত্তিৰদ্বাৰা তৈয়াৰ কৰা বস্তু বেচিবলৈ কোনো কোনো স্কুলত চেষ্টা চলাইছিল। প্ৰকৃত বুনিয়াদী প্ৰণালীত শিক্ষা দিবলৈ ১৯টা বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণৰ শিক্ষানুষ্ঠান খুলিছিল।

কিন্তু আইন প্ৰণয়ন কৰিলেও ১৯৫৪ চনত আইন সম্পূৰ্ণৰূপে ফলৱতী হব নোৱাৰিলে। অসমৰ ৰাইজে এই আইনক আদৰণি জনোৱা নাছিল। (১) দুশবছৰীয়া পৰাধীনতাত লাভ কৰা পুথিগত শিক্ষাতকৈ বৃত্তি প্ৰধান শিক্ষাৰ মূল্য বুজি পোৱা নাছিল। বৃত্তিত জোৰ দিলে পিছলৈ উচ্চশিক্ষা লাভত বাধাপ্ৰাপ্ত হব বুলি এটি ভুল ধাৰণা সোমাইছিল। তাৰ উপৰি শাৰীৰিক কামৰপৰা লাভ কৰা অভিজ্ঞতাক পুথিগত জ্ঞানতকৈ উচ্চ আসন দিয়া নাছিল।

(২) বুনিয়াদী শিক্ষাত সফলতা নিৰ্ভৰ কৰে সম্পূৰ্ণৰূপে বুনিয়াদী শিক্ষাত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ ওপৰত। বুনিয়াদী শিক্ষাৰ দৰ্শন আয়ত্ত নকৰাকৈ আৰু তাৰ শিক্ষা প্ৰণালী, নিয়ম বুজি নোপোৱাকৈ এজন শিক্ষকে বুনিয়াদী শিক্ষা দিয়াত সফলকাম নহব। কিন্তু এখন কলেজ আৰু ১৯খন বুনিয়াদী প্ৰশিক্ষণ স্কুলে প্ৰয়োজন মতে শিক্ষকক প্ৰশিক্ষণ দিব পৰা নাছিল। ফলত প্ৰশিক্ষণ নোহোৱাকৈ বুনিয়াদী স্কুলত শিক্ষা দিছিল।

(৩) প্ৰয়োজনীয় আহিলাপাতিৰ অভাৱতো বৃত্তি আৰু বিষয়ৰ মাজত সমন্বয় ৰাখি শিক্ষা দিয়াটো টান হৈ পৰে। বহুতো স্কুলৰ ঘৰ, বহাৰ সুবিধা আৰু ব্যৱহাৰ কৰিবলৈ সাধাৰণ আহিলা পাতি নাই। ব্লেক ব'ৰ্ড, চ'ক্‌ৰ দৰে সাধাৰণ সঁজুলি ভিতৰুৱা স্কুলত নাথাকে। বৃত্তি আৰু বিষয় বস্তুৰ লগত সম্বন্ধ গঢ়ি তোলাটো শিক্ষকসকলৰ কষ্টসাধ্য হৈ পৰে।

(৪) মাক-বাপেকেও অকল বৃত্তি শিকোৱা স্কুল বুলি ভুল ধাৰণা লৈ বুনিয়াদী শিক্ষকক ভাল চকুৰে চোৱা নাই। গাঁৱত বুনিয়াদীতকৈ প্ৰাথমিক স্কুল এখন স্থাপন কৰাৰ ওপৰতহে বেছি জোৰ দিয়ে। ইয়াৰ মূল কাৰণ হৈছে কাম আৰু পুথিগত শিক্ষাৰ মাজত মধুৰ সম্বন্ধ গঢ়ি তুলিবলৈ শিক্ষকসকল অসমৰ্থ হৈছে।

আইন প্ৰণয়ন হোৱাৰ বাবে বুনিয়াদী স্কুল বাঢ়িলেও ই আশা কৰা মতে প্ৰাথমিক স্কুল তুলি দিবলৈ অসমৰ্থ হৈছে। ১৯৫৪ চনৰ পৰা ১৯৫৯ চনলৈ বুনিয়াদী স্কুল তলত দিয়া ধৰণেৰে বাঢ়িছিল।

স্কুল

	১৯৫৪-৫৫	১৯৫৯-৬০
উচ্চ বুনিয়াদী	২০	১৫৮
নিম্ন বুনিয়াদী	৪৮৫	২১১১

শিক্ষাৰ্থীৰ সংখ্যা

উচ্চ বুনিয়াদী	২,১৭২	২৪,৩৪৪
নিম্ন বুনিয়াদী	৩৪,১৩৫	১,৮৩,৯১৫

১৯৫৯-৬০ চনত বুনিয়াদী স্কুলৰ সংখ্যা আৰু শিক্ষাৰ্থীৰ সংখ্যা বাঢ়িলেও ই বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰসাৰৰ বাবে যথেষ্ট সংখ্যক নহয়। তাৰ উপৰি প্ৰাথমিক স্কুলৰ সংখ্যা বুনিয়াদীতকৈ বহুত বেছি আৰু সেইবোৰক বুনিয়াদীলৈ পৰিবৰ্তন কৰাটো বহুতো টকাৰ প্ৰশ্ন আছিল। মানুহে ইয়াৰ সাফল্যত সন্দেহ প্ৰকাশ কৰিছিল। চৰকাৰে ইয়াৰ ব্যৰ্থতা বুজিব পাৰি ১৯৬২ চনত আৰু এখন আইন প্ৰণয়ন কৰে, প্ৰাথমিক স্তৰত সকলো স্কুলকে প্ৰাথমিক স্কুল হিচাপে স্বীকৃতি দিবলৈ।

অসমৰ প্ৰাথমিক শিক্ষা আইন, ১৯৬২ চন : এই আইনে পুনৰ প্ৰস্তাৱ দিয়ে যে বিনামূলীয়া বাধ্যতামূলক প্ৰাথমিক শিক্ষা গোটেই অসমত ক্ৰমান্বয়ে বিস্তৃত কৰিব। এই আইনৰ মূল প্ৰস্তাৱ-কেইটি চমুকৈ তলৰ ধৰণেৰে কব পাৰি।

(১) স্বায়ত্ব শাসিত পাৰ্বত্য জিলাকেইখন বাদ দি গোটেই অসমতে ক্ৰমশঃভাৱে প্ৰাথমিক শিক্ষা প্ৰবৰ্ত্তন কৰিব। অৱশ্যে এই জিলাকেইখনে সন্মতি প্ৰকাশ কৰিলে এই আইন তাতো প্ৰবৰ্ত্তন কৰা হব।

(২) বাধ্যতামূলক শিক্ষা ৮টা শ্ৰেণীৰ পিছত দিয়া নহব।

(৩) প্ৰাথমিক শিক্ষাৰ ৰাজ্যিক ব'ৰ্ড এখন গঠন কৰিব আৰু এই ব'ৰ্ডৰ মূল উদ্দেশ্য হব প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ, পৰিচালনা, শাসন আৰু উন্নতি কৰাত চৰকাৰক পৰামৰ্শ দান কৰা। এই ব'ৰ্ডত শিক্ষা মন্ত্ৰীক চেয়াৰমেন আৰু শিক্ষাৰ ডেপুটি মিনিষ্টাৰ ভাইচ-চেয়াৰমেন লৈ এখন কমিটি হব। ইয়াৰ সকলো সদস্য পাঁচ বছৰলৈ নিৰ্বাচিত হব।

(৪) লোকেলব'ৰ্ডকে আদি কৰি স্থানীয় কৰ্তৃপক্ষক (local authorities) অনুদান দিয়াৰ বাবে নিয়ম কৰাৰ দায়িত্ব ৰাজ্যিক ব'ৰ্ডৰ।

(৫) শিক্ষক নিয়োগত যোগ্যতাৰ নিয়ম আৰু চাকৰিৰ নিয়ম আদি এই ব'ৰ্ডে কৰিব।

(৬) নতুন স্কুল সজা, স্বীকৃতি দিয়া, বহলোৱা আৰু আন স্কুলৰ লগত সংযোগ কৰাৰ নিয়ম বান্ধি দিব।

(৭) এই ব'ৰ্ডৰ চেক্ৰেটাৰীজনেই মুখ্য শাসনকৰ্তা হৈ ব'ৰ্ডৰ সকলো কাম কৰিব। স্কুলৰ ডিপুটি ইন্সপেক্টৰসকলে সহকাৰী চেক্ৰেটাৰী হৈ তেওঁক কামত সহায় কৰিব আৰু তলৰ কামবোৰ কৰিব।

(১) স্কুল ব'ৰ্ডে দিয়া অনুদানক ভাল দৰে বিতৰণ কৰা।

(২) তেওঁৰ অফিচৰ কৰ্মচাৰীক নিয়োগ কৰা আৰু পৰিচালনা কৰা।

(৩) ৰাজ্যিক ব'ৰ্ড গঠন কৰা কমিটিয়ে অনুমোদন কৰা শিক্ষক-সকলক নিয়োগ কৰা।

(৪) শিক্ষক আৰু আৰু ব'ৰ্ডৰ আন আন কৰ্মচাৰীক দৰমহা দিয়া।

(৫) অনুমোদন কৰা মতে স্কুল চলাবলৈ দিয়া স্থানীয় অনুষ্ঠান-সমূহক অনুদান দিয়া।

(৬) শিক্ষাৰ ফাণ্ডৰ জমা-খৰচৰ সঠিক হিচাপ ৰখা আৰু তেনেধৰণৰ কাম কৰা।

স্থানীয় কৰ্তৃপক্ষৰ কাম: এই আইন বলবৎ হোৱাৰ লগে লগে, ১৯৫৯ চনৰ অসমত পঞ্চায়ত আইন মতে যি ঠাইত পঞ্চায়তৰ সৃষ্টি হৈছে, তাত ব্লক ডেভেলেপমেণ্ট অফিচাৰে ৰাজ্যিক ব'ৰ্ড আৰু গাঁও পঞ্চায়তৰ মাজত সমন্বয়কাৰী কৰ্তা হিচাপে কাম কৰিব। স্থানীয় কৰ্তৃপক্ষৰ প্ৰধান কৰ্তব্য আৰু কাম হ'ল:

(ক) স্কুল ঘৰ সজা, বঙল কৰা, উন্নত কৰা আৰু পৰিচালনা কৰা। (খ) লাগতিয়াল সাজ-সৰঞ্জামৰ যোগান ধৰা। (গ) খেল পথাৰ, দুপৰীয়াৰ আহাৰ, খোৱা পানী, স্বাস্থ্য পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা। (ঘ) লিখিত নিয়ম অনুযায়ী সেই অঞ্চলৰ ল'ৰা-ছোৱালীৰ সংখ্যাৰ হিচাপ ৰখা। (ঙ) স্কুলৰ উৎপন্ন কৰা বা সৃষ্টি কৰা শিল্পবিদ্যাৰ বস্তু-সমূহৰ বিক্ৰী কৰাৰ ব্যৱস্থা কৰা আৰু সাময়িক প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা। (চ) শিকাৰুৰ উপস্থিতিৰ ওপৰত চাবলৈ দিয়া ৰাজ্যিক চৰকাৰৰ নিৰ্দেশ পালন কৰা আৰু আন কৰ্তব্য পালন কৰা। (ছ) শিকাৰুৰ উপস্থিতি বাধ্য কৰাবলৈ তেওঁ এজন বিষয়াৰ নিযুক্তি দিব পাৰে।

ৰাজ্যিক চৰকাৰৰ লগত সম্বন্ধ: (১) গোটেই প্ৰাথমিক শিক্ষকক ভাল দৰে শাসন কৰা, পৰিচালনা কৰা আৰু পৰিদৰ্শন কৰা ৰাজ্যিক চৰকাৰৰ দায়িত্ব।

(২) পাঠ্যক্ৰম নিৰ্বাচন কৰা, প্ৰাথমিক স্কুলৰ পাঠ্য তালিকাৰ বিষয়বস্তু, সময় আৰু মানদণ্ডও ঠিক কৰিব।

(৩) শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব।

(৪) ৰাজ্য চৰকাৰে জাননীদ্বাৰা কোনো অঞ্চলত এটা বিশেষ বয়সলৈ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব পাৰে। কোনো ফিজ স্বীকৃত স্কুলৰপৰা লব নোৱাৰিব আৰু বাধ্যতামূলক কৰাৰ লগে লগে বিশেষ কাৰণ নোহোৱাকৈ সকলো ল'ৰা বা ছোৱালীক স্কুলৰ উপস্থিত থাকিবলৈ মাক-বাপেকক বাধ্য কৰিব পাৰিব। কোনো ল'ৰা-ছোৱালী মাক-বাপেকে স্কুলৰ নিৰ্দিষ্ট সময়খিনিত কোনো উপাৰ্জন কৰিবলৈ লগাব নোৱাৰিব।

(৫) ৰাজ্য চৰকাৰৰ কিছুমান নিয়ম বান্ধি দিবলৈ সম্পূৰ্ণ ক্ষমতা থাকিব, যেনে :

(ক) শিক্ষকৰ চাকৰিৰ ধৰণ আৰু নিয়ম বান্ধি দিয়া।

(খ) স্থানীয় কৰ্তৃপক্ষক ফাণ্ড দিয়াৰ ধৰণ নিৰ্ণয় কৰা।

(গ) ৰাজ্যিক ব'ৰ্ডৰ চেক্ৰেটাৰীৰ ক্ষমতা আৰু কৰ্তব্য নিৰ্ধাৰণ।

(ঘ) ৰাজ্যিক ব'ৰ্ডে টকা দিয়াৰ নিয়ম ঠিক কৰা।

(ঙ) ব্যৱসায় সংক্ৰান্ত কামত নিয়ম ঠিক কৰা।

(চ) অৱসৰ সুবিধাৰ নিয়ম ঠিক কৰা।

(ছ) স্থানীয় কৰ্তৃপক্ষৰ হিচাপ ৰখা নিয়ম ঠিক কৰা।

(জ) বছৰি বাজেট প্ৰস্তুত কৰা পদ্ধতি ঠিক কৰা।

(ঝ) স্থানীয় কৰ্তৃপক্ষই অনুদান বিতৰণ কৰাৰ নিয়ম ঠিক কৰা।

(ঞ) স্বায়ত্ত শাসিত জিলাসমূহত কেনে ধৰণে প্ৰাথমিক শিক্ষা বিস্তাৰ কৰা হব তাৰ নিয়ম নিৰ্ধাৰণ কৰা।

মুঠতে ৰাজ্য চৰকাৰক প্ৰাথমিক শিক্ষা বিস্তাৰৰ বাবে বহুতখিনি কৰ্তৃত্ব দান কৰিছে। ৰাজ্যিক শিক্ষাব'ৰ্ডক পৰামৰ্শদাতা কমিটি হিচাপে কৰ্তৃত্ব দান কৰিছে আৰু চৰকাৰৰ নীতিক বাস্তৱত ৰূপ দিবলৈ পঞ্চায়তক দায়িত্ব দিছে। আগতে আঞ্চলিক শিক্ষা ব'ৰ্ডক অকলে সেই ক্ষমতা দিছিল কিন্তু বৰ্তমান আইনত স্থানীয় কৰ্তৃপক্ষ অৰ্থাৎ মিউনিচিপালব'ৰ্ড, টাউন কমিটি, গাঁও পঞ্চায়ত বা লোকেলব'ৰ্ডক

বুজায়। এই সকলোকে প্ৰাথমিক শিক্ষা বিস্তাৰত দায়িত্ব দিছে।

এই আইনত আন তিনিখন আইনত উল্লেখ কৰা বেছিভাগ প্ৰস্তাৱকে পুনৰাবৃত্তি কৰিছিল। কেৱল ১৯৫৪ চনত প্ৰকাশ কৰা প্ৰাথমিক শিক্ষাক বুনিয়াদী শিক্ষালৈ ৰূপান্তৰিত কৰাৰ সলনি বৰ্তমান আইনত অকল প্ৰাথমিক শিক্ষা বিস্তাৰৰ কথাহে উল্লেখ কৰা হৈছে। এই আইনত ৰাজ্য চৰকাৰক বেছি কৰ্তৃত্ব দিছে যদিও বেছিভাগ স্থানীয় কৰ্তৃপক্ষৰ বিশেষকৈ পঞ্চায়তৰ সহায় লোৱাৰ ব্যৱস্থা কৰিছে। কিন্তু চৰকাৰে অতি দৃঢ়তাৰে এই আইন বলবৎ নকৰিলে ইয়াৰ অৱস্থাও আন কেইখন আইনৰ দৰে হ'ব। ১৯৬৩-৬৪ চনত প্ৰায় ২০,১১০ খন প্ৰাথমিক স্কুল আছিল আৰু বেছি সংখ্যক স্কুল স্থাপনৰ কাৰণে ব্যৱস্থা কৰিছিল। এটা কথা ঠিক যে স্বাধীনতাৰ পিছৰেপৰা প্ৰাথমিক শিক্ষাৰ ওপৰত লক্ষ্য ৰখা হৈছিল আৰু বিস্তৃতি আগতকৈ দ্ৰুত হৈছে। ১৯৪৭ চনত মাত্ৰ ৬-১১ বছৰৰ ভিতৰত প্ৰায় ৩১.৫ জন শিকাৰুয়ে স্কুলত ভৰ্তি হৈছিল আৰু ১৯৬০ চনত শতকৰা ৬২ জন ভৰ্ত্তি হৈছিল। প্ৰাথমিক শিক্ষা বিস্তাৰৰ বিষয়ে কলেও নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে ই অতিশয় ধীৰ গতি বুলি অভিহিত কৰিব লাগিব।

প্ৰাথমিক শিক্ষাৰ সমস্যা ঃ (ক) শিক্ষাত অপচয় আৰু জড়তা (wastage and stagnation) নিৰক্ষৰ দূৰীকৰণৰ আটাইতকৈ ডাঙৰ সমস্যা। প্ৰাথমিক শিক্ষাত আৰম্ভণিৰেপৰা এই দুটা সমস্যা আহিছে। অপচয় হ'ল এটা বা দুটা ক্লাচ পঢ়ি যিবোৰ ল'ৰা-ছোৱালীয়ে অলপ ক-খ শিকি স্কুল এৰি দিয়ে আৰু কিছুমান দিনৰ পিছতে পুনৰ সকলো পাহৰি নিৰক্ষৰ হয়। শিক্ষকৰ চেষ্টা, ল'ৰা-ছোৱালীৰ সময় আদি এনেয়ে অপচয় হয়। জড়তা হ'ল ঘৰত পঢ়াশুনা নকৰাৰ কাৰণে বা মন নথকাৰ কাৰণে একেটা ক্লাচতে কেবাবাৰো থাকি শেষত স্কুল এৰি দিয়াটো। প্ৰাথমিক শিক্ষাত প্ৰাসাৰৰ পিছতো দেখা গৈছিল যে ক-ৰপৰা খ-লৈ আৰু খ-ৰপৰ

প্ৰথমতে পাঠ্যক্ৰম শেষ নকৰাকৈ ল'ৰা-ছোৱালীয়ে (বিশেষকৈ গাঁৱত) স্কুল এৰে। ১৯৫৮-৫৯ চনতো দেখা গৈছিল তলত দিয়া ধৰণে অপচয়।

ক	১৯৫৪-৫৫	৩৫৯,২৭০
খ	১৯৫৫-৫৬	১৫৫,১৫৭
গ	১৯৫৬-৫৬	১,২৮,০৮৩
ঘ	১৯৫৭-৫৮	১,১৫,৫১৮
ঙ	১৯৫৮-৫৯	৯০,৭০৮

ওপৰৰ চিত্ৰৰপৰা দেখা গ'ল যে ১৯৫৪ চনত ভৰ্তি হোৱা প্ৰায় আধাতকৈও বেছি ল'ৰা-ছোৱালী গ-শ্ৰেণী পাই স্কুল এৰিলে। সেই দৰে সেই শিকাক ১৯৫৮-৫৯ চনত মাত্ৰ ৯০,৭৩৮ জন থাকিল অৰ্থাৎ ১০০ জনৰ ভিতৰত মাত্ৰ ২৫ জন। বাকী ১০০ জনৰ ৭৫ জনেই প্ৰাথমিক স্কুলৰ সম্পূৰ্ণ পাঠ্যক্ৰম শেষ নকৰাকৈ গ'ল অৰ্থাৎ তেওঁ-লোকে এই শিক্ষাৰপৰা সম্পূৰ্ণভাৱে সাক্ষৰ হব নোৱাৰিব। ক-খত এৰা ল'ৰা-ছোৱালী পুনৰ নিৰক্ষৰ হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে।

অপচয় আৰু জড়তাৰ বহুতো কাৰণ আছে; তাৰে ভিতৰত মূল কাৰণ কেইটা হ'ল :

(ক) অসমত বেছিভাগ মানুহে কৃষিৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱাত তেওঁলোকৰ অৱস্থা খুব ভাল নহয়। প্ৰাকৃতিক দুৰ্যোগ, পুৰণি ধৰণৰ খেতি কৰাৰ নিয়ম আৰু বাঢ়ি অহা জনসংখ্যাই অকল কৃষিৰ ওপৰত নিৰ্ভৰ কৰা পৰিয়ালক সমৃদ্ধিশালী নকৰে। অৰ্থনৈতিক দৈন্যতাই মাক-বাপেকক ল'ৰা-ছোৱালীক কামত লগাবলৈ বাধ্য কৰায়।

(খ) এটা পৰিয়ালত সৰহ সংখ্যক ল'ৰা-ছোৱালী থাকিলে অকল অৰ্থ-সংকটে নহয় মাক-বাপেকৰ ল'ৰা-ছোৱালীৰ ওপৰত মনযোগৰ

অভাৱ ঘটে। ঘৰৰ আটাইখিনি কাম কৰিব লগীয়া হোৱাত ল'ৰা-ছোৱালীয়ে পঢ়াশুনা কৰিবলৈ সময় নাপায়; ফলত পঢ়া টান পাই সিহঁতে পৰীক্ষাত বেয়া কৰে আৰু লাহেকৈ স্কুল এৰে।

(গ) বেছিভাগ শিক্ষকৰ প্ৰশিক্ষণ নথকাৰ বাবে আৰু বহুতো ল'ৰা-ছোৱালীক একেলগে পঢ়ুৱাব লগীয়া হোৱাত পঢ়োৱাত তেওঁলোকৰ আগ্ৰহ নাথাকে। গতানুগতিক কৰ্তব্য কৰাৰ দৰে পঢ়ুৱা কাম কৰিলে ল'ৰা-ছোৱালীৰ মনযোগ আকৰ্ষণ কৰিব নোৱাৰে আৰু পঢ়াশুনাত সিহঁতেও আগ্ৰহ নেদেখুৱায়। বেছিভাগ প্ৰাথমিক স্কুলতে মাত্ৰ এজন শিক্ষকে পঢ়ুৱাব লগীয়া হয়। ফলত শিক্ষকৰ ধৈৰ্যচ্যুতি হয় আৰু খেল ধেমালি ভালপোৱা ল'ৰা-ছোৱালীয়ে পঢ়াৰ সলনি মাৰধত খাবলৈ পাই স্কুললৈ নোযোৱা হয়। শিক্ষকৰ শাস্তিয়ে বহুতো ল'ৰা-ছোৱালীকে স্কুল এৰুৱাইছে।

(ঘ) প্ৰাথমিক স্কুলৰ বেছিভাগৰে ঘৰ-দুৱাৰৰ অৱস্থা অতিশয় দুখ লগা। গাঁৱৰ স্কুলত বহুত সময়ত বেৰ বা ওপৰত খেৰ নোহোৱাকৈও আছে। বেঞ্চ চকীৰ সলনি এতিয়াও ঢাৰি ব্যৱহাৰ কৰে। অতিৰিক্ত বস্তুটো বাদেই, একেবাৰে লাগতিয়াল যেনে চ'ক পেন্সিল, ব্লেকব'ৰ্ড আদিৰো বহুত সময়ত অভাৱ ঘটে। ল'ৰা-ছোৱালীৰ কোমল মনক আকৰ্ষণ কৰিব পৰা কোনো সা-সৰঞ্জাম বা আহিলা পাতি নথকাৰ কাৰণে ল'ৰা-ছোৱালীয়ে পঢ়াক অদ্ভুত-বস্তু হিচাপে গণ্য কৰে আৰু জীৱনত তাৰ প্ৰয়োজন অনুভৱ নকৰে।

(ঙ) অৰ্থ নৈতিক অভাৱত লগত শিক্ষাৰ কোনো সম্বন্ধ নথকাৰ কাৰণে মাক-বাপেকেও ল'ৰা-ছোৱালী অলপ ডাঙৰ হলেই ঘৰৰ বা খেতিৰ কামত লগাবলৈ বাট চাই থাকে।

(চ) মাক-বাপেক নিৰক্ষৰ হোৱাৰ বাবে ল'ৰা-ছোৱালীৰ শিক্ষাৰ আৱশ্যকতা অকণো অনুভৱ নকৰে।

(ছ) গাঁৱত স্কুলসমূহ ঠিক মতে বিস্তৃত নোহোৱাৰ কাৰণে কণকণ ল'ৰা-ছোৱালীয়ে বহুত দূৰ গৈ নদী বা জুবি পাৰ হৈ স্কুল

কৰিব লাগে। ফলত সিহঁত সময়মতে নাযায়; বাৰিষা বা ঠাণ্ডাক অজুহাতত অনিয়মিতভাৱে স্কুল কৰে। ফলত কিছুদিনৰ পিছত বিৰক্ত হৈ স্কুল এৰে নাইবা পঢ়াত মন নিদিয়াৰ বাবে একেটা শ্ৰেণীতে থাকে।

লোকেলবৰ্ডৰ উদাসীনতা: ১৮৮২ চনত লোকেলব'ৰ্ডক প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ, শাসন, পৰিচালনা আৰু উন্নতি কৰাৰ দায়িত্ব দিছিল। সেই সময়ত লোকেল আৰু মিউনিচিপালব'ৰ্ড ভাল দৰে গঢ়ি উঠা নাছিল। মেম্বৰসকলে দায়িত্ব ভাল দৰে বুজি নোপোৱাৰ কাৰণেই হওক বা শিক্ষাৰ প্ৰতি উদাসীন হোৱাৰ কাৰণেই হওক, শিক্ষা শিতানত খৰচ প্ৰায়ে নকৰিছিল। প্ৰাথমিক শিক্ষা প্ৰসাৰ কৰাটো আৱশ্যকীয় কৰ্তব্য নহয় বুলি ভাবিছিল। শিক্ষাক সদায় অৱহেলা কৰাটো আন এটা প্ৰবাদৰ দৰে হৈ পৰে। পৰম্পৰাগত-ভাৱে ই ইটো শতকৰপৰা সিটো শতকলৈ চলিয়ে আহিল। ১৯২৬ চন, ১৯৪৭ চন আৰু ১৯৫৪ চনত আইন প্ৰণয়ন কৰাৰ পিছতো লোকেলব'ৰ্ডে ইয়াক মূল দায়িত্ব হিচাপে লবলৈ অসমৰ্থ হ'ল।

অৰ্থৰ নাটনি: লোকেল আৰু মিউনিচিপালব'ৰ্ডসমূহে সদায় অৰ্থৰ নাটনি দেখুৱাই প্ৰাথমিক শিক্ষাৰ প্ৰতি আওকাণ কৰিছিল। এটা কথা ঠিক যে ৰাজ্য চৰকাৰে যিখিনি অনুদান এওঁলোকক দিছিল সেইখিনি নতুন স্কুল পতা আৰু স্কুলখিনি ভাল দৰে চোৱাৰ কাৰণে যথেষ্ট নাছিল। কিন্তু সেই বুলি লোকেলব'ৰ্ডে নিজেও 'কৰ' লগাই নিজৰ ভঁৰাল শকত কৰাৰ পক্ষপাতি নাছিল। এই ব'ৰ্ডবোৰৰ 'অৰ্থ সংকট' এটা লাগি থকা ৰোগৰ দৰে আছিল আৰু কোনো কামত কৃতকাৰ্য নহলে অৰ্থ-সংকটৰ দোহাই দিছিল। অৰ্থ-সংকটৰ লগতে যে স্থানীয় কৰ্তৃপক্ষ আৰু ব'ৰ্ডৰ চেষ্টা, আন্তৰিকতা আৰু সাহসৰ অভাৱ আছিল তাক স্বীকাৰ কৰিবই লাগিব। ব'ৰ্ডৰ মেম্বৰসকল ভোটত নিৰ্বাচিত হোৱাৰ বাবে তেওঁলোকে ৰাইজক অসন্তুষ্ট কৰি 'শিক্ষা কৰ' লগাবলৈ মান্তি নহয়। ফলত বৰ্ডৰ অৱস্থা সদায় সংকটপূৰ্ণ হৈয়ে থাকে।

জনসাধাৰণৰ উদাসীনতা : ইংৰাজী শিক্ষাৰ আৰম্ভণিৰেপৰা জনসাধাৰণে শাসকৰ লগত শিক্ষাৰ প্ৰসাৰত সহযোগিতা আগবঢ়োৱা নাছিল। প্ৰথমতে বিদেশী শিক্ষা বুলি উদাসীনতা দেখুৱাইছে আৰু পিছলৈ জনজীৱনৰ লগত খাপ নোখোৱা পশ্চিমীয়া বিষয়বস্তুৰে ভৰা পাঠ্যক্ৰমৰপৰা একো লাভ নহব বুলি ভাবি উৎসাহ দেখুৱা নাছিল। উচ্চ শিক্ষাই ল'ৰাক 'বাবু' কৰে, চাকৰি কৰি গাঁৱৰ সমাজৰপৰা আঁতৰি যায় বুলি শিক্ষিতৰ প্ৰতি নানা ধৰণৰ আপত্তি আছিল। সমাজতকৈ ব্যক্তি নিজস্ব উন্নতি হয় বেছি। সেই কাৰণে গাঁৱৰ মানুহে ল'ৰাক হেৰুৱাৰ ভয়ত শিক্ষাৰ প্ৰতি সন্দেহৰ ভাব আছিল। সময়ত সেই ভয় গলেও শিক্ষাক জীৱন উন্নতিৰ এক অংশ হিচাপে গণ্য কৰিবলৈ গাঁৱৰ মানুহ এতিয়াও অপাৰগ। ফলত গাঁও অঞ্চলত এতিয়াও প্ৰাথমিক শিক্ষা স্বইচ্ছাৰে সকলো ল'ৰা-ছোৱালীয়ে লবলৈ অহা নাই।

নীতিৰ সলনি : স্বাধীনতাৰ পিছৰপৰা চৰকাৰী নীতি সলনি হৈ থকাৰ বাবে কোনো সুস্থিৰ পদ্ধতিৰে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাছিল। কংগ্ৰেছ চৰকাৰে প্ৰথমে বুনিয়াদী শিক্ষা প্ৰাথমিক স্তৰত দিয়াৰ প্ৰস্তাৱ লৈ সকলো প্ৰাথমিক স্কুলক বুনিয়াদী স্কুললৈ পৰিবৰ্তন কৰাৰ যি আইন প্ৰবৰ্তন কৰে সি বাস্তৱত এক ডাঙৰ সমস্যাৰূপে দেখা দিয়ে। কাৰণ বুনিয়াদী স্কুলত সা-সঁজুলি, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক, বাইজৰ সহযোগ আদিৰ প্ৰয়োজন। অথচ এইবোৰ সাধাৰণ প্ৰাথমিক স্কুলত টকাৰ অভাৱতে কোনোমতেই দিব পৰা নাই। নতুনকৈ গঠন কৰা আঞ্চলিক শিক্ষাব'ৰ্ডে সংগঠনত বেছি সময় দিব লগীয়া হোৱাত শিক্ষাৰ প্ৰসাৰলৈ ভালকৈ চকু দিব নোৱাৰিছিল। গতিকে প্ৰাথমিক শিক্ষাৰ লেহেম গতিত চৰকাৰে নীতি সলনি কৰিব লগীয়া হয়। ১৯৬২ চনত পুনৰ বুনিয়াদী শিক্ষাৰ সলনি প্ৰাথমিক শিক্ষা প্ৰসাৰ কৰাৰ প্ৰস্তাৱ লয় আৰু ইয়াৰ বাবে ব'ৰ্ডৰ উপৰিও স্থানীয় কৰ্তৃপক্ষক (local authorities) দায়িত্ব দিয়ে।

বয়স্কশিক্ষাৰ অভাৱ ঃ প্ৰাথমিক শিক্ষাৰ লগে লগে বয়স্কশিক্ষাৰ ব্যৱস্থা নকৰাৰ ফলত শিক্ষাৰ প্ৰতি বয়স্কসকলৰ উদাসীনতা গুচাব পৰা নাই। প্ৰাথমিক স্কুলক সমাজ কেন্দ্ৰ কৰি খেল-ধেমালি, মেল-মিটিঙ, ৰাতিৰ স্কুল, স্বাস্থ্য পৰীক্ষা কৰা কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিলে বয়স্কসকলৰ স্কুলৰ লগত এটা সম্বন্ধ থাকে আৰু স্কুলৰ উন্নতিৰ প্ৰতি আগ্ৰহো দেখুৱাব। স্বাধীনতাৰ পিছৰপৰা বয়স্কশিক্ষাৰ প্ৰসাৰ হলেও ই অতি ধীৰ গতিত আগবাঢ়িছে।

স্কুলৰ অভাৱ ঃ প্ৰাথমিক স্কুলৰ বিতৰণ আৱশ্যক অনুযায়ী হোৱা নাই। নগৰত জনসাধাৰণৰ আগ্ৰহত নতুন নতুন স্কুল হৈছে, কিন্তু গাঁৱত, পাহাৰীয়া ঠাইত বা যি ঠাইত কম বসতি আছে আৰু যি ঠাইত ৰাইজ উদাসীন তাত স্কুলঘৰ স্থাপন কৰাও কম হৈছে। পাহাৰীয়া ঠাইত এতিয়াও বহুত দূৰলৈ গৈ ল'ৰা-ছোৱালীয়ে পঢ়িব লগীয়া হয়। ১০০ জন থকা এখন ঠাইত এখন স্কুল কৰিবলৈ প্ৰস্তাৱ লৈছিল যদিও, সি বহুতো ঠাইত কাৰ্যকৰী হোৱা নাই। সমতল অঞ্চলত বিশেষকৈ নগৰত স্কুলঘৰ সজাতকৈ চলি থকা স্কুলবোৰত বেছি পঢ়া কোঠা সজোৱা, বেছিকৈ শিক্ষকৰ নিযুক্তি দিয়া আৰু উন্নত সা-সঁজুলি যোগান ধৰাৰ সমস্যাহে আহিছে।

এজনীয়া শিক্ষকৰ স্কুল ঃ প্ৰাথমিক স্কুলৰ বেছিভাগতে মাত্ৰ এজন শিক্ষকহে থাকে। একেজন শিক্ষকে পাঁচটাকৈ ক্লাচ চলাই বিভিন্ন বিষয়ত পঢ়োৱাতো অতিশয় কষ্টকৰ কথা। ব'ৰ্ডৰ পৰীক্ষা দিব লগীয়া ওখ ক্লাচৰ ল'ৰা-ছোৱালীক বেছি মনযোগ দিব লগীয়া হোৱাত তলৰ ক্লাচবোৰ তেনেই আওকাণ কৰা হয়। কুমলীয়া ল'ৰা-ছোৱালীক খেলাৰ মাজেৰে শিকোৱাতকৈ মুখস্থ কৰাত বেছি জোৰ দিয়াৰ বাবে আৰু নোৱাৰিলে শাস্তি দিয়াৰ কাৰণে সিহঁতৰ পঢ়াৰ প্ৰতি ভয় সোমাই যায়। ১৯৫৫-৫৬ চনত ১২,২০৪ স্বীকৃত প্ৰাথমিক স্কুলৰ ভিতৰত ৭৬০৯ খনেই অৰ্থাৎ শতকৰা ৬৫ খন এজনীয়া শিক্ষকৰ স্কুল। গতিকে যি বুনিয়াদী স্কুলত প্ৰতেক ক্লাচতে

অতি কমেও এজনকৈ শিক্ষক লাগে তাত এজন শিক্ষকে ইয়াৰ বহুল উদ্দেশ্য সফল কৰিবলৈ তেনেই অপাৰগ।

প্ৰশিক্ষণৰ অভাৱঃ বেছিভাগ শিক্ষকৰ প্ৰশিক্ষণৰ অভাৱ। গাঁও অঞ্চলত শিক্ষক পোৱাই টান; তাতে প্ৰশিক্ষণ পোৱা শিক্ষকে গাঁৱত থাকিব নোখোজে। শিক্ষকৰ অলপ শিক্ষা আৰু প্ৰশিক্ষণ নোপোৱাৰ কাৰণে নতুন পদ্ধতিত শিক্ষা দিব নোৱাৰে। ফলত শিক্ষাৰ মানদণ্ডও কমি যায়।

১৯২৫ চনত শতকৰা মাত্ৰ ২৫ জনহে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আছিল। ট্ৰেইনিং স্কুলৰ সংখ্যা অৱস্থা অনুযায়ী তেনেই কম আছিল। চমু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হলেও বহুত আধুনিক শিক্ষা পদ্ধতিৰ লগত চিনাকি হ'লহেঁতেন।

কম দৰমহাঃ শিক্ষকৰ কম দৰমহা হোৱাৰ কাৰণে শিক্ষকৰ বৃত্তিয়ে কাৰো মন আকৰ্ষণ কৰিব নোৱাৰে। বহুতে ক'তো কাম নাপালে উপায়হীন হৈহে এই কাম লয় আৰু সুবিধা পালেই অন্য কামলৈ যায়। এজন শিক্ষকৰ একেবাৰে কম যোগ্যতা হৈছে ষষ্ঠ শ্ৰেণী পাছ কৰি চাৰ্টিফিকেট লোৱা। কিন্তু কোনো কোনো ঠাইত তেনেকুৱা মানুহ শিক্ষকতা কৰিবলৈ আগবাঢ়ি নাহে। চৰকাৰী তেনেই সৰু চাকৰিতো শিক্ষকতকৈ বেছি দৰমহা পায়। গাঁৱৰ ল'ৰাই চৰকাৰী চাকৰিকে বিচাৰে। শিক্ষকৰ দৰমহা নবঢ়োৱালৈ উপযুক্ত শিক্ষক সকলো ঠাইতে পোৱা সম্ভৱপৰ নহয়।

চৰকাৰৰ তৎপৰতাৰ অভাৱঃ বৃটিছৰ যুগত চৰকাৰে কোনো দিনে প্ৰাথমিক শিক্ষাক জনসাধাৰণৰ শিক্ষা হিচাপে ৰূপ দিয়াৰ চেষ্টা কৰা নাছিল। লোকেলবৰ্ডৰ হাতত প্ৰাথমিক শিক্ষা চলোৱা আৰু প্ৰসাৰৰ দায়িত্ব দি তাৰ উন্নতিৰ বাবে কোনো চেষ্টা চলোৱা নাছিল।

স্বাধীনতাৰ পিছতে প্ৰাথমিক শিক্ষা বাধ্যতামূলকভাৱে প্ৰসাৰ কৰাৰ চেষ্টা চলাই আছে। ইয়াৰ বাবে কেবাখন আইনো প্ৰণয়ন হ'ল; কিন্তু বাধ্যতামূলকভাৱে গোটেই অসমতে এতিয়ালৈকে

প্ৰথমিক শিক্ষা আৰম্ভ হোৱা নাই। নিৰক্ষৰতালৈ চাই অসম চৰকাৰে কঠোৰভাৱে এই আইন সকলো ঠাইতে বলবৎ কৰিলে এক ডাঙৰ সমস্যাৰ সমাধান হ'লহেঁতেন।

ল'ৰা-ছোৱালীক আন আন সুবিধা দানৰ অভাৱ : বাধ্যতা-মূলক শিক্ষাৰ লগত আন কেবাটাও কথা জড়িত হৈ আছে। দুখীয়া মাক-বাপেকে যাতে নিজৰ ল'ৰা-ছোৱালীক ভাল দৰে স্কুললৈ পঠিয়াব পাৰে আৰু নীচাত্মিকা মনোভাবত নোভোগে তাৰ বাবে স্থানীয় কৰ্তৃপক্ষই কাপোৰ, কিতাপ-পত্ৰ আদিৰ যোগান ধৰিব লাগে। সম্ভৱ হলে দুপৰীয়াৰ আহাৰ, গাখীৰ আদিৰ ব্যৱস্থা কৰিব লাগে। পশ্চিমীয়া দেশসমূহত দুপৰীয়াৰ আহাৰ, গাখীৰ আৰু আন লাগতীয়াল বস্তুৰ যোগান শিকাৰুক ধৰাতো এটা ইতিহাস হৈ গ'ল। অসমত ইয়াক প্ৰচলন কৰাতো বহুতো পলম হ'ল।

পঞ্চম অধ্যায়

অসমত মাধ্যমিক স্কুলৰ প্ৰসাৰ

ইংৰাজসকল অসমলৈ অহাৰ পিছত তেওঁলোকৰ শাসনকাৰ্য চলাবলৈ এদল ইংৰাজী জনা কৰ্মচাৰী প্ৰয়োজন হৈ পৰিছিল। প্ৰথমে তেওঁলোকে বঙ্গদেশৰপৰা বেছি দৰমহা দি শিক্ষিত বঙালী লোকক আনি কাম চলালেও পিছলৈ এইটো ব্যয় সাধ্য ব্যৱস্থা বুলি ভাবিবলৈ ধৰিছিল। অসমৰ ইংৰাজ শাসকৰ এজেন্ট ডেভিড স্কটে প্ৰথকে ইংৰাজী স্কুল স্থাপন কৰাৰ প্ৰস্তাৱ অনাৰ পিছতেই তেওঁৰ মৃত্যু হয়। তেওঁৰ পিছত শাসক কেপ্তেইন জেনকিন্সে গুৱাহাটীত ১৮৩৫ চনত এটা ইংৰাজী হাইস্কুল স্থাপন কৰে। পিছলৈ মূল সদৰ ঠাইত কেবাখনো হাইস্কুল স্থাপন কৰিছিল। ১৮৭৩-৭৪ চনত হাইস্কুলৰ সংখ্যা আছিল ৬ খন।

কমিছন আৰু অসম: ১৮৫৪ চন উডৰ ঘোষণাত প্ৰাথমিক স্কুলৰ পিছতে হাইস্কুল স্থাপনৰ প্ৰস্তাৱ দিছিল আৰু ইয়াৰ প্ৰসাৰৰ বাবে সাহায়ক অনুদান (grant-in-aid) দিয়াৰ সম্পৰ্কে কৈছিল।

১৮৮২ চনৰ ভাৰতীয় শিক্ষা কমিছনে (হাণ্টাৰ কমিছন) বেচৰকাৰী প্ৰতিষ্ঠানৰ মাজেৰে মাধ্যমিক শিক্ষা প্ৰসাৰৰ প্ৰস্তাৱ দিছিল। তেওঁলোকৰ মতে ভাল আৱস্থাৰ মানুহে নিজৰ ল'ৰা-ছোৱালীৰ উচ্চশিক্ষাৰ কাৰণে টকা খৰচ কৰিব লাগে। মাধ্যমিক স্কুল, যিমানদূৰ সম্ভৱ, সহায়ক অনুদানৰ ভিত্তিত প্ৰসাৰ কৰিব। চৰকাৰে যিমান সোনকালে পাৰে এই স্তৰৰ স্কুল সজাৰ দায়িত্বৰপৰা আঁতৰি আহিব। অৱশ্যে ইয়াৰ বাহিৰেও আচবাব পত্ৰ, আৰু শিক্ষাসহায়ক সঁজুলি (aid) আদিৰ বাবে অনুদান দিব।

অসমত কিন্তু এই প্ৰস্তাৱ কাৰ্যকৰী কৰিব পৰা নাছিল। কাৰণ ১৮৮২ চনলৈ বেচৰকাৰী অনুষ্ঠানসমূহে হাইস্কুল স্থাপন কৰাত বেছি

উৎসাহ দেখুৱা নাছিল। চৰকাৰে ১৮৭৫ চনত য'ত অতি আৱশ্যক তাত হাইস্কুল পাতি দিছিল। বিকেন্দ্ৰীকৰণৰ ফলত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যচৰকাৰক অৰ্থ সাহায্য দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল সি ফলৱতী হোৱা নাছিল। কুৰি শতিকাৰ আগলৈকে চৰকাৰেও শিক্ষাৰ প্ৰতি অতিশয় উৎসাহ দিয়া নাছিল। চৰকাৰী হাইস্কুল কেইখনত শিক্ষাৰ কাৰণে থোৱা অৰ্থৰ প্ৰায় গোটেই অংশই দিব লগীয়া হৈছিল আৰু নতুনকৈ হোৱা সাহায্যপ্ৰাপ্ত হাইস্কুল নামমাত্ৰ অনুদান পোৱাৰ বাবে অৰ্থিক অৱস্থা অতি শোচনীয় হৈছিল।

মাধ্যমিক স্কুলৰ সংগঠন ঃ মাধ্যমিক শিক্ষাত তিনি ধৰণৰ স্কুল আছিল।

(১) **মধ্য ইংৰাজী স্কুল ঃ** য'ত ষষ্ঠ শ্ৰেণীলৈ পঢ়ুৱাৰ ব্যৱস্থা আছিল আৰু ইংৰাজী এটা বিষয় হিচাপে পঢ়ুৱাইছিল। বহুত সময়ত প্ৰাইমেৰী স্তৰ অৰ্থাৎ ক-ৰপৰা তৃতীয় শ্ৰেণীও এই স্কুলবোৰত আৰম্ভ কৰিছিল।

(২) **মধ্য অসমীয়া স্কুল ঃ** তৃতীয়ৰপৰা ষষ্ঠ শ্ৰেণীলৈ কেৱল অসমীয়াতে পঢ়াইছিল। ইংৰাজী শিকোৱাৰ ব্যৱস্থা নাছিল। বহুত স্কুলত প্ৰাইমেৰী শ্ৰেণীও আছিল।

(৩) **হাইস্কুল ঃ** একশ্ৰেণী ল'ৰা-ছোৱালীৰ বাবে ইংৰাজীৰ মাধ্যমেৰে দশম শ্ৰেণীলৈ শিক্ষা দিয়া হৈছিল। এই স্কুলসমূহৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ্থীক কলিকতা বিশ্ববিত্তালয়ৰ তলত হোৱা এণ্ট্ৰেন্স পৰীক্ষাৰ (প্ৰথমে এফ.এ. আৰু পিছলৈ মেট্ৰিকুলেছন পৰীক্ষা বুলি জনাজাত) বাবে প্ৰস্তুত কৰা। এই পৰীক্ষাত পাছ হলে কলেজত পঢ়াৰ সুবিধা হৈছিল।

১৯০৪ চনৰ নীতি আৰু অসম ঃ ১৯০৪ চনলৈ অসমত কম হলেও ভাৰতৰ আন আন ঠাইত হাইস্কুল আৰু মধ্য ইংৰাজী স্কুলৰ সংখ্যা বাঢ়িছিল। কিন্তু ইয়াৰ সংগঠন ভাল দৰে হোৱা নাছিল। হাইস্কুলসমূহৰ অৱস্থাও অতি বেয়া থকাত, উপযুক্ত শিক্ষক নথকাত,

স্কুলঘৰ আৰু আচবাব-পত্ৰ কম থকাত শিক্ষাৰ্থীৰ জ্ঞান আৰু দক্ষতা লাভৰ মানদণ্ডও অতি কম আছিল।

কুৰি শতিকাৰ আৰম্ভণিতে ভাৰতৰ গবৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জনে ভাৰতৰ শিক্ষাৰ মানদণ্ড উন্নতিকৰণৰ কাৰণে ১৯০৪ চনত নতুন শিক্ষানীতি প্ৰবৰ্তন কৰিছিল। মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত তেওঁ নিয়ম কৰিছিল যে এখন হাইস্কুল ভাল দৰে চলিবলৈ হলে দুটা নিয়ম মানি চলিব লাগিব।

(ক) শিক্ষা বিভাগৰদ্বাৰা হাইস্কুলসমূহ স্বীকৃত হব লাগিব।

(খ) বিশ্ববিদ্যালয়ৰদ্বাৰা স্বীকৃত হব লাগিল।

হাইস্কুলৰ স্বীকৃতি দিবলৈ পৰিদৰ্শকে স্কুলসমূহ পৰিদৰ্শন কৰি ইয়াৰ অৱস্থাসমূহৰ প্ৰতিবেদন দিব লাগিব। এখন হাইস্কুল স্বীকৃতি পাবলৈ তলৰ নিয়মবোৰ পূৰাব লাগিব।

(১) সেই অঞ্চলত হাইস্কুল স্থাপনৰ প্ৰকৃত দৰকাৰ থাকিব লাগিব।

(২) ইয়াৰ অৰ্থনৈতিক অৱস্থা ভাল হব লাগিব।

(৩) ভাল দৰে গঠন কৰা এখন পৰিচালনা সমিতি থাকিব লাগিব।

(৪) উপযুক্ত বিষয়বস্তু প্ৰকৃত মানদণ্ড বজাই ৰাখি শিকাব লাগিব।

(৫) শিক্ষাদান, স্বাস্থ্য, আমোদ-প্ৰমোদ আৰু ছাত্ৰৰ শৃঙ্খলা বজাই ৰখাৰ চেষ্টা কৰিব লাগিব।

স্বীকৃতিৰ প্ৰায়োজন ঃ লৰ্ড কাৰ্জনে এই নিয়মবোৰ পালন কৰাৰ ওপৰত অতিশয় জোৰ দিছিল স্কুলসমূহৰ অৱস্থা উন্নতি কৰাৰ কাৰণে। স্কুলসমূহেও স্বীকৃতি লাভৰ কাৰণে অৱস্থা উন্নতি কৰিবলৈ চেষ্টা চলায় কেৰাটাও কাৰণত যেনে—(১) স্কুলে শিক্ষা বিভাগৰপৰা অৰ্থসাহায্য লাভ কৰিবলৈ খুজিলে, শিক্ষাৰ্থীয়ে বৃত্তি লাভ কৰিবলৈ হলে আৰু কোনো চৰকাৰী স্কুলৰপৰা এই হাইস্কুললৈ ল'বা আহিব

খুলিলে সেই স্কুলে শিক্ষা বিভাগৰপৰা স্বীকৃতি লাভ কৰিব লাগিব।

(২) হাইস্কুলে যদি মেট্রিকুলেছন পৰীক্ষালৈ ল'ৰা-ছোৱালী পঠিয়াব খোজে তেনেহলে সেই স্কুলে বিশ্ববিদ্যালয়ৰদ্বাৰা স্বীকৃতি লাভ কৰে। ওপৰত উল্লেখ কৰা অৱস্থাসমূহ পূৰণ কৰিলেহে বিশ্ববিদ্যালয়ে হাইস্কুলক স্বীকৃতি দিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষালৈ শিক্ষাৰ্থীক প্ৰস্তুত নকৰিলে ছাত্ৰৰ সংখ্যাও কমি যোৱাৰ সম্ভাৱনা আছিল। গতিকে হাইস্কুল থাকিবলৈ হলে বিশ্ববিদ্যালয়ে স্বীকৃতি দিব লাগিব যাৰ বাবে স্কুলে ইয়াৰ অৱস্থা উন্নতি কৰাৰ ওপৰত জোৰ দিব লাগিব।

ভাৰতীয় শিক্ষাবিদসকলে লৰ্ড কাৰ্জনৰ এই শিক্ষানীতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল। কাৰণ বেচৰকাৰী অনুষ্ঠান বা ব্যক্তিৰ হাইস্কুল স্থাপন কৰা হৈছিল। সেইবোৰৰ বেছি ভাগৰে অৱস্থা খুব ভাল নাছিল। অৰ্থ সংকটৰ কাৰণে তেওঁলোকৰ ভাল ঘৰ আৰু যোগ্য শিক্ষক আদি নাছিল। ফলত এই নতুনকৈ উঠিব খোজা বেচৰকাৰী হাইস্কুলে স্বীকৃতি নাপালে আৰু শিক্ষা বিভাগৰপৰা অনুদানো নাপালে আপোনা-আপুনি বন্ধ হৈ যাব।

কিন্তু লৰ্ড কাৰ্জনে অকল শিক্ষানীতিয়ে ৰচনা কৰা নাছিল, তেওঁ আগতকৈ বহুত বেছি টকা ৰাজ্য চৰকাৰসমূহলৈ অনুদান হিচাপে দিছিল। তেওঁৰ মতে শিক্ষাৰ উন্নতি কৰিবলৈ হলে কেন্দ্ৰই এক বিশেষ ভূমিকা লব লাগে আৰু অনুদানেৰে ৰাজ্য চৰকাৰসমূহক শিক্ষাৰ উন্নতি কৰিবলৈ উৎসাহ দিব লাগে।

ভাগ্যক্ৰমে এই সময়ত ভাৰতৰ আৰ্থিক অৱস্থা অতিশয় উন্নত হোৱা কাৰণে ১৯০২-০৩ চনত ৪০ লাখ টকা শিক্ষাৰ বাবে ৰাজ্য চৰকাৰসমূহলৈ দিয়ে। ১৯০৪-০৫ চনতো ৪৫ লাখ মান, ১৯১০-১১ চনত ৯৩ লাখ টকা দিয়ে। তাৰ পিছতো এইদৰে অনুদান দিয়াৰ ফলত প্ৰত্যেক ৰাজ্য চৰকাৰৰ ভঁৰাল টনকিয়াল হৈছিল আৰু স্কুলসমূহলৈ আগতকৈ বেছি পৰিমাণৰ অনুদান দিছিল। আসমেও ইয়াৰ এটা অংশ পাইছিল। দুভাৰ্গ্যবশতঃ ১৯০৫ চনত অসমক

পূৰ বঙ্গৰ লগত চামিল কৰি এখন ৰাজ্য কৰা হ'ল। ঢাকাত শিক্ষা পৰিচালনা কৰাৰ কেন্দ্ৰ হোৱা কাৰণে অসমৰ পাছ পৰা অৱস্থাই চৰকাৰক আকৰ্ষণ কৰিব পৰা নাছিল। তথাপি ধুবুৰী, নগাঁও, তেজপুৰ, শিৱসাগৰ, হবিগঞ্জ আদি ঠাইত স্কুলঘৰ সাজিবলৈ অনুদান পাইছিল। গুৱাহাটী, ডিব্ৰুগড় আদিতো স্কুলসমূহ আৰম্ভ কৰিছিল। কোনো কোনো স্কুলে স্কুলৰ সঁজুলি আৰু স্কুল উন্নত কৰাৰ কাৰণে অনুদান পাইছিল।

১৯১৩ চনৰ শিক্ষানীতি ঃ ১৯১৩ চনত ভাৰত চৰকাৰে আৰু এটা শিক্ষানীতি প্ৰবৰ্ত্তন কৰে। এই শিক্ষানীতিত মাধ্যমিক শিক্ষাৰ উন্নতিৰ কাৰণে প্ৰস্তাৱ দিছিল যে চৰকাৰে সকলো ধৰণৰ মাধ্যমিক স্কুলৰ তত্ত্বাৱধান লোৱাটো অসম্ভৱ কথা। গতিকে চৰকাৰে চৰকাৰী স্কুলবোৰ আদৰ্শ স্কুল (model) হিচাপে গঢ়ি তুলিবলৈ যত্ন কৰিব লাগে। এই আদৰ্শ স্কুলবোৰ উন্নত কৰিবলৈ তলত দিয়া ব্যৱস্থা লব লাগিব ঃ (১) গ্ৰেজুৱেট শিক্ষকৰ নিযুক্তি কৰা, (২) ইংৰাজী শিকোৱা শিক্ষকৰ ক্ৰমশঃ উন্নতিৰ চাকৰি দিয়া, (৩) হোষ্টেলৰ ব্যৱস্থা কৰা (৪) স্বয়ং সম্পূৰ্ণ পাঠ্যক্ৰম কৰা, (৫) হাতৰ কামৰ শিক্ষা দিয়া আৰু (৬) বিজ্ঞান শিক্ষা উন্নত কৰা।

তেওঁলোকে আশা কৰিছিল যে এইবোৰ ব্যৱস্থাৰদ্বাৰা আদৰ্শ স্কুলবোৰ উন্নত কৰিলে সাহায্যপ্ৰাপ্ত আৰু বেচৰকাৰী স্কুলসমূহে প্ৰতিযোগিতাত পৰি নিজৰ মানদণ্ড উন্নত কৰিবলৈ বাধ্য হব।

কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ দিয়া ধনেৰে ৰাজ্য চৰকাৰে স্কুলসমূহক অনুদান দিছিল। ১৯১২-১৩ চনত প্ৰায় ৪৫৭.১৮ লাখ টকা আৰু ১৯১৩-১৪ চনত প্ৰায় ১৫০ লাখ টকা কেন্দ্ৰীয় চৰকাৰৰ-পৰা ৰাজ্য চৰকাৰে পাইছিল আৰু সেয়ে স্কুলসমূহক অনুদান দিয়াৰ সুবিধা পাইছিল।

অসমত মাধ্যমিক স্কুলৰ প্ৰসাৰ ঃ স্কুলৰ উন্নতিকৰণৰ যি নীতি ১৯০৪ আৰু ১৯১৩ চনৰ শিক্ষানীতিত লোৱা হৈছিল তাৰ বাবে

কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক টকা দি শিক্ষাৰ উন্নতিকৰণত যথেষ্ট সুবিধা দিছিল। অসমত নতুন নতুন স্কুলঘৰ সাজিছিল, সাহায্যহীন স্কুল সাহায্যপ্ৰাপ্ত হৈছিল আৰু অনুদানৰ পৰিমাণো বঢ়াই দিছিল। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱত আৰু অসমত প্ৰশিক্ষণৰ কলেজ নথকাৰ বাবে কলিকতাত কেইজনমান শিক্ষকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। স্কুলৰ ভিতৰৰা অৱস্থা উন্নত কৰিবলৈ শিক্ষা-সঁজুলিৰ অনুদান আৰু হোষ্টেল সজাৰ অনুদানো দিছিল।

কিন্তু প্ৰথম বিশ্বযুদ্ধ ১৯১৪ চনত আৰম্ভ হৈ স্কুলঘৰ সজা, বঢ়োৱা আৰু হোষ্টেল সজা কাম বন্ধ ৰাখিছিল। ১৯১২ চনত অসমক পূৱ বঙ্গৰপৰা পৃথক কৰাৰ পিছত অসমৰ শিক্ষা বিভাগে পুনৰ শিক্ষাৰ প্ৰসাৰত লাগিলেও যুদ্ধৰ কাৰণে বহুত কাম কৰিব পৰা নাছিল। তথাপি এই সময়খিনিতে মাধ্যমিক স্কুলৰ সংখ্যাও বাঢ়িছিল আৰু পুৰণি স্কুলৰ অৱস্থাৰো অলপ উন্নতি হৈছিল। চৰকাৰী কটন কলেজিয়েট স্কুলৰ অৱস্থা ১৯১৮ চনতো খুব বেছি উন্নত হোৱা নাছিল। আটাইতকৈ পুৰণি স্কুলখনতে (১) শিক্ষকৰ সংখ্যা সৰহ নাছিল আৰু বেছিভাগেই প্ৰশিক্ষণ-প্ৰাপ্ত নাছিল, (২) বহাৰ ঠাই ছাত্ৰ অনুযায়ী যথেষ্ট নাছিল, (৩) ঘৰ বঢ়োৱাৰো ব্যৱস্থা লোৱা নাছিল আৰু পৰিবেশো স্বাস্থ্যকৰ নাছিল। পুৰণি চৰকাৰী স্কুল এখনৰ অৱস্থা এনেকুৱা হলে সাহায্যপ্ৰাপ্ত স্কুলৰ অৱস্থা অতি সহজে অনুমান কৰিব পাৰি।

এই কেইবছৰত স্কুলৰ সংখ্যা যথেষ্ট পৰিমাণে বাঢ়িছিল। ১৯৩৭ চনলৈ বঢ়া স্কুলৰ সংখ্যা তলত দিয়া মতে পোৱা যায়।

সিপিঠিৰ চিত্ৰৰপৰা দেখা যায় যে ১৮৮২ চনৰ পিছৰপৰা মাধ্যমিক স্কুল অসমত বাঢ়িবলৈ আৰম্ভ কৰিছে আৰু এই গতি দ্ৰুত হৈছে ১৯১৯ চনৰ পিছৰেপৰা। ১৯৪৭ চনত হাইস্কুলৰ সংখ্যা হৈছিল ১৯১ খন আৰু মাধ্যমিক স্কুলৰ সংখ্যা হৈছিল ৭৪২ খন। ইয়াৰ কাৰণ কেবাটাও আছিল।

মাধ্যমিক স্কুল

	হাইস্কুল	মধ্যইংৰাজী	মধ্যঅসমীয়া
১৮৭৩-৭৪	৬	১১	৭১
১৮৮২-৮৩	১৮	৪৪	৪৮
১৯১৯-২০	৩৮	১২৪	১৩৪
১৯৩৬-৩৭	৮৪	২৫১	২১৫

(১) জনসাধাৰণে ইংৰাজী শিক্ষাৰপৰা যে লাভবান হয় তাক বুজিব পাৰিছিল। সামান্য কাম কৰিলেও চৰকাৰী চাকৰিক গাঁৱৰ মানুহে সম্ভ্ৰমৰ চকুৰে চাইছিল। ইংৰাজী স্কুলত পঢ়োৱাৰ আগ্ৰহ বাঢ়িবলৈ ধৰিছিল।

(২) চৰকাৰে দিয়া অনুদানত উৎসাহিত হৈ গাঁৱৰ মানুহে স্কুল ঘৰ সাজিবলৈ আগবাঢ়ি আহিল।

(৩) জনসংখ্যা বঢ়াৰ লগে লগে কৃষিৰ ওপৰত নিৰ্ভৰ কৰি চলাতো টান হৈ অহাত মাক-বাপেকে ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ পঠিয়াইছিল।

(৪) ইংৰাজী শিক্ষাৰ প্ৰতি আগৰ অন্ধবিশ্বাস নাইকিয়া হৈছিল। ছোৱালীকো স্কুলীয়া শিক্ষা দিয়াৰ যি অন্ধ বিশ্বাস আছিল সিও কমি আহিল। সাৰদা আইন প্ৰণয়ন হোৱাৰ পিছত ছোৱালীক সকতে বিয়া দিব নোৱাৰা হ'ল।

(৫) স্বাধীনতা সংগ্ৰামৰ অসহযোগ আন্দোলনে সমাজত এক পৰিবৰ্তন আনি দিয়ে। এই আন্দোলনে অকল আইন অমান্যকে কৰা নাছিল, যিসকল ল'ৰা-ছোৱালীয়ে স্কুল এৰি স্বাধীনতা সংগ্ৰামত যোগ দিছিল বা পিকেটিং আদি কৰাৰ কাৰণে চৰকাৰী স্কুলৰপৰা বহিষ্কাৰ হৈছিল, তেওঁলোকৰ শিক্ষাৰ কাৰণে জাতীয় স্কুল স্থাপন

কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ে শিক্ষা বিভাগৰ আইন অমান্য কৰা এই স্কুলবোৰৰ ল'ৰা-ছোৱালীক মেট্ৰিকুলেছন পৰীক্ষা দিবলৈ দিছিল। এই স্কুলত ল'ৰা-ছোৱালীৰ সংখ্যাও বাঢ়িছিল আৰু নতুন স্কুল স্থাপন হৈছিল।

১৯৪৭ চনলৈ মাধ্যমিক স্কুলৰ অৱস্থা ঃ

(১) বৃটিছৰ শাসনত মাধ্যমিক স্কুল স্থাপনৰ মূল উদ্দেশ্য আছিল তলতীয়া কৰ্মচাৰী গঠনৰ কাৰণে শিক্ষা দিয়া। তেওঁলোকে মুষ্টিমেয় লোকক উচ্চশিক্ষা দিয়াৰ প্ৰস্তাৱ লৈছিল আৰু কৈছিল যে সেই উচ্চশিক্ষিত লোকসকলে গাঁৱলৈ গৈ জনসাধাৰণৰ মাজত শিক্ষা বিলাব। কিন্তু কাৰ্যতঃ উচ্চশিক্ষিত লোকে গাঁৱত থাকিলেও তাৰপৰা ওলাই আহি চৰকাৰী চাকৰি লৈ নগৰত নিগাজীকৈ বহিছিল। সকলোকে শিক্ষা দিয়াৰ কাৰণে চৰকাৰে কোনো কাৰ্যকৰী আইন বলবৎ কৰা নাছিল। মাধ্যমিক স্কুলৰ শিক্ষা এটা শ্ৰেণীৰ বাবেহে আছিল।

(২) মাধ্যমিক স্কুলৰ উদ্দেশ্য অতিশয় ঠেক আছিল। ইংৰাজী, অঙ্ক, এটা দ্বিতীয় ভাষা, বুৰঞ্জী আৰু ভূগোল আছিল প্ৰথম বিষয়বস্তু। ইয়াৰ উদ্দেশ্য হ'ল এণ্ট্ৰেন্স পাছ কৰা। ১৮৮২ চনত হাণ্টাৰ কমিছনে দুই ধৰণৰ পাঠ্যক্ৰম (এবিধ পুথিগত আৰু আনবিধ কাৰিকৰী পাঠ্যক্ৰম) মাধ্যমিক স্কুলত আৰম্ভ কৰাৰ কথা কৈছিল। কিন্তু সিও কাৰ্যকৰী নহ'ল। ১৯১১ চনত কলিকতা বিশ্ববিদ্যালয়ে নতুন নিয়ম কৰিলে। ইয়াৰ মতে ল'ৰা-ছোৱালীয়ে হাইস্কুলত ছয়টা বিষয় পঢ়িব লাগিব। চাৰিটা বাধ্যতামূলকভাৱে আৰু বাকী দুটা নিজে বাচি লব লাগিব। ইংৰাজী, অঙ্ক, নিজভাষা আৰু সংস্কৃতৰ দৰে এটা সৰ্বোত্তম ভাষা লব লাগিব আৰু দুটা বাচি লব লাগিব বুৰঞ্জী, ভূগোল, কাৰিকৰী, উচ্চভাগৰ উচ্চভাষা, উচ্চখাপৰ অঙ্ক-সমূহৰপৰা। অসমৰ স্কুলবোৰত এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল।

কিন্তু বেছিভাগ স্কুলত আৰ্থিক সংকট আৰু শিক্ষকৰ নাটনিৰ কাৰণে কোনোমতে ছয়টা বিষয়হে দিছিল। ফলত ই একশ্ৰেণীৰ লোকৰ কাৰণেহে হৈছিল।

(৩) হাইস্কুলৰ শিক্ষাৰ মাধ্যম ইংৰাজী হোৱাৰ কাৰণে বহুতে বিদেশীভাষাৰ মাধ্যমেৰে শিকিবলৈ যথেষ্ট টান পাইছিল আৰু আধা পঢ়ি স্কুল এৰিছিল। ১৯৩০ চনতহে বিশ্ববিদ্যালয়ে মাতৃভাষাৰ যোগেৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। কিন্তু ১৯৩৫ চনলৈকে অসমত অসমীয়াৰ মাধ্যমেৰে শিক্ষা দিব পৰা নাছিল, কাৰণ অসমীয়াত উপযুক্ত পাঠ্য পুথি নাছিল। অৱশ্যে ইয়াৰ পিছত অসমীয়া ভাষাৰ মাধ্যমেৰে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল যদিও পাঠ্যপুথিৰ নাটনি চলিয়ে আছিল।

(৪) অসমত এখনো প্ৰশিক্ষণ কলেজ নথকাৰ কাৰণে প্ৰশিক্ষণ-প্ৰাপ্ত শিক্ষকৰ অভাৱ আছিল। কলিকতা আৰু ঢাকাত বছৰি চাৰিটামান ঠাই শিক্ষকক দিলেও সেইবোৰলৈ ইন্সপেক্টৰসকলকহে পঠিয়াইছিল। শিক্ষকসকলে কেতিয়াবাহে সুবিধা পাইছিল আৰু নিজে বন্দৱস্ত কৰি যাব লগীয়া হোৱাৰ বাবে শিক্ষকে প্ৰশিক্ষণলৈ নগৈছিল।

(৫) মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা স্বাধীনতা সংগ্ৰামত এক অভুতপুৰ্ব জনজাগৰণৰ সৃষ্টি হৈছিল। সমাজৰ মুখীয়ালসকলে তীব্ৰ ভাষাত মাধ্যমিক স্কুলৰ শিক্ষাক সমালোচনা কৰিবলৈ ধৰিছিল। এই শিক্ষাৰ যে জনজীৱনৰ লগত সম্বন্ধ নাই, মানুহক উপযুক্তভাৱে গঢ়ি নোতোলে, ব্যৱহাৰিক জ্ঞান নিদিয়ে আদি তাক সকলোৱে একমুখে স্বীকাৰ কৰিছিল। চৰকাৰেও বৰ্তমান শিক্ষা পদ্ধতিৰ সাৰ্থকতা সম্বন্ধে সন্দেহ প্ৰকাশ কৰিছিল। ১৯২৯ চনত ফিলিপ হাৰ্টগৰ নেতৃত্বত এটা কমিছনে মত প্ৰকাশ কৰিছিল যে কেৱল পৰীক্ষা পাছৰ কাৰণে শিক্ষা দিয়া মাধ্যমিক স্কুলত দোষ গুচাবলৈ হলে (ক) গাঁৱত মধ্য অসমীয়া স্কুলবোৰ বাখিব লাগিব আৰু তাত গাঁৱত পোৱা কাৰিকৰী বৃত্তিৰ

শিক্ষা দিব। বিভিন্ন ধৰণৰ বৃত্তিৰ শিক্ষা এই স্তৰতে দিব। (খ) মধ্য-শিক্ষাৰ শেষত কাৰিকৰী আৰু বাণিজ্য বিষয়ৰ বৃত্তি লবলৈ বেছিভাগ শিকাৰুক উদগাব লাগিব। কাৰিকৰী আৰু বাণিজ্য বিষয়ক স্কুলত পঢ়িবলৈ তেওঁলোকে মধ্য স্কুলতে এনেকুৱা ধৰণৰ বিষয়ত শিক্ষা লাভ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

অসম চৰকাৰৰ আঁচনি ঃ এই প্ৰস্তাৱকে ভিত্তি কৰি অসম চৰকাৰে ১৯৩৫ চনত ভাৰত চৰকাৰলৈ 'শিক্ষাৰ পুনৰ সংগঠন' নামেৰে এখন আঁচনি দিয়ে। ইয়াৰ মতে, হাইস্কুলৰপৰা মধ্যস্কুলৰ পাঠ্যক্ৰম বেলেগ কৰি ইয়াৰ পৰীক্ষা সকলোৰে কাৰণে বাধ্যতামূলক কৰিব লাগে। মধ্যশিক্ষাৰ শেষত শিল্পবিদ্যা, হস্তকামৰ শিক্ষা, বাণিজ্য শিক্ষা আৰু শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। মণ্ডল, হাবিৰ চকিদাৰ, কৃষি প্ৰদৰ্শক, ডাক পিয়ন, পুলিচ কৰ্মচাৰীৰ কাৰণে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা শিক্ষা বিভাগে কৰিব লাগিব।

এই আঁচনিৰ মূল উদ্দেশ্য আছিল যিবোৰ ল'ৰা-ছোৱালীয়ে কম বুদ্ধি থকাৰ কাৰণে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত অকৃতকাৰ্য হয়, তেওঁলোকক মধ্যস্তৰতে কাৰ্যকৰী শিক্ষা দি জীৱিকা নিৰ্বাহৰ সুবিধা কৰি দিয়াটো। এই আঁচনি ভাৰত চৰকাৰৰ বিবেচনাধীনত থাকে আৰু আন আঁচনিৰ দৰে সিও ভাৰত চৰকাৰৰ অনুমোদন নাপালে।

স্বাধীনতাৰ পিছৰপৰা মাধ্যমিক শিক্ষাৰ প্ৰসাৰ ঃ

ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত সকলো ফালৰপৰা মাধ্যমিক শিক্ষাই তীব্ৰ সমালোচনাৰ সম্মুখীন হৈছিল। গণতান্ত্ৰিক দেশ এখনৰ কাৰণে "কেৰাণী কৰা শিক্ষা" যে সম্পূৰ্ণ অনুপযুক্ত তাক সকলোৱে স্বীকাৰ কৰিছিল। এক তৰপৰ বিষয়গত শিক্ষাই যে এক ধৰণৰ মানুহকহে শিক্ষা দিয়ে তাক চৰকাৰেও বুজি পাইছিল। ১৯৪৭ চনত গোটেই ভাৰতত মাধ্যমিক স্কুল দ্ৰুত গতিত বাঢ়িবলৈ ধৰিছিল। অসমতো জাতীয় জাগৰণে আৰু গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনে

মাধ্যমিক স্কুলৰ সংখ্যা অতি বেছি ধৰণে বঢ়াইছিল। লগে লগে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়িবলৈ ধৰিছিল। তাৰ লগে লগে বাঢ়ি আহিছিল মেট্ৰিক পৰীক্ষাত অকৃতকাৰ্য হোৱা পৰীক্ষাৰ্থীৰ সংখ্যাও। বছৰৰ পিছত বছৰ ফেল কৰা ছাত্ৰ-ছাত্ৰীৰ শ্ৰম, উৎসাহ আৰু সময়ৰ ক্ষতি হৈছিল আৰু জাতীয় জীৱনত শক্তিৰ অপচয় হৈছিল। ১৯৪৭-৪৮ চনত মধ্য স্কুলৰ সংখ্যা আছিল ৭৪২। মধ্য আৰু হাইস্কুলৰ ১৯৫২-৫৩ চনত সংখ্যা ক্ৰমে হ'লগৈ ১, ১০৮ আৰু ২০৬খন স্কুল। সেইদৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'লগৈ ১৯৪৭-৪৮ চনত মধ্য আৰু হাইস্কুলত ক্ৰমে ৯০,৬১৩ আৰু ৬৮,৭৬২ আৰু ১৯৫১-৫২ চনত হ'ল ১,০৭,৬৪৯ আৰু ১,০২,৮৯৪ জন। এই স্কুলসমূহে এক তৰপীয়া শিক্ষা দিয়াৰ ফলত বিভিন্ন বুদ্ধিৰ ল'ৰা-ছোৱালীয়ে তাক ভাল দৰে গ্ৰহণ কৰিব পৰা নাছিল। ফলত অকৃতকাৰ্যৰ সংখ্যাও বাঢ়িছিল।

অকল অসমতে নহয় গোটেই ভাৰততে অতি সঙ্কটপূৰ্ণ সমস্যাৰূপে দেখা দিছিল। নতুনকৈ স্থাপন হোৱা গণতন্ত্ৰৰ সাফল্য সম্পূৰ্ণৰূপে জনসাধাৰণৰ শিক্ষা আৰু কৰ্মদক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। দেশৰ ধৰণী যুৱক-যুৱতীসকলক কেনেকৈ উপযুক্ত শিক্ষাৰে কৰ্মদক্ষ নাগৰিক কৰিব পাৰে তাৰ বাবে বহুত ধৰণৰ আলোচনা চলিছিল। ১৯৫২ চনত ভাৰত চৰকাৰে ডঃ লক্ষ্মণ স্বামী মুদেলিয়াৰৰ সভাপতিত্বত এটা কমিছন বহুৱায় আৰু এই আয়োগে ১৯৫৩ চনত প্ৰতিবেদন দিছিল। এই আয়োগে মন্তব্য দিয়ে যে মাধ্যমিক স্কুলৰ শিক্ষাৰ ইমান দোষ আছে যে মাধ্যমিক শিক্ষাৰ পুনৰ সংগঠনৰ অতি-আৱশ্যক হৈ পৰিছে।

মাধ্যমিক শিক্ষাৰ দোষ : মাধ্যমিক আয়োগে শিক্ষাৰ দোষৰ বিষয়ে বিশদ আলোচনা কৰিছিল। চমুকৈ এই দোষবোৰ আছিল :

(১) মাধ্যমিক শিক্ষাৰ উদ্দেশ্য মহান নহয়। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে কলেজৰ কাৰণে শিকাৰুক প্ৰস্তুত কৰা।

(২) আৱশ্যকীয় আৰু ব্যৱহাৰিক বিষয় নোহোৱাকৈ পাঠ্যক্ৰম

অভিশয় গধুৰ হৈছে।

(৩) ব্যৱহাৰিক বিষয়বস্তু বা কাম নোহোৱাৰ বাবে ই জীৱন নিৰ্বাহৰ পথ সুচল নকৰে। পাঠ্যক্রম বিষয়গত আৰু কিতাপ প্রাধান্য হোৱা কাৰণে জীৱনৰ লগত ইয়াৰ সম্বন্ধ নাই। সমাজৰ লগত স্কুলৰ আৰু জীৱন যাত্রাৰ লগত শিক্ষাৰ কোনো সম্বন্ধ নাই।

(৪) পৰীক্ষাই গোটেই পাঠ্যক্রমটো নিৰ্বাচন কৰে।

(৫) যৌৱনকালত দেখা দিয়া বিভিন্ন ধৰণৰ শক্তি, দক্ষতা, ইচ্ছা আৰু আগ্রহ পূৰণ কৰাৰ কোনো স্থল নাই। পৰীক্ষাৰ ওপৰত জোৰ দিয়াৰ কাৰণে সৃজনীশক্তিৰ বিকাশৰো সুবিধা নাপায়।

(৬) বিভিন্ন বিষয়ৰ ভিতৰত কোনো সম্বন্ধ নথকাৰ কাৰণে শিকাৰুৱে বিষয়বস্তুৰ ভিতৰত থকা সম্বন্ধ বুজি নাপায়। মন্ত্র শিকাৰ দৰে সিহঁতে শিক্ষা লাভ কৰে। জীৱনৰ বিভিন্ন পৰিস্থিতিত তাক ব্যৱহাৰ কৰিবলৈ নিশিকে।

(৭) মাধ্যমিক শিক্ষা স্বয়ং সম্পূৰ্ণ পাঠ্যক্রম নহয়। পাঠ্যক্রমৰ শেষত কোনো বৃত্তি বা জীৱিকাৰ পথ লবলৈ এই পাঠ্যক্রমৰদ্বাৰা সক্ষম নহয়।

মুদেলিয়াৰ কমিছনৰ অনুমোদন : গতিকে মুদেলিয়াৰ কমিছনে মন্তব্য দিয়ে গণতন্ত্রত মাধ্যমিক শিক্ষাৰ লক্ষ্য কেবাটাও হব লাগিব। যেনে, (১) ব্যক্তিত্ব গঠন। (২) গণতান্ত্রিক নাগৰিত্ব লাভ। (৩) কৰ্মদক্ষ হোৱা। (৪) নেতৃত্ব লাভত শিক্ষা। (৫) চৰিত্র গঠন।

পাঠ্যক্রমৰ অৰ্থ : এই লক্ষ্যসমূহ পূৰাবলৈ পাঠ্যক্রমক বহল অৰ্থত ব্যৱহাৰ কৰাৰ অনুমোদন কৰিছিল। স্কুলৰ বিভিন্ন অৱস্থাত পোৱা পাঠ্যক্রমক এজন শিকাৰুৰ ব্যক্তিগত অভিজ্ঞতাৰ সমষ্টি হিচাপে অভিহিত কৰিছে। ক্লাচৰুমত, লাইব্রেৰীত পঢ়ি, লেবৰেটৰীত কাম কৰি, খেলি, আনক সহায় কৰি, আৰু শিক্ষকৰ লগত সম্বন্ধ আদি স্থাপন কৰি যি অভিজ্ঞতা লাভ কৰে সিও পাঠ্যক্রমৰ অন্তৰ্গত।

এইবোৰকে অনুমোদন কৰে যে ব্যক্তিৰ বিভিন্নতাক স্বীকাৰ কৰি তেওঁলোকৰ অসুবিধা লক্ষ্য কৰি, ইচ্ছা আৰু আগ্ৰহ এই পাঠ্যক্ৰমৰ মাজেৰে পূৰণ কৰিব লাগিব। ইয়াৰ বাহিৰে পাঠ্যক্ৰমত চাৰিটা বাধ্যতামূলক বিষয়ৰ বাহিৰে বিষয়বোৰ ভাগ কৰিব। শিক্ষাৰ্থীৰ ইচ্ছা অনুযায়ী তেওঁলোকে তিনিটা বিষয় এটা ভাগৰপৰা লব। সেই ভাগ কেইটা হ'ল,

(১) মানৱ শাস্ত্ৰ (Humanities)
(২) কৃষি বিষয়ক (Agricultural)
(৩) বিজ্ঞান বিষয়ক (Sciences)
(৪) কাৰিকৰী বিষয়ক (Technical)
(৫) শিল্প কলা (Fine arts)
(৬) ঘৰুৱা বিজ্ঞান (Home science)
(৭) বাণিজ্য বিষয়ক (Commerce)

এই পাঠ্যক্ৰমক স্বয়ং সম্পূৰ্ণ কৰিবৰ বাবে তেওঁলোকে মাধ্যমিক শিক্ষাক ১১ বছৰীয়া কৰিবলৈ অনুমোদন দিয়ে। ইণ্টাৰমিডিয়েট ক্লাচৰপৰা এবছৰ আনি বৰ্তমান হাইস্কুলৰ লগত লগাই আৰু এবছৰ ডিগ্ৰীৰ লগত লগাই, ডিগ্ৰীক তিনি বছৰীয়া কাৰ্য্য বিচাৰিছিল।

ইয়াৰ বাহিৰেও মুদেলিয়াৰে আয়োগে শৃঙ্খলা, বাহিৰা কাম, শিক্ষকৰ প্ৰশিক্ষণ আৰু নতুন শিক্ষা প্ৰণালীৰ ওপৰত নতুন ধৰণৰ ব্যৱস্থাৰ অনুমোদন কৰিছিল।

১৯৫৩ চনৰ পিছৰপৰা অসমত মাধ্যমিক শিক্ষাৰ প্ৰসাৰ: মুদেলিয়াৰ কমিছনে দিয়া অনুমোদনসমূহ ভাৰত চৰকাৰে গ্ৰহণ কৰি তাৰ ভিত্তিতে ভাৰতীয় শিক্ষানীতি প্ৰবৰ্তন কৰে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক মাধ্যমিক শিক্ষা নতুনকৈ সংগঠন কৰাৰ নিৰ্দেশ দিয়ে।

অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পুনঃ সংগঠনৰ আঁচনি'ত অংশ লৈ কিছুমান হাইস্কুলক প্ৰথমতে বহুমুখী হাইস্কুল হিচাবে লৈ চলালে। এই কাম প্ৰথমতে পৰীক্ষামূলকভাৱে আৰম্ভ কৰে, আৰু ১৫ খন

স্কুলক বহুমুখী স্কুল হিচাপে লৈ তাত সাধাৰণত বিজ্ঞান, ঘৰুৱা বিজ্ঞান, কাৰিকৰী, বাণিজ্য, শিল্পকলা আদি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰে। তলৰ কেইখন স্কুল বহুমূখী স্কুলকৰা হৈছিল আৰু তাত তলৰ ধৰণে বিষয় দিয়া হৈছিল।

(১) ডিব্ৰুগড় চৰকাৰী ছোৱালী হাইস্কুল—বিজ্ঞান আৰু ঘৰুৱা বিজ্ঞান।

(২) শিৱসাগৰ চৰকাৰী হাইস্কুল—বিজ্ঞান আৰু কাৰিকৰী।

(৩) যোৰহাট চৰকাৰী হাইস্কুল— " "

(৪) গোৱালপাৰা চৰকাৰী হাইস্কুল—" "

(৫) কহিমা চৰকাৰী হাইস্কুল—কাৰিকৰী আৰু ঘৰুৱা বিজ্ঞান।

(৬) জোৱাই চৰকাৰী হাইস্কুল—কৃষি আৰু ঘৰুৱা বিজ্ঞান।

(৭) আইজাল চৰকাৰী " —বাণিজ্য আৰু ঘৰুৱা বিজ্ঞান।

(৮) তুৰা চৰকাৰী হাইস্কুল—কৃষি আৰু ঘৰুৱা বিজ্ঞান।

(৯) উচন সাহায্যপ্ৰাপ্ত হাইস্কুল—কাৰিকৰী আৰু বাণিজ্য।

(১০) মৰিগাওঁ সাহায্যপ্ৰাপ্ত হাইস্কুল—বিজ্ঞান আৰু কৃষি।

(১১) চাৰআলি সাহায্যপ্ৰাপ্ত হাইস্কুল—কাৰিকৰী আৰু কৃষি।

(১২) তেজপুৰ ছোৱালী হাইস্কুল—ঘৰুৱা বিজ্ঞান আৰু শিল্প বিদ্যা

(১৩) টি. চি. ছোৱালী হাইস্কুল— " " "

ইয়াৰ বাহিৰেও চাৰিখন স্কুলক হায়াৰ চেকেণ্ডাৰী স্কুল হিচাপে নিৰ্বাচন কৰিছিল। সেই কেইখন হৈছে :

(১) কে. আৰ সাহাযাপ্ৰাপ্ত হাইস্কুল, হাজো

(২) বৰপেটা চৰকাৰী হাইস্কুল

(৩) ধুবুৰী চৰকাৰী হাইস্কুল

(৪) শিলচৰ চৰকাৰী হাইস্কুল

এই চাৰিওখন স্কুলতে বিজ্ঞান আৰু মানৱ শাস্ত্ৰৰ বিষয়সমূহ আৰম্ভ কৰিছিল।

উন্নত কৰাৰ প্ৰচেষ্টা : ১৯৫৫-৫৬ চনত মাধ্যমিক স্কুল উন্নত কৰাৰ বাবে তলৰ ব্যৱস্থা লৈছিল।

(১) হাইস্কুলসমূহক বহুমুখীলৈ ৰূপান্তৰিত কৰোঁতে এটা ডাঙৰ সমস্যা হৈছিল ঘৰ আৰু বিষয়বস্তুবোৰ আৰম্ভ কৰিবৰ কাৰণে সা-সঁজুলি। ইয়াৰ বাবে চৰকাৰে দিয়া ১৮৭১৪০৮ টকা ঘৰ সাজিবলৈ আৰু সা-সৰঞ্জাম কিনিবলৈ খৰচ কৰিছিল।

(২) হায়াৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞানৰ শাখা উন্নত কৰিবৰ বাবে ঘৰ আৰু সা-সঁজুলিৰ বাবে প্ৰত্যেক স্কুলকে ৫০,০০০ কৈ টকা দিছিল।

(৩) হাইস্কুলসমূহৰো অতিশয় শোচনীয় অৱস্থা আছিল। স্কুল ঘৰৰ বাহিৰেও শিক্ষাৰ আহিলা-পাতি, লাইব্ৰেৰী, ক্লাচ কমৰ অৱস্থাও অতি দুখলগা আছিল। বাঢ়ি অহা শিকাৰুৰ সংখ্যা অনুযায়ী স্কুলে সা-সুবিধা দিব নোৱাৰিছিল। ১৯৫৫-৫৬ চনত ৪৫খন হাইস্কুলৰ প্ৰত্যেককে ১৭,৫০০ টকাকৈ দিছিল লাইব্ৰেৰীৰ কিতাপ কিনিবলৈ, শিল্পবৃত্তি শিক্ষা দিবৰ সা-সঁজুলি কিনিবলৈ আৰু শিক্ষণৰ আহিলা (Teaching aid) কিনিবলৈ।

১৯৫৬-৫৭ চনত পুনৰ ১৫ খন স্কুলক লাইব্ৰেৰী উন্নত কৰিবলৈ, শিল্পবৃত্তি শিক্ষা আৰু তাৰ প্ৰয়োজনীয় সঁজুলি কিনিবলৈ মুঠতে ১৯৮,০০ টকা দিছিল আৰু প্ৰত্যেক স্কুলৰ ভাগত পৰিছিল ১৩,২০০ টকা। ১৯৫৮-৫৯ চনত ৪১ খন হাইস্কুলৰ প্ৰত্যেককে ১২,০০০ টকা লাইব্ৰেৰী, শিল্পবৃত্তি আৰু শিক্ষণ প্ৰণালীৰ উন্নতি কৰণৰ কাৰণে দিছিল।

(৪) মধ্য ইংৰাজী স্কুলবপৰা যাতে কিছুমানে শিল্প, বাণিজ্য, ব্যৱসাৰ আদি বিষয়ত পঢ়িবলৈ যাব পাৰে তাৰ বাবে ইয়াত শিল্পবৃত্তি শিকোৱাৰ ব্যৱস্থাৰ কথা চিন্তা কৰিছিল। তাৰ বাবে ১৯৫৫-৫৬ চনত ৪১ খন মধ্য ইংৰাজীস্কুলত মুঠতে ১,৪০,০০০ টকা খৰচ কৰিছিল আৰু প্ৰত্যেক স্কুলে পাইছিল ৩,০০০ টকা। ১৯৫৬-৫৭ চনতো ৩৩ খন

মধ্য ইংৰাজী স্কুলত সহায় দিছিল। এই টকাবোৰ লাইব্ৰেৰী, শিক্ষণ আহিলা আৰু শিল্পবৃত্তি শিকোৱাৰ ব্যৱস্থা উন্নত কৰিবলৈ দিছিল।

স্কুলৰ বৃদ্ধিঃ ১৯৬০ চনলৈ চৰকাৰে বহুমুখী স্কুল আৰু উচ্চ মাধ্যমিক স্কুলৰ সংগঠনত বেছি মনযোগ দিব লগীয়া হৈছিল। পৰীক্ষামূলকভাৱে আৰম্ভ কৰা এই স্কুলবোৰক উন্নত কৰিবলৈ হলে বহুত বেছি অৰ্থৰ প্ৰয়োজন। স্কুলৰ অভাৱ অনুযায়ী চৰকাৰে দিয়া অনুদান বহুত কম আছিল। সেয়ে স্কুলৰ কোনোটো বিভাগে ভাল দৰে উন্নত কৰিব পৰা নাছিল।

১৯৫৩ চনৰ পিছৰেপৰা মাধ্যমিক স্কুলসমূহৰ উন্নতিৰ বাবে বেছি জোৰ দিয়া হৈছিল।

মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে (১) ১৯৬৪ চনৰপৰা দৰমহা কমিটিৰ প্ৰস্তাৱমতে শিক্ষকৰ দৰমহা বঢ়াই দিছিল। (২) বেছি সংখ্যক ল'ৰা-ছোৱালীক জলপানী দিয়াৰ ব্যৱস্থা কৰিছিল। ১৯৫৮ চনত ৩৪০০জন ল'ৰাক আৰু ২০৫০ জনী ছোৱালীক জলপানী দিছিল। অনুসূচীত আৰু পাছ পৰা জাতিৰ ল'ৰা-ছোৱালীৰ প্ৰায় ৩০,৭৮০ ল'ৰা আৰু ৭৮৪০ জনী ছোৱালীক জলপানী দিয়া হৈছিল। (৩) প্ৰশিক্ষণ-প্ৰাপ্ত শিক্ষকৰ সংখ্যা বঢ়াবলৈ আৰু প্ৰশিক্ষণ কলেজ খোলাৰ ব্যৱস্থা কৰিছিল। (৪) স্কুল পৰিদৰ্শন কৰিবলৈ আৰু স্কুলসমূহত নতুন পদ্ধতিত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিবলৈ, মাধ্যমিক স্কুলৰ মান উন্নত কৰিবলৈ গোটেই অসমক ৭ টা কেন্দ্ৰত (circle) ভগাইছিল। প্ৰত্যেকটো কেন্দ্ৰত এজন ইন্সপেক্টৰৰ তলত সহকাৰী পৰিদৰ্শকসকল থাকে। তেওঁলোকৰ সকলো ধৰণৰ স্কুল পৰিদৰ্শন কৰাৰ দায়িত্ব থাকে। (৫) ১৯৫৬ চনৰপৰা উচ্চ মাধ্যমিক আৰু বহুমুখী স্কুল স্থাপন কৰাৰ লগে লগে আন মাধ্যমিক স্কুল উন্নত কৰাৰ যথেষ্ট যত্ন লোৱা হৈছিল। (৬) জনসাধাৰণেও ল'ৰা-ছোৱালীক মাধ্যমিক শিক্ষা দিয়াত যত্নপৰ হৈ পৰে। স্কুলৰ সংখ্যাও সিপিঠিত দিয়া দৰে বাঢ়িবলৈ ধৰে।

স্কুলৰ সংখ্যা

	হাইস্কুল	মধ্যইংৰাজী	মধ্যঅসমীয়া
১৯৫৩-৫৪	৩৩৮	৭২৩	৪৭২
১৯৫৮-৫৯	৮৭৫	১,১৩৬	৪৯০
১৯৬৪-৬৫	৯৮৩	১,৬৯৬	৫৬৪

শিক্ষাৰ্থীৰ সংখ্যা

১৯৫৩-৫৪	৯০,৪৩৯	৪১,৭২৫	৩৭,৯৫২
১৯৫৮-৫৯	১,০৬,৪৫৮	৯৩,৪৮০	৬৫,৩৯১
১৯৬৪-৬৫	৩,২৬,৫৪৮	১৪০৮৮৯	৮৬৯৬৬

ওপৰৰ তালিকাৰপৰা দেখা যায় যে ১১ বছৰৰ ভিতৰত হাইস্কুলৰ সংখ্যা প্ৰায় তিনি গুণ বাঢ়িছিল। শিকাৰুৰ সংখ্যাও তিনি গুণতকৈ বেছি আছিল। ইয়াৰ ভিতৰত ৫২ খন উচ্চ মাধ্যমিক আৰু বহুমুখী স্কুল আৰু ৬ খন ছোৱালীৰ কাৰণে আছিল। মধ্য ইংৰাজী স্কুলৰ সংখ্যা দুগুণতকৈ বেছি আছিল, কিন্তু মধ্য অসমীয়া স্কুল মাত্ৰ ৯২ খনহে বাঢ়িছিল। ইয়াৰ একমাত্ৰ কাৰণ আছিল যে মধ্য অসমীয়াতকৈ মধ্য ইংৰাজী স্কুলত পঢ়িলে হাইস্কুললৈ যোৱাৰ সুবিধা পায়। শ্ৰেণী বঢ়াই এখন মধ্য ইংৰাজী স্কুলক হাইস্কুললৈ পৰিণত কৰাৰ সুবিধা আছে। গাঁৱত প্ৰায়ে মধ্য ইংৰাজী স্কুলক লাহে লাহে হাইস্কুলত পৰিণত কৰিছিল।

মাধ্যমিক স্কুলৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা : সাধাৰণতে মাধ্যমিক স্কুলৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ ভাৰ শিক্ষা বিভাগৰ আছিল আৰু পৰীক্ষা চলোৱাৰ ভাৰ লৈছিল বিশ্ববিদ্যালয়ে। চৰকাৰী

স্কুলসমূহ পোনপটীয়াভাৱে শিক্ষা বিভাগৰ তলত আছিল ; কিন্তু বেচৰকাৰী স্কুলৰ পৰিচালনাৰ ভাৰ আছিল নিয়ন্ত্ৰণকাৰী কমিটিৰ ; অৱশ্যে এই কমিটি শিক্ষা বিভাগে অনুমোদন কৰিব লাগিব। হাইস্কুলৰ পৰিদৰ্শনৰ ভাৰ ইন্সপেক্টৰৰ হাতত আছিল আৰু মধ্য স্কুলবোৰ চাইছিল ডেপুটি ইন্সপেক্টৰে। তেওঁলোকক সহায় কৰিবলৈ সহকাৰী ইন্সপেক্টৰ, অতিৰিক্ত ডেপুটি ইন্সপেক্টৰ আৰু চাব-ইন্সপেক্টৰসকল আছিল। তেওঁলোকে দিয়া প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰি এখন স্কুলত স্বীকৃতি, সাধাৰণ অনুদান আৰু বিশেষ ধৰণৰ অনুদান পাইছিল।

নিয়ন্ত্ৰণৰ পৰিবৰ্তন : স্কুলৰ সংখ্যা বঢ়াৰ লগে লগে শিক্ষা বিভাগে আৰু বিশ্ববিদ্যালয়ত স্কুলসমূহ ভাল দৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰা হ'ল। মুদেলিয়াৰ কমিছনে ১৯৫৩ চনতে 'মাধ্যমিক শিক্ষা ব'ৰ্ড' স্থাপন কৰাৰ কাৰণে প্ৰস্তাৱ দিছিল। ভাৰতৰ কিছুমান ৰাজ্যত এই ব'ৰ্ড আছিল আৰু কিছুমানত ১৯৫৩ চনৰ পিছতহে স্থাপন হৈছিল। অসমতো এই ব'ৰ্ড স্থাপনৰ প্ৰস্তাৱ আহিছিল। বিধান সভাত আলোচনা হৈছিল ; কিন্তু ১৯৬১ চনলৈ কোনো ব'ৰ্ড স্থাপন হোৱা নাছিল। ১৯৬১ চনত চৰকাৰে 'মাধ্যমিক শিক্ষা' আইনখন প্ৰণয়ন কৰে। ১৯৬৬ চনত 'মাধ্যমিক শিক্ষা বৰ্ড' স্থাপন হয় আৰু সকলো মাধ্যমিক স্কুল ইয়াৰ নিয়ন্ত্ৰণলৈ আহে।

মাধ্যমিক শিক্ষাৰ আইন ১৯৬১ চন : 'মাধ্যমিক শিক্ষা বিল' বিধান সভাত ১৯৬১ চনতে আইন হিচাপে গৃহীত হলেও ইয়াক প্ৰণয়ন কৰা সম্বন্ধে গৱৰ্ণৰে ১৯৬৬ চনতহে সম্মতি প্ৰদান কৰে।

এই আইনৰ প্ৰস্তাৱসমূহ চমুকৈ তলত দিয়া হ'ল।

(১) গোটেই অসমতে প্ৰৱৰ্তন কৰা হব।

(২) অসম চৰকাৰৰদ্বাৰা স্বীকৃত মাধ্যমিক স্কুলসমূহক গুৱাহাটী বিশ্ববিদ্যালয় বা আন কোনো ব'ৰ্ডে নিয়ন্ত্ৰণ কৰিব নোৱাৰিব।

(৩) অসম চৰকাৰে মাধ্যমিক শিক্ষাৰ নিয়ন্ত্ৰণ, পৰিচালনা আৰু

উন্নতিকৰণৰ বাবে 'মাধ্যমিক শিক্ষা বৰ্ড' নামেৰে এখন ব'ৰ্ড স্থাপন কৰিব।

(৪) এই ব'ৰ্ডত তলৰ দিয়া সদস্যসকল থাকিব।

(ক) ডিৰেক্টৰ, শিক্ষাবিভাগ—চেয়াৰমেন, (খ) অতিৰিক্ত ডিৰেক্টৰ, (গ) কৃষি বিভাগৰ ডিৰেক্টৰ, (ঘ) কাৰিকৰী বিভাগৰ ডিৰেক্টৰ, (ঙ) স্বাস্থ্য বিভাগৰ ডিৰেক্টৰ, (চ) শিল্প বিভাগৰ ডিৰেক্টৰ, (ছ) অসম কৃষি কলেজৰ অধ্যক্ষ, (জ) ব'ৰ্ডৰ অধীনলৈ অহা আন ৰাজ্য বা অঞ্চলৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ, (ঝ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান আৰু মানৱ শাস্ত্ৰৰ কলা গুৰু দুজন, (ঞ) স্ত্ৰী শিক্ষা তত্ত্বাৱধানত থকা সহকাৰী ডিৰেক্টৰ, (ট) ইয়াৰ বাহিৰেও চৰকাৰে এজন স্কুলৰ ইন্সপেক্টৰ, হাইস্কুল বা উচ্চ মাধ্যমিক স্কুলৰ দুজন হেডমাষ্টৰ আৰু দুগৰাকী হেডমিষ্ট্ৰেচ, সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সম্মিলনে নিৰ্বাচন কৰা দুজন শিক্ষক, গুৱাহাটী বিশ্ববিদ্যালয়ে বাছি দিয়া দুজন সদস্য, শিক্ষক প্ৰশিক্ষণ কলেজৰ এজন অধ্যক্ষ, পলিটেক্‌নিকৰ অধ্যক্ষ লব পাৰে। দুজন শিক্ষাবিদকো মনোনীত কৰিব পাৰে।

(৫) বৰ্ডত এজন চেক্ৰেটৰী চৰকাৰে নিয়োগ কৰিব আৰু তেওঁ কমিটিৰ সদস্য হব।

বৰ্ডৰ ক্ষমতা আৰু কাম: বৰ্ডৰ ক্ষমতা আৰু কাম তলত দিয়া ধৰণেৰে হব।

(১) হাইস্কুল আৰু উচ্চ মাধ্যমিক স্কুলৰ বাবে পাঠ্যক্ৰম ঠিক কৰা।

(২) সেই পাঠ্যক্ৰমৰ ভিত্তিত পৰীক্ষা পৰিচালনা কৰা,

(৩) নিয়মাৱলীয়ে ঠিক কৰা মতে যি পৰীক্ষাৰ্থীয়ে পাঠ্যক্ৰম শেষ কৰিছে তেওঁক পৰীক্ষা দিবলৈ অনুমতি দান কৰা আৰু দোষ কৰিলে নিয়মাৱলীয়ে যি দোষত শাস্তি দিয়াৰ বিধান কৰিছে সেই অনুযায়ী দোষীক শাস্তি দিয়া।

(৪) নিয়মাৱলীয়ে ঠিক কৰা ফিজ স্কুলবপৰা লোৱা।

(৫) পৰীক্ষাৰ ফলাফল প্ৰকাশ কৰা।

(৬) কৃতকাৰ্য হোৱা পৰীক্ষাৰ্থীক চাৰ্টিফিকেট দিয়া।

(৭) জলপানী আৰু পুৰস্কাৰ ঠিক কৰা আৰু সেইবোৰ বিতৰণৰ ব্যৱস্থা কৰা।

(৮) পাঠ্যপুথি আৰু আনুষঙ্গিক পুথি প্ৰস্তুত কৰা, প্ৰকাশ কৰা আৰু নিৰ্বাচন কৰা।

(৯) হাইস্কুল আৰু উচ্চ মাধ্যমিক স্কুলক স্বীকৃতি দিয়াৰ নিয়ম ঠিক কৰা। স্বীকৃতি দিয়া আৰু প্ৰয়োজন হলে স্বীকৃতি উঠাই লোৱা।

(১০) নিয়মাৱলী থকা মতে কোনো স্কুলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা।

(১১) মাধ্যমিক শিক্ষা সমস্যাসমূহত পৰীক্ষা কৰা আৰু অধ্যয়ণ কৰাৰ ব্যৱস্থা কৰা।

(১২) স্বীকৃত স্কুলৰ ল'ৰা-ছোৱালীৰ শাৰীৰিক, সামাজিক আৰু নৈতিক উন্নতিৰ কাৰণে চৰকাৰক পৰামৰ্শ দিয়া আৰু তেওঁলোকৰ থকা আৰু শৃঙ্খলা বজাই ৰখাৰ নিয়মাৱলী তৈয়াৰ কৰা।

(১৩) স্বীকৃত স্কুলৰ শিক্ষকসকলৰ লাগতিয়াল গুণবোৰ নিৰ্ণয় কৰা।

(১৪) গ্ৰেজুয়েট নোহোৱা শিক্ষকসকলৰ প্ৰশিক্ষণ অনুষ্ঠানৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা আৰু তাৰ ওপৰত পৰীক্ষা লোৱা।

(১৫) এই শিক্ষানুষ্ঠানবোৰক স্বীকৃতি দিয়া বা স্বীকৃতি উঠাই লোৱা।

(১৬) চেমিনাৰ পতা আৰু শিক্ষকসকলৰ ভিতৰত কামত প্ৰশিক্ষণৰ পাঠ্যক্ৰম তৈয়াৰ কৰা।

(১৭) চৰকাৰ, ব্যক্তি বা অনুষ্ঠানৰপৰা কোনো বিশেষ বা সাধাৰণ কাৰণে অনুদান (Grant) লোৱা।

(১৮) শিক্ষা বিভাগৰ ডিৰেক্টৰৰপৰা স্বীকৃতি বিচৰা হাইস্কুলসমূহৰ বা স্বীকৃত স্কুলৰ অৱস্থা সম্বন্ধে দিয়া প্ৰতিবেদন খুজি উঠিওৱা।

(১৯) পুনৰসংগঠন আৰু উন্নতিকৰণৰ কাৰণে বা অন্যান্য বিষয়ত চৰকাৰক পৰামৰ্শ দিয়া।

(২০) ব'ৰ্ডৰ বাবে অফিচাৰ আৰু কৰ্মচাৰী নিযুক্ত কৰা আৰু তেওঁলোকৰ চাকৰিৰ স্বত্ব ঠিক কৰা।

(২১) তেওঁলোকৰ বাবে পেঞ্চন, গ্ৰেচুইটি আৰু প্ৰভিডেণ্ট ফাণ্ড খোলাৰ ব্যৱস্থা কৰা।

(২২) কোনো কমিটিলৈ নিজৰ কোনো ক্ষমতা হস্তান্তৰ কৰা।

(২৩) মাধ্যমিক স্কুল ব'ৰ্ডৰ ফাণ্ডটো চলোৱা।

(২৪) স্থাৱৰ বা অস্থাৱৰ সম্পত্তি, আনৰপৰা লোৱা, বিক্ৰী কৰা বা চলাই থকা। ইয়াৰ গোটেই বা আংশিক সম্পত্তি দি নিষ্পত্তি কৰা আৰু তাৰ আনুষঙ্গিক কামবোৰো শেষ কৰা।

চৰকাৰৰ লগত সম্বন্ধঃ ব'ৰ্ডৰ কামৰ ওপৰত চকু ৰাখিবলৈ চৰকাৰৰ দায়িত্ব আছে। (১) ব'ৰ্ডে কোনো কাম কৰা বা পৰিচালনা কৰাৰ বিষয়ে সুধিব পাৰিব আৰু তেওঁলোকৰ মতামত ব'ৰ্ডক জনাব।

(২) চৰকাৰৰ জনোৱা মতামতক ভিত্তি কৰি ব'ৰ্ডে লোৱা কৰ্ম প্ৰণালীৰ বিষয়ে প্ৰতিবেদন চৰকাৰক দিব লাগিব।

(৩) ব'ৰ্ডৰ লগত পৰামৰ্শ কৰি কোনো কামৰ নিৰ্দেশ দিব পাৰে আৰু ব'ৰ্ডে সেই নিৰ্দেশ মানিব লাগিব।

(৪) ব'ৰ্ডৰ কোনো নিৰ্দেশ, প্ৰস্তাৱ বা আইন যদি সঠিক নহয় বুলি ভাবে তেনেহলে চৰকাৰে কাৰণ দৰ্শাই সেই নিৰ্দেশ পালন বা আইন প্ৰবৰ্তন কৰাটো বন্ধ ৰাখিব পাৰে।

(৫) চৰকাৰক ব'ৰ্ডে বছৰি প্ৰতিবেদন, খৰচৰ হিচাপ, বক্তব্য বা আন খবৰ দিব লাগিব।

মুঠতে মাধ্যমিক শিক্ষা ব'ৰ্ডৰ ওপৰত মাধ্যমিক শিক্ষাৰ প্ৰসাৰ, পৰিচালনা, নিয়ন্ত্ৰণ কৰা আৰু উন্নতি কৰাৰ দায়িত্ব দিছিল। অৱশ্যে সকলো ধৰণৰ মাধ্যমিক স্কুলক শিক্ষাবিভাগে স্বীকৃতি দিলেহে শিক্ষা ব'ৰ্ডেও পৰিচালনা কৰিব। অস্বীকৃত স্কুলে শিক্ষা বিভাগৰপৰা

কোনো ধৰণৰ অনুদান আশা কৰিব নোৱাৰে। ছাত্ৰসকলে জলপানী বা আন সুবিধা নাপায়। শিক্ষা বিভাগেও স্কুলক স্বীকৃতি নিদিলে সেই স্কুলে পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থী পঠিয়াব নোৱাৰে আৰু ব'ৰ্ডে দিয়া আন সুবিধাও নাপায়।

মাধ্যমিক স্কুলৰ স্বীকৃতি দানৰ নিয়মসমূহ ঃ এখন মাধ্যমিক স্কুলে স্কুলব'ৰ্ডৰপৰা স্বীকৃতি পাবলৈ হলে কিছুমান নিয়ম মানি চলিব লাগে। চমুকৈ তলত দিয়া হ'ল ঃ

(১) সেই অঞ্চলত প্ৰকৃত প্ৰয়োজন থাকিব লাগিব। ওচৰৰ স্কুলৰ কোনো অনিষ্ট কৰিব নোৱাৰিব।

(২) অতি কমেও স্কুলত সপ্তমৰপৰা দশম শ্ৰেণীলৈ ৯০ জন ছাত্ৰ থাকিব লাগিব।

(৩) ব'ৰ্ডে দিয়া পাঠ্যক্ৰম অনুসৰণ কৰি শিক্ষা আৰু কামৰ উপযুক্ত ব্যৱস্থা কৰিব লাগিব।

(৪) অতি কমেও বছৰেকত ২০০ দিন কাম কৰিব লাগিব আৰু কামৰ ঘণ্টা ১২০০ টা হ'ব।

(৫) **শিক্ষক ঃ** স্কুলত যথেষ্ট সংখ্যক শিক্ষক থাকিব লাগিব। হেডমাষ্টৰ এম-এ বা অনাৰ্চ লৈ বি-এ পাছ হ'ব লগিব। তাৰ উপৰি বি-টি ডিগ্ৰী বা ইংলিচ বা বিজ্ঞানত প্ৰশিক্ষণ প্ৰাপ্ত হ'ব লাগিব আৰু ৫ বছৰৰ অভিজ্ঞতা থাকিব লাগিব। সাধাৰণ গ্ৰেজুৱেট এজনৰ দহ বছৰৰ শিক্ষণ অভিজ্ঞতা থাকিব লাগিব।

(৬) সপ্তমৰপৰা দশমলৈ ইংলিচত তিনিজন আৰু অঙ্ক, বুৰঞ্জী আৰু ভূগোল, সাধাৰণ বিজ্ঞান আৰু ভাষাত একোজনকৈ ৭ জন শিক্ষক আৰু অতি কমেও তিনিজন গ্ৰেজুয়েট নোহোৱা শিক্ষক থাকিব লাগিব। তাৰ উপৰি হিন্দী, ড্ৰিল আৰু ড্ৰইং আৰু প্ৰত্যেক উচ্চ-ভাষাৰ (classical) কাৰণে এজনকৈ শিক্ষক লাগিব। শিল্প বৃত্তি শিকালে এজন যোগ্যতা সম্পন্ন বৃত্তিৰ শিক্ষক ৰাখিব লাগিব। তাৰ উপৰি একেটা ক্লাচতে দুটাকৈ ভাগ কৰিলে মুঠতে ১২ জন

গ্ৰেজুৱেট শিক্ষক আৰু ৫ জন গ্ৰেজুৱেট নোহোৱা শিক্ষক লাগিব। ইয়াৰ বাহিৰেও বিশেষ বিষয়ত যোগ্যতা সম্পন্ন শিক্ষকক নিযুক্তি দিব লাগিব। তেওঁলোকে সপ্তাহত ৩২৮ ঘণ্টাকৈ কাম কৰিব লাগিব।

(৭) নতুন স্কুলে ২ বছৰৰ কাৰণে স্বীকৃতি পাবলৈ হলে হাইস্কুলত অন্ততঃ হেডমাষ্টৰক ধৰি ৭ জন গ্ৰেজুৱেট শিক্ষকৰ প্ৰয়োজন। ওখ ক্লাচত আৰু এটা ভাগ (section) বঢ়ালে, এজন গ্ৰেজুৱেট আৰু দুটা বঢ়ালে তিনিজন গ্ৰেজুৱেট শিক্ষকৰ নিযুক্তি দিব লাগিব।

(৮) স্থান: স্কুল সাধাৰণতে সেই অঞ্চলৰ মাজ ঠাইত হব লাগে, যাতে ৰাস্তাৰ লগত সংযোগ থাকে; কিন্তু ধূলি, ধোঁৱা, গণ্ডগোল আৰু আন মন আকৰ্ষণ কৰা বেয়া অৱস্থা কৰ্মস্থানৰপৰা আঁতৰত হব লাগে। বানপানী হোৱা, দ', জেঁকা, পানী বোৱা আৰু নদীয়ে খন্দা ঠাইত স্কুল হব নোৱাৰে।

স্কুল ঘৰৰ চাৰিওফালে কেবা বিঘাও মাটি লাগিব যাতে আগলৈ স্কুলঘৰ বঢ়াব পাৰে, আৰু খেলা, আমোদ প্ৰমোদ, শাৰীৰিক ব্যায়াম আদি কৰাৰ কাৰণে ঠাই থাকে। সাধাৰণতে নগৰত দুবিঘা আৰু আৰু গাঁৱত চাৰি বিঘামান মাটি লাগে। খেলৰ কাৰণে সাত বিঘা মাটি থকা উচিত।

(৯) স্কুলঘৰ স্বাস্থ্য সম্মতভাৱে আৰু ব'ৰ্ডে দিয়া নিয়ম মানি সাজিব লাগিব।

(১০) স্কুলত বছা বছা কিতাপেৰে ভাল লাইব্ৰেৰী এটা থাকিব লাগিব।

(১১) সহ পাঠ্যক্ৰমৰ কাৰ্যাৱলীৰ ব্যৱস্থা কৰিব লাগিব।

(১২) প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্যতা, আন আন পৰীক্ষাৰ ফলাফল ভাল দৰে প্ৰস্তুত কৰি তাৰ 'ৰেৰ্কড বুক'ত থব আৰু সেই ফলাফল মাক-বাপেকক‌ো জনাব।

(১৩) স্কুলৰ আৰ্থিক অৱস্থা টনকিয়াল হব লাগে। ২০০০ টকা

'ৰিজাৰ্ভ ফাণ্ড'ত থাকিব আৰু ৩০০০ টকা সাধাৰণ ফাণ্ডত থাকিব। শিক্ষকৰ দৰমহা নিয়মিতভাৱে দিব পাৰিব লাগিব।

(১৪) মেনেজিং কমিটিয়ে স্কুল পৰিচালনা কৰিব।

(১৫) **উচ্চমাধ্যমিক স্কুল ঃ** এইবোৰ ব্যৱস্থাৰ বাহিৰেও উচ্চমাধ্যমিক স্কুলত উপকৰা কোঠা, ৰসায়নাগাৰ আৰু আহিলা-পাতিৰ প্ৰয়োজন হব। ইয়াৰ মাটি সাধাৰণতে গাঁৱত ১০ বিঘা আৰু চহৰত 'টিনৰ ঘৰ' হলে ৬ বিঘা আৰু 'কেবাতলা ঘৰ' হলে ৩ বিঘা লাগিব।

(১৬) **স্কুলৰ স্বীকৃতি উঠাই লোৱা ঃ** ব'ৰ্ডে দিয়া নিয়মবোৰ কোনোবা স্কুলে নামানিলে ব'ৰ্ডে স্কুলক দিয়া স্বীকৃতি উঠাই লব পাৰিব।

তলৰ অৱস্থা থাকিলে স্বীকৃতি উঠাই লব পাৰিব।

(ক) একেৰাহে তিনিবছৰ যদি শতকৰা ৪০ জন ছাত্ৰ কৃতকাৰ্য নহয়।

(খ) নাইবা সপ্তম শ্ৰেণীৰপৰা দশম আৰু অষ্টমৰপৰা একাদশলৈ যদি পৰীক্ষাত শতকৰা ৩০ জনকৈ ছাত্ৰ কৃতকাৰ্য নহয়।

(গ) যেতিয়াই তেতিয়াই ভাত কৰিলে।

(ঘ) শৃঙ্খলা আৰু স্কুলৰ পৰিচালনা সন্তোষজনক নহলে নাইবা ঘনাই শিক্ষক সলনি হৈ থাকিলে।

(ঙ) ইন্সপেক্টৰে যদি তেনেকুৱা স্কুলৰ স্বীকৃতি অপ্ৰয়োজনীয় বুলি প্ৰতিবেদন দিয়ে।

মাধ্যমিক স্কুলৰ নতুন সংগঠনৰ অৱস্থা ঃ মাধ্যমিক শিক্ষা ব'ৰ্ডে মাধ্যমিক স্কুলৰ পৰিচালনাৰ ভাৰ লোৱাৰপৰা দ্বৈত শাসনৰ অৱসান ঘটে। আগতে শিক্ষা বিভাগে নিয়ন্ত্ৰণ পৰিচালনা পৰিদৰ্শন অনুদান দিয়া আদিৰ দায়িত্ব লৈছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে পৰীক্ষা পৰিচালনা কৰিছিল। শিক্ষা ব'ৰ্ড স্থাপন হোৱাৰ পিছৰে

পৰা এই ব'ৰ্ডে মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ আৰু স্কুলৰ অৱস্থা সমৃদ্ধ কৰিবলৈ ওপৰত উল্লেখিত নিয়মাৱলী কৰে। তাৰ বাবে বহুত স্কুলক অৰ্থ-সাহায্যও দান কৰে। স্বীকৃতি লাভ কৰাৰ কাৰণে বহুতো স্কুলে ইয়াৰ অৱস্থা উন্নত কৰিলেও বেছিভাগ স্কুলৰে অৱস্থা এতিয়াও সন্তোষজনক নহয়। বেছিভাগ স্কুলত তলত দিয়া দোষবোৰ দেখা পোৱা যায়।

(১) এটা অঞ্চলত কেবাটাও দলৰ ভিতৰত বিৰোধিতা হোৱাৰ ফলত দুখন বা তিনিখন স্কুল একেটা অঞ্চলতে সৃষ্টি হয়; কিন্তু আন এটা অঞ্চলত হয়তো এখনো নাথাকে। ফলত কোনো ঠাইত স্কুলবোৰ ওচৰাওচৰিকৈ হয় আৰু কোনো ঠাইত বহুত দূৰৈৰপৰা ছাত্ৰ আহিব লগীয়াত পৰে।

(২) স্কুলঘৰৰ অৱস্থা এতিয়াও সন্তোষজনক নহয়। ব'ৰ্ডে স্কুলঘৰ সজাৰ নিয়ম বান্ধি দিলেও বহুত স্কুলে টকাৰ অভাৱত সেইদৰে ঘৰ সাজিব পৰা নাই। কেইটামান কোঠাতে স্কুল চলাই থাকিব লগীয়া হৈছে।

(৩) স্কুলৰ মুকলি ঠাইৰ বাবে যিমান বিঘা মাটি ৰখাৰ নিৰ্দেশ দিছে সিমান বিঘা মাটি বেছিভাগ স্কুলৰে নাই। নগৰত স্থাপিত স্কুলবোৰ চহৰৰ মাজত হোৱা বাবে খেলা আদিৰ কাৰণে তেনেই কম ঠাই আছে। ফলত স্কুলব'ৰ্ডৰ এই নিৰ্দেশ বেছিভাগ নগৰৰ স্কুলে মানিব পৰা নাই। তাৰ উপৰি জেকা, পানীত তল যোৱা বা অস্বাস্থ্যকৰ মাটিত স্কুলঘৰ সাজিবলৈ মানা কৰিলেও কেবাটাও স্কুল বানপানীত তল যোৱাৰ বাবে অস্বাস্থ্যকৰ পৰিবেশত চলাব লগীয়া হৈছে।

(৪) স্কুলৰ লাইব্ৰেৰী, পঢ়াৰ কোঠা, লেবৰেটৰী আদি ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰ কৰিব দিব পৰা নাই।

(৫) বেছিভাগ স্কুলৰে আৰ্থিক অৱস্থা ভাল নহয়। সাহায্য-প্ৰাপ্ত স্কুলৰ অৱস্থা চৰকাৰী স্কুলতকৈ বহুত বেছি শোচনীয়।

(৬) বৰ্ত্তমান শিক্ষাত সহপাঠ্যক্ৰমৰ কাৰ্যাৱলীৰ আৱশ্যকতা বুজি শিক্ষা বৰ্ডে এইবোৰ স্কুলত আৰম্ভ কৰাৰ যি নিৰ্দেশ দিছিল তাক স্কুলসমূহে পালন কৰিব পৰা নাই।

(৭) বছৰি শিক্ষাৰ কৃতকাৰ্য বা অকৃতকাৰ্য হোৱাৰ ৰিপৰ্ট দিলেও স্কুলে বিজ্ঞান সম্মতভাৱে নতুন ধৰণৰ ৰেকৰ্ড আৰু ৰিপ'ৰ্ট ৰখাৰ ব্যৱস্থা কৰিব পৰা নাই।

(৮) স্কুলত শ্ৰব্য দৃশ্য উপকৰণ (audio visual aid) আৰু শিক্ষণ উপকৰণ (educational aid) টকাৰ অভাৱত যথেষ্ট সংখ্যক ৰখাৰ ব্যৱস্থা কৰিব পৰা নাই।

(৯) শিক্ষাৰ সফলতা নিৰ্ভৰ কৰে শিক্ষকৰ ওপৰত। কিন্তু মাধ্যমিক স্কুলত প্ৰধান সমস্যা হৈছিল উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ। যোগ্যতাপূৰ্ণ শিক্ষক গাঁও এৰি চহৰলৈ গৈছিল। শিক্ষকৰ দৰমহা কম হোৱাৰ বাবে যোগ্যতা থকা শিক্ষকে চৰকাৰী চাকৰিৰ চেষ্টা কৰিছিল আৰু গাঁৱৰ শিক্ষকে এম-এ বা বি-টি পাছ কৰি নগৰলৈ অহাৰ চেষ্টা কৰিছিল। আনহাতে ব্যয় সংকোচন কৰিবলৈ সাহায্যপ্ৰাপ্ত স্কুলত প্ৰয়োজন হলেও শিক্ষক নিযুক্ত নকৰিছিল। এজন শিক্ষকে আনটো ক্লাচ লব লগাত পৰিছিল। গধুৰ কৰ্ম বোজা থকাৰ কাৰণে বহিৰা কাম, ল'ৰাৰ লগত সম্বন্ধ ৰখা, খেল বা সামাজিক কামত ছাত্ৰ-ছাত্ৰীৰ লগত সহযোগ কৰাত উৎসাহ দেখুৱাব নোৱাৰিছিল।

উচ্চমাধ্যমিক আৰু বহুমুখী স্কুলৰ ব্যৰ্থতা ঃ মাধ্যমিক স্কুলক পুনৰ সংগঠন কৰিবৰ বাবে মুদালিয়াৰ কমিছনৰ প্ৰস্তাৱ মতে অসম চৰকাৰে ১৫ খন বহুমুখী স্কুল আৰু ৪ খন উচ্চমাধ্যমিক স্কুলক সংগঠন কৰিবলৈ হাতত লয়। এই প্ৰচেষ্টা পৰীক্ষামূলক আছিল। বেছিভাগ স্কুলে চৰকাৰী হোৱাৰ কাৰণে ইয়াৰ অৱস্থা আন সাহায্য-প্ৰাপ্ত স্কুলতকৈ ভাল আছিল। তথাপি এইস্কুলে মাধ্যমিক শিক্ষাত যি নতুনত্ব অনাৰ কথা চিন্তা কৰিছিল, সি বাস্তৱত ৰূপ দিবলৈ

অসমৰ্থ হ'ল। পৰীক্ষামূলকভাৱে আৰম্ভ কৰা উচ্চমাধ্যমিক স্কুল আৰু বহুমুখী স্কুলকেইখনৰ বাহিৰে আন কোনো বেচৰকাৰী অনুষ্ঠানে হাইস্কুলক ওপৰলৈ তুলিবলৈ ভয় কৰিছিল। যি কেইখন উচ্চমাধ্যমিক আৰু বহুমুখী আছিল সেই কেইখনেও মুদেলিয়াৰ কমিছনৰ উদ্দেশ্য সফল কৰিবলৈ সামৰ্থ হোৱা নাছিল। এই স্কুলসমূহে—

(১) প্ৰত্যেক ল'ৰা-ছোৱালী নিজৰ বুদ্ধি বৃত্তি, আগ্ৰহ অনুযায়ী শিক্ষা দিবলৈ সকলো ধৰণৰ বিভাগ খুলিব পৰা নাছিল। অৰ্থৰ অভাৱত প্ৰত্যেক স্কুলক দুটা বিভাগত কেইটামান বিষয় আৰম্ভ কৰিব পাৰিছিল। বিভিন্ন তৰপৰ বুদ্ধি থকা ছাত্ৰই সমান সুবিধা নাপাইছিল।

(২) জীৱনৰ লগত সম্বন্ধ ৰাখিবলৈ বিষয়সমূহ নিৰ্বাচন কৰাৰ কথা কলেও প্ৰকৃত পক্ষে সেই বিষয়সমূহৰ লগত কামৰ সম্বন্ধ ঘটাব পৰা নাছিল। প্ৰত্যক্ষ অভিজ্ঞতাৰপৰা জ্ঞান অৰ্জনৰ কথা কলেও সামাজিক বা শিল্প অনুষ্ঠানৰ লগত স্কুলৰ সম্বন্ধ কম আছিল। কামৰ মাজেৰে প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰাৰ সুবিধা কম আছিল। পাঠ্যক্ৰম বিষয়গত আৰু পুথি-প্ৰধান আছিল।

(৩) পৰীক্ষাৰ প্ৰভাৱ পাঠ্যক্ৰমৰ ওপৰত কমকৈ পেলোৱাৰ কথা কলেও এই স্কুলসমূহ সেই দোষৰপৰা মুক্ত হব নোৱাৰিলে। ছাত্ৰ-ছাত্ৰীৰ সাফল্য পৰীক্ষাৰ ফলাফলে ঘোষণা কৰাৰপৰা, এই স্কুল-সমূহেও পৰীক্ষাৰ প্ৰস্তুতিক মূল উদ্দেশ্য হিচাপে লৈছিল। আন উদ্দেশ্যসমূহৰ ওপৰত বেছি জোৰ দিয়া নহৈছিল।

(৪) পুনৰ সংগঠনৰ নামত মাধ্যমিক স্কুলত মধ্য স্কুলৰ বাহিৰেও তিনিবিধ স্কুলৰ সৃষ্টি হোৱাত ব'ৰ্ডৰ নিয়ন্ত্ৰণ কৰাৰ কষ্টও বেছি হ'ল।

(৫) শিক্ষক সমস্যা সমাধান নোহোৱাৰ কাৰণে মাধ্যমিক শিক্ষাৰ উদ্দেশ্য সফল হব পৰা নাই। আগৰ পৰিবেশত শিক্ষা দিয়া বয়স্ক শিক্ষকসকলে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ নতুন দৃষ্টি-ভঙ্গী নতুন

শিক্ষা প্ৰণালী সহজভাৱে লব পৰা নাছিল। শিক্ষাৰ্থীয়ে পৰীক্ষাত দেখুৱা সাফল্যৰ ওপৰত সকলোৱে বেছি গুৰুত্ব দিয়াৰ কাৰণে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকে নতুন শিক্ষা প্ৰণালী পৰীক্ষামূলকভাৱে আৰম্ভ কৰাৰ সুবিধা নাপাইছিল। ব'ৰ্ডেও শতকৰা ৪০ জন পৰীক্ষাত পাছ নকৰিলে স্কুলৰ স্বীকৃতি উঠাই লোৱাৰ যি নিয়ম আছিল সি পৰীক্ষাক উদ্দেশ্য কৰি পঢ়োৱাৰ ওপৰতে বেছি জোৰ দিয়ে। বহুমুখী আৰু উচ্চমাধ্যমিক স্কুলক এই ঠেক গণ্ডীৰপৰা উলিয়াব নোৱাৰাৰ ফলত ইয়াৰ উদ্দেশ্য সফল কৰাত কঠিন হৈ পৰিল।

সমাজবাদী গণতান্ত্ৰিক দেশ এখনত আজিও মাধ্যমিক স্কুলক সকলো শ্ৰেণীৰ কাৰণে কৰিব পৰা নাই। পশ্চিমীয়া দেশসমূহত ইয়াক ১৫ বা ১৬ বছৰলৈ বিনামূলীয়া আৰু বাধ্যতামূলক কৰিছে। লগতে ল'ৰা-ছোৱালীৰ বিনামূলীয়াকৈ খোৱা, চিকিৎসা, স্বাস্থ্যপৰীক্ষা খেল-ধেমালিৰ সুবিধা আৰু কিতাপ-পত্ৰ আদিৰ যোগান ধৰিছে। অসমত সেই সুবিধা সুদূৰ ভৱিষ্যতেও দিয়াৰ আশা নাই। মাধ্যমিক স্কুলৰ সংখ্যা ১৯৬০ চনত ১৪৮৪ খনৰপৰা ১৯৬৫ চনত ৯৮৩ খনলৈ বাঢ়িছে। তথাপি মাধ্যমিক শিক্ষা আগৰ দোষসমূহৰপৰা মুক্ত হব পৰা নাই।

প্ৰশ্ন

(১) অসমত মাধ্যমিক শিক্ষা প্ৰসাৰৰ বিষয়ে কি জানা চমুকৈ লিখা।

(২) ১৯০৪ চনৰ পিছৰপৰা ১৯৪৭ চনলৈ মাধ্যমিক শিক্ষাৰ প্ৰগতিৰ বিষয়ে লিখা।

(৩) ১৯৫২ চনৰ পিছৰ মাধ্যমিক শিক্ষাৰ সংগঠন আৰু পাঠ্যক্ৰমৰ পৰিবৰ্তনৰ বিষয়ে লিখা।

(৪) অসমত উচ্চমাধ্যমিক স্কুলৰ সফলতাৰ বিষয়ে লিখা।

(৫) অসমত মাধ্যমিক স্কুলৰ সমস্যা কি কি? ইয়াৰ দূৰীকৰণৰ বাবে কি ব্যৱস্থা লব পাৰি।

ষষ্ঠ অধ্যায়

অসমত কলেজীয়া শিক্ষাৰ প্ৰসাৰ

অসমত কলেজীয়া শিক্ষাৰ প্ৰসাৰ কুৰি শতিকাৰ প্ৰথম ভাগত অতি লাহে লাহে হৈছিল। বঙ্গদেশত কলেজীয়া শিক্ষাৰ দ্ৰুত প্ৰসাৰে অসমৰ শিক্ষা ক্ষেত্ৰত একো ৰেখাপাত কৰিব পৰা নাছিল। কাৰণ ১৮৬৬ চনত কলেজীয়া ক্লাচ কেইটামান গুৱাহাটী স্কুলত খুলিলেও তাত বেছি সংখ্যক ল'ৰাই নপঢ়িছিল। কেইজনমানে জলপানী লৈ কলিকতাতে পঢ়িবলৈ গৈছিল। পৰীক্ষাৰ ফলাফলো খুব ভাল হোৱা নাছিল। ১৮৭২-৭৩ চনত এজন ল'ৰায়ো এণ্ট্ৰেন্স পৰীক্ষাত পাছ কৰিব নোৱাৰাত কলেজৰ ক্লাচবোৰ উঠাই দিয়া হয়। কিন্তু লাহে লাহে কলেজত পঢ়া ল'ৰাৰ সংখ্যা বাঢ়ি আহিব ধৰাত অসমত এটা কলেজ স্থাপন কৰাৰ আন্দোলন হব ধৰিলে। এই আন্দোলনৰ গুৰি ধৰিছিল মাণিক চন্দ্ৰ বৰুৱাই। তেওঁ চিফ-কমিচনাৰ কটনৰ হাতত দিয়া এখন স্মাৰক পত্ৰত লেখিছিল যে কলিকতাত পঢ়িবলৈ যোৱা ল'ৰাক বিশ টকাকৈ জলপানী দিলেও সি থকা মেলাৰ বাবে যথেষ্ট নাছিল। তাৰ উপৰি সক কোমল মনৰ ল'ৰাই বৃহৎ-নগৰী কলিকতাৰ প্ৰলোভনত নষ্ট হোৱাৰ আশঙ্কা কৰি বহুতো মাক-বাপেকে তেওঁলোকক বিদেশলৈ নপঠিয়াইছিল। বাঢ়ি অহা কলেজত পঢ়া ল'ৰাৰ সংখ্যালৈ চাই অসমত কলেজ এখন পতাৰ দাবী কাগজে-পত্ৰে, সভাই-সমিতিয়ে তুলিছিল। ইয়াৰ নেতৃত্ব লৈছিল মাণিক চন্দ্ৰ বৰুৱাই।

অসমৰ চীফ কমিচনাৰ হেনৰী জন ষ্টেডমেন অসমৰ পাছ পৰা অৱস্থালৈ চাই আৰু চৰকাৰী বেচৰকাৰী কৰ্মচাৰী আৰু নেতাসকলৰ মত লৈ গুৱাহাটীত কলেজ পতাৰ স্থিৰ কৰে। ১৯০১ চনৰ ২৭ মে তাৰিখে হেনৰী কটনে তেওঁৰ নামেৰে হোৱা কলেজৰ ভেটি স্থাপন

কৰিছিল। এই কলেজৰ প্ৰথম অধ্যক্ষ আছিল ফ্ৰেডাৰিক উইলিয়াম চুডমার্চন। ভাৰতৰ এচুকত সৰু সৰু খেৰী ঘৰ কেইটামান দেখি অতিশয় নিৰাশ হোৱা এই অধ্যক্ষজনেই অহোপুৰুষার্থ কৰি কলেজৰ উন্নতি সাধন কৰিলে। ১৬ বছৰ কাল থাকি কটন কলেজক কলিকতা বিশ্ববিদ্যালয়ৰ তলত থকা কলেজসমূহৰ ভিতৰত এখন প্ৰথম শ্ৰেণীৰ জাকতজিলিকা কলেজ কৰি থৈ গৈছিল।

অসমৰ দ্বিতীয় কলেজখন স্থাপন কৰা হৈছিল চুৰমা উপত্যাকাৰ চিলেটত। চিলেটৰ জমিদাৰ ৰাজা গিৰিশচন্দ্ৰ ৰায়ে নিজৰ খৰচতে এই কলেজখন স্থাপন কৰিছিল আৰু ইয়াৰ নাম দিছিল মুৰাৰীচাঁদ কলেজ।

কিন্তু ৰাজাৰ মৃত্যুৰ পিছত কলেজৰ আৰ্থিক অৱস্থা অতি শোচনীয় হোৱাত ১৯১২ চনত চৰকাৰে ইয়াক চৰকাৰী কলেজ হিচাপে গ্ৰহণ কৰে। ইয়াৰ উন্নতিৰ কাৰণে অৰ্থৰ অনুদান দিছিল। বেচৰকাৰী হৈ থাকোঁতে, ১৯০১-০২ চনত ইয়াৰ খৰচ আছিল ৪,৪৯১ টকা, কিন্তু ১৯১৫-১৬ চনত ইয়াৰ খৰচ হয় ১৪২,৯৩৮ টকা।

কলেজৰ সংখ্যা বৃদ্ধি ঃ ১৯৩০ চনলৈকে অসমত মাত্ৰ আছিল দুখন কলেজ। এখন ব্ৰহ্মপুত্ৰ উপত্যকাত আৰু আনখন চুৰমা উপত্যকাত। ১৯৩০ চনত মুৰলীধৰ বৰুৱাই এটুকুৰা আহম-বহল মাটি আৰু এটা ঘৰ দান কৰি যোৰহাট কলেজ স্থাপন কৰিছিল। ১৯৩১ চনত হৱিগঞ্জত বৃন্দাবন কলেজ, ১৯৩৫ চনত শিলচৰত গুৰুচৰণ কলেজ, ছিলঙত চেণ্ট এডমাণ্ড স্কুল, লেডি কীন কলেজ স্থাপন হৈছিল। এইখনেই প্ৰথম মহিলাৰ বাবে ছিলঙত লেডি কীন কলেজ স্থাপন হৈছিল। অসমত প্ৰথমতে মহিলাই কলেজীয়া শিক্ষা লবলৈ আহে কটন কলেজলৈ। উচ্চ শিক্ষাৰ বাবে ৰক্ষণশীল পৰিবেশ এৰি সহশিক্ষাৰ বাবে কলেজলৈ অহাটো এটা বৈপ্লৱিক অভিযান আছিল। ১৯২৯ চনত প্ৰথমে এগৰাকী মহিলাই কটন কলেজত ভৰ্তি হয়। ১৯৩৭ চনত ৩৬ গৰাকী ভৰ্ত্তি হয়। ল'ৰাৰ সংখ্যাও

১৯০৪ চনত হুৱোখন কলেজ মিলি মাত্ৰ ৯৭ জন আছিল ; কিন্তু ১৯৩৭ চনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি ২, ২৫৮ জন হৈছিল। অকল কটন কলেজতে ১৯৩৬ চনত ৭৮৩ জন আছিল। কিন্তু ১৯৪১ চনত বাঢ়ি ১০৪৫ জন হ'ল।

প্ৰথম চৰকাৰী কলেজ হিচাপে কটন কলেজত শিক্ষা লাভ কৰাটো এটা গৌৰৱৰ কথা আছিল। অধ্যক্ষ চুডমাৰ্চনৰ দিনত ইয়াৰ নিজস্ব টিনৰ ঘৰ, হোষ্টেল, লেবৰেটৰী, লাইব্ৰেৰী হলেও বাঢ়ি অহা ছাত্ৰ সংখ্যাক ভাল দৰে শিক্ষা দিয়াটো এটা সমস্যা হৈ পৰিছিল। ১৯৪৮ চনত কেবাখনো সাহায্যপ্ৰাপ্ত আৰু বেচৰকাৰী কলেজ স্থাপন হলেও কটন কলেজত শিক্ষা লাভ কৰাটো বেলেগ এটা আকৰ্ষণ আছিল। সেয়ে নাম লগোৱাৰ সময়ত ছাত্ৰৰ ভিৰ বেছি হৈছিল।

পাঠ্যক্ৰম ঃ বেছিভাগ স্কুলতে কলা বিভাগৰ বিষয়হে শিকাইছিল, কাৰণ বিজ্ঞান খুলিবলৈ ৰসায়নাগাৰ আৰু বিভিন্ন যন্ত্ৰ-পাতি, সা-সঁজুলিৰো অভাৱ আছিল। তাৰ উপৰি ১৯৪৭ চনলৈ অসমৰ নিজস্ব বিশ্ববিত্যালয় নথকাৰ ফলত যথেষ্ট সংখ্যক বিজ্ঞান বিভাগত স্নাতকোত্তৰ নাছিল। বেছি দৰমহাৰ বাহিৰৰপৰা শিক্ষক আনিবলৈ সহায্যপ্ৰাপ্ত কলেজৰ আৰ্থিক সম্বল নাছিল। চৰকাৰৰ সম্পূৰ্ণ আৰ্থিক সাহায্যত চলা কটন কলেজ আৰু মুৰাৰী চাঁদ কলেজতে ১৯৪৭ চনলৈ ফিজিক্স, কেমিষ্ট্ৰি, অঙ্ক, বোটানীৰে বিজ্ঞান বিভাগ খুলিছিল। ক'লা বিভাগত ইংলিচ, দৰ্শন, বুৰঞ্জী, আৰবিক, পাৰ্চী, সংস্কৃত, অসমীয়া আদি বিষয় খুলিছিল।

নতুন বিষয় খোলাৰ সময়তে সদায় পঢ়ুৱাবলৈ ঘৰ আৰু ঠাইৰ প্ৰশ্ন আহিছিল। কটন কলেজ চৰকাৰী কলেজ হিচাপে চৰকাৰৰ-পৰা যথেষ্ট টকা পাইছিল। ১৯০৯ চনত চৰকাৰে মাটি লৈ কলেজৰ ঘৰ, লাইব্ৰেৰী, কমনৰুম, হস্পিটেল, হোষ্টেল, প্ৰিন্সিপালৰ ঘৰ আদি সাজি দিছিল। ফিজিক্সৰ কাৰণে এক্সাৰ কোঠা, পৰীক্ষা কৰা আৰু

বক্তৃতা দিয়া কোঠা কৰিলেও ১৯৪৭ চনলৈ এইযোৰ বাঢ়ি অহা শিক্ষাৰ্থীৰ সংখ্যালৈ চাই তেনেই কম হৈছিল। দ্বিতীয় বিশ্বযুদ্ধত মিলিটাৰী থৰ লগীয়া হোৱাত কটন কলেজ বন্ধ কৰি দিয়ে। তেতিয়া ঘৰ সজাৰ কামো বন্ধ ৰাখিছিল। যুদ্ধৰ পিছত অৰ্থসংকটৰ বাবে কলেজৰ আৱশ্যকীয় প্ৰয়োজনখিনি পূৰণ কৰিব পৰা নাছিল।

এম-এ ক্লাচ : ১৯৪৭ চনলৈ অসমত এটাও বিশ্ববিদ্যালয় স্থাপন কৰা হোৱা নাছিল। গতিকে অসমৰ ল'ৰা-ছোৱালীয়ে ইচ্ছা থাকিলেও টকাৰ অভাৱত বি-এ পাছ কৰাৰ পিছত এম-এ পঢ়িব নোৱাৰিছিল। ১৯১৩ চনত ভাৰত চৰকাৰে ঘোষণা কৰা নতুন শিক্ষানীতিত প্ৰত্যেক প্ৰদেশতে উচ্চ শিক্ষা প্ৰচাৰৰ বাবে চেষ্টা কৰাৰ কথা উল্লেখ কৰিছিল। সেই অনুযায়ী অসমত ১৯১৪ চনত ইংৰাজীৰ স্নাতকোত্তৰ শ্ৰেণী খোলে। কিন্তু মাণিক চন্দ্ৰ বৰুৱা, জ্ঞানাভিৰাম বৰুৱা আদি অসমৰ নেতাসকলে বুৰঞ্জী, অৰ্থনীতিত স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ চৰকাৰক অনুৰোধ কৰে।

কিন্তু অৰ্থ-সংকটৰ দোহাই দি চৰকাৰে কেৱল ইংৰাজী ক্লাচ পৰীক্ষামূলকভাৱে খুলি সন্তুষ্ট থাকে। কিন্তু ইংৰাজীৰ দৰে এটা বিদেশী ভাষাত দুই তিনিজনকৈহে ছাত্ৰ ভৰ্তি হৈছিল আৰু তেওঁলোকে পৰীক্ষাও দিয়া নাছিল। ১৯৩২ চনত মাত্ৰ এজনে দ্বিতীয় শ্ৰেণী পাইছিল। সেই একেবছৰতে যেতিয়া একমাত্ৰ ছাত্ৰজনো কলিকতালৈ গ'লগৈ ; চৰকাৰে ১৯৩৩ চনত স্নাতকোত্তৰ শ্ৰেণী উঠাই দিবলৈ বাধ্য হয়। ইংৰাজী ভাষাৰ বাহিৰে বুৰঞ্জী, অৰ্থনীতি, দৰ্শন আৰু আন তেনে বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাহেঁতেন ছাত্ৰৰ সংখ্যাও বাঢ়িলহেঁতেন আৰু সাময়িকভাৱে নিৰ্দিষ্ট শিক্ষা প্ৰসাৰ ব্যৱস্থা এনেকৈ ব্যৰ্থ হব লগা নহ'লহেঁতেন।

১৯৪৭ চনৰ পিছত কলেজীয়া শিক্ষাৰ প্ৰসাৰ : ১৯৪৭ চনলৈ কলেজত সংখ্যা তেনেই কম থাকিলেও স্বাধীনতাৰ পিছৰেপৰা

উচ্চশিক্ষাৰ বাবে কলেজৰ সংখ্যাও বাঢ়িবলৈ ধৰে। তলৰ তালিকাই ভাল দৰে বুজায়।

বছৰ	কলেজ	ছাত্ৰ-ছাত্ৰী
১৯৪৭-৪৮	১৮	৫,৫৩৫
১৯৫৪-৫৫	২৫	১১,৬২১
১৯৬৪-৬৫	৭৭	৩৭,৩৩৮

১৯৩৭-৩৮ চনত ৯ খন কলেজ আছিল, কিন্তু দহবছৰৰ পিছত ইয়াৰ সংখ্যা দুগুণ হয়, কিন্তু ১৯৬০-৬১ চনত প্ৰায় আঠে গুণ বাঢ়ে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৯৪৭ চনৰপৰা ১৯৬৫ চনলৈ প্ৰায় চাৰে চাৰিগুণ বাঢ়ে। ফলত পুৰণি কলেজত প্ৰায়ে ভিৰ হৈছিল। ১৯৬৪-৬৫ চনত ৩২৪৪ জনী ছোৱালীয়ে ৯খন ছোৱালী কলেজত পঢ়িছিল।

কলেজৰ সংখ্যা বাঢ়িলেও বিজ্ঞান কলেজৰ সংখ্যা তেনেই কম আছিল; বিজ্ঞান শাখা বহুত কলেজত খোলা নাছিল। কিছুমান কলেজত প্ৰথম দুটা বা এটা বছৰ বিজ্ঞান বিষয় শিকালেও ডিগ্ৰীত বিজ্ঞানত শিকোৱা নহৈছিল। ব্যৱসায়িক শিক্ষাৰ বাবে বিজ্ঞান কলেজত ১ বছৰ (১৯৫৬ চনৰ আগতে দুটা বছৰ) পঢ়িব লাগে দেখি সাহায্যপ্ৰাপ্ত স্কুলবোৰে ইণ্টাৰমিডিয়েট বা পি. উ. বিজ্ঞানৰ ক্লাচ খুলিছিল। ১৯৪৭ চনত ৯ খন কলেজত বিজ্ঞান শাখা খুলিছিল, তাৰে এখনতহে ডিগ্ৰী বিভাগ আছিল। ১৯৬০ চনত ১৭ খন বিজ্ঞান শাখা থকা কলেজৰ ভিতৰত ৮ খনতহে ডিগ্ৰীলৈ খুলিছিল। কিন্তু বেছি ভাগতে সম্পূৰ্ণ ৰসায়নাগাৰ আৰু বিজ্ঞানৰ আহিলা পাতি নাছিল। বিজ্ঞানৰ শাখা খুলিলে বহুত ঠাই, ৰসায়নাগাৰ আৰু যন্ত্ৰপাতিৰ আৱশ্যক হয় আৰু ইয়াৰ বাবে বহুত টকাৰো প্ৰয়োজন হয়। চৰকাৰে অনুদান দিলেও তাৰ আধাভাগ টকা সাহায্যপ্ৰাপ্ত কলেজে নিজে দিব

লাগে কাৰণে বেছিভাগ কলেজে বিজ্ঞানশাখা খুলিবলৈ সাহস কৰা নাছিল। অৱশেষত এতিয়া বিশ্ববিদ্যালয় অনুদান কমিছনে শতকৰা ৭৫ ভাগ খৰচ বহন কৰা বাবে বহুতো কলেজে বিজ্ঞান শাখা খোলাৰ মনস্থ কৰিছে। বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ শাখা খোলাৰ বাবে ১৯৬৫ চনলৈ কোনো কলেজে এই শাখা খোলা প্ৰস্তাৱ লোৱা নাছিল।

কলেজ খোলাৰ নিয়ম ঃ ১৯০৪ চনতে লৰ্ড কাৰ্জনে এখন আইনৰদ্বাৰা কলেজৰ মান উন্নত কৰিবলৈ কলেজ খোলাৰ কিছুমান নিয়ম বান্ধি দিছিল। এই আইনৰ মতে এখন কলেজ স্থাপন কৰিবলৈ তাত—

(১) নিয়মিতভাৱে কৰা পৰিচালনা কমিটি থাকিব লাগিব।

(২) যোগ্যতাসম্পন্ন শিক্ষকসকলক নিয়োগ কৰিব লাগিব।

(৩) হোষ্টেলৰ সৈতে উপযুক্ত ঘৰ থাকিব লাগিব।

(৪) লাইব্ৰেৰী আৰু বিজ্ঞানৰ পৰীক্ষা কৰিবলৈ ৰসায়নাগাৰ বা মিউজিয়াম থাকিব লাগিব।

(৫) অধ্যক্ষ আৰু কিছুমান শিক্ষকৰ বাবে থকা ঘৰৰ ব্যৱস্থা কৰিব লাগিব।

(৬) ইয়াৰ স্থিতিৰ কাৰণে আৰ্থিক অৱস্থা সবল হব লাগিব।

(৭) সেই অঞ্চলতে আন কলেজে দিয়া ছাত্ৰৰ সুবিধালৈ লক্ষ্য ৰাখি আন এখন কলেজক স্বীকৃতি দিলে শিক্ষা আৰু শৃঙ্খলাত যাতে বাধা নপৰে তালৈ চকু দিব লাগিব।

(৮) কলেজত লোৱা ফিজে যাতে সেই অঞ্চলৰ আন কলেজৰ লগত প্ৰতিযোগিতাৰ সৃষ্টি নকৰে তালৈ চকু ৰাখিব লাগিব।

এই আইনে কলেজৰ ঘৰ, সা-সঁজুলি, গ্ৰন্থাগাৰ, ৰসায়নাগাৰ আৰু যোগ্যতা সম্পন্ন শিক্ষক নিযুক্তিত জোৰ দিয়াৰ কাৰণে চৰকাৰেও আৰ্থিক সাহায্য আগবঢ়াব লগীয়া হৈছিল। ভাৰতত এই সময়ত বেহা-বেপাৰৰ উন্নতিত আৰ্থিক অৱস্থা সমৃদ্ধ হোৱা বাবে কেন্দ্ৰীয়

চৰকাৰে প্ৰায় ৫ লাখ টকা গোটেই ৰাজ্যবোৰক দিছিল। অসমত মাত্ৰ দুখন চৰকাৰী কলেজ থকা কাৰণে এই দুখন কলেজৰ ঘৰ, গ্ৰন্থাগাৰ, ৰাসায়নাগাৰ উন্নতিৰ কাৰণে চৰকাৰে সাহায্য দান কৰিছিল। ১৯২৭ চনলৈ ঘৰ সজা আৰু শিক্ষা-সঁজুলি কিনাত প্ৰায় কটন কলেজৰ ৬,৯৭৪৫৫ টকা আৰু মুৰাৰীচাঁদ কলেজৰ ৮৮১ ৩৯৯ টকা খৰচ কৰিছিল। মেনেজিং কমিটি গঠন কৰিছিল। শিক্ষকৰ সংখ্যা ছাত্ৰ হিচাপে কম থকাত বহুত ভাল শিক্ষকক নিযুক্ত কৰিলে।

১৯৪৮ চনৰ পিছত নতুন নিয়ম: গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনত স্থাপন হোৱাৰ পিছত কলেজৰ সংখ্যাও বাঢ়িবলৈ ধৰে। বহুত ক্ষেত্ৰত কলেজৰ নিজস্ব ঘৰ, উপযুক্ত শিক্ষকৰ সংখ্যা নথকাকৈ কলেজ খোলাৰ ফলত ল'ৰা-ছোৱালীৰ পঢ়াশুনা নিয়মিতভাৱে নহৈছিল। বহুত সময়ত একে অঞ্চলতে দুটা দলৰ মাজত দলিয়া-দলি হোৱাৰ ফলত আৱশ্যক নাথাকিলেও দুটা কলেজ স্থাপন কৰা হৈছিল। ফলত ওচৰা-ওচৰিকৈ হোৱা বাবে কোনোটোৱে গা কৰি উঠিব পৰা নাছিল আৰু সদায় আৰ্থিক সংকটত ভুগিছিল। বেছিভাগ বেচৰকাৰী কলেজৰে অৱস্থা খুব ভাল নাছিল। শিক্ষকক কম দৰমহা দিয়াৰ বাবে তেওঁলোকে সুবিধা পালেই ওলাই গুচি আহিছিল। এই অসুবিধাবোৰ দূৰ কৰিবলৈ ১৯৪৭ চনত এখন অধ্যাদেশ (ordinance) প্ৰণয়ন কৰে। সেইখন ১৯৬৬ চনত আৰু অলপ উন্নত কৰিছিল। এখন কলেজ স্থাপন কৰিবলৈ বা থকা কলেজত এটা শাখা খুলিবলৈ উদ্যোক্তাসকলে এখন আবেদন কৰিব লাগে য'ত তলৰ কথাবোৰৰ সম্ভেদ দিব লাগিব।

(১) সেই অঞ্চলত নতুন কলেজ পতাৰ প্ৰয়োজনিয়তা।
(২) কোনটো স্তৰলৈ বিশ্ববিদ্যালয় অন্তৰ্ভুক্ত কৰিব বিচাৰিছে।
(৩) কি কি বিষয় আৰম্ভ কৰিব।
(৪) উদ্যোক্তা কমিটিৰ বিৱৰণ।

(৫) ওচৰৰ অঞ্চলত থকা কলেজসমূহৰপৰা দূৰত্ব আৰু প্ৰত্যেকতে কিমান সংখ্যক শিক্ষাৰ্থী আছে।

(৬) সাজিব খোজা কলেজ ঘৰৰ আঁচনিৰ সৈতে য'ত সাজিব খুজিছে সেই ঠাইৰ বিৱৰণ।

(৭) কলেজৰ আৰ্থিক অৱস্থা।

(৮) সেই অঞ্চলৰ থকা হাইস্কুলৰ সংখ্যা।

(৯) যোৱা তিনিবছৰে হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাত পাছ কৰা ছাত্ৰৰ সংখ্যা।

(১০) গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰা।

(১১) বিজ্ঞান শাখা খুলিবলৈ খুজিলে বিশ্ববিদ্যালয়ৰ নিয়ম অনুযায়ী ৰসায়নাগাৰ আৰু মিউজিয়াম স্থাপন কৰা।

(১২) আৰু আন আনুষঙ্গিক কথা।

ওপৰৰ কথাসমূহ পূৰাই দিয়া আবেদন পত্ৰ কলেজৰ ইন্সপেক্টৰে পৰীক্ষা কৰি যদি কলেজ এখন হোৱাৰ প্ৰয়োজন বুলি ভাৱে তেনেহলে তেওঁ সম্মতি প্ৰদান কৰি পঞ্জীয়কলৈ (registrar) ৰিপৰ্ট দিব। তেওঁ তিনিটা কথালৈ বিশেষকৈ লক্ষ্য কৰিব যেনে, (১) কলেজৰ আৱশ্যকতা, (২) ওচৰৰ কলেজত শিক্ষাৰ্থীৰ সংখ্যা বেছি হৈছে নে তালৈ চকু দিয়া, (৩) ঘৰ, ৰসায়নাগাৰ, গ্ৰন্থাগাৰ কৰাৰ আৰ্থিক সংগতি নতুন কলেজৰ আছে নে নাই তাক পৰীক্ষা কৰা।

বিশ্ববিদ্যালয়ে প্ৰথমে প্ৰাকবিশ্ববিদ্যালয়ৰ কলাবিভাগৰ পাঠ্যক্ৰম খুলিবলৈ অনুমতি দিব। যদি চৰকাৰে বা স্বীকৃত অনুষ্ঠানে যথেষ্ট অৰ্থ লৈ অনুমতি বিচাৰে তেনেহলে বিশ্ববিদ্যালয়ে বিজ্ঞান শাখা বা কলা বিভাগৰ ডিগ্ৰীৰ প্ৰথম বাৰ্ষিক খুলিবৰ অনুমতি দিব পাৰে। কলেজ খুলিবলৈ (ক) কলেজৰ অফিচ, ক্লাচ ৰুম, গ্ৰন্থাগাৰ আৰু কমন ৰুমৰ বাবে ব্যৱস্থা কৰিব লাগিব। (খ) কলেজৰ নামত ১৫,০০০ টকা বেঙ্কত জমা থাকিব লাগিব। (গ) কলেজৰ বাবে

উপযুক্ত স্থান নিৰ্বাচন কৰিব লাগিব। (ঘ) বিজ্ঞান শাখা খুলিবলৈ ৰসায়নাগাৰৰ ব্যৱস্থা কৰিব লাগিব।

কলেজ খোলাৰ পিছত : কলেজ খোলাৰ পিছতো কলেজে কিছুমান নিয়ম মানি চলিব লাগিব। যদিহে এখন কলেজে এই নিয়মবোৰ মানিবলৈ অসামৰ্থ হয়, তেনেহলে বিশ্ববিদ্যালয়ে স্বীকৃতি উঠাই লব পাৰে। ফলত বিশ্ববিদ্যালয়ে পতা কোনো পৰীক্ষাত সেই কলেজত পঢ়া কোনো শিক্ষাৰ্থীয়ে পৰীক্ষা দিব নোৱাৰিব। সেই নিয়মবোৰৰ ভিতৰত হৈছে :

(১) নিয়মানুযায়ী আৱশ্যকীয় শিক্ষক নিয়োগ কৰা।

(২) গ্ৰন্থাগাৰত অতিকমেও ৫০০ কিতাপ ৰখা।

(৩) নিয়ম মতে শিক্ষকসকলক পূৰাকৈ প্ৰতি মাহত দৰমহা দিয়া।

(৪) সাধাৰণ, টিউটৰিয়েল ক্লাচ আৰু ৰসায়নাগাৰ ব্যৱস্থা কৰা।

(৫) ভৰ্ত্তিকৰণ, ফিজ, টিউটৰিয়েল, ছাত্ৰৰ উপস্থিতি, ৰেজিষ্টাৰ ৰখা।

(৬) কলেজ খৰচৰ হিচাপ, জমা আৰু খৰচৰ হিচাপৰ ৰেজিষ্টাৰ ৰখা।

(৭) ১০,০০০ টকা ৰিজাৰ্ভ বেঙ্কত নেচনেল ডিফেন্স চাৰ্টিফিকেট কিনি ৰখা আৰু সদায় খৰচৰ বাবে ৫,০০০ টকা বেঙ্কত জমা ৰখা।

(৮) ওচৰৰ কলেজৰ লগত প্ৰতিযোগিতা নাপাতি কলেজে ফিজৰ নিৰিখ ঠিক কৰা।

(৯) পৰিচালনাত বা শিক্ষক মণ্ডলীৰ ভিতৰত কোনো সলনি হলে বিশ্ববিদ্যালয়ক জনোৱাৰ প্ৰতিশ্ৰুতি দিয়া আৰু হিচাপ পৰীক্ষকৰ-দ্বাৰা পৰীক্ষা কৰি কলেজৰ খৰচ-পত্ৰৰ হিচাপ নিয়মিতভাৱে বিশ্ববিদ্যালয়ক দিয়া।

(১০) পুৰুষ মহিলাৰ বাবে আমোদ আৰু স্বাস্থ্য সম্বন্ধীয় সুবিধাৰ সন্তোষজনক ব্যৱস্থা কৰা।

(১১) বিশ্ববিদ্যালয়ৰ ওচৰত দিব লগীয়া হিচাপ-পত্ৰৰ বিৱৰণ আদি সময়মতে আৰু নিয়মিতভাৱে দিব লাগিব।

(১২) প্ৰত্যেক কলেজে বিশ্ববিদ্যালয়ে দিয়া অধ্যাদেশ, নিয়মাৱলী আৰু সময়ে সময়ে দিয়া নিৰ্দেশ আৰু স্বীকৃতি দিয়াৰ সময়ত থকা চৰ্তসমূহ পালন কৰিব লাগিব।

বিশ্ববিদ্যালয়ে কলেজ স্থাপনৰ বাবে দিয়া নিয়মসমূহৰ একমাত্ৰ উদ্দেশ্য আছিল আধুনিক কলেজৰ অৱস্থাৰ উন্নতিসাধন কৰা। ১৯৪৭ চনৰ পিছৰেপৰা হাইস্কুল স্থাপন হোৱাৰ দৰে অসমতো কলেজ স্থাপন হৈছিল। বেছিভাগ কলেজৰ নিজস্ব ঘৰ নাছিল, আৰ্থিক অৱস্থা টনকিয়াল নাছিল, শিক্ষক ঘনাই সলনি হৈ থকাৰ বাবে শিক্ষাৰ মানদণ্ডও উন্নত নাছিল। বেছিভাগ কলেজ, হাইস্কুল বা খালী ঘৰত আৰম্ভ কৰা হৈছিল। শিক্ষাৰ সা-সঁজুলি, লাইব্ৰেৰী বা ৰসায়নাগাৰৰ কোনো ব্যৱস্থা নাছিল। কলেজৰ প্ৰসাৰ হলেও ইয়াৰ মানদণ্ড উন্নত কৰাৰ দায়িত্ব বিশ্ববিদ্যালয়ৰহে আছিল। সময়ে সময়ে নিয়মাৱলী প্ৰস্তুত কৰি আৰু অধ্যাদেশ দি কলেজৰ উন্নতি সাধন কৰাৰ ব্যৱস্থা কৰে। এই নিয়মসমূহ পালন নকৰিলে বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত (affiliation) হোৱাৰ আশা নোদেখি কলেজসমূহেও নিজৰ অৱস্থা উন্নত কৰাৰ যথোপযুক্ত ব্যৱস্থা হাতত লৈছে। কলেজসমূহৰ অৱস্থা উন্নত হোৱাৰ আৱশ্যকতা আছে। বহুত সাহায্যপ্ৰাপ্ত আৰু নতুনকৈ স্থাপন হোৱা কলেজে এতিয়াও বহুতো নিয়ম সম্পূৰ্ণৰূপে পালন কৰিব পৰা নাই। এই কাৰণে কোনো কলেজকে স্থায়ীভাৱে অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ লোৱা নাই; কোনো ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম হলেও ছয়বছৰ নোহোৱাকৈ কোনো কলেজকে স্থায়ী স্বীকৃতি নিদিয়ে।

পাঠ্যক্ৰম ঃ স্বাধীনতাৰ পিছৰেপৰা কলেজৰ সংখ্যা বঢ়াৰ লগতে বিভিন্ন শাখাৰ বিষয়ৰ সংখ্যাও বাঢ়িছিল।

প্ৰাকবিশ্ববিদ্যালয় আৰু ডিগ্ৰীত কলা বিভাগত সাধাৰণতে এই-

বোৰ বিষয় আছিল—ইংলিচ, উচ্চ ইংলিচ, অসমীয়া, বঙালী, বুৰঞ্জী, অৰ্থনীতি, সংস্কৃত, পাৰ্চী, আৰবিক, অসমীয়া দ্বিতীয় ভাষা, বঙালী দ্বিতীয় ভাষা, অঙ্ক, শিক্ষা, দৰ্শন, উদ্ভিদ বিছা, ভূগোল, ৰাজনীতি বিজ্ঞান।

বিজ্ঞান বিভাগতো অঙ্ক, পদাৰ্থ বিছা, ৰসায়ন বিছা, উদ্ভিদ্ বিছা, জীৱবিছা, স্থিতি বিজ্ঞান, নৃতত্ত্ব বিজ্ঞান, ভূ-তত্ত্ব বিজ্ঞান আৰু ভূগোল আদি বিষয় সাধাৰণতে পঢ়োৱা হয়। বেছিভাগ কলেজতে কলা বিভাগত কেবাটাও বিষয় পঢ়ালে বিজ্ঞানৰ ক্ষেত্ৰত ৪টা মানকৈ বিষয় খোলা হয়, কাৰণ বিজ্ঞান শাখা খোলাৰ লগে লগে দামী অহিলা-পাতি, ৰসায়নাগাৰ, বৈজ্ঞানিক সঁজুলি আদি লাগে। শিক্ষকৰ সংখ্যাও কলা বিষয়তকৈ বেছি হব লাগে।

১৯৬২ চনৰপৰা দুবছৰীয়া ইণ্টাৰমিডিয়েট ক্লাচৰ সলনি এবছৰীয়া কৰি, ডিগ্ৰীক'ৰ্চ তিনিবছৰীয়া কৰা হয়। আগৰ বিষয়বোৰ একে ৰাখি পাঠ্য তালিকা (syllabus) দুয়োটা স্তৰৰ কাৰণে বেলেগ বেলেগ কৰি প্ৰস্তুত কৰা হৈছে।

প্ৰাকবিশ্ববিছালয়ৰ ১বছৰীয়া কৰাৰ উদ্দেশ্য আছিল শিক্ষাৰ্থী-সকলক কলেজীয়া শিক্ষাৰ লগত পৰিচয় কৰি দি তিনিবছৰীয়া ডিগ্ৰীক'ৰ্চত গভীৰ বিষয়সমূহৰ ওপৰত ভালকৈ অধ্যয়ণ কৰাৰ সুবিধা দিয়া। কিন্তু প্ৰাকবিশ্ববিছালয়ত এবছৰীয়া পাঠ্যক্ৰম ল'ৰা-ছোৱালী ৭-৮ মাহহে পঢ়িব পোৱাত ইয়াৰ আচল উদ্দেশ্য সাফল্যমণ্ডিত হোৱা নাই। বহুতে কলেজীয়া জীৱনত আৰু বিষয়বস্তুৰ লগত খাপখুৱাই বুজি লওঁতে সময় লয়। বিশেষকৈ ইংৰাজী মাধ্যমেৰে শিকিব লগীয়া হোৱাত বিষয়বস্তু সহজে বুজি পাই আয়ত্ত কৰাৰ সময় লয়। অতি কম সময়ৰ ভিতৰতে আকৌ বিশ্ববিছালয়ত পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাব লগীয়া হোৱাত ই কলেজীয়া শিক্ষাৰ লগত পৰিচয় কৰি দিয়াতকৈ, পৰীক্ষা গধুৰ পাঠ্যক্ৰমহে হৈছে। ফলত এই পদ্ধতি ব্যৰ্থ হোৱা বুলিয়ে কব পাৰি। ১৯৭২ চনৰপৰা পুনৰ দুবছৰীয়া প্ৰাকবিশ্ববিছালয় আৰু দুবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম

অসমীয়া বা ইংৰাজী মাধ্যমেৰে শিক্ষা দিয়াৰ আঁচনি কৰিছে। ই কিমানদূৰ সাফল্য লাভ কৰিব তাক ভৱিষ্যতেহে কব পৰা যাব।

শিক্ষাৰ্থীৰ সংখ্যা ঃ কোনো কলেজ এখন খুলিলে প্ৰথমতে শিক্ষাৰ্থীক মাতি আনি ভৰ্তি কৰিব লগা হয়। কিন্তু কেইবছৰমানৰ ভিতৰতে শিক্ষাৰ্থীৰ ভিৰত কৰ্তৃপক্ষই কলেজ বঢ়োৱা, নতুন শিক্ষক নিয়োগ কৰা আদিৰ ব্যৱস্থা কৰিব লগা হয়। কলেজীয়া শিক্ষাত শিক্ষাৰ্থী কেনেকৈ বাঢ়িছে তাক তলৰ তালিকাৰপৰা গম পোৱা যায়।

কলেজৰ সংখ্যা	ল'ৰাৰ সংখ্যা	ছোৱালীৰ সংখ্যা	মুঠ
১৯৪৭-৪৮	৫,১০৪	৩৩১	৫,৪৩৯
১৯৫৩-৫৪	৮,৮১১	৫৮৩	৯,৩৯৪
১৯৫৮-৫৯	১৫,৬৬১	২৭২৪	১৮,৩৮৫

ওপৰৰ তালিকাৰপৰা দেখা যায় যে ল'ৰাৰ সংখ্যা এই নবছৰৰ ভিতৰত (১৯৪৮-১৯৫৯) প্ৰায় ৩ গুণ বাঢ়িছে আৰু ছোৱালীৰ সংখ্যা প্ৰায় ৮ গুণ বাঢ়িছে।

পৰীক্ষাৰ ফলাফল ঃ এইটো উচ্চ শিক্ষা প্ৰসাৰৰ বাবে শুভ-লক্ষণ হলেও এটা কথা দেখা যায় যে পৰীক্ষাত ফেল হোৱা সংখ্যাও বাঢ়ি আহিছে। ১৯৩৬ চনত আই-এত শতকৰা ৬৪·৭ জনে, বি-এ.ত শতকৰা ৭·১৫ জনে, আই-এছচিত ৭৯·৩ জনে আৰু বি-এছচিত ৭০·৪ জনে পাছ কৰিছিল।

শতকৰা পাছৰ হাৰ ১৯৩৬-৩৭ চনতকৈ ১৯৫৮-৫৯ চনত বহুত কমি আহিছে। ১৯৫৮-৫৯ চনত বি-এত ২৩০৪ জন ল'ৰা পৰীক্ষাৰ্থীৰ ভিতৰত মাত্ৰ ৮০২ জনেহে পাছ কৰিলে আৰু ছোৱালী ৩০০ জনীৰ ভিতৰত মাত্ৰ ১১৪ জনীয়েহে পাছ কৰিছে। বি-এছচিত সেইদৰে ৩২৯ জনৰ ভিতৰত ১৪৭ জন ল'ৰাই আৰু ১১ জনীৰ ভিতৰত ৬ জনী ছোৱালী পাছ কৰিছিল। আই-এত সেইদৰে ৪৬৮৬

জন ল'ৰাৰ ভিতৰত ১৮১৫ জনে আৰু ১৪৬৩ জনী ছোৱালীৰ ভিতৰত মাত্ৰ ৪০৮ জনী ছোৱালীয়ে পাছ কৰে।

কলেজৰ সমস্যা: কলেজীয়া শিক্ষাত ইমান কম সংখ্যক ল'ৰা-ছোৱালী পাছ কৰাটো অতিশয় শঙ্কাজনক কথা। ইয়াত অকল ডেকা ল'ৰা-ছোৱালীৰ সময় শক্তি টকাৰে ঘাটি নপৰে, ই এক ৰাষ্ট্ৰীয় ক্ষতিও। ৰাষ্ট্ৰৰ উন্নতি কাৰ্যত মানৱ শক্তিক সদব্যৱহাৰ নকৰাৰ ফলত আমাৰ ৰাষ্ট্ৰীয় উৎপাদন শক্তিও কমি গৈছে। বছৰি হাজাৰ হাজাৰ ল'ৰা ফেল হোৱা বাবে তেওঁলোকৰ শক্তি আৰু সময়ৰ অবাবত ক্ষয় হৈছে। কলেজীয়া শিক্ষাক কাৰিকৰী শিক্ষাতকৈ উচ্চস্থান দিয়াৰ বাবে আৰু এই শিক্ষা লাভে চাকৰি পোৱাত সুলভ কৰে বাবে বুদ্ধি কম থকা বা বিষয়গত শিক্ষাত আগ্ৰহ নথকা ল'ৰা-ছোৱালীও আহিবলৈ বাধ্য হয়। ফলত ছাত্ৰছাত্ৰীৰ অকৃতকাৰ্যৰ সংখ্যাও বাঢ়ে। স্কুলতে ল'ৰা-ছোৱালীক বুদ্ধি অনুযায়ী ভাগ কৰি হাইস্কুল শিক্ষাৰ প্ৰথম ডোখৰত কিছুমানক আৰু স্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা পাছ কৰাৰ পিছত কিছুমানক কাৰিকৰী আৰু ব্যৱহাৰিক শিক্ষাৰ ফালে লৈ নগলে কলেজীয়া শিক্ষাত অকৃতকাৰ্য হোৱাৰ সংখ্যাও নকমিব। বিষয় জ্ঞানৰ প্ৰতি আগ্ৰহ থকা আৰু বুদ্ধিতকৈ ওপৰৰ ল'ৰা-ছোৱালীক কলেজীয়া শিক্ষাৰ প্ৰতি আকৰ্ষণ কৰিবলৈ আৰু কলেজীয়া শিক্ষাৰদ্বাৰা লাভবান নোহোৱা কম বুদ্ধিৰ শিক্ষাৰ্থীক কাৰিকৰী বা শিল্প জড়িত শিক্ষা দিবলৈ স্কুলতে বাচনিৰ প্ৰয়োজন হৈ পৰিছে। জীৱন নিৰ্বাহৰ বাবে কৰ্মসংস্থানৰ ব্যৱস্থা এই শিক্ষাৰ মাজেৰে কৰিলে কলেজীয়া শিক্ষাৰ মোহ কমি আহিব। অৱশ্যে ইয়াৰ লগতে আজৰি সময়ত নিজৰ দক্ষতা বঢ়াবলৈ আৰু পদোন্নতি লাভৰ বাবে শিক্ষা দিবলৈ সন্ধিয়া বিভিন্ন ধৰণৰ আধা সময়ৰ ক্লাচ খোলাৰ ব্যৱস্থা কৰিব লাগে।

দ্বিতীয়তে কলেজত যথেষ্ট সংখ্যক শিক্ষক নাথাকে। গাঁৱত বা চহৰৰপৰা দূৰৈৰ কলেজত প্ৰত্যেক বিষয়তে যথেষ্ট সংখ্যক উপযুক্ত

যোগ্যতাসম্পন্ন শিক্ষক পোৱাটো টান। কাৰণ গাঁৱতকৈ চহৰৰ চাকৰিয়ে মানুহৰ মন বেছিকৈ আকৰ্ষণ কৰে।

তৃতীয়তে কলেজৰ নিজস্ব ঘৰ থাকিলেও বেছিভাগৰে গ্ৰন্থাগাৰ আৰু ৰসায়ানাগাৰ এতিয়াও উন্নত হোৱা নাই। নিজস্ব পঢ়াৰ বাবে ক্লাচত গ্ৰন্থাগাৰ বিভাগীয় গ্ৰন্থাগাৰৰ ব্যৱস্থা হ'বলৈ এতিয়াও বহুত পলম আছে। ফলত শিক্ষকসকলেই নিজৰ জ্ঞানৰ ভাণ্ডাৰ বঢ়াবলৈ নতুন নতুন পদ্ধতি, আবিষ্কৃত জ্ঞান আৰু উন্নতিৰ বিষয়ে জানিবলৈ কিতাপ পঢ়াৰ সুবিধা নাপায়। সেইদৰে গবেষণা কৰাৰো সুবিধা অতি কম পোৱা যায়।

চতুৰ্থতে আৱশ্যকীয় বিষয়সমূহ এতিয়াও কলেজত অন্তৰ্ভুক্ত কৰা নাই। বিজ্ঞান শাখাত পাঠ্যতালিকা এতিয়া বহুত পাছ পৰি আছে। উন্নত ধৰণৰ পাঠ্য তালিকা প্ৰস্তুত কৰাটো প্ৰত্যেক বিষয়তে আৱশ্যক হৈ পৰিছে।

পঞ্চমতে কলা বিভাগৰ কলেজ খোলাতকৈ বাণিজ্য, কৃষি, শিল্প, আৰু কাৰিকৰী আদি বিষয়ত কলেজ খোলাৰ অতিশয় প্ৰয়োজন হৈ পৰিছে।

ষষ্ঠতে গাঁৱৰ কলেজ ঘৰৰ অৱস্থা আৰু উন্নত কৰিব লাগে। বিজ্ঞান আদিৰ শাখা প্ৰায় প্ৰত্যেক কলেজতে থাকিব লাগে। ৰসায়নাগাৰ আদিৰ অৱস্থা উন্নত সা-সঁজুলিৰে সমৃদ্ধ কৰিব লাগে।

কলাবিভাগৰ কলেজ খোলাত সকলোৱে বেছি জোৰ দিছে। কলেজীয়া শিক্ষা প্ৰসাৰতকৈ উন্নতিকৰণৰ ওপৰত বৰ্তমানে জোৰ দিয়া উচিত।

প্ৰশ্ন

(১) অসমত কলেজীয়া শিক্ষাৰ প্ৰসাৰৰ বিষয়ে লিখা ?

(২) ১৯৪৭ চনৰ পিছৰপৰা ইয়াৰ দ্ৰুত প্ৰসাৰৰ কাৰণসমূহ লিখা ?

(৩) কি কি উপায়েৰে কলেজীয়া শিক্ষাৰ উন্নতি কৰিব পাৰি তাৰ বিষয়ে লিখা ?

সপ্তম অধ্যায়

অসমত স্ত্ৰী শিক্ষা

ৰক্ষণশীল সমাজত ছোৱালীক শিক্ষা দিয়াটো নিয়মৰ বাহিৰত আছিল। ১৮২৬ চনত ইংৰাজ শাসকে শিক্ষাৰ ভাৰ ললেও স্থানীয় মানুহৰ বিশ্বাসত আঘাত নিদিবলৈ ছোৱালী স্কুল পতাত আগ্ৰহ দেখুৱা নাছিল। মিছনাৰীসকল অহাৰ পিছত তেওঁলোকৰ ঘৈণীয়েক সকলে "জানানা স্কুল" খুলি স্ত্ৰী শিক্ষা দিয়াত প্ৰথম ভূমিকা লয়। অহোপুৰুষাৰ্থ কৰি ঘৰে ঘৰে গৈ কেইঘণ্টামানৰ কাৰণে বিবাহিতা নাৰীক জনাই প্ৰথম পাঠ দিয়াৰ ব্যৱস্থা কৰিলেও ই স্থায়ী হোৱা নাছিল। কিছুদিনৰ পিছতে ছাত্ৰীৰ অভাৱত 'জানানা স্কুল' বন্ধ কৰি দিছিল।

চৰকাৰৰ শিক্ষানীতি ঃ ১৮৫৪ চনত উড ডেচপাচে স্ত্ৰী-শিক্ষাৰ প্ৰসাৰত জোৰ দিছিল আৰু চৰকাৰক ইয়াৰ প্ৰসাৰৰ বাবে বেছিকৈ খৰচ কৰাৰ কথা উল্লেখ কৰিছিল। কিন্তু কেনে ধৰণেৰে সহায় কৰিব তাক উল্লেখ কৰা নাছিল। ১৮৮২ চনত হাণ্টাৰ কমিছনে স্ত্ৰীশিক্ষাৰ ওপৰত জোৰ দি উল্লেখ কৰিছিল যে,

(১) লোকেল, মিউনিচিপাল আৰু ৰাজ্য চৰকাৰৰ ভঁৰালৰপৰা দিয়া ধন সমানে ভাগ কৰি ল'বা আৰু ছোৱালীৰ শিক্ষাত খৰচ কৰিব লাগে।

(২) সহায়ক অনুদানৰ(grant-in-aid) নিয়মবোৰ মানোতে চৰকাৰে স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ বাবে বদান্যতা দেখুৱাব লাগে। স্কুলবোৰে অৱস্থা ভাল নোহোৱাৰ বাবে নিয়মবোৰ ঠিক মতে মানিলে কোনেও সহায়ক অনুদান নাপায়। গতিকে অৱস্থা বেয়া হলেও ছোৱালী স্কুলক উৎসাহ দিবলৈ অনুদান দিয়াত উদাৰতা দেখুৱাব লাগে।

(৩) ল'ৰাৰ লগত বহুখিনি একে পাঠ্যক্ৰম হলেও ছোৱালীৰ শিক্ষাত বেছি কাৰ্যকৰী বিষয় থাকিব লাগে।

(৪) বেছি জলপানী দি ছোৱালী স্কুললৈ অনাৰ চেষ্টা কৰিব লাগে।

(৫) দূৰৰ ছোৱালীক পঢ়াৰ সুবিধা দিবলৈ হোষ্টেলৰ ব্যৱস্থা কৰিব লাগে।

(৬) লোকেলবৰ্ড স্থাপিত স্কুলৰ ওপৰতো তেওঁলোকৰ সম্পূৰ্ণ কৰ্তৃত্ব থাকিব লাগিব। শিক্ষক নিযুক্তিত পুৰুষক নিয়োগ কৰিলেও সাধাৰণতে শিক্ষয়িত্ৰী নিয়োগত বেছি জোৰ দিব লাগে।

(৭) কোনো বিশ্বাসযোগ্যা মহিলাই ধৰ্ম নিৰপেক্ষ শিক্ষাদান কৰিলে, তাক উন্নত কৰাত সহায় কৰিব লাগে।

(৮) স্ত্ৰী-শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰী সহযোগিতা আৰু চেষ্টাৰ সহায় লব লাগিব।

হাণ্টাৰ কমিছনে স্ত্ৰীশিক্ষা প্ৰসাৰৰ প্ৰস্তাৱ কেইটামান দিলেও চৰকাৰে সক্ৰিয় অংশ লব লাগে বুলি কোৱা নাছিল। সামাজিক অৱস্থা আৰু মানুহৰ ৰক্ষণশীলতালৈ লক্ষ্য ৰাখি কমিছনে সাহসেৰে চৰকাৰৰ অধীনত স্ত্ৰীশিক্ষা দ্ৰুত প্ৰসাৰৰ প্ৰস্তাৱ দিয়া নাছিল। বৰং লোকেলবৰ্ড বেচৰকাৰী অনুষ্ঠান আৰু ব্যক্তিৰ প্ৰচেষ্টাক সাহায্য কৰিবলৈ মাত্ৰ অৰ্থদানহে অনুমোদন কৰিছিল।

১৯০৪ চনত লৰ্ড কাৰ্জনেও তেওঁৰ শিক্ষানীতিত স্ত্ৰীশিক্ষাৰ বাবে উপযুক্ত শিক্ষকৰ নিযুক্তি, স্কুল স্থাপন আৰু স্কুলৰ উঁৱাল টনকিয়াল কৰাৰ কথাহে উল্লেখ কৰিছিল; কিন্তু চৰকাৰৰ ওপৰত কোনো বিশেষ দায়িত্ব দিয়া নাছিল।

১৯১৩ চনৰ শিক্ষানীতিয়ে স্ত্ৰীশিক্ষাৰ অতিশয় ধীৰ গতিৰ বিষয়ে উল্লেখ কৰিছিল আৰু প্ৰস্তাৱ দিছিল যে,

(১) যি সমাজত ছোৱালীয়ে বাস কৰে তাৰ উপযোগী কৰি ব্যৱহাৰিক শিক্ষা দিব লাগে।

(২) ই ল'ৰাৰ শিক্ষা অনুসৰণ কৰিব নালাগে নাইবা পৰীক্ষাই শিক্ষা প্ৰভাৱান্বিত কৰিব নালাগিব।

(৩) স্কুলৰ পৰিবেশ আৰু স্বাস্থ্যনীতিৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব।

(৪) শিকোৱা আৰু পৰিদৰ্শন কৰাৰ বাবে মহিলাক নিযুক্ত কৰিব লাগিব।

(৫) পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ সদায় অব্যাহত ৰাখিব লাগিব।

অসমত প্ৰসাৰ ঃ শিক্ষানীতিত স্ত্ৰীশিক্ষা সম্বন্ধে দিয়া প্ৰস্তাৱ বিশ্লেষণ কৰি দেখা যায় যে স্ত্ৰীশিক্ষাৰ অতিশয় দুখলগা অৱস্থা দেখিও চৰকাৰে ইয়াৰ প্ৰসাৰৰ বাবে কোনো প্ৰত্যক্ষ দায়িত্ব নললে। অসমতো ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ দৰে কোনো দায়িত্ব লোৱাত নাইবা ইয়াৰ বাবে কোনো বিশেষ ব্যৱস্থা লোৱাৰ আগ্ৰহ নেদেখুৱালে। অতি কম অনুদান দি ছোৱালী স্কুল পৰিচালনা কৰা বেচৰকাৰী অনুষ্ঠানক সন্তুষ্ট ৰাখিছিল। কোনোবাই সমাজত বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ দুই এখন ছোৱালী স্কুল খুলিলেও টকাৰ অভাৱত সি বন্ধ হৈ গৈছিল।

অসমত ১৮৮৯ চনত ১৮৫ খন প্ৰাইমেৰী স্কুলত ৩,১৪৪জনী ছাত্ৰী আছিল। মাত্ৰ দুই খনহে মধ্য অসমীয়া স্কুল আছিল। মধ্য ইংৰাজী বা হাইস্কুল তেতিয়াও স্থাপন হোৱা নাছিল। কিছুমান ঠাইত টকা পোৱাৰ আশাত ল'ৰা-পাঠশালাৰ 'গুৰুৱে' ছোৱালীক বেলেগে পঢ়ুৱাইছিল, কাৰণ ল'ৰাৰ স্কুলত পোৱা দৰমহাৰ বাহিৰেও তেওঁলোকে প্ৰত্যেক জনী ছোৱালীৰপৰা চাৰি অনাকৈ পুৰস্কাৰ পাইছিল। কিন্তু প্ৰথম উৎসাহত কেইজনীমান ছোৱালী আহিলেও লাহে লাহে ছাত্ৰীৰ অভাৱত বন্ধ হৈ গৈছিল।

কুৰি শতিকাৰ প্ৰথম দশকত স্ত্ৰী শিক্ষাৰ প্ৰতি আওকাণ কৰিলেও দ্বিতীয় দশকৰপৰা এক জনজাগৰণ আৰম্ভ হৈছিল। মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ বাহিৰেও বাল্যবিবাহ বন্ধ কৰি সাৰদা আইন প্ৰণয়ন হোৱাৰপৰা ১৯২৫ চনত অসমতো এক জনআলোড়নৰ সৃষ্টি হৈছিল। আইন অমান্য আন্দোলনত জাকে জাকে মহিলা

ওলাই আহি-পুৰুষৰ লগত সমানে দেশৰ কামত আগবঢ়াৰ লগে লগে সমাজৰ ৰক্ষণশীলতা আৰু গোড়ামিৰ বান্ধ ভাঙি গৈছিল। কনকলতা, ভোগেশ্বৰীৰ নিচিনা গাঁৱৰ জীয়াৰীয়ে দেশৰ কাৰণে কৰা মৃত্যুবৰণে বহুতো গোড়া মানুহৰ চকু মেল খুৱাইছিল। আগৰ দৰে ছোৱালীক ঘৰৰ চাৰি বেৰৰ মাজত থকা বস্তু হিচাপে গ্ৰহণ কৰিবলৈ সঙ্কোচ কৰিব ধৰা হ'ল।

স্বাধীনতাৰ পিছৰপৰা সংবিধানে পুৰুষ-মহিলাৰ মাজত দিয়া সমতাই দুয়ো পক্ষকে সচেতন কৰি তুলিছে। বিয়াৰ বয়স বঢ়াই দিয়াৰ লগে লগে আৰু শিক্ষিত ল'ৰাই শিক্ষিতা ছোৱালী বিচৰাৰ বাবে স্ত্ৰী শিক্ষাৰ প্ৰসাৰে এই সময়টোত বেছি হৈছিল।

প্ৰাথমিক শিক্ষা: ১৮৮৯ চনৰপৰা প্ৰাথমিক স্কুলৰ প্ৰসাৰ খুব সন্তোষজনক নাছিল। ১৮৮৯ চনত ১৮৫ খন প্ৰাথমিক স্কুল, ১৯০৪ চনত ১১৬ খন, ১৯৩৬-৩৭ চনত ৭৯৩ খন আৰু ১৯৫৮-৫৯ চনত ৬২২ খন। সেইদৰে ছোৱালীও ১৮৮৯ চনত ২৪১৪ জনী আৰু ১৯৩৬-৩৭ চনত ২৯,৭৯৪ জনী হ'লগৈ। ১৯৫৮-৫৯ চনত ২,৭২,৮৯৯ জনী আছিল।

১৯৩৭ চনৰপৰা প্ৰাথমিক স্কুলৰ সংখ্যা কমাৰ কাৰণ আছিল বেছিভাগ প্ৰাইমাৰী স্কুলৰ ল'ৰা-ছোৱালী উভয়ে একেলগে পঢ়িছিল। ১৯৬০-৬১ চনত ১৭৪৯ জন ল'ৰাই ছোৱালীৰ প্ৰাথমিক স্কুলত পঢ়িছিল। আনফালে ছোৱালীৰ সংখ্যা ল'ৰাৰ স্কুলত বহুত বেছি আছিল। প্ৰাথমিক স্কুলত ল'ৰা-ছোৱালী একেলগে পঢ়িলে বহুত খৰচ কমে আৰু লোকেলবৰ্ড আৰু বেচৰকাৰী অনুষ্ঠানে এনেধৰণৰ স্কুল পতাত বেছি আগ্ৰহ দেখুৱা কাৰণে ১৯৬০-৬১ চনত ৭৭,৯৮২ জনী ছোৱালী ল'ৰাৰ স্কুলত পঢ়িছিল।

মাধ্যমিক স্কুল: স্ত্ৰী-শিক্ষা মাধ্যমিক স্তৰত ইমান বেছি পাছ পৰি আছিল যে ১৯০৪-০৫ চনলৈ মাত্ৰ ৩ খন মধ্য অসমীয়া আৰু ২ খন মধ্য ইংৰাজী স্কুল আছিল। ১৯১০ চনলৈ হাইস্কুল স্থাপন

হোৱাই নাছিল। ১৯৩৬-৩৭ চনত ২ খন মধ্য অসমীয়া, ১৮ খন মধ্য ইংৰাজী আৰু ১৩ খন হাইস্কুল স্থাপন হৈছিল। ১৯৬৪-৬৫ চনত এই কেইবিধ স্কুলৰ সংখ্যা আছিল ক্ৰমে মধ্য অসমীয়া ৭৭ খন, মধ্য ইংৰাজী ১১৭ খন আৰু হাইস্কুল ১১৩ খন আৰু উচ্চ মাধ্যমিকৰ ৯ খন স্কুল আছিল। এটা কথা মন কৰিব লগীয়া যে এই স্কুলসমূহ বেছিভাগেই বেচৰকাৰী উদ্যোগত স্থাপন কৰা হৈছিল আৰু চৰকাৰে ল'বাৰ স্কুলৰ দৰে ছোৱালীৰ স্কুল পতাত আগ ভাগ লোৱা নাছিল। ১৯৩৬-৩৭ চনত ১৩ খন হাইস্কুলৰ ভিতৰত মাত্ৰ দুটাহে চৰকাৰী আছিল আৰু ১৯৫৮-৫৯ চনতো ৬৭ খনৰ ভিতৰত মাত্ৰ ৩ খনহে চৰকাৰী আছিল; বাকী কেইখনৰ ৫১ খন সাহায্যপ্ৰাপ্ত, ৭ খন সাহায্যহীন আৰু ৪ খন অস্বীকৃত স্কুল আছিল। ছোৱালীৰ শিক্ষাৰ প্ৰতি ধাউতি ১৯৪৭ চনৰ পিছতহে হৈছিল। বৃটিছ শাসকে স্ত্ৰী শিক্ষাক অতিশয় পাছ পৰা বুলি স্বীকাৰ কৰিও কোনো দিনে ইয়াৰ প্ৰসাৰৰ বাবে বিশেষ কোনো ব্যৱস্থা লোৱা নাছিল। ১৯৪৭ চনৰ পিছৰপৰা কংগ্ৰেছ চৰকাৰে স্ত্ৰীশিক্ষাৰ বাবে বিশেষ আঁচনি একো লোৱা নাছিল। বেচৰকাৰী উদ্যোগত প্ৰতিষ্ঠিত স্কুলবোৰক সাহায্য দি ইয়াৰ প্ৰসাৰৰ ব্যৱস্থা কৰিছিল। ১৯৬১ চনৰ পিয়লমতে মাত্ৰ শতকৰা ১৬ গৰাকীহে শিক্ষিতা আছিল।

কলেজীয়া শিক্ষা ঃ ১৯২৯ চনত কটন কলেজত প্ৰথম এজনী ছোৱালী ভৰ্তি হয়। লাহে লাহে ইয়াৰ সংখ্যা বাঢ়ি ৩৩ জনীলৈ হয়গৈ। ১৯৩৩ চনত প্ৰথম লেডি কীন ছোৱালী কলেজ ছিলঙত খোলে আৰু এয়ে সুকীয়াকৈ ছোৱালীৰ কাৰণে কলেজ স্থাপন কৰাৰ আছিল প্ৰথম পাতনি। ১৯৬৫ চনত ৯ খন ছোৱালী কলেজ স্থাপন হ'ল; এই কেইখন সাহায্যপ্ৰাপ্ত কলেজ আছিল। ল'ৰাৰ কলেজত সহ-শিক্ষাৰ ব্যৱস্থা কৰাৰ কাৰণে সকলো ধৰণৰ কলেজত ছাত্ৰী আছিল। বিশ্ববিদ্যালয়তো এম-এ পঢ়া ছোৱালীৰ সংখ্যা আছিল ১২৮ জন আৰু ছোৱালী কলেজত আছিল ৩২৪৪ জনী।

স্ত্ৰীশিক্ষাৰ সমস্যা ঃ স্কুল কলেজত আগতকৈ ছোৱালীৰ সংখ্যা বেছি হলেও ছোৱালী শিক্ষা এতিয়াও নানা সমস্যাৰ সন্মুখীন হৈয়ে আছে। মুখ্যসমস্যাবোৰ তলত দিয়া হ'ল।

নিৰক্ষৰতা দূৰীকৰণ ঃ নগৰে-চহৰে ছোৱালীৰ স্কুল-কলেজ বাঢ়িলেও ১৯৫৯ চনত ল'ৰাৰ কাৰণে হোৱা ১৬,৪০০ শিক্ষানুষ্ঠানৰ তুলনাত ছোৱালীৰ ১,০২৯ খনহে। ছোৱালীৰ প্ৰাইমেৰী স্কুল মাত্ৰ ৬৮৩ খন আছিল, কিন্তু ল'ৰাৰ আছিল ১২,২১৯ খন। ছোৱালী হাইস্কুল মাত্ৰ ৬৩ খন হৈছিল ; কিন্তু ল'ৰাৰ আছিল ৪৬১ খন। ছোৱালীৰ সাক্ষৰ সংখ্যা আছিল শতকৰা ১৬ আৰু ল'ৰাৰ আছিল শতকৰা ৩৭·৩ জন। এশজনৰ ভিতৰত ৮৪ জনী ছোৱালীক শিক্ষিতা কৰিবলৈ আৰু বহুত বেছি প্ৰাথমিক স্কুল স্থাপনৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন সকলোৱে অনুভৱ কৰিছিল।

অপচয় আৰু স্থবিৰতা ঃ বেছিভাগ ছোৱালীয়ে স্কুললৈ আহিলেও ক বা খ মানলৈ পঢ়াৰ পিছতেই স্কুল এৰে। নগৰত শিক্ষিতা মাক-বাপেকে অতি কমেও মাধ্যমিক স্কুললৈ পঢ়ালেও গাঁৱত বেছিভাগ মাক-বাপেকে প্ৰাথমিক শিক্ষা শেষ নোহোৱাৰ আগতেই ছোৱালীক স্কুলৰপৰা লৈ আহে। এনেকৈ স্কুল এৰাৰ ফলত ষষ্ঠ শ্ৰেণীত দহভাগৰ এভাগহে থাকে। অপচয় আৰু স্থবিৰতাৰ ফলত ইয়াৰ প্ৰসাৰ যেনেকৈ কমে, মানুহৰ উৎসাহ উদ্দীপনা কমি অহাৰ লগতে টকাবো অবাবত খৰচ হয়।

পুৰণি সংস্কাৰ আৰু ৰক্ষণশীল মনোভাৱ ঃ ১৯৩৭ চনৰ আগলৈ উচ্চ শ্ৰেণীৰ মানুহৰ ছোৱালীক স্কুলত পঢ়োৱাটো অতিশয় গৰ্হিত কাম আছিল। ১১-১২ বছৰতেই ছোৱালী বিয়া দিয়া সমাজত নিয়ম আছিল। ইয়াৰ ব্যতিক্ৰম হলে সমাজে এঘৰীয়া কৰি থৈছিল। জনজাগৰণে সেই সংস্কাৰৰ আৰু ৰক্ষণশীলতাৰপৰা সমাজক মুক্ত কৰিলেও আজিও মানুহে ছোৱালীক ল'ৰাৰ সমান বুলি ধৰিবলৈ টান পায়। ছোৱালীৰ জন্মৰ লগত বিয়া দিয়াৰ সম্বন্ধ

জড়িত হৈ থকাৰ কাৰণে মাকে ঘৰুৱা কামত পাৰ্গত কৰাৰ কথাহে ভাবে। তাঁত বোৱাটো অসমীয়া ছোৱালীৰ এটি ডাঙৰ গুণ হিচাপে এতিয়াও গাঁৱত প্ৰচলিত। মাক-বাপেকে পঢ়াতকৈ বোৱা-কটাতহে বেছি জোৰ দিয়ে।

ঘৰুৱা কামত সহায়ঃ ছোৱালী হলেই মাকক ঘৰৰ কামত সহায় কৰিব লাগে। আমাৰ সমাজত, সামাজিক ৰীতিৰ কাৰণে হওক বা, আধুনিক সঁজুলি নথকাৰ কাৰণে মাইকী মানুহে বান্ধনি ঘৰত বেছি সময় কটাব লাগে। সেয়ে ঘৰুৱা কামৰ পিছত পঢ়া শুনাত মন দিব নোৱাৰে।

সময়ৰ অভাৱঃ গাঁৱত বহুতে মন থাকিলেও ছোৱালীক স্কুলত পঠিয়াব নোৱাৰে। দহবজাৰপৰা ৪ বজালৈ ছোৱালীয়ে ঘৰুৱা কামত ব্যস্ত থাকিব লগা হোৱাত বহুতে প্ৰাথমিক স্কুললৈকে ছোৱালীক নপঠিয়ায়।

অনিয়মিত বিতৰণঃ স্বাধীনতাৰ পিছত গাঁৱত বহুতো স্কুলঘৰ স্থাপন কৰিলেও সেইবোৰৰ বিতৰণ ঠিকমতে হোৱা নাই। কোনো গাঁৱত একেলগে ওচৰাওচৰিকৈ প্ৰাথমিক বা মাধ্যমিক স্কুল আছে। আনকি কোনো গাঁৱত হয়তো বহুত দূৰলৈ গৈহে পঢ়িব পাৰে। মাক-বাপেকে ছোৱালীক বহুত দূৰলৈ অকলে পঠিয়াব নোখোজে; বতাহ বৰষুণৰ দিনত কথাই নাই। অনিয়মিত উপস্থিতিয়ে লাহে লাহে স্কুলৰ প্ৰতি হেপাহ কমায়।

পৰিয়ালৰ অসুবিধাঃ এটা পৰিয়ালত বহু সংখ্যক ল'ৰা-ছোৱালী থাকিলে ছোৱালীয়ে সৰুবোৰৰ যত্ন লব লাগে আৰু ঘৰত পঢ়াৰ সুবিধাও নাপায়। মাক-বাপেকে প্ৰত্যেককে যত্ন লব আৰু পঢ়াৰ সুবিধা দিব নোৱাৰে। সৰু ঘৰত বহুতো মানুহ থাকিলে পঢ়াৰ সুবিধা ছোৱালীতকৈ ল'ৰাইহে আগতে পায়।

ছোৱালীৰ অনুপযোগী পাঠ্যক্ৰমঃ স্কুলৰ পাঠ্যক্ৰমত ছোৱালীৰ জীৱনৰ ব্যৱহাৰিক বিষয় নথকাৰ কাৰণে ইয়াৰ আৱশ্যকতাও মাক-

বাপেকে অনুভৱ নকৰে। ভবিষ্যত জীৱন-যাপনত সহায় কৰিব পৰা ব্যৱহাৰিক কাম বা বিষয় থাকিলে সকলোৱে আগ্ৰহান্বিত হৈ শিকাৰলৈ বিচাৰিব, বিশেষকৈ মাধ্যমিক স্তৰত। কিন্তু বহুতো স্কুলৰ পাঠ্যক্ৰমত সেই বিষয়সমূহ নোপোৱাৰ ফলত মাক-বাপেকে শিক্ষাক আৱশ্যকীয় বুলি ভাবিবলৈ টান পায়।

পৰিদৰ্শিকাৰ অভাৱ : ছোৱালী স্কুলৰ পৰিদৰ্শন আৰু পৰিচালনাৰ কাৰণে বেলেগ পৰিদৰ্শিকাৰ অতিশয় প্ৰয়োজন যদিও ১৯২৪ চনৰপৰা কোনো পৰিদৰ্শিকা স্ত্ৰীশিক্ষাৰ কাৰণে নিয়োগ কৰা হোৱা নাছিল। ১৯৪৭ চনৰ পিছৰপৰা সহকাৰী পৰিদৰ্শিকা দুগৰাকী সাধাৰণ আৰু পাৰ্বত্য অঞ্চলৰ কাৰণে নিয়োগ কৰিলেও এওঁলোকৰ বিশেষ ক্ষমতা নথকাত আৰু স্কুলৰ সংখ্যা বহুত বেছি হোৱাত এওঁলোকৰ পৰিচালনা আৰু পৰিদৰ্শনে সুফল দেখুৱাব পৰা নাই।

স্ত্ৰীশিক্ষা প্ৰসাৰৰ ব্যৱস্থা : ভাৰতৰ জনসংখ্যাৰ প্ৰায় আধা মহিলা হলেও এওঁলোকৰ শিক্ষিতৰ সংখ্যা অতি কম। স্বাধীনতাৰ পিছৰেপৰা স্ত্ৰীশিক্ষাৰ গতি আগতকৈ দ্ৰুত হলেও নিৰক্ষৰৰ সংখ্যা ১৯৬১ চনলৈকে শতকৰা ৮৪ জনী আছিল। এই নিৰক্ষৰতা দূৰীকৰণ কৰি উন্নত শিক্ষা ব্যৱস্থা কৰিবলৈ এতিয়াও বহুত প্ৰচেষ্টাৰ প্ৰয়োজন।

বেলেগ শাসন বিভাগ : শিক্ষা বিভাগৰ ভিতৰত স্ত্ৰীশিক্ষাই প্ৰাধান্য পোৱা উচিত। ইয়াৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ বাবে মহিলা পৰিদৰ্শক, সহকাৰী পৰিদৰ্শক কেবাগৰাকীৰ সৈতে এটা বেলেগ সংগঠনৰ প্ৰয়োজন। প্ৰাথমিক শিক্ষাৰ বাবে হোৱা আঞ্চলিক স্কুল ব'ৰ্ডতো সেই দৰে স্ত্ৰীশিক্ষাৰ প্ৰসাৰৰ বাবে এটি শাখা থকাৰ প্ৰয়োজন। মাধ্যমিক স্কুল ব'ৰ্ডতো ইয়াৰ প্ৰসাৰৰ বিশেষ ব্যৱস্থা কৰিব লাগে। শাৰীৰিক ব্যায়ামৰ কাৰণে দুগৰাকী পৰিদৰ্শিকা ৰাখিলেও তেওঁলোকে সময়ৰ অভাৱত গোটেইবোৰ স্কুলত শাৰীৰিক শিক্ষা সংগঠন কৰিবলৈ অসামৰ্থ হৈছিল।

মহিলাৰ মাজত বয়স্ক শিক্ষা : বেছিভাগ মাক নিৰক্ষৰ

ছোৱাৰ বাবে তেওঁলোকে ছোৱালীৰ শিক্ষাবো মোল বুজি নাপায়। মাকসকলৰ বাবে দুপৰীয়া আবেলি বা গধূলি ক খ শিকোৱাৰপৰা আৰম্ভ কৰি মাতৃকৰ্তব্য সম্বন্ধে শিক্ষা দিলে ছোৱালীৰ শিক্ষাৰ প্ৰসাৰত সহায় হব। শিক্ষাৰ বাবে মাকে জোৰ দিলে যিমান কামত আহিব আন কোনোৱে তাতকৈ বেছি জোৰ দিব নোৱাৰে। গধূলি অসুবিধা হলে আজৰি সময়ত এই ক্লাচ ললে বহুত কামত আহিব।

প্ৰাথমিক স্কুল সমানভাৱে বিতৰণ: অসমত এতিয়াও প্ৰাথমিক শিক্ষা বিস্তাৰৰ বাবে প্ৰায় ৮ গুণতকৈ বেছি স্কুল লাগে। প্ৰাথমিক স্কুলত সহ-শিক্ষা দিয়াৰ নিয়ম কৰিলেও প্ৰয়োজন হলে বেলেগ স্কুল খুলি দিব লাগে। স্কুল ঘৰ সাজোঁতে সদায় মনত ৰাখিব লাগে যে ল'ৰা-ছোৱালীয়ে যাতে ঘৰৰপৰা এমাইলতকৈ বেছি দূৰ স্কুললৈ আহিব নালাগে। বাধ্যতামূলক শিক্ষা অকল ল'ৰাৰ ক্ষেত্ৰতে নহয়, ছোৱালীৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হব লাগে।

শিক্ষাৰ বাবে সুবিধা: দুখীয়া ছোৱালীৰ শিক্ষাত খৰচ কৰিবলৈ অনিচ্ছুক মাক-বাপেকক সকাহ দিবলৈ শিক্ষাব'ৰ্ডে কিতাপ-পত্ৰ, পেন্সিল, শ্লেট আদি শিক্ষাৰ সঁজুলি, প্ৰয়োজন হলে পিন্ধাৰ কাপোৰ, জলপানী আদি দিলে উপস্থিতিৰ সংখ্যাও বাঢ়িব। বহুত সময়ত ভাই-ভনীক চাব লগীয়া হোৱাৰ বাবে বায়েকে পঢ়িব নোৱাৰাৰ বাবে ব'ৰ্ডে সুবিধা হলে 'ক্ৰেচি' বা সৰু ল'ৰা ছোৱালী ৰখাৰ ঠাই কৰিব লাগে। ভাৰতত অৱশ্যে কোনো ঠাইতে এনে ব্যৱস্থা কৰা হোৱা নাই।

সহযোগিতাৰ প্ৰয়োজন: আমাৰ সমাজত মহিলাৰ স্থান পুৰুষতকৈ কম বুলি ধৰে। তেওঁলোকৰ শিক্ষাৰ বাবে অনুমতি লব লাগিব স্বামীৰ বা ঘৰৰ ডাঙৰ জনৰপৰা। এওঁলোকৰ সহযোগিতা নহলে তিৰোতাক শিক্ষা দিয়াটো অসুবিধা। তাৰ উপৰি সামাজিক অনুষ্ঠানসমূহে ছোৱালীৰ শিক্ষাৰ বাবে সা-সঁজুলি বা টকা পইচা দি

সহায় আগবঢ়াব পাৰে। সকলোৰে সহযোগিতা স্ত্ৰীশিক্ষাৰ কাৰণে অতিশয় প্ৰয়োজন।

সুকীয়া স্কুলৰ অভাৱ: মাক-বাপেকে ছোৱালী ডাঙৰ হৈ অহাৰ লগে লগে একেলগে ল'ৰাৰ লগত পঢ়িবলৈ দিবলৈ সঙ্কোচ বোধ কৰে। ছোৱালী স্কুল নাথাকিলে ওচৰত থকা ল'ৰাৰ মাধ্যমিক স্কুললৈকো পঢ়িব নপঠিয়ায়। প্ৰাইমেৰী স্কুল শেষ কৰি নাইবা আগতেই ছোৱালীয়ে স্কুল এৰিব লগীয়া হয়।

শিক্ষয়িত্ৰীৰ অভাৱ: ছোৱালী ডাঙৰ হোৱাৰ লগে লগে শিক্ষকৰ ওচৰত পঢ়ুৱাবলৈ মাক-বাপকে সঙ্কোচ কৰে। গাঁৱৰ স্কুলত উপযুক্ত শিক্ষয়িত্ৰী পাবলৈ টান। শিক্ষকে পঢ়ুৱা কাৰণে বহুতো মাকে ছোৱালীক স্কুলৰপৰা এৰুৱাই আনে।

দৰিদ্ৰতা: ঘৰৰ আৰ্থিক অৱস্থা ভাল নহলে মাক-বাপেকে ল'ৰা-ছোৱালী অলপ সহায়ৰ বাবে হলেও ঘৰুৱা কামত লগায়। ছোৱালীয়ে ঘৰৰ বাহিৰেও খেতিৰ কামত সহায় কৰিব লগীয়া হোৱাত পঢ়াৰ প্ৰতি ধাউতি কমে। আৰ্থিক অৱস্থাৰ কাৰণে মাক-বাপেকে টকা-পইচা খৰচ কৰি কিতাপ-পত্ৰ, কাপোৰ-কানি আৰু আন বস্তু দিবলৈ অপাৰগ হয়। ফলত বহুত ক্ষেত্ৰত ল'ৰাক পঢ়ুৱাবলৈ স্কুল এৰিব লাগে।

সৰুতে ছোৱালীৰ বিয়া: ছোৱালীক বিয়া দিয়াটো মাক-বাপেকে প্ৰধান কৰ্তব্য বুলি ভাবে। আগৰ দৰে খুব সৰুতে বিয়া নিদিলেও পঢ়াতকৈ ছোৱালীৰ বিয়াহে আগ।

ব্যৱহাৰিক কাৰ্য আৰু বিষয়: ছোৱালী স্কুলৰ পাঠ্যক্ৰম ল'ৰাতকৈ বেলেগ হব নালাগে বুলি বহুতে কলেও, গাঁৱত ব্যৱহাৰিক বিষয়বস্তু পাঠ্যক্ৰমত থাকিলে ছোৱালীক বেছিকৈ শিক্ষাৰ বাবে আকৰ্ষণ কৰিব। বেছিভাগ ছোৱালীয়ে বিয়াৰ পিছত সুগৃহিণী হবলৈ যিবোৰ কাম শিকাৰ ওপৰত জোৰ দিয়ে তেনে কাম আৰু উন্নত পদ্ধতিত স্কুলত দিলে ছাত্ৰীৰ সংখ্যাও বাঢ়িব।

শিক্ষক আৰু মাক-বাপেকৰ ভিতৰত সম্বন্ধ স্থাপন ঃ পৰাপক্ষত স্থানীয় শিক্ষিত মহিলাক প্ৰশিক্ষণ দি স্কুলত নিযুক্তি দিব লাগে। শিক্ষক আৰু মাক-বাপেকৰ মাজত এটি সম্বন্ধ স্থাপন হব লাগে, যাতে শিক্ষকে ছোৱালীক স্কুলত থকাৰ সময়ত উৎসাহ দিব পাৰে আৰু আনহাতে মাক-বাপেকে সুবিধা অসুবিধাৰ কথা মুকলি মনেৰে শিক্ষয়িত্ৰীক কব পাৰে। স্কুল কেনেকৈ চলে, কেনে ধৰণৰ শিক্ষা দিয়ে আদি জনাবলৈ বছৰত এবাৰকৈ হলেও তেওঁলোকক শিক্ষক-সকলে নিমন্ত্ৰণ কৰিব লাগে আৰু সন্ধিয়া আমোদ প্ৰমোদৰ মাজেৰে আলোচনা আদি কৰিলে সেই স্কুল সামাজিক কেন্দ্ৰত পৰিণত হৈ পৰে। স্কুলক নিজৰ বুলি ভাবিলে মাকসকলেও ছোৱালীক শিক্ষাৰ বাবে পঠিওৱাত সঙ্কোচ নকৰিব।

শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণৰ ব্যৱস্থা ঃ স্কুলত শিক্ষয়িত্ৰী থাকিলে ছোৱালীক পঠিয়াবলৈ মাক-বাপেকে দ্বিধা বোধ নকৰে। গাঁৱৰ স্কুলত শিক্ষয়িত্ৰী নিযুক্ত কৰাত আৰু জোৰ দিব লাগে; কাৰণ ৰক্ষণশীলতাৰ কাৰণে হওক বা সামাজিক কাৰণতেই হওক, ছোৱালী ডাঙৰ হোৱাৰ লগে লগে ল'ৰাৰ স্কুলত ছোৱালী পঠিয়াবলৈ সঙ্কোচ কৰে। গাঁৱৰ ছোৱালী স্কুলত সৰহকৈ দৰমহা দি হলেও শিক্ষয়িত্ৰী নিয়োগ কৰিব লাগে। স্থানীয় ছোৱালীক প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দিব লাগে।

ছোৱালীৰ ক্ষেত্ৰতো প্ৰাথমিক স্তৰত বাধ্যতামূলক বিনামূলীয়া শিক্ষা ব্যৱস্থা কৰাৰ লগতে আনুষঙ্গিক আনবোৰ ব্যৱস্থা কৰিলেহে ছোৱালীৰ শিক্ষাৰ প্ৰসাৰ দ্ৰুত হব।

প্ৰশ্ন

(১) অসমত স্ত্ৰীশিক্ষা প্ৰসাৰৰ চমু বিৱৰণী এটি লিখা।
(২) কি কি কাৰণত স্ত্ৰীশিক্ষাৰ এতিয়াও দ্ৰুতপ্ৰসাৰ হোৱা নাই?
(৩) কি কি ব্যৱস্থাৰে মহিলাৰ সাক্ষৰৰ সংখ্যা বঢ়াব পাৰি তাৰ বিষয়ে চমুকৈ লিখা।

অষ্টম অধ্যায়

কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা

অসমত কাৰিকাৰী আৰু বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰ শামুকৰ গতিৰে আগবাঢ়িছিল। ইংৰাজৰ শাসনৰ ফলত অকল অসমতে নহয় গোটেই ভাৰততে এই দুই বিধ শিক্ষাৰ প্ৰসাৰ আছিল অতিশয় নিৰাশজনক। ভাৰতৰ ৰাজনৈতিক পৰিবৰ্তন ঘটিলেও শিল্প, সামাজিক আৰু অৰ্থনৈতিক অৱস্থা পৰিবৰ্তন সন্তোষজনকভাৱে হোৱা নাই। দেশৰ উন্নতি নিৰ্ভৰ কৰে শিল্পৰ প্ৰগতি আৰু নাগৰিক-সকলৰ কৰ্মশক্তি আৰু কৰ্মদক্ষতাৰ ওপৰত। কৰ্মদক্ষতা নিৰ্ভৰ কৰে কাৰিকৰী শিক্ষাৰ ওপৰত। বৰ্তমান চৰকাৰে ভাৰতক কৃষি প্ৰধান দেশৰপৰা শিল্প প্ৰধান দেশলৈ পৰিবৰ্তন কৰিবলৈ কাৰিকৰী শিক্ষাৰ ওপৰত জোৰ দিছে। আমেৰিকাৰ নিচিনা পশ্চিমীয়া দেশৰ উদাহৰণ বাদ দিলেও প্ৰাচ্যত জাপানৰ শিল্প প্ৰগতিৰ বিষয়ে উল্লেখ কৰিব পাৰে। ৬০ বছৰ আগলৈকে পাছ পৰি থকা জাপানে আজি বৈজ্ঞানিক পদ্ধতিৰে কৃষি আৰু শিল্পত অভূতপূৰ্ব উন্নতিসাধন কৰি পৃথিৱীৰ ভিতৰতে এখন জাকতজিলিকা শিল্পপ্ৰধান দেশ হৈছে। কিন্তু সেই অনুপাতে ভাৰতৰ উন্নতি অতি দুখলগা। ভাৰতৰ ভিতৰত অসম শিল্প প্ৰগতিত আন ৰাজ্যতকৈ আৰু পাছ পৰি আছে।

বৃটিছ শাসকে অসমৰ প্ৰাকৃতিক শিল্প সম্পদক উন্নতি কৰণ আৰু ব্যৱহাৰ সম্পৰ্কে তেনেই উদাসীন আছিল। কাৰিকৰী শিক্ষাৰ কাৰণে তেওঁলোক প্ৰথমে কোনো স্কুল আদি খোলাৰ ব্যৱস্থা কৰা নাছিল। ১৮৮০ চনতে উইলিয়ামচন নামৰ এজন ইংৰাজে এটা ট্ৰাষ্ট ফাণ্ড কৰি শিল্পজাত শিক্ষানবিচৰ (industrial apprenticeship) স্কুল খোলাৰ ব্যৱস্থা কৰিছিল। ডিব্ৰুগড়ত এটা কাৰিকৰী স্কুল খুলি তাত পৰিদৰ্শকৰ পাঠ্য বিষয় (overseer course) আৰম্ভ কৰিছিল।

ডিব্ৰুগড়ৰ ৰেলৰ কাৰখানাত ৬ জনমানকৈ ল'ৰা যন্ত্ৰ সম্বন্ধীয় শিক্ষা (mechanical training) দিছিল। যোৰহাট হাইস্কুলত সেই দৰে পৰিদৰ্শকৰ পাঠ্য বিষয় (overseer training) আৰম্ভ কৰিছিল। ১৯০৪ চনত কিছুমান দক্ষ কৰ্মচাৰী তৈয়াৰ কৰিবলৈ ছটা কেন্দ্ৰ খুলিছিল। শদিয়া, তেজপুৰ, যোৰহাট, গুৱাহাটী, শিলচৰ ৰেলৰ কাৰখানা আৰু এটা ছিলঙত বাঢ়ৈ, কমাৰ আৰু চিত্ৰবিদ্যাত শিক্ষা দিবলৈ এই কেন্দ্ৰবোৰ খুলিছিল।

পাৰ্বত্য অঞ্চলতো বাঢ়ৈ, কমাৰ আদি জীৱিকা নিৰ্বাহৰ কৰ্ম আৰু বোৱাকটা আদিৰ ক্লাচ খুলিছিল। প্ৰথমতে দহ-বাৰজনমান ল'ৰা হলে লাহে লাহে তাৰ সংখ্যা একেবাৰে কমি আহিছিল। ফলত ছাত্ৰৰ অভাৱত ক্লাচ বন্ধ কৰি দিবলগীয়া হৈছিল। শিক্ষা-বিভাগ এনে শিক্ষাৰ উন্নতি সম্বন্ধে উৎসাহী নোহোৱাত ১৯২০ চনত শিল্প বিভাগৰ তললৈ লৈ গৈছিল; কিন্তু অৱস্থাৰ কোনো উন্নতি নহ'ল। যোৰহাটত এটা কাৰিকৰী স্কুল খুলিলেও শাসকৰ উদাসীতাৰ ফলত ই এটা সৰ্বাঙ্গ সুন্দৰ কাৰিকৰী স্কুল হব পৰা নাছিল। ৰেলওৱে কাৰখানা, হাইস্কুলৰ লগতে ক্লাচ কেইটামান খুলিয়ে চৰকাৰ সন্তুষ্ট আছিল। অতি সাধাৰণ কামৰ কাৰণে এই ক্লাচত শিক্ষাপ্ৰাপ্ত ছাত্ৰসকলক নিয়োগ কৰাৰ কাৰণে তেওঁলোক সন্তুষ্ট নাছিল। বেছি সংখ্যক ল'ৰাই এই শিক্ষা লবলৈ অনিচ্ছুক আছিল।

১৯৪৭ চনৰ পিছত প্ৰসাৰ ঃ দেশ স্বাধীন হোৱাৰ পিছত আন শিক্ষাৰ লগতে কাৰিকৰী শিক্ষাৰ দুৰৱস্থাই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। এখন স্কুল যে অসমৰ কাৰণে একেবাৰে কম তাক বুজি চৰকাৰে স্কুল আৰু কলেজ স্থাপনত মনযোগ দিছিল। ১৯৪৭ চনৰ পৰা ১৯৬১ চনৰ ভিতৰত তলত দিয়া ধৰণে কলেজ আৰু স্কুল বাঢ়িছিল।

ইঞ্জিনিয়াৰিং কলেজ	....	২খন
পলিটেকনিকচ্‌	....	৭খন

বাণিজ্য সম্বন্ধীয় স্কুল	....	১৩খন
জৰীপ (চাৰ্ভে) স্কুল	....	১খন
বন প্ৰশিক্ষণ স্কুল	....	১খন
বয়ন শিক্ষানুষ্ঠান	....	১খন
টেক্সটাইল ইনষ্টিটিউট	....	১খন
শিল্পকলাৰ স্কুল	....	২খন
কৃষি স্কুল	....	১খন

ইঞ্জিনিয়াৰিং কলেজ আৰু স্কুল ঃ ১৯৫১-৫৬ চনত গুৱাহাটীত প্ৰথম ইঞ্জিনিয়াৰিং কলেজ স্থাপন কৰি বহুত বছৰৰ মূৰত অত্যন্ত প্ৰয়োজনীয় অনুষ্ঠান এটি স্থাপন কৰে। ইমান দিনে অসমৰ ল'ৰাক গুটামান জলপানী দি বেলেগ ৰাজ্যৰ কলেজত পঢ়িবলৈ পঠিয়াইছিল। বহুতো ল'ৰাৰ ইচ্ছা থাকিলেও এই শিক্ষা নিজৰ খৰচত লব নোৱাৰিছিল। এই কলেজ প্ৰথমে চিভিল ইঞ্জিনিয়াৰিং পাঠ্য তালিকাৰে আৰম্ভ কৰিলেও বৰ্তমান মেকানিকেল, ইলেট্ৰিকেল আৰু কেমিকেল পাঠ্য তালিকাও খুলিছে।

যোৰহাটৰ প্ৰিন্স অব ওৱেলচ ইনষ্টিটিউট অব টেকনলজিয়ে বহুত বছৰৰপৰা চুবছৰীয়া পাঠ্য তালিকাৰে ইলেকট্ৰিকেল আৰু মেকানিকেল বিষয়ত শিক্ষা দিছিল। এই অনুষ্ঠানটোক কলেজলৈ ৰূপান্তৰিত কৰাৰ প্ৰস্তাৱ বিভিন্ন ঠাইৰপৰা আহিছিল। ১৯৬০-৬১ চনত যোৰহাটতো এখন কলেজ স্থাপন হয়। প্ৰথমে চিভিল ইঞ্জিনিয়াৰিং পাঠ্য তালিকা আছিল। ক্ৰমান্বয়ে তাত মেকানিকেল, ইলেকট্ৰিকেল পাঠ্য তালিকাও আৰম্ভ কৰিছিল। ১৯৬৬-৬৭ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা তেওঁলোকে স্নাতকোত্তৰ শ্ৰেণী খোলাৰ অনুমতি পাই চিভিল ইঞ্জিনিয়াৰিংত স্নাতকোত্তৰ শ্ৰেণী খুলিছে।

কলেজৰ বাহিৰেও ৭খন পলিটেকনিক স্কুল খুলিছে। তাৰে ভিতৰত এখন হ'ল অকল ছোৱালীৰ কাৰণে। স্কুল লিভিং চাৰ্টি-ফিকেট পৰীক্ষা পাছ কৰাৰ পিছত চুবছৰৰ বাবে ল'ৰা-ছোৱালীয়ে এই

পাঠ্যক্ৰম লব পাৰে। এই স্কুলবোৰত ওভাৰচিয়াৰ, চৰ্টহেণ্ড আৰু টাইপিং, চাৰ্ভে আৰু ড্ৰয়িং আদি কৰি কেবাটাও পাঠ্যক্ৰম আৰম্ভ কৰিছে। ইয়াৰ বাহিৰেও প্ৰায় ১৬ খনমান শিল্প সম্বন্ধীয় স্কুল পাৰ্বত্য অঞ্চলত আৰু অসমৰ বিভিন্ন ঠাইত পাতিছে। ১৯৬৫-৬৬ চনত প্ৰায় ৬৩৪ জন ইঞ্জিনিয়াৰিং কলেজৰপৰা আৰু ৯৯৭ জন ডিপ্লোমা লোৱা ল'ৰা ওলাইছে। বৰ্তমান চৰকাৰে ইঞ্জিনিয়াৰিং পাছ কৰা ল'ৰাক কাম দিব পৰা নাই।

বাণিজ্য বিষয়ক স্কুল: অসমত টাইপিং আৰু চৰ্টহেণ্ড শিকোৱা বেচৰকাৰী শিক্ষানুষ্ঠান চৰকাৰৰ সহায় নোলোৱাকৈ স্থাপন কৰা হৈছিল। এইবোৰে নিজৰ ওপৰত নিৰ্ভৰ কৰিছিল। ১৯৫৯ চনত অসমত ২৩ খন স্বীকৃত স্কুল আছিল, তাৰে ভিতৰত মাত্ৰ ৬খনহে সাহায্যপ্ৰাপ্ত আছিল। কিন্তু ছাত্ৰৰ সংখ্যা স্কুল হিচাপে যথেষ্ট আছিল। ১৮৫৯ চনত ২৬৭ জনী ছোৱালীক লৈ ছাত্ৰৰ সংখ্যা আছিল ২৮৮৩ জন। সাধাৰণতে এইবোৰত চৰ্টহেণ্ড, টাইপ ৰাইটিং, হিচাপ ৰখা, কিতাপ ৰক্ষণ কৰা আদি বিষয় শিকোৱাৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰৰ অনুদান পালে এই স্কুলবোৰ আৰু উন্নত হোৱাৰ সম্ভাৱনা আছে। ১৯৬৩-৬৪ চনত তেনেকুৱা স্কুলৰ সংখ্যা বাঢ়ি ২৯খন আছিল। শিক্ষাৰ্থীৰ সংখ্যা আছিল, ১৭১১ জন।

জৰীপ স্কুল: চৰকাৰৰ তত্বাৱধানত আৰু পৰিচালনাত অসমৰ একমাত্ৰ জৰীপ স্কুলখন জালুকবাৰীত স্থাপন কৰা হৈছিল। এই স্কুলৰ মূল উদ্দেশ্য হৈছে মণ্ডল কাননগুসকলৰ মাটি জৰীপ কৰা আৰু ইয়াৰ সম্বন্ধীয় নানা ধৰণৰ হিচাপ ৰখাৰ প্ৰশিক্ষণ দিয়া। ১৯৫৯ চনত প্ৰায় ৩৯০ জন প্ৰশিক্ষাৰ্থীয়ে শিক্ষা লাভ কৰিছিল।

বন প্ৰশিক্ষণ স্কুল: বন সংৰক্ষণৰ বাবে বিভিন্ন কৰ্মচাৰীক প্ৰশিক্ষণ দিবলৈ এই স্কুলো জালুকবাৰীত স্থাপন কৰা হৈছিল। ১৯৫৮-৫৯ চনত মাত্ৰ ২০ জনে প্ৰশিক্ষণ লৈছিল।

বয়ন শিক্ষানুষ্ঠান (Textile Institute): গুৱাহাটীৰ

চৰকাৰী এম্পোৰিয়ামত বোৱা-কটা শিকোৱাৰ এখন স্কুল স্থাপন কৰিছিল। ইয়াকে আৰু উন্নত কৰি ১৯৫৬ চনত বয়ন শিক্ষানুষ্ঠান স্থাপন কৰে। এই অনুষ্ঠানত ২ বছৰৰ বাবে বয়ন শিল্প সম্বন্ধে উন্নত আৰু বিজ্ঞান সম্মত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। পাঠ্যক্ৰমৰ শেষ পৰীক্ষাত সফল হলে ডিপ্লোমা দিছিল। এই অনুষ্ঠান শিল্প বিভাগৰ তলত আছিল। ১৯৫৯ চনত প্ৰায় ১২৬ জন শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত শিক্ষা লাভ কৰিছিল। ইয়াত সাধাৰণতে তিনিবিধ বিষয় শিকোৱা হয়।

(১) বয়ন শিল্পৰ ডিপ্লোমা তিনি বছৰ ১৫ জনকৈ লোৱা হয়,
(২) চাৰ্টিফিকেট ক'ৰ্চ ২ বছৰৰ ৩০ " " "
(৩) হাতেবোৱা তাঁতৰ শিক্ষা ১ বছৰ ৩০ জনকৈ

১৯৬০ চনলৈ প্ৰায় ১৮ জনে ডিপ্লোমা, ১২৯ জনে চাৰ্টিফিকেট আৰু ৭৯ জনে ১ বছৰীয়া প্ৰশিক্ষণ পাইছিল। বছৰি ১৫ জনকৈ ডিপ্লোমা ক'ৰ্চত থকাতো ছাত্ৰৰ সংখ্যা তেনেই কম আছিল। ফলত বয়ন শিল্পানুষ্ঠানে খুব সাফল্য লাভ কৰা নাছিল। ইয়াত পাছ কৰা ল'ৰাৰ সন্তোষজনক উপাৰ্জনৰ সংস্থান নোলোৱাৰ বাবে শিক্ষাৰ্থীৰ সংখ্যাও কমি আহিছিল।

পাট পলু শিল্পানুষ্ঠান: তিতাবৰত থকা পাট-পলু সংৰক্ষণ শিল্পৰ স্কুলে ২ বছৰীয়া পাঠ্যক্ৰম আৰু এবছৰীয়া চাৰ্টিফিকেট দিয়া পাঠ্যক্ৰম খুলিছিল। কিন্তু শিক্ষাৰ্থীৰ সংখ্যা তেনেই কম হোৱাত ডিপ্লোমা পাঠ্যক্ৰম উঠাই দিছে। তাৰ সলনি বছৰে মহীশূৰত থকা ৩৫ জন শিক্ষাৰ্থীক সৰ্ব ভাৰতীয় পাট শিল্পানুষ্ঠানলৈ স্থিৰ কৰিছে।

তাঁত বোৱা প্ৰশিক্ষণৰ কেন্দ্ৰ: ১৯৬০ চনত গোটেই অসমতে ২১ টা তাঁতবোৱা প্ৰশিক্ষণৰ কেন্দ্ৰ আছিল। গাঁৱত এই কেন্দ্ৰসমূহে বেছি সমাদৰ পাইছিল কাৰণ ইয়াতে উন্নতি পদ্ধতিৰে সূতা কটা, তাঁত বোৱা, কাপোৰত ৰঙ দিয়া বা অঁকা আদি বিদ্যা শিকাইছিল। এই প্ৰশিক্ষণ এবছৰলৈ দিছিল। এই প্ৰশিক্ষণৰ মূল উদ্দেশ্য আছিল

প্ৰত্যেক শিক্ষাৰ্থীকে বোৱা-কটা জীৱিকাৰ বৃত্তি হিচাপে গ্ৰহণ কৰাৰ সুবিধা দিয়া। এনেকুৱা শিক্ষাত উৎসাহ দিবলৈ সকলো শিক্ষাৰ্থীকে জলপানী দিয়া হয়।

সুকুমাৰ কলাৰ স্কুল: ১৯৪৭ চনলৈ সুকুমাৰ কলাৰ শিক্ষাদানৰ কাৰণে কোনো চৰকাৰৰ স্বীকৃত স্কুল অসমত নাছিল। বৰ্ত্তমান অসম চৰকাৰৰ স্বীকৃত দুখন সুকুমাৰ কলাৰ স্কুল (Arts and craft স্কুল) আছে। ইয়াত সাধাৰণতে নৃত্য গান অঙ্কন আদি কেবাটাও সুকুমাৰ বৃত্তি শিকায়। ইয়াৰ বাহিৰেও প্ৰায় প্ৰত্যেকখন নগৰতে কেবাখনো বেচৰকাৰী স্কুল স্থাপন কৰা হৈছে। এই স্কুলবোৰ ছাত্ৰ-ছাত্ৰীৰ ফিজৰ ওপৰতে নিৰ্ভৰ কৰে।

কৃষি স্কুল: গুৱাহাটীৰ খানাপাৰাত স্থাপন কৰা কৃষি স্কুলে কৃষি বিভাগৰ কাৰণে প্ৰদৰ্শকৰ প্ৰশিক্ষণ দিয়ে। দুবছৰীয়া এই পাঠ্যক্ৰমে কৃষি বিভাগত শিক্ষাৰ্থীক চাকৰি সুবিধা দিয়ে কাৰণে এই স্কুলত প্ৰশিক্ষণ লোৱাৰ সংখ্যাও যথেষ্ট হয়। ১৯৫৬-৫৭ চনত ১০২ জন শিক্ষাৰ্থীয়ে ইয়াত প্ৰশিক্ষণ লৈছিল। কিন্তু খানাপাৰালৈ ভেটেৰিনেৰী কলেজ নিয়াৰ লগে লগে এই স্কুলো উঠি যায়।

বৃত্তিমূলক শিক্ষা: ব্যৱসায়ী শিক্ষা বুলিলে কেবা ধৰণৰ শিক্ষাৰ কথা বুজায়। কলেজ স্তৰত দিয়া এই শিক্ষাই এজন শিক্ষাৰ্থীক পঢ়াৰ শেষত চৰকাৰী চাকৰিৰ বাহিৰেও স্বাধীন ব্যৱসায় লোৱাৰ যোগ্যতা দিয়ে। এই শিক্ষা হৈছে—

(১) পশু চিকিৎসাৰ শিক্ষা। (৩) ডাক্তৰী শিক্ষা।
(২) আইন শিক্ষা। (৪) কৃষি শিক্ষা।

পশু চিকিৎসাৰ কলেজ: বিজ্ঞান সম্মতভাৱে পশু চিকিৎসা কৰিবলৈ আৰু এই চিকিৎসা অসমত জনপ্ৰিয় কৰাৰ আৱশ্যকতা বহুত দিনৰপৰা অনুভৱ কৰা হৈছিল। ১৯৪৮ চনৰ আগষ্ট মাহত গুৱাহাটীৰ পশুচিকিৎসাৰ অফিচত এখন কলেজ খোলে। প্ৰথমে জনপ্ৰিয় নহলেও বৰ্ত্তমানে ই অতি আৱশ্যকীয় শিক্ষা হিচাপে

পৰিগণিত হৈছে। প্ৰথমে তিনিবছৰীয়া ডিপ্লোমা পাঠ্যক্ৰম আৰম্ভ কৰিলেও ১৯৫৩ চনত ইয়াক ৪ বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমলৈ ৰূপান্তৰ কৰা হৈছে। বৰ্তমানে অসম কৃষি বিশ্ববিদ্যালয়ৰ তলত এটা অংশ-হিচাপে আছে।

আইন শিক্ষা:- ১৮৭০ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত আইন ক্লাচ আৰম্ভ কৰে। কিন্তু ছাত্ৰৰ সংখ্যা কমি যোৱাত ১৮৭৫ চনত ইয়াক বন্ধ কৰে। ১৮৯০ চনত গুৱাহাটী, শিৱসাগৰ, চিলেট আৰু শিলচৰত উকীল শিক্ষাৰ বাবে চৰকাৰী হাইস্কুল কেইটাত আইন ক্লাচ খোলে। এই ক্লাচবোৰ চলাবলৈ চৰকাৰে সাহায্য দিয়া নাছিল আৰু সম্পূৰ্ণ ফিজৰ ওপৰত চলিছিল। এই ক্লাচবোৰো শিক্ষকৰ অভাৱত ভাল দৰে নচলাৰ বাবে চৰকাৰৰ তত্ত্বাৱধানত এটা কলেজৰ অভাৱ সকলোৱে অনুভৱ কৰিছিল। চৰকাৰৰ ওচৰত এই বিষয়ে কেইবাবাৰো অসমৰ নেতাসকলে অভিযোগ তুলিছিল। পলমকৈ হলেও ১৯১৫ চনত চৰকাৰে এটা আইন কলেজ স্থাপন কৰে। এই কলেজৰ নাম সেই সময়ৰ চিফ্ কমিছনাৰ এ. আৰ্লৰ নামেৰে 'আৰ্ল ল' কলেজ" দিছিল। ল' কলেজ স্থাপন হোৱাৰ পিছত আইন ক্লাচবোৰত ছাত্ৰৰ সংখ্যা কমিবলৈ ধৰে আৰু শেষত ১৯১৯ চনত এই ক্লাচবোৰ উঠাই দিয়ে। ল'কলেজৰ প্ৰথম অধ্যক্ষ হয় স্বৰ্গীয় জ্ঞানাভিৰাম বৰুৱা।

আইন কলেজ অসমৰ বহুত দিনৰপৰা ভোগা আইনবিদৰ অসুবিধা বহুতখিনি দূৰ কৰে। কলিকতালৈ গৈ আইন পঢ়িব লগীয়া হোৱাত মাত্ৰ কেইজনমানেহে নিজৰ ধন ভাঙি সেই শিক্ষা লৈছিল। অসমীয়া উকীলৰ সংখ্যা তেনেই কম আছিল। কিন্তু আইন কলেজ হোৱাৰ-পৰা কোনো অসুবিধা নোহোৱাকৈ বহুতো স্থানীয় লোকক আইন শিক্ষা দিয়াত সক্ষম হৈছিল।

স্বাধীনতাৰ পিছৰেপৰা আইন শিক্ষাক আৰু প্ৰসাৰ কৰাৰ দাবী অসমৰ বিভিন্ন ঠাইৰপৰা আছে। প্ৰথমে আইন কলেজ হলেও

১৯৪৭ চনত ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ তললৈ আহে। প্ৰথমে ৰাতিপুৱা আৰু পিছলৈ গধূলি ক্লাচ হোৱাৰ বাবে ই কাম কৰা মানুহকো আইন শিক্ষা লাভ কৰাৰ সুবিধা দিছিল। স্বাধীনতাৰ পিছত আইনৰ জ্ঞান সকলো ক্ষেত্ৰতে আৰু বেছি প্ৰয়োজন হোৱাৰ বাবে লাহে লাহে বিভিন্ন ঠাইৰপৰা আইন কলেজ পতাৰ দাবী কৰিবলৈ ধৰিলে ; ফলত যোৰহাট, ছিলং, গুৱাহাটী, শিলচৰ, ধুবুৰী, ডিব্ৰুগড় আদি ঠাইত আইন কলেজ স্থাপন হ'ল। ১৯৫৯ চনত মাত্ৰ এখন কলেজ আছিল আৰু ছাত্ৰৰ সংখ্যা আছিল মাত্ৰ ৩৭৪ জন। কিন্তু ১৯৭০ চনত প্ৰায় ৬খন আইন কলেজ স্থাপন হৈছে আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এহেজাৰতকৈও বেছি।

ডাক্তৰি শিক্ষা : অসমত ডাক্তৰি শিক্ষাৰ ব্যৱস্থা কৰা হয় স্কুল এখন স্থাপন কৰি। ডিব্ৰুগড়ৰ ডাঃ জন বেৰী হোৱাইট নামৰ ইংৰাজ ডাক্তৰ এজনে ডাক্তৰি স্কুল এখন খোলাৰ বাবে কিছু টকা দান কৰি থৈ যায়। ১৯০০ চনত বেচৰকাৰী শিক্ষালয় হিচাপে এই স্কুলখন ডিব্ৰুগড়ত স্থাপন কৰে। ১৯০২ চনতহে চৰকাৰে ইয়াৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব লয়। ভাৰতত থকা ১২খন ডাক্তৰি স্কুলৰ ভিতৰত এইখন এখন উচ্চখাপৰ স্কুল হিচাপে পৰিগণিত হলেও চৰকাৰে ইয়াক কলেজলৈ ৰূপান্তৰিত কৰাৰ কথা ভবা নাছিল। স্কুলৰ নিজৰ ঘৰবাৰী, আধুনিক যন্ত্ৰপাতি আৰু এক্সৰেৰ সুবিধা থকা সত্বেও ১৯৪৭ চনলৈ ইয়াক স্কুল হিচাপে ৰাখিছিল। হস্পিতাল, ডিচপেন্সেৰীত দক্ষ মানুহক নিযুক্তি দিবলৈ ইয়াত শিক্ষা দিয়া হৈছিল।

কলেজ স্থাপন : স্বাধীনতাৰ পিছত প্ৰত্যেক ৰাজ্যতে শিক্ষা পদ্ধতি সম্পূৰ্ণৰূপে গঢ়ি তোলাত জোৰ দিয়া হৈছিল। ১৯৪৭ চনত বেৰী হোৱাইট স্কুলক অসম মেডিকেল কলেজ হিচাপে ৰূপান্তৰিত কৰা হ'ল। ১৯৬০ চনত গুৱাহাটীতো কলেজ স্থাপন হয় আৰু ইয়াৰ পিছতেই শিলচৰত সেই অঞ্চলৰ অভাৱ দূৰ কৰিবলৈ আন

এখন কলেজ খোলে। ১৯৬০ চনত ডিব্রুগড় আৰু গুৱাহাটীত ক্ৰমান্বয়ে বছৰি ১১০ আৰু ১০০ শিক্ষাৰ্থী লোৱাৰ ব্যৱস্থা কৰে। এই কলেজত ৫ বছৰ ৬ মাহ শিক্ষা লাভ কৰি বিশ্ববিদ্যালয়ৰ শেষ পৰীক্ষা পাছ কৰিলে এম. বি, বি. এছ. উপাধি দিয়া হয়। গুণানুযায়ী বছৰি ১২ টা জলপানী কলেজে প্ৰতি দিয়াৰ বাহিৰেও মেট্ৰিকৰ পিছত পোৱা কেবাটাও জলপানী শিক্ষাৰ্থীসকলক দিয়া হয়। ইয়াৰ বাহিৰেও অনুন্নত সম্প্ৰদায় আৰু পাছ পৰা পৰ্বতীয়া জাতিৰ বাবে বেলেগে জলপানী দিয়া হয়। ডিব্রুগড় আৰু গুৱাহাটীত বৰ্তমানে স্নাতকোত্তৰ শ্ৰেণীও খোলা হৈছে।

কৃষি কলেজ : ১৯৪৮ চনত যোৰহাটত কৃষি কলেজ স্থাপন কৰি তাত ডিগ্ৰীলৈকে পঢ়োৱাৰ ব্যৱস্থা কৰিছিল। ১০০ জন বছৰি ল'বা লোৱাৰ ব্যৱস্থা কৰিলেও ১৯৫১-৫২ চনত মাত্ৰ ১৪ জন আৰু ১৯৬০-৬১ চনত মাত্ৰ ৩৩ জনে ডিগ্ৰী লৈছিল। ১৯৬০ চনত এগ্ৰণ'মীত স্নাতকোত্তত শ্ৰেণীও খুলি কৃষি শিক্ষা উন্নত কৰা হয়। বৰ্তমানে কৃষি বিশ্ববিদ্যালয় খুলি কৃষি শিক্ষাৰ উন্নতিকৰণ আৰু গবেষণা কৰাবো সুবিধা দিয়া হৈছে।

কৃষি বিভাগৰ তলৰ কৰ্মচাৰীক প্ৰশিক্ষণ দিবলৈ চাৰিটা কেন্দ্ৰ খোলা হৈছে। প্ৰশিক্ষণ দুবছৰৰ কাৰণে দি ডিপ্লোমা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ডিপ্লোমা পাবলৈ শিক্ষাৰ্থীয়ে এটা পৰীক্ষা দিব লাগে।

কাৰিকৰী শিক্ষাৰ সমস্যা আৰু উন্নতি কৰণ : স্বাধীনতাৰ পিছৰেপৰা কাৰিকৰী আৰু ব্যৱসায়ী শিক্ষাৰ প্ৰসাৰ আৰু উন্নতি কৰণত বেছি জোৰ দিলেও ইয়াত তিমান সফল হোৱা নাই। অসমৰ অৰ্থনৈতিক অৱস্থা দ্ৰুত পৰিবৰ্তন নোহোৱাৰ বাবে আৰু শিল্প আৰু বৈজ্ঞানিক ভিত্তিত স্থাপিত অনুষ্ঠানৰ প্ৰসাৰ নোহোৱাৰ বাবে দক্ষ শিক্ষিত যুৱকে চাকৰিৰ অভাৱত নিবনুৱা হৈ থাকিব লগা হৈছে। ইঞ্জিনিয়াৰিং শিক্ষা লাভ কৰা হাজাৰবো অধিক ল'ৰাই চাকৰিৰ অভাৱত আজি বহি থাকিব লগীয়া হৈছে। কাৰিকৰী

অনুষ্ঠান আৰু শিল্পৰ উন্নতি কৰণ আৰু প্ৰসাৰত চৰকাৰে বেছি জোৰ দিব লাগিব যাতে সুদক্ষ শিক্ষিত ল'ৰাক নিয়োগ কৰিব পাৰি। ৰাজ্যখনত শিল্পৰ উন্নতিত জোৰ নিদিলে অৰ্থনৈতিক উন্নতি নহ'ব আৰু কাৰীকৰি শিক্ষাৰো প্ৰসাৰ নহ'ব। পশ্চিমীয়া দেশসমূহৰ তুলনাত আমাৰ কাৰিকৰী শিক্ষা বহুতো পাছ পৰা। কাৰিকৰী শিক্ষা উন্নতিকৰণৰ বাবে তলৰ বিষয়বোৰলৈ চকু দিব লাগে।

(১) আমাৰ সমাজত এতিয়াও কৰ্মদক্ষ মানৱশক্তিৰ অভাৱ। কোনো শিল্প উদ্যোগ খুলিলে সদায় বাহিৰৰপৰা দক্ষ মানুহ আনিব লাগে। গতিকে কোনো উদ্যোগ খোলাৰ আগতে সেই উদ্যোগত লগা পাঠ্যক্ৰম কোনো স্কুল বা কলেজত খুলিব লাগে, যাতে কাৰিকৰী বিদ্যাত প্ৰশিক্ষণপ্ৰাপ্ত স্থানীয় লোক পোৱা যায়। এতিয়াও অসমত উন্নত কাৰিকৰী স্কুল বা কলেজ খুলিবলৈ বাকী আছে। অসম চাহৰ বাবে বিখ্যাত হলেও এতিয়াও চাহ শিল্পৰ স্কুল বা কলেজ খোলা হোৱা নাই। সেইদৰে বনসম্পদৰ সংৰক্ষণৰ শিক্ষা দিবলৈ এখন কলেজ বা গৱেষণাগাৰ নাই। সমাজৰ অভাৱ অনুযায়ী নতুন নতুন অনুষ্ঠান নুখুলিলে মানৱ শক্তিৰো অপচয় হব আৰু শিল্পৰো উন্নতিত বাধা পৰিব।

(২) পাঠ্যক্ৰমৰ উন্নতি কৰণ ঃ পশ্চিমীয়া দেশসমূহৰ তুলনাত আমাৰ দেশৰ কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰম তেনেই পাছ পৰা। শিল্প উদ্যোগৰ উপযোগী কৰি পাঠ্যক্ৰম প্ৰায়ে সলনি কৰি থাকিলে শিক্ষাৰ্থীৰো উপকাৰ হব আৰু উদ্যোগসমূহ লাভবান হব। নতুন নতুন পাঠ্যতালিকাও আৱশ্যক অনুযায়ী অনুষ্ঠানত সুমুৱাব লাগে।

(৩) উদ্যোগৰ লগত সহযোগ ঃ ব্যৱহাৰিক জ্ঞান নাথাকিলে গ্ৰন্থজ্ঞানে যে কাৰিকৰী শিক্ষাত বেছি সহায় নকৰে তাক উপলব্ধি কৰিয়ে আজি পশ্চিমীয়া দেশসমূহত শিল্প উদ্যোগ আৰু শিক্ষানুষ্ঠানৰ ভিতৰত অভিন্ন সম্বন্ধ গঢ়ি উঠিছে। ইয়াত অৱশ্যে চৰকাৰৰো সহযোগ আছে। উদ্যোগে কেনেধৰণৰ কৰ্মদক্ষ মানুহ বিচাৰে আৰু কি কি

বিষয় পঢ়ুৱাৰ লাগে তাক আলোচনা কৰি স্কুলে তেনেধৰণৰ পাঠ্যক্ৰম কলেজত আগবঢ়ায়। প্ৰকৃত অভিজ্ঞতা আৰু জ্ঞান লাভ কৰিবলৈ সেই উদ্যোগবোৰলৈ শিক্ষাৰ্থীসকলক পঠিয়ায়। উদ্যোগৰ সহায় নহলে ব্যৱহাৰিক জ্ঞান দিব নোৱাৰি। তাৰ উপৰি লব্ধ জ্ঞানৰ উন্নতি সাধন কৰিবলৈ আৰু আধুনিকৰণ কৰিবলৈ গধূলি সময়ত কৰ্মীসকলৰ বাবে এই উদ্যোগ বা কলেজে ক্লাচ খুলিব লাগে। পুনঃ চৰ্চা পাঠ্যক্ৰম (refresher course) আৰু অবিৰত (continuous) পাঠক্ৰম খুলিব লাগে।

(৪) **উন্নত কাৰখানাৰ আৱশ্যকতা ঃ** কাৰিকৰী শিক্ষাত ব্যৱহাৰিক জ্ঞান দিবলৈ উন্নত সা-সৰঞ্জামেৰে সৈতে ডাঙৰ আৰু স্বয়ং-সম্পূৰ্ণ কাৰখানা প্ৰত্যেক কৰিকৰী শিক্ষানুষ্ঠানতে প্ৰয়োজন।

(৫) **অভিজ্ঞতাপূৰ্ণ আৰু যোগ্যতাসম্পন্ন শিক্ষকৰ নিযুক্তি ঃ** যোগ্যতাসম্পন্ন উপযুক্ত লোকে উদ্যোগ বা চৰকাৰৰ চাকৰি কৰিবলৈ ভাল পায়, কিন্তু কলেজ বা অনুষ্ঠানলৈ আহিব নোখোজে। কাৰণ শিক্ষানুষ্ঠানসমূহত দৰমহা বহুত কম। এনেকুৱা যোগ্যতাসম্পন্ন মানুহক সৰহ দৰমহা দি হলেও নিয়োগ কৰিব লাগে। শিল্পৰ লগত সম্বন্ধ থকা প্ৰশাসনীয় বিষয়াক আংশিকভাৱে হলেও শিক্ষাদানত ৰাখিব লাগে।

(৬) **গবেষণাগাৰ স্থাপন ঃ** শিল্পৰ উন্নতি সাধন কৰিবলৈ সদায় গবেষণাগাৰৰ প্ৰয়োজন। অসমত এই অনুষ্ঠানৰ একেবাৰে অভাৱ। যি কেইটা শিল্পৰ উন্নতি কৰাৰ সম্ভাৱনা আছে সেই শিল্পৰ গবেষণাগাৰৰ অতিশয় প্ৰয়োজন। কাৰিকৰী শিক্ষাৰ উন্নতি সাধনৰ কাৰণে বেলেগ প্ৰশাসনীয় বিভাগ খুলি স্কুল, শিক্ষানুষ্ঠান, কলেজ আৰু বিশ্ববিদ্যালয়ৰ স্তৰত যাতে উন্নত কাৰিকৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰে তালৈ চকু দিব লাগে। অসমত কাৰিকৰী শিক্ষাৰ বেলেগে বিভাগ এটি খুলিছে আৰু ডিৰেক্টৰক মুৰুব্বী হিচাপে লৈ এটি প্ৰশাসনীয় বিভাগো হৈছে। কিন্তু শিক্ষাৰ উন্নতি কিমানদূৰ

সফল হয় সি নিৰ্ভৰ কৰে আৰ্থিক সচ্ছলতা, চৰকাৰ, উদ্যোগ আৰু শিক্ষানুষ্ঠানৰ সহযোগত আৰু প্ৰশাসনত থকা লোকসকলৰ একনিষ্ঠতা আৰু আন্তৰিকতাৰ ওপৰত।

প্ৰশ্ন

১। অসমৰ কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ প্ৰগতিৰ বিষয়ে লিখা।

২। কি কি অনুষ্ঠান বৃত্তিমূলক শিক্ষাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছে ?

৩। অসমৰ কাৰিকৰী শিক্ষাৰ সমস্যাৰ বিষয়ে লিখা। কি কি উপায়েৰে ইয়াৰ উন্নতিসাধন কৰিব পাৰি ?

নৱম অধ্যায়

সামাজিক শিক্ষাৰ প্ৰসাৰ

এসময়ত বয়সীয়াল মানুহক শিক্ষা দিয়াৰ কথাটো শিক্ষাব্যৱস্থাৰ ভিতৰত ধৰা নাছিল। ইংৰাজৰ শাসনকালত চৰকাৰে বয়স্ক শিক্ষাৰ প্ৰতি তেনেই উদাসীন আছিল। অসমত প্ৰথম মিছনাৰীসকলে পুৰুষ-মহিলাক শিক্ষা দিবলৈ মিছন প্ৰতিষ্ঠা কৰাৰ লগে লগে ক্লাচ খুলিছিল। তিৰোতাৰ কাৰণে 'জনানা ক্লাচ' খুলি বয়স্কা তিৰোতাক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। উনৈশ শতিকাত ৰক্ষণশীল সমাজত সম্ভ্ৰান্ত বংশৰ তিৰোতাই বাহিৰ ওলাই শিক্ষা লোৱাতো অতি দোষনীয় বুলি গণ্য কৰা সত্বেও মিছনাৰীৰ ঘৈণীয়েকসকলে ঘৰে ঘৰে গৈ তিৰোতাসকলক শিক্ষা দিয়াতো অতিশয় প্ৰসংসনীয় কাম কৰিছিল। লাহে লাহে 'জানানা স্কুলত' শিক্ষাৰ্থীৰ সংখ্যা কমি আহিলেও 'বয়স্কা শিক্ষাৰ' গুৰি ধৰোঁতা হিচাপে মিচেছ ব্ৰনচনকে আদি কৰি মিছনাৰী ঘৈণীয়েকসকলৰ নাম লব লাগিব।

প্ৰাথমিক শিক্ষাৰ শামুকীয়া প্ৰসাৰৰ প্ৰধান কাৰণ মাক-বাপেকৰ অজ্ঞতা আৰু উদাসীনতা হোৱাৰ কাৰণে কুৰি শতিকাৰ প্ৰথম দশকৰ পিছৰপৰা বয়স্ক শিক্ষাৰ প্ৰতি চৰকাৰে অলপ চকু দিছিল।

বয়স্কসকলৰ বাবে প্ৰথম ডোখৰৰ আখৰ পৰিচয়ৰ ক্লাচ, চমু বক্তৃতা, ছবি দেখুৱাই শিক্ষা দিয়া, আৰু সভা পাতি শিক্ষাৰ আৱশ্যকতা সম্বন্ধে বক্তৃতা দিয়া আদি কাম কৰিলেও শিক্ষাৰ্থীৰ উদাসীনতা আৰু চৰকাৰৰ নামমাত্ৰ অৰ্থ সাহায্যৰে সেইবোৰ চলোৱা অসম্ভৱ হৈ পৰিছিল। তথাপি চুৰমা উপত্যকাত নিশাৰ স্কুলৰ সংখ্যা ব্ৰহ্মপুত্ৰ উপত্যকাতকৈ বহুত বেছি আছিল।

১৯৩৫ চনত চুৰমা উপত্যকাত ৰাতি শিকা স্কুলৰ সংখ্যা আছিল ৮৩ খন, কিন্তু আনটোত আছিল মাত্ৰ ৬ খনহে। ইংৰাজ চৰকাৰেও

ইয়াক বঢ়োৱা বা উন্নত কৰাৰ কোনো দায়িত্ব লোৱা নাছিল আৰু বিশেষ টকা খৰচ কৰাৰ আৱশ্যকতা অনুভৱ নকৰিছিল। ১৯৩৬ চনত ১,০০০ টকাৰ এটা বিশেষ সাহায্য বয়স্ক শিক্ষাৰ কাৰণে মঞ্জুৰ কৰিছিল। কিন্তু সেই টকাখিনি মুছলমান শিক্ষামন্ত্ৰী এজনে 'মহম্মদান শিক্ষাৰ' নামত খৰচ কৰি পেলায়। ফলত কেবাটাও ক্লাচ অৰ্থ সাহায্যৰ অভাৱত বন্ধ হবলৈ বাধ্য হৈছিল। ফলত বয়স্ক শিক্ষাৰ প্ৰসাৰতো বাধা পাইছিল। স্বাধীনতাৰ আগলৈকে বয়স্কসকলৰ শিক্ষাৰ প্ৰতি বিশেষ মনযোগ নিদিয়াত ই বিশেষ উন্নতি কৰিব পৰা নাছিল।

স্বাধীনতাৰ পিছত বয়স্ক শিক্ষাৰ উন্নতি ঃ স্বাধীনতাৰ পিছৰে পৰা প্ৰত্যেক ৰাজ্যতে প্ৰাথমিক আৰু বয়স্ক শিক্ষাৰ প্ৰতি বিশেষ মনযোগ দিয়া হৈছিল। যি দেশত আধাতকৈও অধিক জনসংখ্যা নিৰক্ষৰ, তাত এই দুবিধ শিক্ষাৰ ওপৰত জোৰ দিয়া অতিশয় আৱশ্যকীয় বুলি অনুভৱ কৰিছিল। গণতান্ত্ৰিক দেশ এখনত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমতা বজাই ৰাখিবলৈ আৰু ইয়াৰ উন্নতি সাধন কৰিবলৈ বয়স্ক শিক্ষাৰ প্ৰয়োজন। পৰাধীনতাৰ সময়তকৈ স্বাধীন দেশত সকলো নাগৰিকক শিক্ষিত, সচেতন, তৎপৰ, কৰ্মঠ আৰু কৰ্মদক্ষ কৰিবলৈ শিক্ষাৰ আৱশ্যকতা অনুভৱ কৰিছিল।

ভাৰতৰ নিচিনা অৰ্থনৈতিক ক্ষেত্ৰত পাছ পৰা কৃষি প্ৰধান দেশ এখনত, কৃষিৰ উন্নতিৰ বাবে নতুন পদ্ধতি, বৈজ্ঞানিক সা-সঁজুলি গ্ৰহণ কৰাৰ মনোবৃত্তি লব লাগে। পুৰণি অন্ধ বিশ্বাস আৰু সংস্কাৰ বাদ দি নতুন নিয়মেৰে উন্নত খেতি কৰাত চৰকাৰে উৎসাহ দেখুৱাব লাগে। তাৰ উপৰি গাঁৱৰ মানুহে সামাজিক আৰু পাৰিবাৰিক স্বাস্থ্যনীতি কিছুমান মনাৰ বাবে শিক্ষা লাভ কৰিব লাগে। পানীত একেটা পুখুৰীতে কাপোৰ ধোৱাৰপৰা খোৱা পানী নিয়াটো কিমান অস্বাস্থ্যকৰ তাক বহুতো গাঁৱত বুজি পোৱা নাই। গাঁৱৰ সমস্যাসমূহ শান্তিপূৰ্ণভাৱে কেনেকৈ সমাধান কৰিব লাগে তাকো

তেওঁলোকে শিকিব লাগে। দুঘৰৰ ভিতৰত সাধাৰণ কথাতে দন্দ লাগি পিছলৈ দুদলৰ মাজত মাৰামাৰি, কটা-কটি কৰাতকৈ শান্তিপূৰ্ণভাৱে কেনেকৈ কোনো বিভেদ সমাধান কৰিব লাগে সেই বিষয়ে শিক্ষা দিব লাগে। সমস্যা সমাধানৰ বাবে গাঁৱে গাঁৱে পঞ্চায়তৰ সৃষ্টি কৰিলেও বহুতো ক্ষেত্ৰত মেম্বৰসকল শিক্ষিত নোহোৱাৰ বাবে পঞ্চায়তেই বিবাদৰ কেন্দ্ৰস্থল হৈ পৰে।

নতুন সমাজ ব্যৱস্থা আৰু ৰাজনৈতিক সংগঠনে বয়স্কসকলৰ শিক্ষাৰ উদ্দেশ্যও বেলেগ বেলেগ কৰিছে। স্বাধীনতাৰ পিছৰেপৰা বয়স্কসকলক অকল সাক্ষৰ কৰাই নহয়, তেওঁলোকক সচেতন, দক্ষ আৰু কৰ্মনিপুন নাগৰিকো কৰিব লাগে।

বয়স্ক শিক্ষাৰ নামান্তৰ: পশ্চিমীয়া দেশসমূহত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিছে। চোভিয়েট ৰাছিয়া কমিউনিষ্ট পাৰ্টিৰ অধীনলৈ অহাৰ পিছতে চৰকাৰে প্ৰায় শতকৰা ৮০জন বয়স্কক সাক্ষৰ কৰাৰ বাহিৰেও ৰাজনৈতিক, সামাজিক আৰু নতুন অৰ্থনীতিৰ জ্ঞান দানৰ বাবে বাধ্যতামূলক বয়স্ক শিক্ষাৰ ব্যৱস্থা কৰে। ফলত নিৰক্ষৰতা দূৰীকৰণ অভিযান অতি সোনকালে সফল হয়।

স্বাধীনতাৰ পিছৰেপৰা ভাৰতৰ বিশাল নিৰক্ষৰ জনসংখ্যালৈ লক্ষ্য ৰাখি ভাৰত চৰকাৰেও বয়স্ক শিক্ষাৰ ওপৰত জোৰ দিছিল। ২০০ বছৰ পৰাধীনতাত থকা ভাৰতৰ মানুহৰ মনোভাব, দৃষ্টিভঙ্গী, জীৱনদৰ্শন আৰু আচাৰ ব্যৱহাৰৰ পৰিবৰ্তনৰ প্ৰয়োজন হৈ পৰিছে। ১৯৪৯ চনত মৌলানা আব্দুল কালাম আজাদে এখন মিটিঙত ঘোষণা কৰিছিল যে বয়স্কক সাক্ষৰ কৰাই বয়স্ক শিক্ষাৰ একমাত্ৰ উদ্দেশ্য নহয়, প্ৰত্যেককে এজন উপযুক্ত নাগৰিক কৰি গঢ়ি সমাজ সংস্কাৰত জোৰ দিয়াব লাগে। এলাহাবাদত হোৱা নিখিল ভাৰত বুনিয়াদী শিক্ষা সন্মিলনত লোৱা প্ৰস্তাৱৰপৰা বয়স্ক শিক্ষাৰ নামান্তৰ ঘটে আৰু ই সামাজিক শিক্ষা নামে জনাজাত হয়।

সমাজ শিক্ষাৰ উদ্দেশ্য: ১৩৬১ চনলৈকে ভাৰতত সাক্ষৰৰ

সংখ্যা আছিল মুঠেই ২৩.৭ জন মাত্ৰ; তাৰে শতকৰা ১২.৮ গৰাকী মহিলা আৰু শতকৰা ৩৩.৯ জন পুৰুষ। গতিকে এই শিক্ষাৰ প্ৰধান উদ্দেশ্য আছিল নিৰক্ষৰতা দূৰ কৰা। ইয়াৰ বাহিৰেও সামাজিক শিক্ষাৰ কেবাটিও উদ্দেশ্য আছিল, যেনে:

(১) **নিৰক্ষৰতা দুৰীকৰণ:** স্কুল বা কেন্দ্ৰ খুলি বয়স্কক শিক্ষাদান কৰিব লাগে।

(২) **বিজ্ঞান সম্মত স্বাস্থ্যনীতিত জ্ঞান দান, সমাজ উন্নয়ণত অংশ গ্ৰহণ:** অজ্ঞানতাৰ কাৰণেই হওক বা দৰিদ্ৰতাৰ কাৰণে হওক গাঁৱৰ মানুহে নিজৰ আৰু সামাজিক জীৱনত বৈজ্ঞানিক স্বাস্থ্যনীতি মানি নচলে। পুৰণি কালৰ নীতি নিয়ম, অন্ধবিশ্বাসক ধ্ৰুব সত্য বুলি মানি কোনো প্ৰতিবাদ নকৰাকৈ পালন কৰে। ইয়াৰ ফলত শৰীৰ ঘুণীয়া হয় আৰু গাঁও পৰিষ্কাৰ হৈ নাথাকে। গাঁৱক উন্নত কৰিবলৈ নাদ পুখুৰীক ভাল দৰে ৰাখিবলৈ আৰু ল'ৰা-ছোৱালীক ভাল দৰে ডাঙৰ দীঘল কৰিবলৈ শিক্ষাৰ অতিশয় প্ৰয়োজন হৈ পৰিছে।

(৩) **ৰাজনৈতিক কামত অংশ গ্ৰহণ:** কোনো কামত নেতৃত্ব লবলৈ সেই কামৰ বিষয়ে ভাল দৰে জানিবলৈ, নিজ বিচাৰ বুদ্ধিমতে ভোটদান কৰিবলৈ, স্বাধীন নাগৰিক হিচাপে নিজৰ কৰ্তব্য আৰু অধিকাৰ সম্বন্ধে সচেতন হবলৈ আৰু সামাজিক কামত আগভাগ লবলৈ, মিলাপ্ৰীতি, সহযোগ আৰু সদইচ্ছাৰে কেনেকৈ ৰাজনৈতিক, সামাজিক কাম কৰিবলৈ বিশেষ ধৰণৰ শিক্ষাৰ আজি অতিশয় প্ৰয়োজনীয় হৈ পৰিছে। গণতান্ত্ৰিক দেশ এখনত বিশেষ ধৰণৰ মনোবৃত্তি, আচাৰ ব্যৱহাৰ, আদৰ্শ, অভ্যাস দৃষ্টিভঙ্গী গঠন কৰাৰ প্ৰয়োজন। সকলোৰে সহযোগত কোনো কাম এটা কৰা গণতান্ত্ৰিক পদ্ধতিৰ নিয়ম। সেইকাম সকলোৰে লগত আলোচনা কৰি বেছি সংখ্যক লোকৰ মতক আচল মত বুলি ধৰি সকলোৰে সহযোগ কেনেকৈ পাব পাৰি তাক জানিব লাগে। গাঁৱৰ বয়স্ক নাগৰিকসকলক

আগৰ দৃষ্টিভঙ্গী সলনি কৰি নতুনকৈ লবলৈ বিশেষ শিক্ষাৰ দিহা কৰিব লাগে।

(৪) **আজৰি সময়ৰ সদব্যৱহাৰঃ** আমোদ প্ৰমোদৰ কাৰণে বিভিন্ন কাৰ্যাৱলীৰ ব্যৱস্থা কৰাৰ উপৰিও আজৰি সময়ত নতুন কাম বা বৃত্তি শিকিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আধুনিক পদ্ধতিত কুটিৰ শিল্প কেনেকৈ উন্নত কৰিব পাৰে তাক শিকোৱাৰ ব্যৱস্থাও কৰিব লাগে।

সমাজ-শিক্ষ.ৰ প্ৰসাৰৰ বাবে অনুষ্ঠানৰ প্ৰয়োজনঃ সমাজ শিক্ষাৰ এই কেইটা উদ্দেশ্য সফল কৰিবলৈ হলে বিশেষ অনুষ্ঠান আৰু সংস্থানৰ প্ৰয়োজন।

সাক্ষৰৰ শ্ৰেণীঃ একেবাৰে নিৰক্ষৰসকলক পঢ়া, লিখা আৰু অঙ্ক কৰাৰ দক্ষতা বঢ়াবলৈ এনে ধৰণৰ শ্ৰেণীৰ প্ৰয়োজন। বয়স্কসকলৰ আজৰি সময়ত বিশেষকৈ গধূলি পৰত এনে শিক্ষাৰ শ্ৰেণী খোলা উচিত। স্কুল ঘৰত, লাইব্ৰেৰী ঘৰত বা কোনোবা মানুহৰ ঘৰত এনে ধৰণৰ শ্ৰেণীয়ে সাক্ষৰৰ সৃষ্টি কৰাত সহায় কৰে।

বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠানঃ অলপ পঢ়ি এৰি দিয়া আৰু উচ্চ শিক্ষাত ধাউতি দেখুৱা সকলৰ বাবে আৰু কাৰিকৰসকলক বিশেষ উন্নত শিক্ষা দিবলৈ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰয়োজন। খেতিয়ক-সকলক উন্নত খেতিৰ প্ৰণালী, উন্নত বীজ ৰোপন, সাৰ প্ৰয়োগ আদি আধুনিক আৰু বৈজ্ঞানিক প্ৰণালীৰ বিষয়ে জ্ঞান দিবলৈও স্কুলৰ প্ৰয়োজন।

সমাজ সেৱা আৰু আমোদ প্ৰমোদৰ কেন্দ্ৰঃ গাঁৱৰ উন্নতিৰ কাৰণে সমাজ সেৱাৰ ব্যৱস্থা কৰিব লাগে আৰু লগতে আমোদ প্ৰমোদৰ কাৰণে বিভিন্ন ধৰণৰ খেলৰ সঁজুলি সামাজিক কেন্দ্ৰত গোটাই থব লাগে। কুটিৰ শিল্পৰ উন্নত প্ৰণালীও এনেধৰণৰ কেন্দ্ৰত শিকোৱাৰ ব্যৱস্থা কৰিব লাগে।

ৰেডিঅ', কথাছবি আদিৰ ব্যৱহাৰঃ ৰেডিঅ', কথাছবি,

ম্যাজিকলেণ্টাৰ্ণ আদিক শিক্ষাৰ মাধ্যম হিচাপে লব পাৰি। ৰেডিঅ'ত দিয়া শিক্ষা আৰু মনোগ্ৰাহী হব কথাছবিৰ মাজেৰে চাই। ম্যাজিকলেণ্টাৰ্ণকো শক্তিশালী শিক্ষাৰ আহিলা বুলি গণ্য কৰিব পাৰি।

প্ৰদৰ্শনী, মেলা, শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা ঃ মানুহে দেখি, শুনি আৰু অভিজ্ঞতাৰ মাজেৰে কথা শিকে কাৰণে প্ৰদৰ্শনী, ভ্ৰমণ আদিৰ ব্যৱস্থা কৰিব লাগে। আন ঠাইত দেখা উন্নতিয়ে এজন মানুহক নিজৰ ঠাইৰ উন্নতিৰ কাৰণে ভাবিবলৈ শিকায়।

সভাসমিতিৰ ব্যৱস্থা ঃ বক্তৃতাৰ যোগেদি স্বাস্থ্য, কৃষি, কুটিৰ শিল্প আৰু সমবায়মূলক কামত প্ৰেৰণা দিয়াৰ ব্যৱস্থা কৰিব পাৰে। সম্মানীয় আৰু নেতৃস্থানীয় মানুহে গুৰুত্ব বিষয় সম্বন্ধে ফহিয়াই তাৰ সমাধানৰ কথা কলে গাঁৱৰ মানুহ বহুতখিনি উপকৃত হব। আলোচনা আদিৰ মাজেৰে গাঁৱৰ সমস্যা সমাধানৰ পথ উলিয়াব লাগে।

সমাজ শিক্ষাৰ সংগঠন ঃ ১৯৪৯ চনত বুনিয়াদী শিক্ষা সম্মিলন এলাহাবাদত পতা হয় মৌলানা কালাম আজাদৰ উদ্যোগত। ইয়াত ১ কোটি টকা খৰচ সম্বন্ধে আলোচনা কৰা হয়। এই সম্মিলনত ১০ লক্ষ টকা কেন্দ্ৰীয় কৰ্মপন্থা অনুসৰণ কৰাত আৰু ৯০ লক্ষ টকা বিভিন্ন প্ৰদেশত ব্যয় কৰাৰ কথা স্থিৰ কৰা হয়। এই সম্মিলনৰ প্ৰস্তাৱ অনুযায়ী কেন্দ্ৰীয় শিক্ষা দপ্তৰত সমাজ শিক্ষাৰ কেন্দ্ৰ খোলা হয়। এই কেন্দ্ৰৰ মূল উদ্দেশ্য হ'ল ঃ

(১) সকলো ধৰণৰ সংস্থাৰ কামৰ ভিতৰত সমন্বয় সাধন কৰা।

(২) পৰামৰ্শ দান কৰা।

(৩) আৰ্থিক সাহায্য দান কৰা।

(১) **সমন্বয়ৰ কাম ঃ** কেন্দ্ৰীয় শিক্ষা দপ্তৰৰ প্ৰধান কাম হৈছে পৰিকল্পনা কৰা আৰু সেইবোৰ ৰাজ্যসমূহলৈ ৰূপায়িত কৰিবৰ কাৰণে পঠিয়াই দিয়া। সেই পৰিকল্পনাৰ কাম কিমানদূৰ ৰাজ্য-সমূহত আগবাঢ়িছে তাৰ বিতং বিৱৰণ লোৱা। কেন্দ্ৰীয় শিক্ষা-

উপদেষ্টা সমিতিৰ যোগেৰে সমাজ শিক্ষা অগ্ৰগতি, সমস্যা আৰু নীতি নিৰ্ধাৰণৰ কাৰণে সভা-সমিতি পাতিব, য'ত সকলো ৰাজ্যৰ এই সংশ্লিষ্ট বিভাগৰ সহযোগ থাকিব।

(২) **পৰামৰ্শ দান**ঃ ৰাজ্যসমূহক পৰামৰ্শ দিবৰ কাৰণে কেন্দ্ৰত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতিৰ তলত আৰু এখন কেন্দ্ৰীয় সমাজ শিক্ষা উপদেষ্টা সমিতিৰ সমাজ শিক্ষা বিভাগ আছে। এই সমিতিৰ পৰামৰ্শক্ৰমে নেচনেল ফাণ্ডামেণ্টেল এডুকেচন চেণ্টাৰ এটা খোলে। এই চেণ্টাৰৰ কাম কেবাটাও, যেনে—

(ক) সমাজ শিক্ষাৰ ক্ষেত্ৰত উচ্চশিক্ষিত লোকসকলক শিক্ষা দিয়া।

(খ) গবেষণা আৰু মূল্যায়ণ কৰা।

(গ) বুলেটিন, কিতাপ আদি প্ৰকাশ কৰা।

(ঘ) নতুন নতুন ধৰণৰ পৰীক্ষাসমূহৰ ফলাফল জনসাধাৰণ আৰু ৰাজ্যসমূহক জনোৱা।

(৩) **অৰ্থ সাহায্য দান**ঃ ৰাজ্য চৰকাৰৰ সমাজ-শিক্ষাৰ বিভাগবোৰত, কেন্দ্ৰ আৰু প্ৰতিষ্ঠানবোৰক অৰ্থ-সাহায্য দিব লাগে। বিভিন্ন ধৰণৰ কিতাপ প্ৰকাশৰ খৰচ আৰু সমাজ শিক্ষা সম্বন্ধীয় খৰচ কেন্দ্ৰৰ এই বিভাগে বহন কৰিব। সমাজ-শিক্ষাৰ মিটিং, আলোচনা, চেমিনাৰ আদিৰ খৰচ বহন কৰিব। ইয়াৰ উপৰিও ১৯৫০ চনত কেন্দ্ৰীয় সমাজ কল্যাণ সমিতি স্থাপন কৰিছে। এই সমিতিৰ প্ৰধান কাম হ'ল সমাজ শিক্ষাৰ প্ৰসাৰৰ কাৰণে অধিক প্ৰতিষ্ঠান, কাৰ্যাৱলী আৰু অনুষ্ঠানক আৰ্থিক সাহায্য দি উৎসাহ দিয়া।

ৰাজ্যসমূহত সমাজ শিক্ষা প্ৰসাৰৰ ব্যৱস্থাঃ সমাজ-শিক্ষা প্ৰসাৰৰ বাবে ৰাজ্যসমূহতো বিশেষ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ প্ৰসাৰৰ বাবে বিশেষ চকু দিবলৈ প্ৰত্যেক ৰাজ্যতে সমাজ শিক্ষা বিভাগ, তাৰ উপৰি গাঁৱে গাঁৱে পতা সমাজ সংস্থাসমূহৰ

(Community Project) উন্নতিত চকু দিয়াৰ উপৰিও সমাজ-শিক্ষাত চকু দিব লাগিব। ইয়াৰ উপৰিও (১) সৰু সৰু বিদ্যালয় স্থাপন, (২) সমাজ উন্নয়নী কেন্দ্ৰত বয়স্কসকলৰ গোট খোৱাৰ কেন্দ্ৰ খোলা। খেলা ধূলা, আমোদ-অনুষ্ঠানৰ বাবে যুৱক সংঘ আৰু মহিলাসকলক সচেতন কৰাৰ বাবে মহিলা সমিতি স্থাপনৰ ব্যৱস্থা কৰা।

অসমত সামাজিক শিক্ষাৰ প্ৰসাৰ ঃ শিক্ষা বিভাগৰ ডিৰেক্টৰৰ তলত সামাজিক শিক্ষাৰ বিষয়া নিযুক্ত কৰা হৈছিল। প্ৰত্যেক জিলাতে এজোকনকৈ বিষয়া নিযুক্ত কৰা হয়। তাৰ উপৰি ১৫ জন চাব-ইন্সপেক্টৰ আৰু ৩১ জন এচিষ্টেণ্ট চাব-ইন্সপেক্টৰক ডিপুটি ইন্সপেক্টৰৰ তলত দিছে সামাজিক শিক্ষাৰ প্ৰসাৰ কৰিবলৈ। ইয়াৰ উপৰিও প্ৰত্যেক ব্লকত পুৰুষ আৰু মহিলা কৰ্মচাৰী নিযুক্ত কৰা হৈছে।

বয়স্ক শিক্ষা কেন্দ্ৰ ঃ সামাজিক শিক্ষাত বয়স্কসকলৰ সাক্ষৰ কৰাৰ দায়িত্ব আছে। ইয়াৰ বাবে ১৯৪৯-৫০ চনত পুৰুষৰ বাবে ৬১২ আৰু মহিলাৰ বাবে ১০৭ টা কেন্দ্ৰ খুলিছিল। কিন্তু ১৯৬৪-৬৫ চনত তেনেকুৱা শিক্ষা কেন্দ্ৰ মুঠতে ৫,৭০৩ টা আছিল আৰু শিক্ষাৰ্থীৰ সংখ্যা আছিল ৪৪,৫২৩ জন পুৰুষ আৰু ৪১৮৫৫ গৰাকী মহিলা। ১৯৬৪ চনত চাৰিখন উন্নয়ন কেন্দ্ৰত সাক্ষৰৰ অভিযান আৰম্ভ কৰাৰ এখন আঁচনি এটা চেমিনাৰত যুগুত কৰিছিল। চৰকাৰেও ১ লাখ ৮৯ হাজাৰ টকা দিছিল। কিমানদূৰ সফল হয় সি কৰ্মচাৰী আৰু জনসাধাৰণৰ সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰে।

কিতাপ যোগান ঃ যিসকলে অকল পঢ়িব পাৰে, তেওঁলোকে লিখাপঢ়া পাহৰি নাযাবলৈ কিতাপ যোগান ধৰাৰ দায়িত্ব চৰকাৰে লৈছে। ইয়াৰ বাবে কৃষি, কুটিৰ শিল্প, গাঁৱলীয়া জীৱনযাত্ৰা আদিৰ বিষয়ে সৰল আৰু সহজ ভাষাত প্ৰায় ২০ খন কিতাপ ১৯৬০ চনলৈ প্ৰকাশ কৰিছিল।

'জনশিক্ষা' নামেৰে এখন আলোচনীও গাঁৱলীয়া ৰাইজৰ কাৰণে

প্ৰকাশ কৰিছিল। গাৰো, খাচী, মিজো আদি ভাষাটো সহজ আৰু সৰল ভাষাত কিতাপ লিখাৰ আঁচনি লোৱা হয় আৰু কেইখনমান কিতাপ প্ৰকাশ কৰাও হয়।

উন্নয়ন কাম: গাঁৱৰ বিভিন্ন দিশৰ উন্নতি সাধনৰ কাৰণে সৃষ্টি কৰা উন্নয়ন কেন্দ্ৰত বয়স্কসকলক শিক্ষা দান আৰু আখৰৰ পৰিচয় কৰোৱাটো এটি ডাঙৰ কৰ্তব্যৰ ভিতৰত পৰিছিল। এই কেন্দ্ৰসমূহৰ উপৰিও প্ৰায় ৩০ টা মান সমাজ কল্যাণ কেন্দ্ৰত বয়স্কসকলক সচেতন, আৰু সুদক্ষ নাগৰিক কৰিবলৈ বিভিন্ন ধৰণৰ সামাজিক কাম হাতত লোৱা হৈছিল।

লাইব্ৰেৰী: লাইব্ৰেৰী ভাৱৰ আদান-প্ৰদানৰ বাহন। ১৯৫৯-৬০ চনত প্ৰায় ৮০৬ টা গাঁৱৰ লাইব্ৰেৰী আৰু পঢ়া কোঠা কৰিবলৈ চৰকাৰী সাহায্য দিয়া হৈছিল। প্ৰায় ৪৫৬৮ খন কিতাপ বিভিন্ন লাইব্ৰেৰীত বিতৰণ কৰা হয় আৰু ৪০০০ মান টকাৰ কিতাপৰ গ্ৰাণ্ট বিভিন্ন লাইব্ৰেৰীক দিয়া হৈছিল। কিন্তু এইখিনি টকা গোটেই-বোৰ গাঁৱৰ কাৰণে তেনেই কম আছিল। গাঁৱে অলপ বেছি টকা বিচৰা সত্বেও টকাৰ নাটনিত গ্ৰাণ্ট দিব পৰা নহৈছিল। কিতাপৰ প্ৰদৰ্শনী, চিনেমা দেখুৱা আৰু চিত্ৰ প্ৰদৰ্শনী আদি গাঁৱৰ বিভিন্ন ঠাইত পতা হৈছিল।

আমোদজনক কাম: সাংস্কৃতিক আৰু আমোদজনক কাৰ্যাৱলীৰ মাধ্যমেৰে বয়স্কসকলক শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যত্ন কৰা হৈছিল। আৰু তাৰ বাবে খেল-ধেমালি, নাটক, ভাওনা, গানৰ প্ৰতিযোগিতা, তৰ্ক, শিক্ষা-চক্ৰ আদি পতাৰ ব্যৱস্থা কৰা হৈছিল।

শিক্ষাৰ্থীৰ প্ৰশিক্ষণ: সমাজ শিক্ষা কেন্দ্ৰসমূহত কাম কৰিবলৈ ১৯৫৯-৬০ চনত প্ৰায় ১৮ টা সমাজ শিক্ষাৰ কৰ্মীৰ শিক্ষাকেন্দ্ৰ খোলা হৈছিল। কৃষি, কুটিৰ শিল্প, জীৱ স্বাস্থ্য আদি কৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়া হৈছিল। কিন্তু মাত্ৰ পাঁচ দিনৰ বাবে হোৱা

এই কেন্দ্ৰবোৰে খুব ভাল দৰে প্ৰশিক্ষণ দিব নোৱাৰে। কৰ্মীসকলৰ এই প্ৰশিক্ষণ বিশেষ কামত অহা নাছিল।

জনতা কলেজঃ সামাজিক শিক্ষা প্ৰসাৰৰ বাবে প্ৰশিক্ষণ-প্ৰাপ্ত সমাজকৰ্মীৰ প্ৰয়োজন। সেই কাৰণে ১৯৫৪ চনত তিতাবৰত ৪০ জন কৰ্মীৰে সৈতে জনতা কলেজ খোলা হয়। ২৫ বছৰৰপৰা ৪৫ বছৰ বয়সলৈকে শিক্ষাৰ্থী লোৱা হয়। সাধাৰণতে মধ্য ইংৰাজী বা মধ্য অসমীয়া পাছ কৰা শিক্ষাৰ্থীক নমাহৰ কাৰণে প্ৰশিক্ষণ দিয়ে। প্ৰশিক্ষণৰ পাঠ্যক্ৰম এটা কমিটিয়ে ঠিক কৰে। এই পাঠ্যক্ৰমত তলত দিয়া বিষয়বোৰ থাকে।

(১) গাওঁ সংগঠন।

(২) শিক্ষা।

(৩) গাঁৱৰ অৰ্থনীতি আৰু সহযোগিতা।

(৪) নাগৰিকত্ব।

(৫) সামাজিক উৎসৱৰ কলা আৰু সাংস্কৃতিক দিশ অধ্যয়ণ।

(৬) কোনো বৃত্তিত প্ৰশিক্ষণ।

কৰ্মীসকলক প্ৰত্যক্ষ অভিজ্ঞতাৰপৰা জ্ঞান লাভ কৰিবলৈ আৰু প্ৰশিক্ষণ দিবলৈ ৫টা সমাজ কেন্দ্ৰ খোলা হৈছিল। প্ৰত্যেক কেন্দ্ৰতে পাঁচজনকৈ অভিজ্ঞ ৰক্ষক (warden) আৰু বৃত্তিৰ শিক্ষক থাকে। উন্নত প্ৰণালীৰে গাঁৱৰ সাংস্কৃতিক জীৱনৰ প্ৰাণদান দি আৰু উন্নত কৰা, শিক্ষা, সামাজিক আৰু খেল-ধেমালিৰ সুবিধা দি গাঁৱৰ মানুহক কেন্দ্ৰৰ ওচৰ চপাই অনাটো ইয়াৰ আন এটি উদ্দেশ্য আছিল। আজৰি সময়ত গাঁৱৰ মানুহ মুকলি মনেৰে কেন্দ্ৰলৈ আহি সামাজিক, অৰ্থনৈতিক বা ঘৰুৱা কথাৰ আলোচনা কৰোঁতে এই ৰক্ষকসকলে নজনা কথা জানিবলৈ দি, বিভিন্ন ক্ষেত্ৰত উন্নতিৰ উপায় দেখুৱাই আলোচনাত আগ ভাগ ললে সেই আলোচনা বয়স্ক সকলৰ বাবে শিক্ষামূলক হৈ পৰিব।

প্ৰত্যেক কেন্দ্ৰতে এটা লাইব্ৰেৰী থাকিব আৰু তাৰ তলত

পাঁচোটা ঠাইত থাকিব এই লাইব্ৰেৰীৰে পাঁচোটা ডাল। বয়স্কসকলৰ অনুৰাগ আগ্ৰহ আৰু পঢ়িব পঢ়া শক্তিলৈ লক্ষ্য ৰাখি বিভিন্ন ধৰণৰ কিতাপ যেনে, ৰামায়ণ, মহাভাৰত আৰু সাধুকথাৰ কিতাপ ৰাখিলে মানুহক কেন্দ্ৰলৈ আকৰ্ষিত কৰিব।

আন অনুষ্ঠানৰ সহযোগ : বয়স্কসকলৰ শিক্ষাৰ সাফল্য লাভ কৰিবলৈ হলে আন আন সামাজিক অনুষ্ঠানৰ সহযোগিতা অতি প্ৰয়োজন। ১৯৪৯-৫০ চনত চৰকাৰে শিক্ষাৰ প্ৰসাৰৰ বাবে প্ৰায় ১১৮০ টা শিক্ষা কেন্দ্ৰ খুলিছিল; কিন্তু বয়স্কসকলৰ মাজত শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিব নোৱাৰাৰ ফলত বহুতে এই কেন্দ্ৰলৈ আহিবলৈ এৰি দিছিল। যিবোৰ অনুষ্ঠানত বয়স্কসকলে কাম কৰে তেওঁলোকে শিক্ষাদানত উদ্যোক্তা হলে এই শিক্ষাত প্ৰসাৰ বেছি দ্ৰুত হয়। তাৰ উপৰি প্ৰতিষ্ঠিত অনুষ্ঠানসমূহে আগ ভাগ ললেও বয়স্কসকলে শিক্ষা লবলৈ উৎসাহ পায়। বৰ্তমান ব'ৰ্ডে ভিতৰুৱা ঠাইত বা পাৰ্বত্য অঞ্চলত মিছনাৰীসকলৰ প্ৰতিষ্ঠিত অনুষ্ঠান থকাৰ বাবে বৰ' খৃষ্টান থকাৰ বাবে বৰ' খৃষ্টান মিছন, ডনবস্ক' খৃষ্টান মিছন, ডমৰা আমেৰিকান বেপটিষ্ট মিছন আদিৰ সহায় লোৱা হৈছিল। ইয়াৰ উপৰিও অসম মহিলা সমিতি, ভাৰত সেৱক সমাজ, আৰু সমাজ কল্যাণ বিভাগ আদি বেচৰকাৰী সামাজিক অনুষ্ঠানৰদ্বাৰা বয়স্ক শিক্ষাৰ কেন্দ্ৰ স্থাপন কৰাৰ চেষ্টা কৰিছে। শিক্ষামূলক কথাছবি প্ৰদৰ্শন কৰি, আলোচনা সভা আদি পাতি বয়স্কৰ শিক্ষা দানৰ চেষ্টা কৰিছে।

সমাজ শিক্ষাৰ কম প্ৰসাৰ হোৱাৰ কাৰণ : ১৯৫৫-৫৬ চনত সমাজ শিক্ষাৰ বাবে ১,৮৯,৫২৭ টকা চৰকাৰৰ খৰচ হৈছিল, কিন্তু ১০৫৮-৫৯ চনত সেই সংখ্যা বাঢ়ি গৈ ৪,৮৯,২০০ টকা হোৱা সত্বেও সমাজ শিক্ষাৰ প্ৰসাৰ দ্ৰুত হোৱা নাছিল। ১৯৪৯ চনত সমাজ শিক্ষাৰ প্ৰথম আঁচনি লওঁতে শিক্ষা কেন্দ্ৰ বা স্কুল আছিল ১১৮০ খন; ১৯৫৮-৫৯ চনত তাৰ সংখ্যা হ'লগৈ ৭১৭ খন মাত্ৰ। শিক্ষাৰ্থীৰ সংখ্যা কমাৰ লগে লগে কেন্দ্ৰবোৰ বন্ধ হৈ গৈছিল।

তাৰ উপৰি কেইটামান বিশেষ কাৰণত কেন্দ্ৰ বন্ধ কৰি দিয়া হৈছিল, যেনে—

(১) বেছিভাগ গাঁৱৰ মানুহে শিক্ষাৰ প্ৰয়োজনিয়তা নুবুজাৰ কাৰণে তেওঁলোকে সমাজ শিক্ষাক বাধ্যতামূলকভাৱে লবলৈ টান পাইছিল। গাওঁবাসীৰ উদাসীনতাৰ কাৰণে বহুত সময়ত শিক্ষাকেন্দ্ৰ বন্ধ কৰিব লগীয়া হৈছে।

(২) গাঁৱৰ অৰ্থনৈতিক অৱস্থা ভাল নোহোৱাৰ বাবেও গাঁৱৰ মানুহে পঢ়াতকৈ খোৱাৰ চিন্তা বেছিকৈ কৰিব লগীয়া হৈছে। সমাজ শিক্ষাই পোনপটীয়াভাৱে মানুহৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাত সহায় নকৰাৰ বাবে শিক্ষাৰ প্ৰতি ধাউতিও তেওঁলোকৰ নাই। অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ ওপৰত সমাজ শিক্ষাৰ প্ৰসাৰ বহুতখিনি নিৰ্ভৰ কৰিছে।

(৩) অকল অৰ্থনৈতিকে নহয় সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু পুৰাণ সমাজ ব্যৱস্থা সলনিৰ ওপৰতো সমাজ শিক্ষাৰ প্ৰসাৰ নিৰ্ভৰ কৰিছে। অন্ধ বিশ্বাস, ঠেক মনোবৃত্তি আৰু অজ্ঞতাই ইয়াৰ প্ৰয়োজনিয়তা বুজাত বাধাৰ সৃষ্টি কৰিছে।

সমাজ শিক্ষাৰ অনুষ্ঠানসমূহেও ভাল দৰে গাঁৱত কাম কৰিব পৰা নাই। বেছিভাগ কৰ্মী চহৰৰপৰা যোৱাৰ কাৰণে তেওঁলোকে গাঁৱত ভাল দৰে কাম কৰিব পৰা নাই। গাঁৱৰ মানুহে তেওঁলোকক নিজৰ দৰে লবলৈ টান পায় আৰু কৰ্মীসকলেও গাঁৱৰ পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাবলৈ টান পায়। ফলত সমাজ শিক্ষা প্ৰসাৰৰ চেষ্টা খুব সফল হব পৰা নাই।

(৪) বিভিন্ন অনুষ্ঠানে সমাজ শিক্ষাৰ প্ৰসাৰৰ বাবে বিভিন্ন কাৰ্যাৱলী হাতত ললেও সেইবোৰৰ মাজত কোনো সমন্বয় নাই। বেছিভাগ কাৰ্যাৱলী মিটিং, চেমিনাৰ আদি নগৰ বা উন্নত গাঁওত হোৱাৰ বাবে গাঁৱৰ মানুহে সেই শিক্ষা সম্বন্ধে একো গমকে নাপায়।

(৫) শিক্ষক আৰু কৰ্মীৰ অভাৱতো বহুত সময়ত শিক্ষাৰ গতি

স্তিমিত হৈ আছিছে। শিক্ষক আৰু কৰ্মীসকলে গাঁৱলৈ গৈ কাম কৰাৰ ইচ্ছা প্ৰকাশ নকৰে। কম দৰমহাৰে গাঁৱত বাধ্যত পৰি থাকিলেও তেওঁলোকে কৰ্তব্য বুলিহে কিছু কাম কৰে। আন্তৰিকতাহীন কামত গাঁওবাসীৰো উৎসাহ কমি আহে।

(৬) নিৰক্ষতাৰ সংখ্যালৈ চাই সমাজ শিক্ষাক কিছু বছৰলৈ বাধ্যতামূলক কৰাৰ প্ৰয়োজনিয়তা আছে। গধূলি ২ ঘণ্টা বা ৩ ঘণ্টাৰ কাৰণে শিক্ষা কেন্দ্ৰলৈ অহাত বাধ্য কৰিলে গাঁওবাসীও উপকৃত হব আৰু শিক্ষাৰ প্ৰতি ধাউতিও বাঢ়িব। ছোভিয়েট ৰাচিয়াত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ লগতে বয়স্কসকলৰ শিক্ষা দিয়াত অতি কম সময়তে তেওঁলোকে নিৰক্ষৰতা দূৰ কৰিবলৈ সুবিধা পাইছিল। শিক্ষিত সচেতন নাগৰিকে ল'ৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ মোল বুজিব আৰু দেশৰ, সমাজৰ আৰু দহৰ উন্নতি সাধন কৰিব পাৰিব।

দশম অধ্যায়

শিক্ষক প্ৰশিক্ষণ

এখন দেশৰ ভবিষ্যত নিৰ্ভৰ কৰে কৰ্মদক্ষ, সচেতন নাগৰিকৰ ওপৰত। এই নাগৰিকক প্ৰস্তুত কৰাৰ ভাৰ পৰে শিক্ষকৰ ওপৰত। শিক্ষণ প্ৰণালী এটি কলা; যি কলাই শিক্ষাৰ্থীৰ মন বুদ্ধি জ্ঞান দান কৰাৰ উপৰিও সিহঁতৰ জন্মজ শক্তি আৰু বৃত্তিত বিকাশৰ সুবিধা দি ব্যক্তিত্ব গঢ়াত সহায় কৰে। পুৰণিকালত জ্ঞান, শৃঙ্খলা বজাই ৰখা, নৈতিক চৰিত্ৰ গঠন কৰা, সংযত জীৱন যাপন কৰাৰ ওপৰত শিক্ষাদান কৰাৰ দায়িত্ব আছিল শিক্ষকৰ। বৰ্তমান ক্ষেত্ৰত সেই দায়িত্ব সামাজিক, অৰ্থ নৈতিক, ৰাজনৈতিক কাৰণত শিক্ষকসকলে পালন কৰিব নোৱাৰিলেও, স্বাধীন ভাৰত কোমলমতীয়া শিক্ষাৰ্থীসকলক গঢ় দিবলৈ শিক্ষকসকলৰ দায়িত্ব বাঢ়ি আহিছে। সমাজত শিক্ষকসকলক সদায় আওহেলা কৰি আহিলেও শিশুক গঢ় দিয়াত শিক্ষকৰ দায়িত্ব কোনেও মুই কৰিব নোৱাৰে। ল'ৰা-ছোৱালীক শিকাবলৈ শিক্ষকৰ নিজৰ গুণ থাকিলেও প্ৰশিক্ষণৰদ্বাৰা শিক্ষণ প্ৰণালী উন্নত কৰিব পাৰি। কিন্তু গোটেই ভাৰততে শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থাৰ ওপৰত জোৰ দিয়া হোৱা নাই। সেয়ে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সংখ্যা অতিশয় কম।

১৯৪৮ চনলৈ শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা ঃ অসমত শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ প্ৰচেষ্টা প্ৰথমে আৰম্ভ কৰে মিছনাৰীসকলে। অসমৰ বিভিন্ন ঠাইত ঘাটি পতাৰ লগে লগে তেওঁলোকে প্ৰাথমিক স্কুলো খুলিছিল। কিন্তু এইবোৰ স্কুলত পঢ়ুৱাবলৈ প্ৰধান সমস্যা হৈছিল শিক্ষকৰ। শিক্ষক-প্ৰস্তুত কৰাৰ অভিপ্ৰায়েৰে তেওঁলোকে প্ৰাইমেৰী স্কুলত পঢ়া কিছুমান শিক্ষাৰ্থীক বা স্থানীয় শিক্ষিত লোকক তেওঁলোকৰ মতে প্ৰশিক্ষণ দিবলৈ ছিলং, নগাঁও, তুৰাত একোটাকৈ

নৰ্মাল স্কুল খুলিছিল। এই সময়ত চৰকাৰৰ ফালৰপৰা নৰ্মাল স্কুল খোলাৰ কোনো উদ্যোগ লোৱা নাছিল।

ভাৰতীয় শিক্ষা কমিছনে ১৮৮২ চনত স্থানীয় লোকক শিক্ষণ প্ৰশিক্ষণ দিবলৈ দেশৰ বিভিন্ন ঠাইত প্ৰশিক্ষণ কেন্দ্ৰ খোলাৰ প্ৰস্তাৱ দিছিল। সেই প্ৰস্তাৱ অনুযায়ী অসমত ১৮৮৪-৮৯ চনৰ ভিতৰত শিক্ষা বিভাগৰ তত্বাৱধানত ছয়খন নৰ্মাল স্কুল খুলিছিল। কামৰূপ, শিৱসাগৰ, লক্ষীমপুৰ, খাচী আৰু জয়ন্তীয়া পাহাৰত এখনকৈ আৰু দৰঙত দুখন খুলিছিল। ইয়াৰ উপৰি মধ্য ইংৰাজী আৰু মধ্য অসমীয়া স্কুলত প্ৰাইমেৰী শিক্ষকক কেইমাহমানৰ প্ৰশিক্ষণ দিবলৈ ১২টা প্ৰশিক্ষণ্‌কেন্দ্ৰ খুলিছিল। এই কেন্দ্ৰসমূহত ১৯০১-০২ চনত ছাত্ৰৰ সংখ্যা ১৭৩ৰপৰা ১২৭ হৈছিল আৰু স্কুলত খোলা ক্লাচবোৰতো ছাত্ৰৰ সংখ্যা একেবাৰে কম হোৱাৰ বাবে ১৯০৩ চনত দুখন স্কুলৰ বাহিৰে চৰকাৰীসকলো নৰ্মাল স্কুল বন্ধ কৰিবলৈ বিচাৰে। মিছানাৰীসকলেও তিনিটাৰ ভিতৰত দুটা স্কুল টকাৰ নাটনি আৰু একেবাৰে কম সংখ্যক শিক্ষাৰ্থী হোৱাৰ বাবে বন্ধ কৰে।

১৯০৪ চনত লৰ্ড কাৰ্জনে তেওঁৰ শিক্ষানীতিত শিক্ষক প্ৰশিক্ষণৰ ওপৰত বেছি জোৰ দি পাঠ্যক্ৰম সলনি কৰাৰ প্ৰস্তাৱ দিছিল। গাঁৱৰ পৰিবেশৰ লগত শিক্ষাক খাপ খুৱাবলৈ আৰু সেই মতে শিক্ষা দিয়াৰ প্ৰশিক্ষণ দিবলৈ নৰ্মালস্কুলৰ পাঠ্যক্ৰমত কৃষি বিষয় অন্তৰ্ভুক্ত কৰিব দিছিল। এই নীতি অনুযায়ী অসম চৰকাৰে স্কুল বন্ধ কৰাৰ নীতি বৰ্জন কৰিব লগাত পৰে। ১৯০৫ চনত যোৰহাট আৰু শিলচৰত মধ্য অসমীয়া আৰু উচ্চ প্ৰাথমিক স্কুলৰ শিক্ষকৰ প্ৰশিক্ষণ কেন্দ্ৰ খোলে আৰু আগৰ নৰ্মাল স্কুল বন্ধ কৰে। ১৯২০ চনত ৭ খন চৰকাৰী স্কুল, ২ খন সাহায্যকাৰী আৰু দুখন ছোৱালীৰ বাবে সাহয্যকাৰী স্কুল আছিল। কিন্তু ১৯৩১ চনৰ অৰ্থ সংকটত চৰকাৰে ব্যয় সংকোচন নীতি লৈ যোৰহাট, জোৱাই, শিলচৰ আৰু তুৰাৰ চাৰিখন স্কুল বন্ধ কৰে। এই চাৰিখন স্কুল বন্ধ কৰাত শিক্ষক

প্ৰশিক্ষণ কাৰ্যসূচীত যি অপূৰণীয় ক্ষতি হ'ল সি স্কুল খোলাৰ পিছতো স্বাভাৱিক গতিত আনিবলৈ বহুত সময় ললে।

শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ : শিক্ষয়িত্ৰীৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ দুটা খোলাৰ আগ ভাগ লৈছিল মিছনাৰীসকলে। নগাঁও আৰু শিলচৰত দুখন স্কুল খোলাৰ পিছত চৰকাৰে আৰ্থিক সাহায্য আগবঢ়াইছিল। ১৯৩৬ চনত প্ৰায় ৪৩ গৰাকী শিক্ষয়িত্ৰীয়ে প্ৰশিক্ষণ লৈছিল।

প্ৰাথমিক স্কুলৰ শিক্ষক প্ৰশিক্ষণৰ বাবে ১১খন স্কুল একেবাৰে কম আছিল। স্কুলসমূহৰ অৱস্থাও ভাল নাছিল। বেছিভাগ শিক্ষক প্ৰশিক্ষণ নোহোৱাকৈ নিযুক্ত হোৱাৰ বাবে প্ৰশিক্ষণৰ প্ৰতি শিক্ষকৰ ধাউতিও কম আছিল। প্ৰশিক্ষণ ললেও পৰীক্ষা নিদিছিল। আনফালে চৰকাৰে প্ৰশিক্ষণৰ ওপৰত জোৰ দিয়া নাছিল। প্ৰশিক্ষণ কেন্দ্ৰ উন্নত কৰাৰ ব্যৱস্থাও হোৱা নাছিল।

আটাইতকৈ দুৰ্ভাগ্যজনক কথা হৈছিল অসমৰ মাধ্যমিক স্কুলৰ শিক্ষকৰ বাবে কোনো কলেজ খোলা নাছিল। ঢাকাত অসমৰ বাবে দুটা আসন ৰাখিলেও, কলিকতাত তেনে কোনো ব্যৱস্থা নাছিল। হাইস্কুলৰ অতি কম সংখ্যক শিক্ষকেহে এনে সুবিধা লবলৈ পাইছিল। হাইস্কুল বঢ়াৰ লগে লগে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ আৱশ্যক বাঢ়ি আহিবলৈ ধৰিলে। শিক্ষাবিভাগৰ অধিকৰ্তাই ১৯৩২-৩৩ চনত শিক্ষক প্ৰশিক্ষণৰ বিভাগ এটা কটন কলেজত খোলাৰ প্ৰস্তাৱ দিয়ে, কিন্তু টকাৰ নাটনি দেখুৱাই সেই প্ৰস্তাৱ কাৰ্যকৰী কৰা নহ'ল। যোৰহাট আৰু শিলচৰতো প্ৰশিক্ষণ স্কুল প্ৰশিক্ষণ কলেজলৈ উন্নত কৰাৰ প্ৰস্তাৱো বাস্তৱত ৰূপায়িত নহ'ল। ফলত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সংখ্যাও একে দৰেই থাকিল। হাইস্কুলত ১৯৩৬ চনত ১২৩৪ জনৰ ভিতৰত ৪০৬ জন শিক্ষক আৰু ১৬২ জনৰ ভিতৰত ৬২ গৰাকী শিক্ষয়িত্ৰী প্ৰশিক্ষণপ্ৰাপ্ত আছিল।

প্ৰাইমেৰী স্কুলত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক শতকৰা ২৮·২ জন আৰু মহিলাৰ ভিতৰত মাত্ৰ ১৫·৩ জনী আছিল।

চৰকাৰে ১৯৩৭ চনলৈ বি. টি. কলেজ পতাৰ কোনো উদ্যোগ নেদেখুৱাত ইপিনে হাইস্কুলৰ সংখ্যাও দিনে দিনে বাঢ়ি অহাত ছিলঙৰ চেণ্ট এডমান্স কলেজত আইৰিচ খৃষ্টান ব্ৰাদাৰ্চে বি. টিৰ বাবে ক্লাচ খোলে। চৰকাৰে এই উদ্যোগৰ শলাগ লৈ আৰ্থিক সাহায্য আগ বঢ়াইছিল আৰু তাৰ বিনিময়ত শিক্ষা বিভাগৰ চাব-ইন্সপেক্টৰৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। বি. টি. ক্লাচ খোলাৰপৰা অসমৰ বহুত দিনৰ অসুবিধা আংশিকভাৱে দূৰ কৰিছিল। কিন্তু ১৯৪৭ চনলৈ পূৰ্ণাঙ্গ কলেজ এখন খোলাৰ কোনো উদ্যোগ চৰকাৰে লোৱা নাছিল।

শিক্ষক প্ৰশিক্ষণৰ মন্থৰ গতিৰ কাৰণ ঃ ১৯৪৭ চনলৈ শিক্ষক প্ৰশিক্ষণৰ মন্থৰ গতিৰ কেবাটাও কাৰণ আছিল :

প্ৰথমতে, আছিল চৰকাৰৰ উদাসীনতা। ১৯৪৭ চনলৈ বৃটিছ চৰকাৰে কোনো দিনে প্ৰশিক্ষণৰ বাবে সুচিন্তিত আঁচনি লোৱা নাছিল। ডিৰেক্টৰসকলে তেওঁলোকৰ বছৰৰ প্ৰতিবেদনত প্ৰশিক্ষণ কলেজ খোলাৰ যুক্তি দেখুৱাই কৈছিল যে জ্বৰ হলে যেনেকৈ আমি প্ৰশিক্ষণপ্ৰাপ্ত ডাক্তৰি পাছ কৰা মানুহৰদ্বাৰা চিকিৎসা কৰাও, শিক্ষাৰ্থীৰ মন সবল সুস্থ কৰিবলৈ আমি প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ আশ্ৰয় লব লাগে। কিন্তু চৰকাৰে কলেজ খোলাৰ কোনো উদ্যোগে প্ৰকাশ নকৰিলে।

দ্বিতীয়তে, শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণৰ বাবেও কোনো ব্যৱস্থা লোৱা নাছিল। মিছনাৰীসকলে খোলা স্কুল দুখনত সামান্য আৰ্থিক সাহায্য আগবঢ়াই সন্তুষ্ট আছিল।

তৃতীয়তে, শিক্ষকসকলে প্ৰশিক্ষণৰ বাবে কোনো আগ্ৰহ দেখুৱা নাছিল। বহুতে বৃত্তি লৈ প্ৰশিক্ষণলৈ আহি পাছ নকৰাকৈ উভটি যায়। কাৰণ প্ৰশিক্ষণ নোলোৱাকৈ শিক্ষকৰ কাম পোৱাটো সহজলভ্য আছিল। শিক্ষা বিভাগৰপৰা নিৰ্দেশ দিছিল যে প্ৰশিক্ষণ-প্ৰাপ্ত শিক্ষকক নিযুক্তিৰ সময়ত প্ৰথম স্থান দিব লাগিব। কিন্তু প্ৰাথমিক শিক্ষা লোকেলবৰ্ডত থকাৰ বাবে শিক্ষকৰ নিযুক্তিৰ ওপৰত

শিক্ষা বিভাগৰ কোনো হাত নাছিল। লোকেল ব'ৰ্ডৰ মেম্বাৰসকলে কোনো নির্দেশ মনা নাছিল। নিযুক্তিৰ সময়ত তেওঁলোকৰ সম্বন্ধীয়া বা ভাল লগা মানুহক প্ৰশিক্ষণ নোহোৱাকৈ আগভাগ দিছিল।

চতুৰ্থতে, শিক্ষকৰ দৰমহা ইমান কম আৰু চাকৰিৰ ইমান অনিশ্চয়তা আছিল যে ই চোকা আৰু শিক্ষিত মানুহক আকর্ষণ কৰিব পৰা নাছিল। বহুত ক্ষেত্ৰত টকা বচাবলৈ লোকেলব'ৰ্ডে ৯মাহ দৰমহা দি বন্ধৰ তিনিমাহ চাকৰিৰপৰা শিক্ষকক একৰাই দিয়ে। চৰকাৰী চাকৰিয়ে মানুহৰ মন বেছিকৈ টানে। চৰকাৰী চাকৰিৰ সুবিধা শিক্ষকতাত নাই। ফলত যোগ্যতাসম্পন্ন মানুহ এই বৃত্তিত অহাতকৈ চৰকাৰী চাকৰি লৈছিল। প্ৰশিক্ষণ লোৱাৰো প্ৰতিযোগিতা নাছিল।

স্বাধীনতাৰ পিছত শিক্ষক প্ৰশিক্ষণৰ প্ৰসাৰঃ স্বাধীনতাৰ পিছৰেপৰা শিক্ষাৰ নতুন ভাবধাৰা বুনিয়াদী শিক্ষাৰ প্ৰসাৰ আৰু নতুন পদ্ধতিৰ বাবে শিক্ষকক প্ৰশিক্ষণ দিয়াবলৈ চৰকাৰক জোৰ কৰা হৈছে। ১৯৪৮ চনৰ ৰাধাকৃষ্ণণ কমিছন আৰু ১৯৫২ চনৰ মুদেলিয়াৰ কমিছনে শিক্ষক প্ৰশিক্ষণৰ আৱশ্যকতাত বেছি গুৰুত্ব দিছে। শিক্ষাৰ নতুন উদ্দেশ্য, নতুন পাঠ্যক্ৰম আৰু নতুন পদ্ধতিক সফল কৰিবলৈ একমাত্ৰ প্ৰাশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। কমিছনে সেয়ে ১৯৪৮ চনৰ পিছৰপৰা শিক্ষাৰ প্ৰসাৰত জোৰ দিয়াৰ লগতে শিক্ষক প্ৰশিক্ষণৰ ওপৰতো গুৰুত্ব দিছে।

অসমত প্ৰত্যেক স্তৰৰ শিক্ষা পদ্ধতিৰ কাৰণে বিভিন্ন ধৰণৰ প্ৰশিক্ষণৰ অনুষ্ঠান খোলা হৈছে। যেনে,

নৰ্মাল স্কুলঃ ১৯৬০ চনলৈ অসমত পাঁচখন নৰ্মাৰ স্কুলে প্ৰাইমেৰী স্কুলত কাম কৰা বা কৰিব খোজা শিক্ষকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। তেতিয়া যদিও সাহায্যপ্ৰাপ্ত স্কুল হিচাপে স্থাপন হৈছিল ১৯৬০ চনৰ ভিতৰত এই পাঁচোখন স্কুল চৰকাৰে নিজৰ তত্বাৱধানলৈ আনে। সাধাৰণতে মধ্যস্কুলত পঢ়া লোকক তিনিবছৰলৈ

প্ৰশিক্ষণ দিয়া হয়। মেট্ৰিক পাছ কৰা ল'ৰাক দ্বিতীয় বাৰ্ষিকত ভৰ্তি কৰা হয়। উচ্চ নৰ্মাল স্কুলত মধ্যস্কুল পাছ কৰা ল'ৰাক দুবছৰলৈ আৰু মেট্ৰিক পাছ কৰা ল'ৰাক এবছৰলৈ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ বাহিৰেও চৰকাৰৰপৰা অৰ্থ সাহায্য লৈ তিনিটা বেচৰকাৰী প্ৰশিক্ষণ স্কুলে মহিলাক দুবছৰৰ বাবে উচ্চ নৰ্মাল প্ৰশিক্ষণ দিয়ে। ১৯৫৯ চনত প্ৰায় ৬৯১ জনে নৰ্মান স্কুলত প্ৰশিক্ষণ লৈছিল।

গুৰু প্ৰশিক্ষণ কেন্দ্ৰ ঃ প্ৰাথমিক স্কুলত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকক নিযুক্তি দিবলৈ কিছুমান প্ৰশিক্ষণ কেন্দ্ৰ খোলা হৈছিল। ১৯৬০ চনত বেচিক ট্ৰেনিং স্কুল আছিল ২০খন, তাৰে ৮খন চৰকাৰৰ তত্ত্বাৱধানত আৰু ১২খন জিলা ব'ৰ্ডৰ তলত অছিল। ৫খন চৰকাৰৰ আৰু ৩ খন সাহায্যপ্ৰাপ্ত স্কুল আছিল। দুয়ো বিধতে ক্ৰমান্বয়ে ১৩২১ আৰু ৯৪ জন শিক্ষাৰ্থী আছিল।

হিন্দী প্ৰশিক্ষণ ঃ হিন্দী ভাষাত শিকাবলৈ এটা প্ৰশিক্ষণ কেন্দ্ৰ চৰকাৰৰ তত্ত্বাৱধানত খোলা হৈছিল। ১৯৫৪ চনত ১১২ জন প্ৰশিক্ষণ-প্ৰাৰ্থী আছিল। ১৯৬০ চনত ইয়াৰ সংখ্যা ৫ জন বাঢ়িছিল। হিন্দী মাধ্যমিক স্কুলত শিকোৱাৰ লগে লগে প্ৰশিক্ষণৰ আৱশ্যক হৈ পৰিছিল। এই প্ৰশিক্ষণ এবছৰৰ কাৰণে আছিল। আৰু প্ৰশিক্ষণ লবলৈ হিন্দী জনাটো প্ৰয়োজন আছিল।

পাৰ্বত্য ল'ৰাৰ প্ৰশিক্ষণ কেন্দ্ৰ ঃ পাৰ্বত্য অঞ্চলত অসমীয়া ভাষাৰে শিক্ষা দিবলৈ পাহাৰী ল'ৰাক দুবছৰৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল। ১৯৫৪ চনত প্ৰায় ১৮ জনমান ল'ৰাই প্ৰশিক্ষণ লৈ পাৰ্বত্য অঞ্চলৰ মধ্য আৰু হাইস্কুলত অসমীয়া শিক্ষক হিচাপে নিযুক্ত হৈছিল। এই কেন্দ্ৰ খোলাৰপৰা খুব লাভবান নোহোৱাৰ কাৰণে ১৯৫৯ চনত ইয়াক বন্ধ কৰি দিয়া হয়।

প্ৰশিক্ষণ কলেজ ঃ ১৮৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় খোলাৰ লগে লগে মাধ্যমিক স্কুলৰ শিক্ষকক প্ৰশিক্ষণ দিবলৈ বি-টি প্ৰশিক্ষণ বিভাগ খোলা হয়। এই প্ৰশিক্ষণ বিভাগে চৰকাৰে পঠিওৱা আৰু

নিজে পঢ়িব খোজা শিক্ষকক প্ৰশিক্ষণ দিছিল। প্ৰতি বছৰে চৰকাৰে প্ৰায় ৩ জন শিক্ষকক প্ৰশিক্ষণ লবলৈ পঠিয়ায়। কিন্তু মাধ্যমিক স্কুল বঢ়াৰ লগে লগে প্ৰশিক্ষণৰ সমস্যাও বাঢ়িবলৈ ধৰে। বি-টি বিভাগে অতি কম সংখ্যক শিক্ষকক প্ৰশিক্ষণ দিছিল। এই অসুবিধা দূৰ কৰিবলৈ ১৯৫৭ চনত স্নাতকোত্তৰ প্ৰশিক্ষণ স্কুল খোলা হয়। ইয়াৰ বাহিৰেও বিভিন্ন ঠাইত বেচৰকাৰীভাৱে কিছুমান প্ৰশিক্ষণ কলেজ খোলা হয়। এইবোৰৰ কেইখনমান চৰকাৰৰ সাহায্যপ্ৰাপ্ত। বৰ্তমানে যোৰহাট, শিলচৰ, নগাঁও, ডিব্ৰুগড়, কোকৰাঝাৰত এখনকৈ আৰু গুৱাহাটী আৰু শ্বিলঙত দুখনকৈ প্ৰশিক্ষণ কলেজ আছে। এই কলেজসমূহে এতিয়াও সকলো শিক্ষকক প্ৰশিক্ষণ দিয়াৰ সামৰ্থ হোৱা নাই। ভৱিষ্যতে আৰু কলেজ স্থাপনৰ সম্ভাৱনা আছে।

বিভিন্নধৰণৰ প্ৰশিক্ষণৰ পাঠ্যক্ৰম: এই কলেজসমূহৰ বাহিৰেও গুৱাহাটী বিশ্ববিদ্যালয়ত ইংলিচত প্ৰশিক্ষণ দিবলৈ ১বছৰীয়া এটা পঠ্যক্ৰম আছে। ভূগোলত প্ৰশিক্ষণ দিবলৈ কিছু বছৰ তিনি মহীয়া এটা পাঠ্যক্ৰম আছিল। উচ্চমাধ্যমিক স্কুলৰ শিক্ষকক এবছৰীয়া প্ৰশিক্ষণ কটন কলেজত দিয়া হৈছিল। ইয়াৰ বাহিৰেও বন্ধৰ দিনত দুমাহ তিনিমাহকৈ দুবছৰৰ কাৰণে শিক্ষা দি এজন বিভাগৰ শিক্ষকক এম. এছচি. দিয়াৰ সুবিধা দিয়া হৈছিল। এই আঁচনি পিছলৈ বন্ধ কৰিলেও কলা বিভাগত এজন শিক্ষকক এবছৰলৈ চৰকাৰে এম-এ পঢ়াৰ সুবিধা দিছিল। আৰু পিছৰ বছৰ নিজে কলেজৰ শিক্ষাৰ্থী নোহোৱাকৈয়ে পৰীক্ষা দিয়াৰ ব্যৱস্থা আছিল। শাৰীৰিক শিক্ষা, গাৰ্হস্থ্য বিজ্ঞান, দৰ্শন-শ্ৰৱণ শিক্ষা আদিৰ বাবে কলিকতা আদিৰ নিচিনা ঠাইত প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ বাহিৰেও বিজ্ঞান বিষয়ত তিনিমহীয়া প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা বিশ্ববিদ্যালয়ে কৰিছিল। আকৌ চেমিনাৰ, পৰেকীয়া আলোচনা চক্ৰ আদি পাতিও নতুন শিক্ষা পদ্ধতিৰ লগত শিক্ষকক চিনাকি কৰি দিবলৈ শিক্ষা বিভাগৰপৰা চেষ্টা কৰিছিল। ১৯৭০

চনলৈ বিশ্ববিদ্যালয়ৰ এক্সটেনছন চাৰ্ভিচে বিভিন্ন ধৰণৰ চেমিনাৰ, আলোচনা আদিৰ মাজেৰে মাধ্যমিক স্কুলৰ শিক্ষকক বৰ্তমান শিক্ষা পদ্ধতি, সমস্যা আৰু উন্নতি কৰণৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিল।

প্ৰশিক্ষণৰ সমস্যা: স্বাধীনতাৰ পিছৰেপৰা বিভিন্ন স্কুলৰ বাবে বিভিন্ন ধৰণৰ প্ৰশিক্ষণ কেন্দ্ৰ, কেবাটাও কলেজ খোলা হৈছে আৰু নানা ধৰণৰ পৰীক্ষামূলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। কিন্তু অতিশয় দুখৰ কথা যে ১৯৬৫ চনলৈকে শিক্ষকৰ প্ৰশিক্ষণ এটা সমস্যা হৈয়ে ৰ'ল। ১৯৬৪-৬৫ চনলৈ প্ৰাথমিক স্তৰত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক শতকৰা ৫০.৬ জন আছিল, মধ্য স্কুলত শতকৰা ২৮ জন আৰু মাধ্যমিক স্তৰত শতকৰা ১৬.২ জন আছিল। মাধ্যমিক স্তৰত ১৩,৫৫৮ জন শিক্ষক আৰু শিক্ষয়িত্ৰীৰ ভিতৰত মাত্ৰ ১,২০৯ জনেহে প্ৰশিক্ষণ লৈছিল। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকেও বহুত সময়ত নিজৰ আৰ্জিত জ্ঞান কামত লগাব পৰা নাছিল। প্ৰশিক্ষণৰ সমস্যা কেবাটাও আছিল।

স্কুলত শিক্ষকৰ অভাৱ: বিভিন্ন স্তৰত হোৱা শিক্ষাৰ প্ৰসাৰে শিক্ষকৰ সংখ্যাও বঢ়াই তুলিছে। কিন্তু শিক্ষকৰ সংখ্যা সকলো স্কুলতে সমানভাৱে বিস্তৃত হোৱা নাই। গাঁৱৰ স্কুলত এতিয়াও বেছিভাগ প্ৰাথমিক স্কুল এজন শিক্ষকেৰে চলোৱা হয়। এজন শিক্ষকৰ অভাৱত স্কুল নচলে কাৰণে তেখেতৰ প্ৰশিক্ষণৰ প্ৰশ্ন নাহে। আনফালে নগৰত চাকৰিত সোমোৱাৰ বাবে প্ৰতিযোগিতা আৰম্ভ হয়। বেছিভাগ স্কুল গাঁৱতে হোৱাৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অতিশয় প্ৰয়োজন হৈ পাৰিছে। মাধ্যমিক স্তৰত শিক্ষকক বদলি কৰাৰ নিয়ম কৰিলেও কাৰ্যতঃ দেখা যায় যে গাঁৱৰ স্কুললৈ সাধাৰণতে প্ৰশিক্ষণ নোহোৱা নতুন শিক্ষককহে নিযুক্তি দিয়া হয়।

প্ৰশিক্ষণ স্কুলৰ অভাৱ: প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ শতকৰা হাৰ একেবাৰে কম হোৱাৰ বাবে স্কুল আৰু কলেজৰ সংখ্যা তেনেই কম

হৈছে তাক বুজিব পাৰি। এখন প্ৰশিক্ষণ কেন্দ্ৰত সাধাৰণতে ১০০ তকৈ বেছি শিক্ষকক প্ৰশিক্ষণ দিব নালাগে। কিন্তু কলেজসমূহত ডেৰশ বা দুশৰ অধিক ছাত্ৰ হয়। ফলত শিক্ষক থাকিলেও প্ৰশিক্ষণ ভাল নহয়।

পাঠ্যক্ৰমৰ দোষ ঃ প্ৰশিক্ষণ কালত বাস্তৱৰ লগত সম্বন্ধ ৰাখি নতুন শিক্ষা পদ্ধতিত শিক্ষা দিয়াটো অতিশয় প্ৰয়োজন যদিও বৰ্তমানে পুথিগত শিক্ষাৰ ওপৰতহে জোৰ দিয়ে বেছি। অধিক সংখ্যক প্ৰশিক্ষণ প্ৰাৰ্থী আৰু কম সংখ্যক শিক্ষক থকাৰ বাবে প্ৰশিক্ষণ কালত কোনো নতুন পদ্ধতি পৰীক্ষামূলকভাৱে আৰম্ভ কৰিবলৈ বা শিকাবলৈ সময় বা সুবিধা নাপায়। পুথিগত বিষয় কেবাটাও হোৱাৰ বাবে প্ৰশিক্ষণ প্ৰাৰ্থীয়েও পৰীক্ষাত পাছ কৰাৰ ওপৰত বেছি জোৰ দিয়ে।

আদৰ্শ স্কুল ঃ প্ৰশিক্ষণ কলেজ বা স্কুলৰ লগত কোনো আদৰ্শ স্কুল নথকাৰ বাবে শিক্ষাৰ্থীসকলে কিতাপত শিকা নতুন শিক্ষা পদ্ধতি পৰীক্ষা বা বাস্তৱত ৰূপায়িত কৰাৰ সুবিধা নাপায়। প্ৰশিক্ষণৰ শেষত স্কুললৈ আহি নিৰ্দিষ্ট পাঠ্যক্ৰম পঢ়ুৱাই তেওঁলোকে শিক্ষালাভ কৰা নতুন পদ্ধতি বাস্তৱত ৰূপ দিয়াৰ সুবিধা নাপায়। পৰীক্ষাত পাছ কৰিবলৈ নিৰ্দিষ্ট পাঠ্যক্ৰম শিকোৱাৰ দায়িত্ব শিক্ষাদান কৰাত কোনো আগ্ৰহ নেদেখুৱায়। আদৰ্শ স্কুলত শিক্ষকক অভিজ্ঞতা সঞ্চয় কৰাৰ সুবিধা দিবলৈ প্ৰশিক্ষণৰ পাঠ্যক্ৰমৰ উন্নতি কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে।

নতুন ধৰণৰ প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰয়োজন ঃ প্ৰয়োজন অনুযায়ী প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যা কম হোৱা বাবে প্ৰশিক্ষণ দিয়া অনুষ্ঠানৰ সংখ্যা বঢ়াব লাগে। ইয়াৰ উপৰিও যিসকলে কাম কৰি থাকে বা স্কুল এৰি আহিবলৈ অসুবিধা, তেওঁবিলাকৰ বাবে সন্ধিয়া বা ৰাতিপুৱা ক্লাচ খুলিব লাগে। নতুন শিক্ষা পদ্ধতিৰ বিষয়ে জনাবলৈ পত্ৰ বিনিময় পাঠ্যক্ৰম (correspondence) খুলিব

লাগে। বন্ধৰ সদব্যৱহাৰ কৰিবলৈ চুটি চুটি পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

প্ৰয়োজনীয় সংগঠন: ৰাজ্যখনত খোলা বিভিন্ন ধৰণৰ অনুষ্ঠানৰ মাজত যাতে ভাল দৰে সংগঠন থাকে তালৈ চকু দিব লাগে। বিশ্ববিদ্যালয়ৰ অধীনত থকা প্ৰশিক্ষণ দিয়া অনুষ্ঠানে পাঠ্যক্ৰম শিক্ষা পদ্ধতি বা নতুন কৰ্মপন্থা লওঁতে সহযোগ আগবঢ়াব লাগে। প্ৰশিক্ষণ পদ্ধতি আৰু উন্নতি কৰিবলৈ পাঠ্যক্ৰম, বিষয়বস্তু, শিক্ষা পদ্ধতি, পৰীক্ষা পদ্ধতি আৰু নতুন নিয়মত গবেষণা বা পৰীক্ষামূলক কাম কৰাত কৰ্তৃপক্ষই উৎসাহ আৰু উদ্দীপনা দেখুৱাব লাগে। শিক্ষা পদ্ধতি স্থবিৰ নহয়। ইয়াৰ অৱস্থা, আৱশ্যকতা আৰু গৱেষণাৰ ফলাফলে পৰিবৰ্তন আনে।

মুঠতে অসমৰ শিক্ষকৰ প্ৰশিক্ষণ স্বাধীনতাৰ পিছৰেপৰা প্ৰসাৰ হলেও, ই অতি ধীৰ গতিত আগ বাঢ়িছে। প্ৰশিক্ষণ পদ্ধতিও উন্নত কৰাৰ আৱশ্যকতা আছে।

শিক্ষকৰ দৰমহা বৃদ্ধি: শিক্ষকক সমাজৰ ঘাই খুটা বুলি কলেও আমাৰ সমাজে শিক্ষকক উপযুক্ত সম্মান জানোৱা নাই। পশ্চিমীয়া দেশসমূহত বিশেষকৈ চোভিয়েট দেশত শিক্ষকৰ দৰমহা অতি বেছি। উৰ্বৰ মস্তিস্কৰ মেধা কৰ্মপ্ৰিয় লোকসকলে দুগুণ উৎসাহত ভৱিষ্যতৰ নাগৰিকক শিক্ষা দিয়াত ব্যস্ত আছে। কিন্তু ভাৰতত শিক্ষকসকলে দৰিদ্ৰতাত জৰ্জৰিত হৈ সকলো উৎসাহ উদ্দীপনা হেৰুৱাই পেলায়। শিক্ষাৰ্থীৰ ঘৰত শিক্ষকতা কৰা বেয়া নিয়ম যদিও সেইটো নকৰিলে মাহটো চলাও টান হৈ পৰে। এনেকুৱা অৰ্থনৈতিক অনাটনত জৰ্জৰিত শিক্ষকক প্ৰশিক্ষণ দিয়ালেও তেওঁলোকে লব্ধ জ্ঞান ভাল দৰে কামত লগাব নোৱাৰে। দৰমহা বৃদ্ধি নকৰিলে শিক্ষকক প্ৰশিক্ষণ দিয়ালৈ আকৰ্ষণ কৰিব নোৱাৰি। প্ৰশিক্ষণে পদোন্নতি বা দৰমহা বৃদ্ধিৰ আশা আনিলেহে শিক্ষকসকলে নিজ কৰ্মত ধাউতি দেখুৱাব।

প্ৰশ্ন

১। শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু অসমত ইয়াৰ প্ৰসাৰ সম্বন্ধে চমুকৈ লিখা।

২। স্বাধীনতাৰ পিছৰেপৰা হোৱা অসমৰ শিক্ষকৰ প্ৰশিক্ষণৰ প্ৰগতিৰ বিষয়ে লিখা।

৩। অসমত শিক্ষক প্ৰশিক্ষণৰ সমস্যা সম্বন্ধে চমুকৈ লিখা।

একাদশ অধ্যায়

কুঠাৰী আয়োগৰ প্ৰতিবেদনৰ মূল প্ৰস্তাৱসমূহ

অসমৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন স্তৰত হোৱা প্ৰগতি সম্বন্ধে আলোচনা কৰা হ'ল। ইংৰাজ শাসন কালত হোৱা শিক্ষা প্ৰগতিতকৈ স্বাধীনতাৰ পিছত হোৱা শিক্ষাৰ প্ৰগতি বেছি দ্ৰুত আছিল। কিন্তু স্বাধীনতা পোৱা ২৫ বছৰৰ পিছতো ভাৰতৰ আটাইতকৈ ডাঙৰ সমস্যা 'নিৰক্ষৰতা' দূৰ কৰিব পৰা নাছিল। অসমত এই সমস্যা আৰু জটিল হৈ আছিল। ১৯৬১ চনৰ পিয়লত পোৱা শতকৰা ২৭.৫ জন সাক্ষৰৰ ভিতৰত এটা ভাগে কোনো মতেহে লেখিব আৰু পঢ়িব পাৰিছিল।

গণতান্ত্ৰিক দেশ এখন প্ৰাথমিক স্তৰত অকল নিৰক্ষৰক সাক্ষৰ কৰাই উদ্দেশ্য হোৱা উচিত নহয়। প্ৰত্যেকটি শিশুকে পৰিবৰ্তনশীল সমাজ এখন খাপ খুৱাবলৈ উপযুক্ত নাগৰিক কৰি গঢ়ি তোলাৰ দায়িত্ব লব লাগিব। আৰু ইয়াৰ বাবে আচাৰ-ব্যৱহাৰ, অভ্যাস, দৃষ্টিভঙ্গী, আদৰ্শ, উপযুক্ত জ্ঞান, উপযুক্ত নাগৰিকৰ গুণ লাভ কৰাত শিক্ষাই সহায় কৰিব লাগিব। তাৰ উপৰি প্ৰত্যেক ব্যক্তিৰে জন্মজ শক্তি, নিজস্ব গুণ আৰু আগ্ৰহৰ পৰিপূৰ্ণ বিকাশ ঘটাই তেওঁলোকৰ শাৰীৰিক, মানসিক, সামাজিক আৰু অনুভূতিক দিশবোৰৰ উন্নতিৰ ব্যৱস্থা কৰিব লাগিব। গতিকে শিক্ষাই অকল জ্ঞানদানেই নকৰে এজন ব্যক্তিৰ পূৰ্ণ বিকাশত সহায় কৰি উপযুক্ত নাগৰিক হবলৈ দিয়ে। শিক্ষা এটা অবিৰত গতিত চলা পদ্ধতি। শিক্ষাৰ প্ৰথম স্তৰ হিচাপে প্ৰাথমিক শিক্ষাই এটি শিশুতে আৰম্ভণি কৰিব। পুথিগত শিক্ষাৰ বাহিৰেও নিজস্ব অভিজ্ঞতাৰে এনেধৰণৰ শিক্ষা লাভ কৰিবলৈ বহুত ধৰণৰ সঁজুলি আৰু উন্নত অৱস্থাৰ প্ৰয়োজন। গতিকে প্ৰাথমিক শিক্ষাৰ দ্ৰুত প্ৰসাৰৰ প্ৰয়োজন হৈছে নিৰক্ষৰতা দূৰ

কৰিবলৈ আৰু উন্নতি কৰণৰ প্ৰয়োজন হৈছে এটি শিশুক ব্যক্তি আৰু সামাজিক জীৱ হিচাপে বিকাশ কৰাত সহায় কৰিবলৈ। অসমৰ স্কুলসমূহ এনেধৰণৰ উদ্দেশ্য সফল কৰাবপৰা বহুত দূৰৈত আছে। প্ৰত্যেক স্কুলৰ অৱস্থাৰ উন্নতি কৰাৰ লগে লগে পাঠ্যক্ৰম আৰু শিক্ষাপদ্ধতি পৰিবৰ্তনৰ প্ৰয়োজন হৈ পৰিছে।

গণতান্ত্ৰিক দেশ এখনত 'মাধ্যমিক শিক্ষা' কেৱল এক শ্ৰেণী লোকৰ বাবে নহয়। মাধ্যমিক শিক্ষক যুৱক-যুৱতীৰ শিক্ষা হিচাপে গ্ৰহণ কৰি প্ৰত্যেক জনৰে গুণসমূহৰ বিকাশ ব্যৱস্থা কৰি সিহঁতক কাৰ্যক্ষম কৰি কৰ্মদক্ষ কৰিব লাগে। শিক্ষাৰ শেষত সেই শিক্ষাৰে যাতে কৰ্ম সংস্থানৰ ব্যৱস্থা কৰিব পাৰে তালৈ চকু দিব লাগে। মুদেলিয়াৰ কমিছনে এই কাৰণে ব্যক্তিত্ব বিকাশ, গণতান্ত্ৰিক লাভ, নেতৃত্বত শিক্ষা, কৰ্মদক্ষতা লাভ আৰু চৰিত্ৰ গঠন আদি মাধ্যমিক শিক্ষাৰ উদ্দেশ্য হব লাগে বুলি লেখিছিল। এই উদ্দেশ্য কেইটা গ্ৰহণ কৰিলেও দেখা যায় যে আমাৰ মাধ্যমিক স্কুলসমূহ এই উদ্দেশ্যৰ বহুত দূৰত আছে। মুদেলিয়াৰ কমিছনে বহুমুখী পাঠ্যক্ৰমৰ যি ব্যৱস্থা কৰাৰ কথা কৈছিল তাক পৰীক্ষামূলকভাৱে আৰম্ভ কৰোঁতেই ৰ'ল। এতিয়াও মাধ্যমিক শিক্ষা এক শ্ৰেণী লোকৰ বাবেহে। পাঠ্যক্ৰমে এতিয়াও পুথিগত জ্ঞানৰ ওপৰত বেছি জোৰ দিয়ে। পৰীক্ষাত পাছ কৰাই ব্যক্তিৰ কৃতকাৰ্যতাৰ মাপকাঠি। যিসকলে স্কুলৰ শেষ পৰীক্ষাত অকৃতকাৰ্য হয়, তেওঁলোকৰ শক্তি, বুদ্ধি আৰু ইচ্ছাক ফলদায়ক কামত ব্যৱহাৰ কৰাৰ ব্যৱস্থা নাই। ব্যক্তিৰ বিভিন্নতাক এতিয়াও স্বীকাৰ কৰা নাই। বুদ্ধি জোখাৰ পদ্ধতি আৰম্ভ কৰা নাই। ফলত আমাৰ মাধ্যমিক শিক্ষা এতিয়াও বহুত পাছ পৰি আছে। শিক্ষাৰ লগত কৰ্ম সংস্থানৰ সম্বন্ধ স্থাপন কৰিব নোৱাৰাৰ ফলত শিক্ষিত আৰু অৰ্ধ শিক্ষিত নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে। আনফালে উপযুক্ত নাগৰিক হিচাপে যুৱক-যুৱতীক গঢ়ি তোলাৰ সুবিধাও লব পৰা নাই।

উচ্চশিক্ষাৰ বাবে অকল দিনত অনুষ্ঠান খোলা নাৰাখি কাৰিকৰী বৃত্তিমূলক শিক্ষাৰ ব্যৱস্থা গধূলি খোলাৰ ব্যৱস্থা কৰিব লাগে। যিসকলে অৰ্থনৈতিক কাৰণত চাকৰিত সোমায় তেওঁলোকে এই অনুষ্ঠানৰ মাজেৰে উচ্চ শিক্ষা লৈ কৰ্ম দক্ষতা বঢ়াব পাৰে।

শিক্ষাৰ উদ্দেশ্য সলনিৰ লগে লগে বিষয়বস্তু, পাঠ্যক্ৰম আৰু শিক্ষা পদ্ধতি পৰিবৰ্তন কৰিবৰ হ'ল। ইয়াৰ বাবে শিক্ষকৰ প্ৰশিক্ষণৰ পাঠ্যক্ৰমতো পৰিবৰ্তন প্ৰয়োজন। নতুন নতুন পদ্ধতিৰে কেনেকৈ শিক্ষা দিব তাৰ বাবে শিক্ষকৰ প্ৰশিক্ষণৰ অতিশয় প্ৰয়োজন হৈ পৰিছে।

স্বাধীনতাৰ পিছৰেপৰা শিক্ষাৰ দ্ৰুত প্ৰসাৰ হলেও, পৰিবৰ্তন খুব বেছি একো হোৱা নাই। মুদেলিয়াৰ কমিছনে দিয়া নতুন নতুন প্ৰস্তাৱ পৰীক্ষামূলকভাৱে আৰম্ভ কৰা হৈছিল। কিন্তু অসমত ই খুব বেছি সফল হব পৰা নাই। পৰীক্ষা পদ্ধতি, শিক্ষা পদ্ধতি পৰিবৰ্তন কৰিব নোৱাৰিলে শিক্ষাৰ আচল উদ্দেশ্যত উপনীত হোৱাৰো কম। গতিকে সম্ভাৱনা গোটেই শিক্ষা পদ্ধতিৰে পুনৰ সংস্কাৰৰ প্ৰয়োজনে হৈ পৰিছে।

১৯৬৪ চনত ভাৰত চৰকাৰে জাতীয় শিক্ষা ব্যৱস্থা সম্বন্ধে উপদেশ দিবলৈ শিক্ষা কমিছন পুনৰ নিযুক্ত কৰে আৰু এই কমিছনে ১৯৬৬ চনত ৬৯২ পৃষ্ঠাৰ ৰিপৰ্ট দাখিল কৰে। চমুকৈ কবলৈ গ'লে কমিছনে তলৰ মূল কথাবোৰৰ বিষয়ে লেখিছিল।

শিক্ষাৰ উদ্দেশ্য : শিক্ষাৰ উদ্দেশ্য সদায় মানুহৰ জীৱনযাত্ৰা, উদ্দেশ্য, অভাৱ আৰু আশা-আকাঙ্খাৰ লগত সম্বন্ধ থাকিব লাগে যাতে শিক্ষাক উৎপাদন বঢ়োৱা শক্তিশালী যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি। সামাজিক আৰু জাতীয় সংহতি বজাই ৰখা, সামাজিক, নৈতিক আৰু আধ্যাত্মিক গুণৰ চৰ্চা আৰু আধুনিক কৰণৰ গতি দ্ৰুত কৰাও আয়োগৰ মতে শিক্ষাত বৈপ্লৱিক পৰিবৰ্তন নানিলে দেশৰ উন্নতি সম্ভৱপৰ নহয়। দেশৰ উন্নতি সাধন হব যদিহে

উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰি খাদ্যত স্বাৱলম্বী হব পাৰোঁ। জন-সংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে ভাৰতত খাদ্য সমস্যাৰ সৃষ্টি কৰিছে আৰু ভৱিষ্যতে কৰিবও। গতিকে কৰ্মদক্ষ নাগৰিকৰ সৃষ্টি নকৰিলে, উৎপাদন বৃদ্ধিত নাগৰিকে সহযোগ নকৰিলে দেশৰ খাদ্যত স্বাৱলম্বী হব নোৱাৰিব। বৈজ্ঞানিক ব্যৱহাৰিক শিক্ষাৰ মাজেৰে আমি কৰ্মদক্ষ নাগৰিকৰ সৃষ্টি কৰিব লাগিব।

ভাৰত এখন দুখীয়া দেশ। শিক্ষিত আৰু অশিক্ষিত নিবনুৱাৰ সংখ্যা দিনে দিনে বাঢ়ি যাবলৈ ধৰিছে। তাৰ উপৰি বহুবি উপাৰ্জন কৰা ক্ষমতাও মানুহৰ কম আৰু এক শ্ৰেণী কম সংখ্যক মানুহৰ বেছি হোৱাৰ কাৰণে উপাৰ্জন কৰাৰ ক্ষমতাৰ বিতৰণৰ ভিতৰত খুব বেছি তাৰতম্য আছে। দেশৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰি বেছিভাগৰ উপাৰ্জনৰ শক্তি বঢ়াই আৰু লগতে জনসংখ্যা বৃদ্ধিত বাধা দিলে ব্যক্তি আৰু ৰাষ্ট্ৰৰ উন্নতি সাধন হব।

সমাজত বাস কৰা বিভিন্ন ব্যক্তি, বিভিন্ন জাতি ধৰ্ম, সংস্কৃতিৰ মানুহৰ মাজত সংহতি স্থাপন কৰিব লাগিব।

গণতন্ত্ৰৰ সাফল্য বিচাৰিবলৈ হলে আমাৰ ৰাজনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিব লাগিব। নিৰক্ষৰ আৰু উদাসীন ভোটদাতাই দেশৰ উন্নতি সাধনত অংশ গ্ৰহণ নকৰে। শিক্ষিত নাগৰিক, আৰু উপযুক্ত নেতা হবলৈ হলে বহুতো গুণৰ ভিতৰত সহযোগৰ মনোবৃত্তি, আত্মসংযম, সহনশীলতা, পাৰস্পৰিক ভাতৃভাৱ আৰু উদাৰ ভাবৰ প্ৰয়োজন। তাৰ উপৰি দেশৰ স্বাধীনতা অক্ষুণ্ণ ৰখাত আৰু জাগৰিত হোৱা জনসাধাৰণৰ অভাৱ পূৰণ কৰাত আজি চৰকাৰৰ দৃষ্টি প্ৰয়োজন হৈছে। কুঠাৰি আয়োগে এইখিনি অৱস্থা উন্নতি কৰিবলৈ নতুন শিক্ষা ব্যৱস্থাৰ অতিশয় প্ৰয়োজন বুলি অনুভৱ কৰিছে। সেই কাৰণে ই শিক্ষাত বৈপ্লৱিক পৰিবৰ্তনৰ কথা উল্লেখ কৰিছে। শিক্ষাৰ লগত ৰাষ্ট্ৰীয় উন্নতি আৰু সমৃদ্ধিৰ লগত সম্বন্ধ ঘটাব লাগিব। দেশৰ উন্নতি সাধন কৰিবলৈ হলে শিক্ষাৰ উদ্দেশ্য হব;

(১) শিক্ষাৰ লগত উৎপাদন শক্তিৰ সম্বন্ধ স্থাপন কৰিব লাগিব আৰু ইয়াৰ বাবে

(ক) বিজ্ঞানক শিক্ষা আৰু সংস্কৃতিৰ ভেটি কৰিব লাগিব।

(খ) সাধাৰণ শিক্ষাত কৰ্ম অভিজ্ঞতা এটা অংশ হব।

(গ) শিক্ষাৰ বিশেষকৈ মাধ্যমিক স্তৰত বৃত্তিকৰণৰ ওপৰত বেছি জোৰ দিব লাগে যাতে ই কৃষি আৰু বাণিজ্যৰ অভাৱ আৰু আৱশ্যক পূৰণ কৰিব পাৰে।

(ঘ) বিশ্ববিদ্যালয় স্তৰত বিজ্ঞান আৰু ঔদ্যোগিক শিক্ষা আৰু গৱেষণাৰ উন্নতিৰ ওপৰত জোৰ দিব লাগে, বিশেষকৈ কৃষি আৰু এনে ধৰণৰ বিজ্ঞানৰ ওপৰত।

(২) আধুনিকৰণৰ পদ্ধতিৰ দ্ৰুত উন্নতি সাধন আৰু জ্ঞান বিস্ফোৰণ ঃ (ক) বৰ্তমান সমাজত জ্ঞানৰ যি উন্নতি আৰু প্ৰসাৰ হৈছে তাৰ লগত শিক্ষাৰ সম্বন্ধ স্থাপন কৰিব লাগে। বিজ্ঞানৰ দ্ৰুত উন্নতি জ্ঞানৰ যি দ্ৰুত বিস্তাৰ সাধন কৰিছে তাৰ লগত শিক্ষাৰ ঘনিষ্ঠ সম্বন্ধ থাকিব লাগিব। সেই জ্ঞান আহৰণে সমাজ আৰু সংস্কৃতি পৰিবৰ্তন সাধনত সহায় কৰিব।

(খ) সমাজৰ দ্ৰুত পৰিবৰ্তন ঃ সংৰক্ষণশীল সমাজত পৰিবৰ্তন খুব লাহে লাহে হলেও বৰ্তমানে সমাজত ইয়াৰ পৰিবৰ্তন ইমান দ্ৰুত গতিত হৈছে যে শিক্ষা পদ্ধতিৰ সালসলনি মাজে মাজে হৈ নাথাকিলে পৰিবৰ্তনৰ লগত খোজ মিলাব নোৱাৰিব। শিক্ষক আজি জ্ঞান আহৰণ কৰা বা উৎপাদনৰ প্ৰস্তুতকাৰী পদ্ধতি বুজায়। ই উৎসুক প্ৰবৃত্তি জাগৰিত কৰি প্ৰকৃত আগ্ৰহ, মনোবৃত্তি আৰু মূল্যবোধৰ শিক্ষা দি আৰু স্বইচ্ছাৰে জ্ঞান আহৰণ কৰা, ভবা আৰু নিজে উচিত বুলি বিবেচনা কৰা শক্তিসমূহৰ উন্নতি সাধনৰ ওপৰত জোৰ দিলেহে গণতন্ত্ৰত উপযুক্ত নাগৰিক হৈ থাকিব পাৰে।

(৩) সামাজিক আৰু ৰাষ্ট্ৰীয় সংহতি সাধন কৰা ঃ গণতান্ত্ৰিক

চৰকাৰে ভাল দৰে গঠন কৰা আৰু গণতন্ত্ৰক এক জীৱন পদ্ধতি হিচাপে গ্ৰহণ কৰা :

ভাৰতৰ নিচিনা বিভিন্ন জাতি, ভাষা, ধৰ্ম, মত আদি থকা মানুহৰ দেশ এখনৰ সংহতি এটি সমস্যা ৰূপে দেখা দিছে। সংহতি স্থাপন হব যদিহে মানুহৰ মনত,

(ক) দেশৰ উজ্জ্বল ভৱিষ্যতৰ ওপৰত বিশ্বাস থাকে। তাৰ উপৰি

(খ) জনসাধাৰণৰ জীৱন পদ্ধতিৰ মান উন্নতৰ হয়, নিবনুৱা সংখ্যা কমে, বিভিন্ন অঞ্চলৰ মাজত থকা বৈষম্য দূৰ হয়; ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত সমান অধিকাৰ পায়।

(গ) নাগৰিকৰ গুণ আৰু দায়িত্বৰ ওপৰত গভীৰ বিশ্বাস আৰু গোটেই দেশৰ প্ৰতি মানুহৰ আনুগত্য বোধ বৃদ্ধি হয়।

(ঘ) পক্ষপাতিতা নথকা ভাল শাসন পদ্ধতি স্থাপন কৰিব, য'ত প্ৰত্যেক নাগৰিকে একে ধৰণৰ ব্যৱহাৰ পায়।

(ঙ) পাৰস্পৰিক বুজাবুজি আৰু বিভিন্ন ধৰণৰ মানুহৰ সংস্কৃতি সংস্কাৰৰ ওপৰত শ্ৰদ্ধা থাকিব লাগিব।

সকলোৰে বাবে একেধৰণৰ স্কুলৰ ব্যৱস্থা কৰিব লাগিব।

সমাজ আৰু ৰাষ্ট্ৰীয় সেৱা শিক্ষাৰ সকলো স্তৰৰে অংশ হব।

সকলো ধৰণৰ ভাৰতীয় ভাষাসমূহৰ উন্নতি সাধন কৰিব লাগিব আৰু হিন্দীক ৰাষ্ট্ৰীয়ভাষা হিচাপে কাম কৰিবলৈ ব্যৱস্থা লব লাগিব।

ৰাষ্ট্ৰীয় সজাগতা বঢ়াব লাগিব।

(৪) শিক্ষাই সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্য-সমূহৰ ওপৰত শিক্ষা দি চৰিত্ৰ গঠনৰ ওপৰত জোৰ দিব লাগিব ঃ বিজ্ঞান আৰু ঔদ্যোগিক শিল্পই সমাজৰ যি দ্ৰুত পৰিবৰ্তন সাধন কৰিছে সেইটোৱে সামাজিক আৰু নৈতিক মূল্যবোধ কমাই দিছে। ফলত সৃষ্টি হৈছে নতুন পুৰুষৰ মাজত মূল্যবোধৰ সংঘাত। গতিকে শিক্ষাৰ পৰিবৰ্তনৰ লগতে নৈতিক আৰু ধৰ্মৰ লগত সংযোগ থকা মূল্য আৰু অন্তৰ্দৃষ্টিৰ, সত্য, আন মানুহৰ লগত নিজৰ আৰু নিজ জ্ঞান

লাভ কৰাটো চৰিত্ৰ গঠনৰ বাবে প্ৰয়োজন আৰু ইয়াৰ শিক্ষা দিয়াটো অতি প্ৰয়োজন।

নতুন শিক্ষা ব্যৱস্থাৰ সংগঠন ঃ আয়োগৰ মতে দেশৰ ঐক্য আৰু সংহতিৰ বাবে একেধৰণৰ শিক্ষা সকলো প্ৰদেশতে হ'ব লাগে আৰু এই ব্যৱস্থা স্কুলৰ পৰ্যায়ত বাৰ বছৰলৈ হ'ব। ইয়াৰ মতে—

(ক) স্কুলৰ প্ৰথম দহ বছৰত (৭ বা ৮ বছৰৰ প্ৰাথমিক শিক্ষা তিনি বা দুই বছৰৰ নিম্ন মাধ্যমিক স্কুলৰে গঠিত) বিশেষ ধৰণৰ শিক্ষা নিদি সাধাৰণ শিক্ষা সকলোকে দিব।

(খ) প্ৰাথমিক শিক্ষাৰ আগতে ১ বছৰৰপৰা তিনি বছৰলৈ প্ৰাক্-প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব।

(গ) প্ৰথম শ্ৰেণীত ৬ বছৰ বয়সৰ ল'ৰা-ছোৱালীকহে ভৰ্তি কৰিব।

(ঘ) প্ৰাথমিক শিক্ষাৰ শেষত প্ৰায় শতকৰা ২০ জনে শিক্ষা এৰি কামত সোমাব, আন প্ৰায় শতকৰা ২০ জনমানে বৃত্তিৰ শিক্ষা লব আৰু শতকৰা ৩০ ভাগেহে সাধাৰণ শিক্ষা লব।

(ঙ) দহ বছৰৰ শিক্ষাৰ শেষত পৰীক্ষা লোৱা হ'ব।

(চ) দহবছৰৰ শেষত শতকৰা ৪০ ভাগে কামত সোমাব, ৩০ ভাগে বৃত্তিপ্ৰধান বিষয় শিকিব আৰু ৩০ ভাগে দুবছৰৰ সাধাৰণ শিক্ষা লাভ কৰিব।

নতুন শিক্ষা ব্যৱস্থা তলৰ দৰে সংগঠন কৰাৰ প্ৰস্তাব আয়োগে দিছিল :

(১) প্ৰাক্-প্ৰাথমিক স্কুল—১বছৰৰপৰা তিনিবছৰলৈ (ক খ গ)

(২) নিম্ন প্ৰাথমিক স্তৰ—চাৰি বা পাঁচবছৰৰ (প্ৰথমৰপৰা চতুৰ্থ বা পঞ্চম শ্ৰেণীলৈ)।

(৩) উচ্চ প্ৰাথমিক—দুই বা তিনিবছৰ—(পঞ্চমৰপৰা সপ্তমলৈ)

(৪) নিম্ন মাধ্যমিক স্তৰ—তিনি বা দুই বছৰ—(অষ্টমৰপৰা দশমলৈ)।

(৫) উচ্চমাধ্যমিক স্তৰ—(একাদশৰপৰা দ্বাদশ)।

(৬) তিনি বছৰৰ প্ৰাক-স্নাতকোত্তৰ শিক্ষা।

পাঠ্যক্ৰম ঃ আয়োগে শিক্ষাৰ মূল উদ্দেশ্য সফল কৰিবলৈ তলৰ ধৰণে পাঠ্যক্ৰম অনুমোদন কৰিছে।

নিম্ন প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰম ঃ

(১) মাতৃভাষা বা আঞ্চলিক ভাষা (২) অঙ্ক (৩) পৰিবেশ অধ্যয়ণ (৪) সৃজনীশীল কাৰ্যাৱলী (৫) কৰ্ম অভিজ্ঞতা আৰু সামাজিক সেৱা (৬) স্বাস্থ্য শিক্ষা।

উচ্চ প্ৰাথমিক স্তৰ ঃ

দুটা ভাষা মাতৃভাষা বা আঞ্চলিক ভাষা আৰু হিন্দী বা ইংৰাজী, অঙ্ক, বিজ্ঞান, সামাজিক শিক্ষা (বা বুৰঞ্জী, ভূগোল আৰু পৌৰবিজ্ঞান), শিল্প-কলা, কামৰ অভিজ্ঞতা আৰু সামাজিক সেৱা, শাৰীৰিক শিক্ষা, নৈতিক আৰু আধ্যাত্মিক শিক্ষা।

নিম্ন মাধ্যমিক স্কুল ঃ

তিনিটা ভাষা—মাতৃভাষা বা আঞ্চলিক ভাষা ; চৰকাৰী ভাষা আৰু বিদেশী বা আধুনিক ভাৰতীয় ভাষা ;

অঙ্ক ;

বিজ্ঞান ;

বুৰঞ্জী, ভূগোল আৰু পৌৰবিজ্ঞান ;

শাৰীৰিক শিক্ষা ;

নৈতিক আৰু আধ্যাত্মিক শিক্ষা।

উচ্চ মাধ্যমিক স্কুল ঃ

(ক) যেই সেই দুটা ভাষা—তাৰে ভিতৰত আধুনিক ভাৰতীয়, বিদেশী বা পুৰণি ভাষা এটা।

(খ) তলৰ ভাগবোৰৰপৰা যেই সেই তিনিটা বিষয় ঃ

অতিৰিক্ত ভাষা, বুৰঞ্জী, ভূগোল, অৰ্থনীতি, তৰ্কবিদ্যা,

মনোবিজ্ঞান, সমাজবিদ্যা, কলা বিদ্যা, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, অঙ্ক, জীৱ বিজ্ঞান, ভূ-বিজ্ঞান, ঘৰুৱা বিজ্ঞান।

(গ) কৰ্ম—অভিজ্ঞতা আৰু সমাজ সেৱা

(ঘ) শাৰীৰিক বিদ্যা

(ঙ) বৃত্তিৰ কলা

(চ) নৈতিক আৰু আধ্যাত্মিক শিক্ষা।

আয়োগে এটা কথা উল্লেখ কৰিছিল যে উচ্চ মাধ্যমিক স্তৰত বাছি বাছি তিনিটা বিষয় ললেও, যেই কোনো ভাগৰপৰা সেই বিষয় লব পাৰিব। বিজ্ঞানৰ দুটা কলাৰ এটা বা কলাৰ দুটা আৰু বিজ্ঞানৰ এটাকৈ বা গোটেই কেইটা বিজ্ঞান বা কলাৰ বিষয় শিক্ষাৰ্থীয়ে নিজৰ দক্ষতা, আগ্ৰহ আৰু ইচ্ছা অনুযায়ী লব পাৰিব।

আয়োগে কেইটামান বিশেষ কথাৰ ওপৰত গুৰুত্ব দিছিল, যেনে সকলোকে শিক্ষা দিয়াৰ সমান অধিকাৰ দিবলৈ বিনামূলীয়া শিক্ষা দিয়াৰ স্তৰত উপনীত হব লাগিব। প্ৰাথমিক স্তৰত পঢ়া কিতাপ, লিখাৰ সঁজুলি আৰু আৱশ্যকীয় বস্তু বিনামূল্যে দিয়াৰ ব্যৱস্থা কৰিব লাগে, জলপানী আদিৰ সংখ্যা বঢ়াব লাগে, যাতে দুখীয়া মানুহৰ ল'ৰাই উচ্চশিক্ষা পোৱাৰপৰা বঞ্চিত নহয়। অহা যোৱাৰ সুবিধা, আৰ্জনৰ সুবিধা আৰু দিনত শিক্ষাৰ কেন্দ্ৰ আৰু লাইব্ৰেৰী আদিৰ সুবিধা দিব লাগে। পঙ্গু ল'ৰা-ছোৱালীক সুকীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

স্ত্ৰী শিক্ষাৰ প্ৰসাৰত বেছি জোৰ দি স্ত্ৰী-পুৰুষৰ ভিতৰত থকা বিভেদটো আঁতৰাব লাগে।

ডিগ্ৰী পোৱা ল'ৰা-ছোৱালীৰ বাবে কৰ্ম-সংস্থানৰ ব্যৱস্থা কৰিব লাগে।

সকলো ল'ৰা-ছোৱালীকে সৰুৰেপৰা প্ৰকৃত জীৱনত পোৱা লাগতীয়াল বৃত্তিত আৰু উৎপাদন কৰা কামত লগাব লাগে। এই শিক্ষাৰ মূল উদ্দেশ্য হৈছে শাৰীৰিকভাৱে কৰা কামৰ প্ৰতি

বিৰূপ ভাৱ আঁতৰোৱা আৰু সৃজনী শক্তিৰ ব্যৱহাৰ কৰি কৰ্মক্ষমতা বঢ়োৱা আৰু জীৱনত লগা কামত মন আকৰ্ষণ কৰি উৎপাদন শক্তি বঢ়োৱা।

সামাজিক জীৱনৰ বিভিন্ন দিশত নিজে অংশ লৈ প্ৰত্যেক শিক্ষাৰ্থীক সামাজিকভাৱে সচেতন, সমাজ সংস্কাৰত অংশগ্ৰহণ কৰাত আৰু সামাজিক গুণাৱলী লাভ কৰাত সহায় কৰিব লাগে। স্কুলঘৰ চাফা, ফুলনি কৰা, ক্লাচ কম সজোৱা, গাঁৱৰ ৰাস্তা বন্ধাত সহায় কৰা, গাঁও চাফা কৰা আদি কামৰ মাজেৰে সমাজ সেৱা কৰিব পাৰি।

স্কুলত তিনিটা ভাষা শিকোৱাৰ নীতি গ্ৰহণ কৰি লাগে।

নতুন উদ্দেশ্য আৰু শিক্ষানীতি সফল কৰিবলৈ হলে শিক্ষা পদ্ধতি আৰু পৰীক্ষা পদ্ধতি সলনি কৰিব লাগে।

নতুন নিয়মেৰে শিক্ষকক প্ৰশিক্ষণ দিব লাগে, যাতে নতুন শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য সফল হয়।

শিক্ষা আয়োগে ইয়াৰ বাহিৰেও আৰু বহুতো বিষয়ত বহলাই আলোচনা কৰিছে যদিও, স্কুলৰ শিক্ষা সম্বন্ধীয় নীতিক অতি চমুকৈ কোৱা হৈছে।

শিক্ষা আয়োগৰ মূল প্ৰস্তাৱসমূহ গ্ৰহণ কৰি ভাৰত চৰকাৰেও নতুন শিক্ষা নীতিৰ প্ৰতিবেদন সংসদত দাখিল কৰিছে। এই প্ৰতিবেদনত বিশেষ কেইটামান কথালৈ জোৰ দিছে, যেনে

বিনামূলীয়া, বাধ্যতামূলক শিক্ষা ঃ সংবিধানৰ ৪৫ দফাত থকা মতে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। অপচয় গুচাবলৈও উচিত ব্যৱস্থা লোৱা দৰ্কাৰ।

শিক্ষকৰ যোগ্যতা, আৰু সন্মান ঃ শিক্ষকে শিক্ষাৰ সফলতাত বহুতখিনি অৱদান দিয়ে কাৰণে তেওঁলোকক যথোপযুক্ত স্থান সমাজত দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকে জাতীয় বা আন্তৰ্জাতীয় সমস্যাত লিখা প্ৰৱন্ধ বা বক্তৃতা আৰু গবেষণা কৰা অধিকাৰ শিক্ষকক দিব লাগে।

ভাষাৰ উন্নতি ঃ ভাষা চৰ্চাত ভাষাৰ উন্নতি হোৱাৰ বাবে নিজ ভাষাৰে শিক্ষা লাভ কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ উপৰি আৰু দুটা ভাষা শিকিব লাগিব।

শিক্ষাৰ সমান অধিকাৰ ঃ (ক) ৰাজ্যসমূহত বিভেদ দূৰ কৰিবলৈ পাছ পৰা ৰাজ্যই আৰু গাঁৱৰ পাছ পৰা ঠাইক শিক্ষাত বেছি সুবিধা আগবঢ়াব লাগে। (খ) সৰ্বসাধাৰণৰ স্কুলৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। (গ) ছোৱালীৰ শিক্ষাত অনুন্নত সম্প্ৰদায় আৰু পাৰ্বত্য জাতিৰ শিক্ষা প্ৰসাৰত বেছি জোৰ দিব লাগে। (ঘ) শাৰীৰিক আৰু মানসিকভাৱে পঙ্গুসকলক নিয়মিতভাৱে শিক্ষা দিয়াৰ স্বকীয়া ব্যৱস্থা কৰিব লাগে। (ঙ) বুদ্ধি আৰু প্ৰতিভাৰ স্বীকৃতি আৰু তাৰ বিকাশৰ যথোপযুক্ত ব্যৱস্থা কৰিব লাগে।

কাম, অভিজ্ঞতা আৰু জাতীয় সেৱা ঃ স্কুল আৰু সমাজক বুজা-বুজিৰ মাজত আনিবলৈ যৌথভাৱে সেৱা কৰাৰ আঁচনি লব লাগে। সমাজ সেৱা আৰু দেশ সংগঠনত অংশ লোৱাতে স্কুলীয়া শিক্ষাৰ এটা অংশ হব।

বিজ্ঞান শিক্ষা আৰু গবেষণা ঃ দেশৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিবলৈ বিজ্ঞান শিক্ষা আৰু ইয়াৰ গবেষণাৰ ওপৰত জোৰ দিব লাগে।

কৃষি আৰু কাৰিকৰী শিক্ষাৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। প্ৰত্যেক প্ৰদেশতে এখনকৈ কৃষি বিশ্ববিদ্যালয় থাকিব। এই বিশ্ব-বিদ্যালয়ে কৃষি শিক্ষা আৰু ইয়াৰ উন্নতিৰ বাবে গবেষণাৰ ব্যৱস্থা কৰিব।

কাৰিকৰী শিক্ষা—শিল্প-কেন্দ্ৰবোৰত কাৰ্যকৰী প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। শিল্পৰ উন্নতিৰ কাৰণে শিল্প শিক্ষা আৰু গবেষণা কৰিব লাগিব।

পৰীক্ষাৰ পৰিবৰ্তন ঃ পৰীক্ষা নিৰ্ভৰযোগ্য আৰু বিশ্বাস-যোগ্য কৰিবলৈ পৰীক্ষাৰ নিয়ম সলাব লাগে। পৰীক্ষাই চাৰ্টিফিকেট

দিয়াতকৈ শিক্ষাৰ্থীৰ নিজৰ দুৰ্বলতা গুচাই নিজৰ লব্ধ জ্ঞান আৰু দক্ষতা বঢ়াবলৈ উৎসাহ দিব লাগে।

মাধ্যমিক শিক্ষা: মাধ্যমিক স্তৰত শিক্ষাৰ সুবিধা পাছ পৰা ঠাই বা শ্ৰেণীক দিয়াৰ ব্যৱস্থা কৰিব লাগে। বৃত্তি মূলক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে যাতে স্কুল এৰাৰ পিছত শিক্ষাৰ্থীয়ে কাম পায় বা জীৱন নিৰ্বাহৰ বাবে উপাৰ্জন কৰিবলৈ সক্ষম হয়। কৃষি, শিল্প, ব্যৱসায়, বাণিজ্য, ডাক্তৰি, জনসাধাৰণৰ স্বাস্থ্য, ঘৰ পৰিচালনা, শিল্প-কলা, টাইপ-চৰ্টহেণ্ড আদিত শিক্ষা লাভ কৰাবো সুবিধা থাকিব লাগিব।

আংশিক শিক্ষা আৰু পত্ৰ-বিনিময় পাঠ্যক্ৰম: অৰ্থ নৈতিক বা আন কাৰণত দিনত উচ্চশিক্ষাৰ বাবে যাব নোৱাৰা ব্যক্তিসকলৰ বাবে উচ্চশিক্ষাৰ বাবে আধা সময়ৰ বাবে খোলা স্কুল বা পত্ৰ বিনিময়ৰ যোগেৰে পাঠ্যক্ৰমত শিক্ষা লোৱাৰ ব্যৱস্থা কৰিব লাগে। মাধ্যমিক স্কুল এৰি যোৱা, কলেজত পঢ়া ল'ৰা-ছোৱালীৰ বাবে ৰাতিপুৱা বা গধূলি উচ্চশিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

নিৰক্ষৰতা দূৰীকৰণ আৰু বয়স্ক শিক্ষা: ব্যৱসায়ী প্ৰতিষ্ঠান-সমূহে, শিল্পকেন্দ্ৰ বা আন অনুষ্ঠানে নিয়োগ কৰা নিৰক্ষৰ তলতীয়া কৰ্মচাৰীসকলক প্ৰাথমিক শিক্ষা দিবলৈ বয়স্ক শিক্ষাকেন্দ্ৰ খুলিব লাগিব। শিক্ষক আৰু শিক্ষাৰ্থীয়ে নিৰক্ষৰতা দূৰীকৰণ অভিযানত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব লাগিব।

ওপৰত ভাৰত-চৰকাৰৰ শিক্ষানীতিৰ মূল প্ৰস্তাৱ কেইটা চমুকৈ বৰ্ণনা কৰা হ'ল।

অসমত নতুন শিক্ষা ব্যৱস্থা

১৯৭৩ চনত প্ৰবৰ্তন কৰা নতুন শিক্ষা ব্যৱস্থা কিছু সালসলনি কৰি অসমতো প্ৰবৰ্তন কৰিছে। কুঠাৰী আয়োগে বিশ বছৰলৈ শিক্ষাৰ সংগঠন চলাৰ প্ৰস্তাৱ দিলেও অসমত সোনকালে ইয়াৰ সংস্কাৰসাধন কৰিবলৈ তিনি ঠাইত সংগঠনৰ ব্যৱস্থা কৰিছে।

(১) ৬ বছৰৰপৰা ল'ৰা-ছোৱালীক প্ৰাথমিক শিক্ষাৰ প্ৰথম শ্ৰেণীত নাম ভৰ্তি কৰাৰ ব্যৱস্থা কৰিছে। যাতে একে বয়সৰ ল'ৰা-ছোৱালীয়ে একে শ্ৰেণীতে পঢ়াৰ সুবিধা পায়।

(২) তৃতীয়ৰপৰা পঞ্চমলৈ উচ্চ প্ৰাথমিক স্কুলৰ স্তৰলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিছে যাতে নতুন পাঠ্যক্ৰম, নতুন বিষয়বস্তুৰ লগত সিহঁতৰ চিনাকি হয়।

(৩) ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ লৈ যোৱা হৈছে যাতে অষ্টম শ্ৰেণীত নতুনকৈ প্ৰবৰ্তন কৰা পাঠ্যক্ৰমৰ মাজেৰে নতুন ধৰণৰ শিক্ষা লাভ কৰে।

গতিকে শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন আৰু সংস্কাৰ প্ৰথমৰপৰা আৰম্ভ নকৰি কেৱা ঠাইতো কৰিছে যাতে নতুন ব্যৱস্থাৰ ফল ১৯৭৬ চনত পোৱা যায়। অৰ্থাৎ যিসকল শিক্ষাৰ্থীয়ে এতিয়া ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ উঠিছে তেওঁলোকে নতুন পাঠ্যক্ৰমত শিক্ষা লাভ কৰি ১৯৭৬ চনত প্ৰথম হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা দিব। পুৰণি পৰীক্ষা হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰী স্কুল লিভিং পৰীক্ষা ১৯৭৫ চনত শেষ হব। এতিয়া যিসকল শিক্ষাৰ্থী অকৃতকাৰ্য হব তেওঁলোকক কি সুবিধা দিয়া হব তাৰ বিশেষ ব্যৱস্থা কৰা হোৱা নাই।

বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থাত তলৰ ধৰণেৰে পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে ;

নিম্ন প্ৰাথমিক স্তৰ

(১) এটা ভাষা—মাতৃভাষা বা আঞ্চলিক ভাষা।

(২) অঙ্ক।

(৩) পাৰিপাৰ্শ্বিকতা অধ্যয়ন (বিজ্ঞান আৰু সমাজবিদ্যা তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত শিকাব)।

(৪) সৃষ্টিমূলক কাৰ্যাৱলী।

(৫) কৰ্ম অভিজ্ঞতা আৰু সামাজিক কাম।

(৬) স্বাস্থ্য-শিক্ষা।

উচ্চ প্ৰাথমিক স্তৰ (পঞ্চমৰপৰা অষ্টমলৈ)

মূলবিষয় (বাধ্যতামূলক) ঃ

(১) প্ৰথম ভাষা—মাতৃভাষা বা আঞ্চলিক।

(২) দ্বিতীয় ভাষা—ইংৰাজী।

(৩) তৃতীয় ভাষা—তলৰ যেই সেই এটা।

(ক) হিন্দী—যাৰ প্ৰথম ভাষা অসমীয়া (অসমৰ ভিতৰত)

(খ) অসমীয়া—যাৰ প্ৰথম ভাষা অসমীয়া নহয় (অসমৰ ভিতৰত)

(গ) হিন্দী বা অসমীয়া—অসমৰ বাহিৰৰ স্কুলসমূহৰ বাবে য'ত এই দুটা ভাষা হিচাপে লোৱা নাই।

(৪) সাধাৰণ বিজ্ঞান।

(৫) সাধাৰণ অঙ্ক।

(৬) বুৰঞ্জী।

(৭) ড্ৰইং।

(৮) ভূগোল।

(৯) নৈতিক শিক্ষা।

(১০) কৰ্ম অভিজ্ঞতা।

ঐচ্ছিক বিষয়

যেই সেই এটা বিষয় লব পাৰিব।

(১) সংস্কৃত (২) হিন্দী (৩) অসমীয়া (৪) বঙালী (৫) বড়ো (৬) গাৰো (৭) আৰবিক (৮) খাচী (৯) মণিপুৰী (১০) মিজো। তৃতীয় আৰু অতিৰিক্ত বিষয় ষষ্ঠ আৰু সপ্তমত শিকিব।

মাধ্যমিক স্তৰ (অষ্টমৰপৰা দশমলৈ)

মূলবিষয় ঃ

(১) প্ৰথম ভাষা ঃ—তলৰ যেই সেই এটা,

অসমীয়া (সংস্কৃত সহ), অসমীয়া, বঙালী (সংস্কৃত সহ), বঙালী, হিন্দী (সংস্কৃত সহ), হিন্দী, উৰ্দু, মণিপুৰী, খাচী, গাৰো মিজো, নেপালী, বড়ো।

বা

যিসকলৰ প্ৰথম ভাষা ওপৰৰ উল্লেখিত ভাষা নহয়।

আও, আঙ্গামী, চাওঁলী, প্ৰাথমিক হিন্দী, অসমীয়া, বঙালী, (যদি দুটা ভাষা তৃতীয় ভাষা হিচাপে তলৰ শ্ৰেণীত লোৱা হৈছে)।

(১) ইংৰাজী (উচ্চস্তৰৰ)

(২) দ্বিতীয় ভাষা—ইংৰাজী।

(৩) সাধাৰণ বিজ্ঞান।

(৪) সাধাৰণ অঙ্ক।

(৫) সমাজ বিদ্যা।

(৬) কৰ্ম অভিজ্ঞতা।

ঐচ্ছিক ভাষা—যেই সেই দুটা

(১) অসমীয়া/বঙালী/হিন্দী/সংস্কৃত/আৰবিক/ফাৰ্চী।

(২) বুৰঞ্জী।

(৩) ভূগোল/বাণিজ্য ভূগোল।

(৪) অৰ্থনীতি আৰু নাগৰিক জ্ঞান/উচ্চ বিজ্ঞান/বৃত্তি।

(৫) উচ্চঅঙ্ক/কিতাপ-সংৰক্ষণ আৰু বাণিজ্য অঙ্ক/কৃষি/গৃহবিজ্ঞান নৃত্য/সংঙ্গীত/কলা শিল্প/ৰেশম শিল্প।

(১) সহ পাঠ্যক্ৰম কাৰ্যাৱলী।

নতুন ধৰণৰ পাঠ্যক্ৰমৰ সফলতা কেনে ধৰণেৰে লাভ কৰে ভবিষ্যতত দেখা পোৱা যাব।

বৰ্তমান শিক্ষা ব্যৱস্থাত যিমানে মহৎ উদ্দেশ্য নাথাকক, তাৰ সফলতা নিৰ্ভৰ কৰে কেইটামান বিষয়ৰ ওপৰত যেনে :

(১) প্ৰস্তুতিকৰণৰ প্ৰয়োজন : বৰ্তমান স্কুলসমূহত নতুন শিক্ষা উদ্দেশ্য সফল কৰিবলৈ হলে ইয়াৰ অৱস্থা উন্নত কৰিব লাগিব।

বেছিভাগ স্কুলৰে স্কুলঘৰ, আচবাব পত্ৰ, শিক্ষণৰ সহায়কাৰী বস্তু, লাইব্ৰেৰী, ৰসায়নাগাৰ আদিৰ উন্নতি সাধন কৰিব লগীয়া হৈছে। কৰ্ম অভিজ্ঞতা দিবলৈ স্কুলৰ পৰিবেশৰ পৰিবৰ্তন প্ৰয়োজন। উচ্চ আদৰ্শৰে শিক্ষা ব্যৱস্থা প্ৰবৰ্তন কৰিলে নহব ; তাৰ বাবে কিছু বছৰৰ প্ৰস্তুতিৰ প্ৰয়োজন।

(২) শিক্ষক প্ৰশিক্ষণঃ শিক্ষকৰ ওপৰত শিক্ষাৰ ব্যৱস্থাৰ বহুতখিনি সাফল্য নিৰ্ভৰ কৰে। নতুন ধৰণেৰে শিক্ষা দিবলৈ শিক্ষকৰ প্ৰশিক্ষণৰ প্ৰয়োজন। সঘনে নবীকৰণৰ পাঠচৰ্চাৰ প্ৰয়োজন।

(৩) অধিক শিক্ষক নিয়োগৰ প্ৰয়োজন।

(৪) নতুন ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা নতুন শিক্ষা ব্যৱস্থা আৰম্ভ কৰাৰ আগতে কৰিব লাগিছিল।

(৫) মাতৃমঙ্গল, শিশুমঙ্গল, সমাজ কল্যাণ, শিশুকল্যাণ, সামাজিক কেন্দ্ৰ, সামাজিক অনুষ্ঠান—অভিভাৱক গঞ্জাৰাইজ আদিৰ সহায় আৰু সহযোগ লব লাগে কৰ্ম অভিজ্ঞতা আৰু বাস্তৱমুখী শিক্ষা ল'ৰা-ছোৱালীকে দিবলৈ।

(৬) আয়োগে অনুমোদন কৰা মতে বিনামূলীয়া গাখীৰ, ভাত কাপোৰ, কিতাপ, কাগজ আদিৰ ব্যৱস্থা কৰিব লাগিব।

(৭) স্বাস্থ্য পৰীক্ষা কৰা আৰু চিকিৎসা কৰাৰ ব্যৱস্থা থাকিব লাগে।

(৮) কৰ্মকেন্দ্ৰ আৰু শিক্ষাৰ মাজত সম্বন্ধ স্থাপন কৰিব লাগে।

(৯) স্কুলত শ্ৰৱণ-দৰ্শন সঁজুলি, বৈজ্ঞানিক সঁজুলি, গ্ৰন্থাগাৰ, গবেষণাগাৰ আদিৰ উন্নতিসাধন কৰিব লাগিব।

(১০) সকলোকে ১৪ বছৰলৈ ৰখাৰ ব্যৱস্থা কৰিব লাগিব।

মুঠতে নতুন শিক্ষা ব্যৱস্থাই শিক্ষাসম্বন্ধে সকলো ধৰণৰ বিষয়তে উন্নতি কৰণ বিচাৰিছে। এই শিক্ষা ব্যৱস্থাই কেনে ধৰণেৰে সাফল্য লাভ কৰে তাক ভৱিষ্যতেহে কব পৰা যাব।

———

দ্বাদশ অধ্যায়

অসমত পৰিবৰ্তিত বাৰ বছৰীয়া শিক্ষা ব্যৱস্থা

১৯৬৩ চনত প্ৰবৰ্ত্তন কৰা নতুন শিক্ষা ব্যৱস্থামতে অসমত স্কুলীয়া পাঠ্যক্ৰম বাৰ বছৰলৈ প্ৰবৰ্ত্তন কৰা হৈছে। এই ব্যৱস্থাৰ মতে শিক্ষা ব্যৱস্থা তলৰ ধৰণে পৰিবৰ্ত্তন কৰা হৈছে।

১। ১৯৭৩ চনৰপৰা ক আৰু খ শ্ৰেণী দুটা উঠাই দিয়া দিছে।

২। ৬ বয়সৰপৰা ল'ৰা-ছোৱালীয়ে প্ৰাথমিক স্কুলৰ প্ৰথম শ্ৰেণীত ভৰ্তি হব। ১৯৭২ চনৰ ক শ্ৰেণীৰপৰা উত্তীৰ্ণ নোহোৱা সকলো প্ৰথম শ্ৰেণীত ভৰ্তি হব।

৩। মজলীয়া নিম্ন মাধ্যমিক স্তৰত ১৯৭৩ চনৰ ৪ৰ্থ উঠি যাব আৰু তৃতীয় শ্ৰেণীৰপৰা উত্তীৰ্ণ হৈ অহা আৰু পুৰণি পাঠ্যক্ৰমৰ ৪ৰ্থ শ্ৰেণীৰ অকৃতকাৰ্য হোৱা শিক্ষাৰ্থীসকলে ১৯৭৩ চনত নতুন পাঠ্যক্ৰম আৰু নতুন পাঠ্যপুথি অনুসৰণ কৰিব। পুৰণি পঞ্চম আৰু ষষ্ঠ শ্ৰেণীয়ে পুৰণি পাঠ্যক্ৰম আৰু পাঠ্যপুথি অনুসৰণ কৰিব।

৪। ১৯৬৩ চনত পুৰণি পাঠ্যক্ৰমৰ সপ্তম আৰু অষ্টম শ্ৰেণী উঠি যাব। ষষ্ঠমান শিক্ষাৰ্থীয়ে নতুন অষ্টমমানলৈ উঠিব আৰু নতুন পাঠ্যপুথি অনুসৰণ কৰিব। সপ্তম মানৰপৰা অষ্টমমানলৈ উঠা শিক্ষাৰ্থীয়েও নতুন পাঠ্যক্ৰম আৰু পাঠ্যপুথি পঢ়িব লাগিব; অৰ্থাৎ অষ্টম মান কেৱল এটাহে থাকিব। ইয়াত দুই ধৰণৰ ল'ৰা-ছোৱালী থাকিব। প্ৰথম ভাগত থাকিব পুৰণি সপ্তম শ্ৰেণীৰপৰা উত্তীৰ্ণ হোৱা ছাত্ৰ আৰু পুৰণি অষ্টম শ্ৰেণীত অকৃতকাৰ্য হোৱা ছাত্ৰ। আৰু দ্বিতীয় ভাগত থাকিব পুৰণি ষষ্ঠ শ্ৰেণীৰপৰা উত্তীৰ্ণ হোৱা ছাত্ৰ আৰু পুৰণি সপ্তম শ্ৰেণীত অকৃতকাৰ্য হোৱা শিক্ষাৰ্থী। দুয়োবিধ শিক্ষাৰ্থীক দুটা বিভাগত পঢ়ুৱাৰ ব্যৱস্থা কৰিলেও তেওঁলোকে নতুন পাঠ্যক্ৰম অনুসৰণ কৰিব।

১৯৭৪ চনত পুৰণি নবম শ্ৰেণী আৰু ১৯৭৫ চনত পুৰণি দশম শ্ৰেণী উঠি যাব। আৰু ১৯৭৭ চনৰপৰা স্কুলৰ সকলো শ্ৰেণীতে নতুন পাঠ্যক্ৰম প্ৰবৰ্তন কৰা হব।

নতুন পাঠ্যক্ৰম

নতুন পাঠ্যক্ৰম মতে পঞ্চম শ্ৰেণীৰপৰা সপ্তম শ্ৰেণীলৈ তলৰ বিষয়সমূহ থাকিব।

বাধ্যতামূলক বিষয়সমূহ :

(১) প্ৰথম ভাষা : মাতৃভাষা বা আঞ্চলিক ভাষা

(২) দ্বিতীয় ভাষা : ইংৰাজী

(৩) তৃতীয় ভাষা : যেই সেই এটা—

(ক) অসমৰ ভিতৰৰ অসমীয়া লোৱা সকলৰ বাবে হিন্দী।

(খ) অসমৰ ভিতৰৰ প্ৰথম ভাষা অসমীয়া নোহোৱাসকলৰ বাবে অসমীয়া।

(গ) অসমৰ বাহিৰৰ শিক্ষাৰ্থীসকলৰ বাবে অসমীয়া বা হিন্দী, যদিহে তেওঁলোকে সেই দুটাৰ এটাক প্ৰথম ভাষা হিচাপে লোৱা নাই।

(৪) সাধাৰণ বিজ্ঞান

(৫) সাধাৰণ অঙ্ক

(৬) বুৰঞ্জী

(৭) ভূগোল

(৮) চিত্ৰাঙ্কন

(৯) নৈতিক শিক্ষা

(১০) কৰ্ম অভিজ্ঞতা

৫। অতিৰিক্ত বিষয় :

যিকোনো এটা ভাষা ইচ্ছা কৰিলে লব পাৰে।

(ক) সংস্কৃত (খ) হিন্দী (গ) অসমীয়া (ঘ) বঙালী (ঙ) বড়ো (চ) গাৰো (ছ) আৰবীক (জ) খাঁচী (ঝ) মণিপুৰী (ঞ) মিজো।

তৃতীয় আৰু অতিৰিক্ত ভাষা ষষ্ঠ আৰু সপ্তম মানতহে লব পাৰিব।

৬। সহ-পাঠ্যকৰ্মাৱলী থাকিব

অষ্টমমানৰপৰা দশমমানলৈ পাঠ্যক্ৰম

বাধ্যতামূলক বিষয়

(১) প্ৰথম ভাষা : যেই সেই কোনো এটা ভাষা— অসমীয়া, বঙালী, হিন্দী, উৰ্দ্দু, মণিপুৰী, খাচী, গাৰো, মিজো, নেপালী আৰু বৰো।

বা

যিসকলৰ ওপৰৰ উল্লেখিত বিষয় নাই তেওঁলোকৰ বাবে যেই কোনো তলৰ দুটা ভাষা।

আও, আঙ্গামী, চাওতালী, প্ৰাথমিক হিন্দী, অসমীয়া, বঙালী, ইংৰাজী।

(২) দ্বিতীয় ভাষা : ইংৰাজী

(৩) সাধাৰণ বিজ্ঞান

(৪) সাধাৰণ অঙ্ক

(৫) সামাজিক বিদ্যা

(৬) কৰ্ম অভিজ্ঞতা

(৭) সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী

৭। যি কোনো দুটা বিষয়

(১) অসমীয়া/বঙালী/হিন্দী/সংস্কৃত/আৰবিক/পাৰ্চী।

(২) বুৰঞ্জী

(৩) ভূগোল বা বাণিজ্য ভূগোল

(৪) নাগৰিক শিক্ষা আৰু অৰ্থবিজ্ঞান/উচ্চবিজ্ঞান বা বৃত্তি (কাঠৰ, কাপোৰৰ, পিতল, বেতৰ আৰু বাহৰ, বেজিৰ আৰু দৰ্জীৰ বৃত্তি, ঘৰসজা, ব্যৱহাৰিক ইলেকট্ৰিচিটি আৰু বাগান চলোৱাৰ কৰ্মী)

(৫) উচ্চ অঙ্ক/বুক কিপিং আৰু বাণিজ্য অঙ্ক/কৃষি/ঘৰুৱা বিজ্ঞান।

(৬) নৃত্য

(৭) সঙ্গীত

(৮) সুকুমাৰ কলা/আলু আৰু পাট শিল্প

ওপৰৰ পাঠ্যক্ৰমৰপৰা দেখা যায় যে বিভিন্ন বিষয় থাকিলেও বিষয়সমূহ নিৰ্দিষ্টভাৱে ভগোৱা নাই। এঘাৰ বছৰীয়া পাঠ্যক্ৰমত কলা, বিজ্ঞান, বাণিজ্য, সুকুমাৰ কলা, ঘৰুৱা বিজ্ঞান আদি কৰি কিছুমান বিভাগ কৰা হৈছিল আৰু যিকোনো বিভাগৰপৰা তিনিটা বিষয় বাচি লব লাগিছিল। কিন্তু বাৰ বছৰীয়া পাঠ্যক্ৰমত তেনে ধৰণৰ কোনো বিভাগ নাছিল আৰু যি কোনো দুটা বিষয় বাচি লোৱাৰ সুবিধা পাইছিল। কৰ্ম অভিজ্ঞতা আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীয়ে প্ৰাধান্য লাভ কৰাৰ ফলত পাঠ্যক্ৰমৰ অৰ্থও নতুন ধৰণৰ হৈছিল।

নতুনকৈ প্ৰবৰ্তন কৰা ১২ বছৰীয়া পাঠ্যক্ৰমে শিক্ষক, অভিভাৱক, ছাত্ৰ আৰু বাইজৰ মনত নানা চিন্তাৰ সৃষ্টি কৰিছে। বজাৰত এতিয়ালৈকে পাঠ্যপুথি নোলোৱাৰ বাবে আৰু গাঁৱৰ স্কুলসমূহত নতুন পাঠ্যক্ৰম গৈ নোপোৱাত শিক্ষকসকলৰ মাজত দ্বিধা ভাবৰ সৃষ্টি কৰিছে। এখন শিক্ষক সম্মিলনত বিভিন্ন ঠাইৰপৰা অহা শিক্ষক-সকলে হঠাতে সলনি কৰা পাঠ্যক্ৰম, তাৰ বাবে আগতে শিক্ষক-সকলক সজাগ নকৰাৰ বাবে আৰু ব'ৰ্ডে এতিয়াও শিক্ষকসকলক কেনে দৰে শিক্ষা আৰম্ভ কৰিব তাক বুজাই নিদিয়াৰ বহুতো

অভিযোগ তুলিছিল। তেওঁলোকে এইটো বুজিছিল যে সমাজৰ পৰিবৰ্তন আনিবলৈ আৰু পৰিবৰ্তনশীল সমাজৰ লগত ভৱিষ্যতৰ নাগৰিকক খাপ খুৱাই তুলিবলৈ আমাৰ শিক্ষা পদ্ধতিৰ পৰিবৰ্তন কৰা প্ৰয়োজন। কিন্তু কাৰো সহযোগ আৰু কোনো প্ৰস্তুতি নকৰাকৈ হঠাতে এটা ব্যৱস্থা প্ৰবৰ্তন কৰিলে সি কিমানদূৰ কাৰ্যকৰী হব তাক সন্দেহ কৰিব লগীয়া।

শিক্ষাৰ লক্ষ্য

কুঠাৰী আয়োগে দেশৰ দ্ৰুত পৰিবৰ্তনৰ কাৰণে ইয়াৰ উৎপাদন শক্তি বৃদ্ধিৰ ওপৰত জোৰ দিছে। ই সম্পূৰ্ণ নিৰ্ভৰ কৰে নাগৰিকে উৎপাদন ক্ষমতা বঢ়োৱাৰ ওপৰত। সমাজ আৰু শিক্ষাৰ ভিতৰত এটি সহজ সম্বন্ধ গঢ়ি উঠিব লাগে যাতে সমাজৰ বিভিন্ন শক্তিৰ সহায় লৈ ব্যক্তিৰ জন্মতা শক্তি আৰু প্ৰতিভা বিকাশ কৰাৰ ব্যৱস্থা কৰে আৰু সমাজৰো অভাৱ-অভিযোগ দূৰ কৰি উন্নতিৰ সপোন ৰচে। সমাজৰ অভাৱ পূৰণ আৰু ব্যক্তিৰ প্ৰতিভা বিকাশৰ এটি সমন্বয় শিক্ষাৰ মাজেৰে সাধন কৰিব লাগে যাতে ব্যক্তিৰ শিক্ষা ব্যৱহাৰিক আৰু বাস্তৱমুখী হব পাৰে আৰু ব্যক্তিৰ দক্ষতা বঢ়োৱাৰ লগতে সমাজৰ উৎপাদন শক্তি বঢ়াব পাৰে। ভাৰতৰ নিচিনা বৃহৎ সমস্যাবহুল দেশ এখনত শিক্ষাৰ উদ্দেশ্য কেৱল ব্যক্তিত্ব বিকাশ, নাগৰিকত্ব লাভ বৃত্তিমূলক দক্ষতা লাভ আৰু নেতৃত্বৰ শিক্ষা দিয়াটোৱে যে যথেষ্ট নহয় তাক কুঠাৰী আয়োগে শিক্ষাৰ নতুন উদ্দেশ্য নিৰূপণ কৰি প্ৰমাণ কৰিছে। আয়োগে কৈছে যে দেশক কৃষি প্ৰধানৰপৰা শিল্প প্ৰধান কৰিব লাগিব, খাদ্যত স্বাৱলম্বী হব লাগিব, অৰ্থ নৈতিক উন্নতি সাধন কৰিব লাগিব আৰু সম্পূৰ্ণভাৱে নিয়োগৰ ব্যৱস্থা কৰিব লাগিব। তাৰ বাবে শিক্ষাৰ উদ্দেশ্য হব বিজ্ঞান শিক্ষা, কৰ্ম-অভিজ্ঞতা আৰু বৃত্তিমূলক শিক্ষাৰ মাজেৰে শিক্ষাৰ্থীৰ উৎপাদন দক্ষতা বঢ়োৱা,

সামাজিক আৰু ৰাষ্ট্ৰীয় সংহতি সাধন কৰা, ৰাষ্ট্ৰীয় সজাগতা বঢ়োৱা, শিক্ষাৰ আধুনিকৰণ কৰা আৰু সামাজিক নৈতিক আৰু আধ্যাত্মিক মূল্য বঢ়োৱা।

কুঠাৰী আয়োগে দেশত ফলৱতী পৰিবৰ্তন সাধন কৰিবলৈ জাতীয় শিক্ষা ব্যৱস্থাই 'একমাত্ৰ অস্ত্ৰ' হিচাপে গ্ৰহণ কৰিছে। কিন্তু ই জনসাধাৰণৰ শিক্ষা ব্যৱস্থা হব লাগিব।

শিক্ষাক জনসাধাৰণৰ উন্নতিৰ আহিলা কৰিবলৈ আৰু সমাজৰ প্ৰগতি সাধনৰ বাহন কৰি লবলৈ শিক্ষাৰ বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিব লাগিব। আয়োগৰ মতে বৰ্তমান শিক্ষাই ৰাজকীয় শাসন ব্যৱস্থা আৰু সামন্তবাদী সমাজ ব্যৱস্থাৰ অভাৱহে পূৰাব পাৰে। কিন্তু আধুনিক গণতান্ত্ৰিক আৰু সমাজবাদী সমাজৰ অভাৱ আৰু প্ৰয়োজন পূৰাবলৈ বৰ্তমান শিক্ষাৰ উদ্দেশ্য, ইয়াৰ বিষয় বস্তু, শিক্ষা পদ্ধতি, আঁচনি, শিক্ষাৰ্থীৰ সংগঠনৰ নতুন ধৰণৰ ব্যৱস্থা, শিক্ষকৰ প্ৰস্তুতি আৰু প্ৰশিক্ষণ সংগঠনৰ বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিব লাগিব, তেতিয়া হলেহে অৰ্থনৈতিক আৰু সাংস্কৃতিক পৰিবৰ্তন হোৱাৰ সম্ভাৱনা হব। ইয়াৰ বাবে কুঠাৰী আয়োগে তিনিটা বস্তুৰ পৰিবৰ্তন সাধনৰ ওপৰত জোৰ দিছে।

(১) স্কুলৰ ভিতৰুৱা সংগঠনৰ পৰিবৰ্তন সাধন কৰা যাৰদ্বাৰা ইয়াক পঢ়াৰ বাবে ক্লাছ কমৰ সমষ্টিয়ে হৈ নাথাকে। শিক্ষাক জীৱনৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ, ইয়াৰ সম্বল, আশা-আকাঙ্ক্ষা, অভাৱ-অভিযোগৰ লগত চিনাকি কৰি দিব লাগে আৰু তাৰ বাবে উপযুক্ত পৰিবেশৰ সৃষ্টি কৰিব লাগে।

(২) গুণবিশিষ্ট মানৱ উন্নতি সাধন কৰিব লাগে।

(৩) শিক্ষাত সমান অধিকাৰ দিবলৈ আৰু মানৱ শক্তিক উপযুক্তভাৱে আৰু ৰাষ্ট্ৰৰ উন্নতিৰ কাৰণে ব্যৱহাৰ কৰিবলৈ শিক্ষাৰ সুবিধাসমূহৰ বিস্তৃতকৰণ কৰিব লাগিব।

এই উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ আয়োগে শিক্ষা ব্যৱস্থাৰ উপৰিও

আন আন আনুষঙ্গিক ব্যৱস্থা কৰাৰ ওপৰত্ জোৰ দিছে। ১২ বছৰীয়া শিক্ষা ব্যৱস্থা অনুমোদন কৰি ই এক স্বয়ং সম্পূৰ্ণ পাঠ্যক্ৰম দিয়াৰ ব্যৱস্থাৰ পক্ষে মত দিছে যাতে বাৰ বছৰ শিক্ষা লাভ কৰি এটি সম্পূৰ্ণভাৱে শিক্ষিত, দক্ষতাসম্পন্ন যুৱকে জীৱনত, সমাজত আৰু ৰাষ্ট্ৰত নাগৰিক হিচাপে আৰু আৰ্জনশীল ব্যক্তি হিচাপে স্বীকৃতি পায়। আয়োগৰ অনুমোদন অনুযায়ী ভাৰত চৰকাৰেও ৰাষ্ট্ৰত নতুন শিক্ষা নীতি প্ৰবৰ্তনৰ ব্যৱস্থা কৰিছে আৰু ১২ বছৰীয়া শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে। এই নতুন নীতি মতে অসমতো চতুৰ্থ আৰু সপ্তম শ্ৰেণী বৰ্ত্তমানে বাদ দি ১২ বছৰীয়া শিক্ষা ব্যৱস্থা আৰম্ভ কৰিছে। কিন্তু নতুন শিক্ষা ব্যৱস্থা প্ৰবৰ্তন কৰোঁতে আহিলা-পাতি, বিভিন্ন ধৰণৰ সম্বল আৰু সংগঠনৰ বাবে যিখিনি প্ৰস্তুতিৰ প্ৰয়োজন সেইখিনি কৰা নহয়। প্ৰস্তুতিকৰণৰ ওপৰতে সংগঠনৰ সাফল্য নিৰ্ভৰ কৰে। যিমানে নতুন ধৰণৰ শিক্ষা ব্যৱস্থা নহওক ইয়াৰ প্ৰৱৰ্তনৰ কাৰণে প্ৰস্তুতিৰ প্ৰয়োজন। ই শিক্ষাৰ্থী, শিক্ষক, অভিভাৱক, সামাজিক অনুষ্ঠান আৰু সাধাৰণ নাগৰিককো সাঙোৰাৰ কাৰণে এওঁলোকৰ মতামতবো একোটা মূল্য আছে। একোটা অঞ্চলৰ প্ৰয়োজন আনটোতকৈ বেলেগ হোৱাৰ কাৰণে আঞ্চলিক অভাৱ-অভিযোগলৈ চকু দিব লাগে। বৰ্তমান শিক্ষা ব্যৱস্থাত বহুতো বিষয়ৰ ভিতৰত তলৰ কেইটালৈ চকু দিয়াটো অতিশয় প্ৰয়োজন আছিল।

প্ৰস্তুতিকৰণৰ প্ৰয়োজন

শিক্ষা ব্যৱস্থাই সমাজ আৰু চৰকাৰৰ সহযোগত ভৱিষ্যতৰ নাগৰিকক শিক্ষিত কৰি তুলিব লাগিব। ৰাজ্য চৰকাৰে সেইটো কেনে ধৰণে গ্ৰহণ কৰিব তাৰ ব্যৱস্থা উন্নত ধৰণৰ কৰিবলৈ আলোচনাৰ সহায় লব লাগিছিল। গণতন্ত্ৰত আলোচনাৰ মাজেৰে

সিদ্ধান্তলৈ অহাৰ প্ৰয়োজনতহে সকলো ধৰণৰ মানুহৰ সহায় আৰু সহযোগ পায়। তাৰ উপৰি যিসকল শিক্ষকৰ বাস্তৱ ক্ষেত্ৰত শিক্ষাদান দিয়াৰ প্ৰত্যক্ষ অভিজ্ঞতা আছে তেখেতসকলক বাদ দি শিক্ষা ব্যৱস্থা কৰাটো আজিৰ যুগত অচল টকাৰ দৰে। গণতন্ত্ৰ এতিয়াও বক্তৃতাৰ বিষয়-বস্তু হোৱা কাৰণে আমি 'জনমত'ক এতিয়াও মূল্য দিবলৈ শিকা নাই। শিক্ষাৰ 'বৈপ্লৱিক পৰিবৰ্ত্তন' কৰিবলৈ আৰু ইয়াক নতুন ধৰণে প্ৰচলন কৰিবলৈ 'জনমতৰ' কোনো প্ৰয়োজন নাই নেকি? শিক্ষক সমাজৰ নাগৰিক আৰু ভাৰপ্ৰাপ্ত বিভিন্ন অনুষ্ঠানৰ ব্যক্তিসকলৰ অভিমত লোৱাটো প্ৰয়োজন আছিল তেওঁলোকৰ সহযোগ পোৱৰ কাৰণে। বৰ্তমান শিক্ষাব্যৱস্থাত শিক্ষাৰ্থী আৰু শিক্ষকক 'কৰ্ম অভিজ্ঞতা' দিবলৈ বিভিন্ন অনুষ্ঠানৰ মাজত যিখিনি মানসিক প্ৰস্তুতিৰ প্ৰয়োজন আছিল সেইখিনি হোৱা নাই। ছয়গাঁৱত অলপতে এখন শিক্ষক সম্মিলনত শিক্ষকসকলৰ লগত আলোচনা কৰি বুজা গ'ল যে বহুতে এই পদ্ধতিৰ বিষয়ে বুজা নাই। তেওঁলোকক বুজাই দিয়া নাই আৰু তেওঁলোকৰ মতো লোৱা নাই। এখন স্কুলৰ কি কি প্ৰয়োজন, কিমান সামৰ্থ্য আছে তাৰো কোনো হিচাপ লোৱা নাই। শিক্ষকসকলৰ সহযোগ সজাগতা আনিবলৈ আৰু প্ৰস্তুত কৰিবলৈ চৰকাৰ বা ব'ৰ্ডৰপৰা কোনো আলোচনা-চক্ৰ, সভা-সমিতি বা প্ৰশিক্ষণৰো ব্যৱস্থা কৰা নাই। কৰ্ম-অভিজ্ঞতা, কেনেকৈ দিব, কোন অনুষ্ঠানৰ লগত সম্বন্ধ ৰাখিব বা কেনে ধৰণেৰে শিক্ষা পদ্ধতি আৰম্ভ কৰিব তাৰো কোনো নিৰ্দেশ দিয়া নাই। শিক্ষা পদ্ধতিৰ আৰু ব্যৱহাৰিক শিক্ষাদানৰ ওপৰত বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ সাফল্য বহুতখিনি নিৰ্ভৰ কৰিছে। গতিকে এবছৰ বা দুবছৰৰ আগতে বিভিন্ন ঠাইত আলোচনা-চক্ৰ, কৰ্ম শিক্ষাৰ প্ৰশিক্ষণ কেন্দ্ৰ সভা-সমিতি পাতি শিক্ষকসকলক পৰিবৰ্ত্তন সম্বন্ধে জ্ঞান দিয়াটো অতিশয় প্ৰয়োজন আছিল।

দ্বিতীয়তে, কোনো এক শিক্ষা ব্যৱস্থা পৰিবৰ্ত্তন কৰিবলৈ হলে

আৰু তাত সাফল্য লাভ কৰিবলৈ আগৰ শিক্ষা ব্যৱস্থাৰ দোষ-গুণ অকৃতকাৰ্য হোৱাৰ কাৰণসমূহ কঁহিয়াই চাই নতুন ব্যৱস্থাত কেনে ধৰণৰ উন্নতি সাধন কৰিব পাৰি তাক নিৰ্ধাৰণ কৰাৰ দৰকাৰ। সকলো ধৰণৰ পৰিবৰ্তনৰ আগতে আগৰ ব্যৱস্থাৰ মূল্যাঙ্কন কৰাটো প্ৰয়োজন। ইয়াৰ কাৰণে যিসকলে বাস্তৱ ক্ষেত্ৰত থাকে তেখেতৰ মতামত লোৱাটো এক গণতান্ত্ৰিক পদ্ধতি। অসমত পতা মাধ্যমিক কমিটিৰ ৰিপ'ৰ্ট এতিয়ালৈকে প্ৰকাশ নকৰাটো কিমান যুক্তিসংগত হৈছে তাক বিবেচনা কৰাটো চৰকাৰৰ প্ৰয়োজন। শিক্ষকৰ প্ৰতিনিধিমূলক সভাত নতুন শিক্ষা ব্যৱস্থাৰ ওপৰত মুকলি আলোচনা হোৱাটো অতিশয় প্ৰয়োজন আছিল। শিক্ষকসকলক মানসিক-ভাৱে প্ৰস্তুত কৰিবলৈ কেবাদিনো ধৰি ব'ৰ্ড আৰু চৰকাৰৰ কৰ্মকৰ্তা-সকলে আলোচনা কৰাৰো অতিশয় প্ৰয়োজন আছিল।

তৃতীয়তে, কোনো ব্যৱস্থা পৰিবৰ্তন কৰাৰ আগতে তাৰ যিবোৰ সা-সুবিধাৰ প্ৰয়োজন সেইবোৰৰ ব্যৱস্থা কৰিব লাগিছিল। কুঠাৰী আয়োগে কেৱল ১২ বছৰীয়া শিক্ষা ব্যৱস্থা পৰিবৰ্তন কৰিয়ে ক্ষান্ত থকা নাই, শিক্ষকসকলৰ ওচৰ পোৱাবলৈ, সমাজৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ আৰু ইয়াৰ প্ৰসাৰ আৰু গুণ বঢ়াবলৈ বিভিন্ন ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। ১১ বছৰীয়া পাঠ্যক্ৰমৰ ব্যৰ্থতা শিক্ষাদান বা পাঠ্যক্ৰমত নহয়, আৱশ্যকীয়, সামগ্ৰীৰ যোগানৰ অভাৱতহে হৈছিল। পাঠ্যক্ৰমক 'অভিজ্ঞতাৰ সমষ্টি' বুলি অভিহিত কৰি পাঠ্যপুথিৰপৰা জ্ঞান আহৰণ আৰু পৰীক্ষাৰদ্বাৰা জ্ঞান লাভৰ পৰিমাপ কৰাত জোৰ দিলে শিক্ষাৰ উদ্দেশ্য যে সফল নহব সি ধ্ৰুৱপ। ইমান বছৰেও আমি পৰীক্ষা প্ৰণালী সলনি কৰাত সফল নহলোঁ। বৰ্তমান পৰীক্ষা পদ্ধতিৰ পৰিবৰ্তন সাধন নকৰিলে ১২ বছৰীয়া শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য সফল নহব। অকল পুথি প্ৰণয়নে শিক্ষা ব্যৱস্থা সফল কৰা হলে ১১ বছৰীয়া শিক্ষা ব্যৱস্থাই সফলতা লাভ কৰিলেহেঁতেন। কিন্তু বৰ্তমানৰ শিক্ষাৰ উদ্দেশ্যলৈ লক্ষ্য ৰাখি

সকলোকে শিক্ষাত সমান অধিকাৰ দিবলৈ যিবোৰ ব্যৱস্থাৰ প্ৰয়োজন তাক শিক্ষকসকলক জনোৱাতো আৰু তেওঁলোকৰপৰা পৰামৰ্শ লোৱাটো ব'ৰ্ডৰ আৰু চৰকাৰৰ অতিশয় আৱশ্যক আছিল। নহলে ভৱিষ্যতৰ শিশুক গিনিপিগৰ দৰে ব্যৱহাৰ কৰি শিক্ষা ব্যৱস্থা কৰাটো কাৰো অধিকাৰ নাই। শিক্ষাক সমাজৰ লগত সম্বন্ধ ৰাখি বাস্তৱমুখী কৰিবলৈ বাস্তৱত যিসকলে শিক্ষাদানৰ লগত জড়িত হৈ থাকে তেওঁলোকৰ দিহা-পৰামৰ্শ লব লাগে। পৰিবৰ্তন সাধনৰ বাবে তেওঁলোকৰ সহযোগ অতিশয় প্ৰয়োজনীয় কাৰণে চৰকাৰী পৰিকল্পনাও তেওঁলোকক আগতীয়াকৈ জনাব লাগে যাতে ই সংগঠন কৰাত সুবিধা হয়।

প্ৰাক প্ৰাথমিক বিদ্যালয়ৰ ব্যৱস্থা ঃ বৰ্তমান শিক্ষা ব্যৱস্থাত ছয় বছৰৰপৰা প্ৰাথমিক শিক্ষাদানৰ ব্যৱস্থা কৰিছে। ই প্ৰাক প্ৰাথমিক শিক্ষা সম্বন্ধে কোনো ব্যৱস্থা লোৱা নাই। আমি এফালে ৰাষ্ট্ৰৰ উৎপাদন শক্তি বঢ়াবলৈ কৰ্মদক্ষতা বঢ়োৱাৰ ওপৰত আৰু তাৰ সৎব্যৱহাৰৰ ওপৰত জোৰ দিছে আৰু আনফালে ভৱিষ্যতৰ শিশুক নতুন ধৰণৰ আচাৰ-ব্যৱহাৰ, অভ্যাস, দৃষ্টিভঙ্গী, আদৰ্শ আৰু মনোবৃত্তি বঢ়োৱাৰ ওপৰত জোৰ দিছোঁ। কিন্তু মাক-বাপেক দুয়ো জীৱিকা নিৰ্বাহ আৰু ৰাষ্ট্ৰৰ উৎপাদন শক্তি বঢ়োৱাৰ বাবে কোনো কামত সোমালে ঘৰত ল'ৰা-ছোৱালীক ভাল শিক্ষা কোনে দিব? ৰক্ষণশীল ঘৰ ভৱিষ্যতৰ সমাজত নাগৰিক গঢ়াৰ কাৰণে উপযুক্ত শিক্ষাস্থান নহয়। তাৰ উপৰি অভাৱ-অনাটনত জৰ্জৰিত একোখন ঘৰ কণ কণ ল'ৰা-ছোৱালীৰ উপযুক্ত শিক্ষাস্থান নহয়। ছোভিয়েট ৰুছিয়াৰ দৰে দুই মাহৰপৰা তিনি বছৰ বয়সলৈ ক্ৰেচি, নাৰ্চাৰী আৰু কিণ্ডাৰগাৰ্ডেনত শিশু থোৱাৰ ব্যৱস্থা কৰিব পাৰিলে আমাৰ ইয়াতো তাৰ দৰে সাত বছৰৰপৰা প্ৰাথমিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পাৰি। কিন্তু যি আশাৰে নতুন শিক্ষা ব্যৱস্থা আৰম্ভ কৰিছে সেই ব্যৱস্থাত যদি তিনি বছৰলৈ শিশুসকলক কোনো ধৰণৰ শিক্ষা দিয়াৰ

ব্যৱস্থা নকৰে, স্বাস্থ্য বজাই ৰখাত চকু দিয়া নহয় আৰু সামাজিক অভ্যাস আদি গঠন কৰাত চকু দিয়া নহয় তেনেহলে ছয় বছৰৰপৰা শিক্ষা ব্যৱস্থা কৰি শিক্ষাৰ ভেটি বন্ধা কাম আৰম্ভ কৰাটো মনোবৈজ্ঞানিক নীতিসন্মত নহয়। কৃষি প্ৰধান ঠাইত মাক-বাপেক খেতিত ব্যস্ত থকাৰ সময়ত ল'ৰা-ছোৱালীৰ খোৱা-পিন্ধা-থকা আৰু শিকাৰ কোনো সময় নাথাকে। যি সময়ত পৰিবেশৰ প্ৰভাৱৰ ওপৰত জোৰ দি পঢ়া-খেলা-থকা আদিৰ মাজেৰে অভ্যাস আৰু সুস্থ মনোভাব শিকোৱাৰ ব্যৱস্থা কৰা হৈছে, সেই সময়ত প্ৰাক প্ৰাথমিক স্তৰটোৰ ওপৰত জোৰ নিদিয়াটো অতিশয় অন্যায় হব। কুঠাৰী আয়োগেও শিশুৰ শাৰীৰিক, বৌদ্ধিক আৰু আনুভূতিক দিশৰ উন্নতিৰ কাৰণে প্ৰাক প্ৰাথমিক স্কুলৰ গুৰুত্ব অনুভৱ কৰি ৰাজ্যিক কেন্দ্ৰ কিছুমান খোলাত গুৰুত্ব দিছে। অৱশ্যে ব্যক্তিগত অনুষ্ঠানে এনে ধৰণৰ স্কুল খোলাৰ ওপৰত জোৰ দিছে। চহৰৰ বহুতো শিক্ষিত ব্যক্তিৰ উদ্যোগত এনে ধৰণৰ স্কুল খুলিছে আৰু খুলিবও। বেছিকৈ ফিজ দি হলেও কাম কৰা মাকে কণ কণ শিশুক এনেকুৱা স্কুলত পঠিয়াবলৈ বাধ্য হৈছে; কিন্তু গাঁৱত এনেকুৱা কোনো ব্যৱস্থা নোহোৱাৰ কাৰণে ল'ৰা-ছোৱালীয়ে যিখিনি শিক্ষা পাব লাগে তাৰপৰা বঞ্চিত হয় আৰু বাধ্যতামূলক শিক্ষা লাভ কৰাৰ মানসিক প্ৰস্তুতিখিনিও সিহঁতৰ নাথাকে। গতিকে গাঁৱতহে চৰকাৰী উদ্যোগত বা চৰকাৰী সাহায্যত আন অনুষ্ঠানৰ উদ্যোগত প্ৰাক প্ৰাথমিক কেন্দ্ৰ বা স্কুল খোলাৰ অতিশয় প্ৰয়োজন হৈ পৰিছে। গুৰিৰেপৰা ভেটি ভাল দৰে নাবান্ধিলে ওপৰত যিমান ভাল দৰে নাবান্ধক ই থুনুকা হবই। ঠিক সেই দৰে মাকৰ গৰ্ভ ধাৰণৰপৰা, শিশুৰ ওপৰত যত্ন লোৱাৰপৰা ৬ বছৰ বয়সলৈ শাৰীৰিক, মানসিক আৰু সামাজিক শিক্ষাৰ আৰম্ভণি বিভিন্ন অনুষ্ঠানৰ সহযোগত কৰিব লগীয়া হৈছে। আজি শিক্ষাক জীৱনব্যাপী চলা এক পদ্ধতি হিচাপে বহল অৰ্থত লোৱাটো সাৰ্থক হয় যদিহে শিশুৰ জন্মৰপৰা তদাৰক কৰাটো মাক-

ব্যাপেক, বিভিন্ন অনুষ্ঠান আৰু চৰকাৰৰ উমৈহতীয়া দায়িত্ব হিচাপে গ্ৰহণ কৰে। শিক্ষা দিয়াৰ দায়িত্ব আজি ব'ৰ্ড বা শিক্ষা বিভাগৰ অকলে নহয়। ইয়াৰ দায়িত্ব স্বাস্থ্য বিভাগ, উদ্যোগ বিভাগ, পৰিবহন বিভাগ, শিল্প আৰু কৃষি আদি বিভিন্ন বিভাগ আৰু সমাজৰ নানা অনুষ্ঠানৰ আছে। বিভিন্ন বিভাগ আৰু অনুষ্ঠানৰ মাজত সহযোগৰ চেষ্টা লাভ কৰাত উদ্যোগ লব লাগিব চৰকাৰে। প্ৰাক-প্ৰাথমিক স্তৰত খেলা, বিভিন্ন ঠাই, অনুষ্ঠান আদি দেখুৱা, এঠাইত সকলোৱে মিলি কেনেকুৱা ধৰণেৰে থাকিব লাগিব তাৰ শিক্ষা দিয়া ; আৰু ইয়াৰ মাজেৰে ভাল অভ্যাস, আনক সহায় কৰা মনোবৃত্তি, সহযোগ সহনশীলতা, ৰাজহুৱা বস্তু ভালে ৰখাৰ মনোভাব, সামাজিক চেতনা আদি বিভিন্ন গুণ শৃঙ্খলাবদ্ধ হৈ নিয়াৰিকৈ সক সুৰা কাম কৰা, নিজৰ বস্তু, পোছাক আদিৰ যত্ন লোৱাৰ মনোভাব গঢ়ি তুলিব লাগে। এনেকুৱা ধৰণৰ প্ৰস্তুতিয়ে পিছৰ স্তৰৰ শিক্ষালৈ অহাত বহুতখিনি সহজ কৰি তোলে। বাধ্যতামূলক প্ৰাথমিক শিক্ষা ছয় বছৰৰপৰা বা ৬+ কৰাৰ আগতে অতি কমেও প্ৰত্যেক গাঁৱত একোটাকৈ প্ৰাক-প্ৰাথমিক কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিব লাগে।

উত্তীৰ্ণ কৰাৰ পদ্ধতি

নতুন শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীক প্ৰথমে তৃতীয় শ্ৰেণীৰপৰা পঞ্চম মানলৈ উত্তীৰ্ণ কৰাৰ ব্যৱস্থা কৰিছে আৰু এনেকুৱা পদ্ধতি তিনি বছৰলৈ চলিব। আৰু তাৰ পিছত ষষ্ঠমানৰপৰা অষ্টমমানলৈ উত্তীৰ্ণ কৰিব আৰু ইও দুবছৰলৈ চলিব। এনেকুৱা উত্তীৰ্ণ কৰোঁতে একেটা শ্ৰেণী আমি বিবোৱে (ক) পঞ্চম মানৰপৰা ষষ্ঠ শ্ৰেণীলৈ আৰু সপ্তমৰপৰা অষ্টমলৈ উঠা ল'ৰা-ছোৱালী পাওঁ, যাৰ মানসিক বয়স সিহঁতৰ আচল বয়সতকৈ বেছি বা একে (খ) আৰু বিবোৱে অকৃতকাৰ্য হ'ল, যাৰ মানসিক বয়স আচল বয়সতকৈ কম (গ) আৰু

যিবোৰক এক শ্ৰেণী চেৰাই প্ৰমোচন দিছে, যাৰ মানসিক আৰু আচল বয়স ছুয়োটাই আগৰবোৰতকৈ কম। এই তিনি ধৰণৰ শিক্ষাৰ্থীক একে ধৰণৰ শিক্ষাদান কৰাটো মনোবৈজ্ঞানিক আৰু নীতিগতভাৱে কিমানদূৰ সম্ভৱ শুদ্ধ হৈছে তাক ভাবি চাবলগীয়া। ব্যক্তিৰ বিভিন্নতা আজি সকলোৱে স্বীকাৰ কৰিছে। বয়সৰ পাৰ্থক্যই সেই বিভিন্নতা প্ৰকাশত অসুবিধাৰ সৃষ্টি কৰিছে। ১০০ ভাগৰ ভিতৰত হয়তো ২ বা ৩ ভাগৰ অতি বুদ্ধি থকাৰ কাৰণে বয়সত ডাঙৰবোৰৰ লগ ধৰিবগৈ পাৰিব। কিন্তু যিবোৰ কম বুদ্ধিৰ বা যিবোৰ মানসিক বুদ্ধি অপৈণত হৈ আছে আৰু যাৰ বৌদ্ধিক দিশৰ বিকাশ কম তেওঁলোকক লৈ শিক্ষা দানৰ সময়ত এক সমস্যাৰ সৃষ্টি হব।

এফালে আমাৰ বুদ্ধি পৰীক্ষা কৰাৰ বিজ্ঞানসম্মত পদ্ধতি নাই, ল'ৰা-ছোৱালীৰ কাৰ্যাৱলী নিৰীক্ষণ কৰি টোকা ৰখাৰ ৰেকৰ্ড নাই আৰু আনফালে, বয়স, বুদ্ধি আৰু মানসিক বিকাশ অনুযায়ী একেটা শ্ৰেণীত সৰু সৰু বিভাগ খুলিবলৈ যথেষ্ট সংখ্যক শিক্ষক নাই। তাৰ উপৰি মাধ্যমিক স্তৰত বুদ্ধি, বৃত্তি বিকশিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। এই সময়ত বয়সতকৈ ডাঙৰৰ লগত প্ৰতিযোগিতা কৰিব লগীয়া হলে ফুল ফুটিব খোজোঁতে গছলতাই চক খুৱাই দিয়াৰ দৰে অৱস্থা হব। ষষ্ঠ আৰু নৱম শ্ৰেণীৰ ভিতৰতে ল'ৰা-ছোৱালীয়ে যৌৱনত ভৰি দিয়াৰ কাৰণে সিহঁতৰ শাৰীৰিক আভ্যন্তৰীণ পৰিবৰ্তন, নতুন শক্তি, নতুন নতুন আশা-আকাঙ্ক্ষা উদ্দীপনা জাগৰিত হয়। এই অৱস্থাত ব্যক্তিৰ বিভিন্নতা বাদ দিও তিনি ধৰণৰ ছাত্ৰ-ছাত্ৰীক একে ধৰণৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিলে কিমানখিনি শক্তিৰ অপচয় হব তাক ভাবি চাবলগীয়া। এই অৱস্থা তিনি চাৰি বছৰ ৰাখিলে হাজাৰ হাজাৰ ল'ৰা-ছোৱালীৰ প্ৰকৃত বিকাশত বাধা আহিব। যিসকলৰ বুদ্ধি-বৃত্তি দেৰিকৈ হয় তেওঁলোকক উত্তীৰ্ণ কৰি দিয়াৰ বাবে শিক্ষকসকলে শিকোৱাত বহুতখিনি অসুবিধা ভোগ কৰিব লাগিব। ল'ৰা-ছোৱালীয়ে অষ্টম আৰু নৱম শ্ৰেণীত পঢ়ি বা মুখস্থ কৰি কোনো

মতে উত্তীৰ্ণ হলেও দশম শ্ৰেণীত আগৰ ল'ৰা-ছোৱালীৰ সমানে যাবলৈ কষ্ট পাব। আজিৰ যুগত বুদ্ধি, বৃত্তি, দক্ষতা আৰু প্ৰতিভা বিকাশৰ ওপৰত জোৰ দিয়া হৈছে আৰু ব্যক্তিৰ বিভিন্নতাক স্বীকাৰ কৰিছে। এনে অৱস্থাত উঠি অহা ল'ৰা-ছোৱালী বয়সতকৈ বেছি বোজা দি যি অপচয় হোৱাৰ উপক্ৰম হৈছে সি মূলতঃ ৰাষ্ট্ৰীয় অপচয়হে।

আনুষঙ্গিক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন

বাৰ বছৰীয়া শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য সফল কৰিবলৈ হলে অকল নতুন পাঠ্যক্ৰম প্ৰণয়নে নহয় ইয়াৰ বিষয়বস্তু সলনি কৰাৰ প্ৰয়োজন হৈছে। ইয়াৰ উপৰি এখন স্কুলত এখন ডাঙৰ খেল পথাৰ, নহলে ওচৰত থকা খেল পথাৰৰ ব্যৱহাৰ কৰা, এটা ব্যায়ামাগাৰ, সংগীত কোঠা, খোৱাৰ বাবে বেলেগ কোঠা, প্ৰত্যেক বিষয়ৰ কাৰণে বেলেগ বেলেগ কোঠা, বৈজ্ঞানিক আৰু আধুনিক আচবাব-পত্ৰ দৃষ্টিশ্ৰবণৰ আহিলা, শ্ৰেণী আৰু সৰ্বসাধাৰণৰ গ্ৰন্থাগাৰ, পঢ়াৰ বাবে বেলেগ কোঠাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা বিনামূল্যে দৰব দিয়াৰ ব্যৱস্থা, আহাৰৰ ব্যৱস্থা, দূৰৰপৰা ল'ৰা-ছোৱালী অনাৰ পৰিবহনৰ ব্যৱস্থা, ল'ৰা-ছোৱালী সকলো দিশৰ সম্পূৰ্ণ সাফল্য নিৰূপণ কৰিবলৈ ৰেকৰ্ড আৰু কিউমিলিটিভ ৰেকৰ্ড কাৰ্ডৰ ব্যৱস্থা কৰিব লাগে যাতে সেইবোৰ শিক্ষাৰ্থী শ্ৰেণীৰপৰা উত্তীৰ্ণ কৰাৰ সময়ত বিবেচনা কৰা হয়। শিক্ষাৰ্থীক কামৰ অভিজ্ঞতা আৰু উৎপাদন কৰাৰ দক্ষতা বঢ়াবলৈ ওচৰৰ শিল্প, কলা বা ব্যৱসায়িক অনুষ্ঠানৰ লগত সম্বন্ধ স্থাপন কৰিব লাগিব যাতে তেওঁলোকৰ সহযোগ পোৱা যায়। তেনে ধৰণৰ ব্যৱস্থা আগতীয়াকৈ নকৰাৰ ফলত বৰ্তমান শিক্ষা পদ্ধতিয়ে শিক্ষাৰ উদ্দেশ্য সফল কৰিব নোৱাৰিব।

প্ৰশিক্ষণৰ ব্যৱস্থা

বৰ্ত্তমানৰ 'শিক্ষকৰ প্ৰশিক্ষণ' নতুন শিক্ষাদানৰ উপযোগী নহয়। নতুন শিক্ষা ব্যৱস্থাত নতুন ধৰণৰ শিক্ষা দান কৰিবলৈ প্ৰশিক্ষণৰ ম্যাদ আৰু প্ৰশিক্ষণ দিয়াৰ প্ৰণালী সলনি কৰিবৰ হ'ল। শিক্ষকক নতুন শিক্ষা ব্যৱস্থাৰ উপযোগী কৰিবলৈ নতুন প্ৰশিক্ষণৰ ব্যৱস্থা কৰাবো প্ৰয়োজন আছিল। ব্যৱহাৰিক আৰু কৰ্ম অভিজ্ঞতা সম্বন্ধেও প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিছিল।

ওপৰত উল্লেখ কৰা বিষয় কেইটা বহুতো আৱশ্যকীয় আলোচনা কৰিবলগীয়া বিষয়ৰ কেইটামানহে মাত্ৰ। কিন্তু নতুন শিক্ষা ব্যৱস্থা আৰম্ভ কৰাৰ আগতে এইবোৰ বিবেচনা কৰাটো অতিশয় আৱশ্যক আছিল। এতিয়াও নতুন শিক্ষা ব্যৱস্থা যাতে পূৰ্ণ গতিত সাফল্যৰ বাবে আগবাঢ়িব পাৰে তাৰ বাবে চৰকাৰ আৰু ব'ৰ্ডে সকলোৰে বিশেষকৈ অভিভাবক, শিক্ষক আৰু বিভিন্ন ধৰণৰ অনুষ্ঠানৰ সহযোগ লাভ কৰাটোত জোৰ দিব লাগে। নতুন শিক্ষা ব্যৱস্থা, শিক্ষা পদ্ধতি, বিষয়-বস্তু আৰু আৱশ্যকীয় ব্যৱস্থাৰ সম্বন্ধে জ্ঞান দিবলৈ চৰকাৰ আৰু বৰ্ডে বিভিন্ন ঠাইত বিশেষকৈ গাঁও অঞ্চলত আলোচনা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। স্কুলে স্কুলে প্ৰয়োজনীয় ব্যৱস্থা-বোৰ যাতে আৰম্ভ কৰিব পাৰে তাৰো ধৰতকীয়া ব্যৱস্থা চৰকাৰে লব লাগে। নহলে বাৰ বছৰীয়া শিক্ষা ব্যৱস্থা আৰম্ভ কৰি কোনো 'বৈপ্লৱিক পৰিবৰ্তন' সাধন কৰাটো সম্ভৱপৰ নহব।

সামৰণি

নতুন শিক্ষাব্যৱস্থাত প্ৰয়োজনীয় পৰিবৰ্তনৰ বিষয়সমূহ

গণশক্তিক ভেটি কৰি প্ৰতিষ্ঠিত গণতান্ত্ৰিক সমাজ এখনত শিক্ষাক প্ৰধান অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে যাতে জনগণৰ শক্তি আৰু সম্ভাৱনাক বিকশিত কৰি সমাজৰ উন্নতি সাধন কৰিব পাৰি। শিক্ষাৰ প্ৰসাৰ আৰু উন্নতি সমাজৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক উন্নতিৰ ওপৰত ইমান নিৰ্ভৰশীল যে এটা বিষয়ৰ উন্নতিয়ে আনটোৰ উন্নতি সাধন কৰে। সেই কাৰণেই ছোভিয়েট ৰুছিয়াত বিপ্লৱৰ পিছত শিক্ষা আৰু অৰ্থনৈতিক উন্নতি সাধনৰ ওপৰত জোৰ দিছিল যাতে শিক্ষাৰ্থীয়ে নতুন কমিউনিষ্টৰ নতুন ধৰণৰ ৰাজনৈতিক দৰ্শন, আদৰ্শ, আচাৰ ব্যৱহাৰ আৰু সামাজিক পৰিবৰ্তনৰ আৱশ্যকতা সম্বন্ধে জ্ঞান লাভ কৰে আৰু কৰ্মদক্ষ হয়। অৰ্থনৈতিক উন্নতিৰ কাৰণে শিল্প আৰু কৃষিৰ উন্নতিকৰণৰ ওপৰত জোৰ দিছিল বৈজ্ঞানিক আহিলা-পাতি আৰু উন্নত পদ্ধতি ব্যৱহাৰ কৰি। শিক্ষাৰ মাজেৰে উন্নত শিল্প আৰু কৃষিৰ উপযোগী কৰি কৰ্মদক্ষ, সচেতন আৰু সক্ৰিয় নাগৰিকক গঢ় দিয়াত জোৰ দিছিল। শিক্ষাৰ লগত সামাজিক প্ৰতিষ্ঠান, শিল্পানুষ্ঠানসমূহৰ ইমান ঘনিষ্ঠ সম্বন্ধৰ সৃষ্টি কৰিছিল যে বৃত্তিত প্ৰকৃত জ্ঞান আৰু দক্ষতা লবলৈ এই প্ৰতিষ্ঠান-সমূহত শিক্ষা লৈছিল আৰু নাগৰিক হিচাপে গঢ় দিবলৈ সমবায় অনুষ্ঠানৰ ব্যৱহাৰিক জ্ঞান লাভ কৰিছিল। ফলত বিপ্লৱৰ পিছত সম্পূৰ্ণভাৱে বদলি যোৱা কমিউনিষ্ট সমাজত খাপ খুৱাব পৰাকৈ উঠি অহা নাগৰিকক নতুন আদৰ্শ, আচাৰ ব্যৱহাৰ, অভ্যাস, নতুন ধৰণৰ জীৱন যাত্ৰা গ্ৰহণ কৰাৰ মনোবৃত্তিত গঢ় দিয়াত জোৰ দিছিল। নিৰক্ষৰ বয়স্কসকলক সক্ৰিয় আৰু সচেতন কৰি তুলিবলৈ জ্ঞান

দানৰ লগতে ৰাজনৈতিক আৰু বৃত্তিমূলক শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। সামাজিক আৰু ৰাজনৈতিক পৰিবৰ্তন অনুযায়ী শিক্ষাত বৈপ্লৱিক পৰিবৰ্তন সাধন কৰাৰ কাৰণে অতি কম সময়ৰ ভিতৰতে নিৰক্ষৰেৰে ভৰা পাছ পৰি থকা দুখীয়া দেশ এখনে উন্নতিৰ সোপানত দোপতদোপে উঠি গৈছিল।

বৈপ্লৱিক পৰিবৰ্তন

ভাৰতৰ দৰে গণতান্ত্ৰিক দেশ এখনেও শিক্ষাত বৈপ্লৱিক পৰিবৰ্তন বিচাৰে যাতে ইয়াৰ মাজেৰে উঠি অহা নাগৰিকে অৰ্থনৈতিক, ৰাজনৈতিক, শিল্প, কলা আৰু সামাজিক দিশৰ দ্ৰুত উন্নতিকৰণত অৰিহনা যোগাব পাৰে। আন দেশতকৈ বিজ্ঞান আৰু শিল্পত আমি বহুত পাছ পৰি থকাৰ কাৰণেই আজি চৰকাৰে ইয়াৰ উন্নতিত জোৰ দিছে আৰু শিক্ষাতো বিজ্ঞান আৰু শিল্প শিকোৱাৰ ওপৰত অধিক মনোযোগ দিছে। আজি প্ৰত্যেক নাগৰিকক অকল জ্ঞানী হোৱাটোৱে নিবিচাৰে, তেওঁক কৰ্মদক্ষ হোৱাতো জোৰ দিয়ে যাতে তেওঁ আনৰ ওপৰত বঘুমলা হৈ নিজৰ শক্তি অপচয় নকৰে। ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে নাগৰিকৰ কৰ্মশক্তি আৰু কৰ্মদক্ষতাৰ ওপৰত আৰু অৰ্থনৈতিক উন্নতিয়ে কৰ্মশক্তি বঢ়োৱাৰ সুবিধা কৰি দিয়ে। গণতন্ত্ৰই .এক জীৱন দৰ্শন গ্ৰহণৰ ওপৰত জোৰ দিয়ে য'ত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৱে একেধৰণৰ নাগৰিক হিচাপে থাকি সকলো সা-সুবিধা উপভোগ কৰে। স্কুলে শিকায় যাতে প্ৰত্যেক ব্যক্তিয়ে নাগৰিক হিচাপে সকলো স্বত্ব লাভ কৰাৰ লগতে সমাজ আৰু দেশৰ প্ৰতি থকা কৰ্তব্যসমূহ নিস্বাৰ্থভাৱে পালন কৰাৰ মনোবৃত্তি লাভ কৰিব পাৰে। সহযোগ, সহনশীলতা, সমাজ সচেতনতা আৰু দেশপ্ৰেম আদি গুণবোৰ লাভ কৰাৰ লগতে নিজৰ স্বাৰ্থক যাতে দেশৰ উন্নতিৰ বাবে ত্যাগ কৰাৰ মনোভাব লব পাৰে, হেজাৰ প্ৰলোভনেও যেন এজন মানুহক কলুষিত কৰিব নোৱাৰে,

ব্যক্তিগত লাভৰ বাবে টকা ঘটাৰ অসৎ পথ নলয়, দেশৰ স্বাৰ্থৰ আগত জাতি, ধৰ্ম আৰু ভাষাৰ স্বাৰ্থই যাতে আগস্থান নাপায় তালৈহে এই শিক্ষা মূল লক্ষ্য।

মন্থৰ গতি

কিন্তু স্বাধীনতাৰ ২৫ বছৰৰ পিছতো আমি কি দেখিছোঁ। কোনো দিশতে আমি প্ৰগতিৰ পথত দ্ৰুতগতিত আগবাঢ়ি যাব পৰা নাই। অৰ্থনৈতিক উন্নতি সাধন কৰিবলৈ দেশ শিল্প প্ৰধান হব পৰা নাই, কৃষিৰ দ্ৰুত উন্নতি সাধন কৰিব পৰা নাই, হেজাৰ হেজাৰ শিক্ষিত যুৱক-যুৱতীৰ কৰ্মসংস্থানৰ ব্যৱস্থা কৰিব পৰা নাই। নাগৰিকক ৰাজনৈতিকভাৱে সচেতন আৰু সক্ৰিয় কৰিব পৰা নাই। জাতি-বৰ্ণ জাত-ধৰ্মৰপৰা এতিয়াও উৰ্ধত তুলিব পৰা নাই, দেশৰ কাৰণে সৎ পথেৰে কাম কৰাৰ যি মনোভাব থাকিব লাগে সি বহুতৰ মাজত জাগৰিত হোৱা নাই। ইয়াৰ বাবে বহুত সময়ত আমাৰ শিক্ষা ব্যৱস্থাৰ ওপৰত দোষ দিয়া হৈছে। শিক্ষাৰ মাজেৰে এজন ব্যক্তিক সম্পূৰ্ণ নাগৰিক হিচাপে গঢ় দিয়াত অসমৰ্থ হৈছে। দুশ বছৰীয়া পৰাধীনতাই আমাৰ জাতীয় চৰিত্ৰ গঢ় দিয়াত বাধা দিছে। পৰাধীনতা মনোভাব এতিয়াও সলনি কৰিব পৰা নাই। শাসক গোষ্ঠিক অনাহকত অধিক ভয় আৰু মূল্য দিয়াৰ ফলত আমাৰ আন আন কাৰ্যক্ষেত্ৰত নেতৃত্ব শিক্ষা দিয়াত বাধা স্বৰূপ হৈ পৰিছে। নেতৃত্ব মানেই আমি ৰাজনৈতিক নেতৃত্ব বুজোঁ। আৰু বিধানসভালৈ নিৰ্বাচন হৈ ক্ষমতা দখল কৰাকে নেতৃত্বৰ লক্ষ্য হিচাপে লোৱা হয়। সামাজিক সমতা লাভত গুৰুত্ব দিয়াতকৈ আৰু শ্ৰেণী সৃষ্টি হোৱাৰহে শঙ্কাই দেখা দিছে যাৰ মূল্য নিৰ্ভৰ কৰে কেৱল টকাৰ ওপৰতহে।

উদাসীনতা দূৰীকৰণৰ প্ৰয়োজন

অৰ্থনৈতিক বৈষম্যৰ বাবে সামাজিক বৈষম্য বৈ গৈছে। শিক্ষাৰ

প্ৰথম স্তৰ প্ৰাথমিক শিক্ষাক আন দেশৰ দৰে বাধ্যতামূলক কৰিব নোৱাৰাৰ ফলত ই জনসাধাৰণৰ শিক্ষা হিচাপে পৰিগণিত হোৱা নাই। ফলত গণতান্ত্ৰিক দেশ এখনত এজন নাগৰিকৰ যিখিনি আৱশ্যকীয় আদৰ্শ, মনোভাব, মনোবৃত্তি, অভ্যাস, ব্যৱহাৰ, দক্ষতা আৰু গুণৰ প্ৰয়োজন সেইখিনি এতিয়াও আমাৰ মানুহে আয়ত্ব কৰিব পৰা নাই। মাৰাত্মক বস্তুৰে ভেঁজাল দিয়াটো যেনেকৈ ব্যৱসায়ীৰ অভ্যাস হৈ পৰিছে, সেইদৰে বাইজ উদাসীন হৈ থকা আৰু বিষয়া-সকলে ধৰিও শাস্তি নিদিয়াটো এটা মনোভাবৰ দৰেই হৈ পৰিছে। সচেতন নাগৰিকৰ স্বত্ব আৰু কৰ্তব্যখিনি নাগৰিকে এতিয়াও গ্ৰহণ কৰিব পৰা নাই। মুডেলিয়াৰ আয়োগে এই কাৰণে ১৯৫২ চনত্তে মাধ্যমিক শিক্ষাৰ প্ৰতিবেদনত শিক্ষাৰ উদ্দেশ্যসমূহ বহলাই কৈ গৈছিল। বৃটিছ শাসনত পৰাধীনতাৰ চেপাত থাকি মুক্ত হোৱা প্ৰতিষ্ঠিত গণতান্ত্ৰিক দেশ এখনত যে শিক্ষাৰ আমূল পৰিবৰ্তন ঘটাব লাগিব, তাক তেওঁলোকে বুজি পাইছিল আৰু সেই কাৰণে শিক্ষাৰ উদ্দেশ্য হিচাপে প্ৰত্যেক জন নাগৰিকক নিজৰ গুণ আৰু প্ৰতিভা বিকাশৰ সুবিধা দি ব্যক্তিত্ব গঠনৰ ওপৰত জোৰ দিছিল। প্ৰত্যেকৰ কৰ্মদক্ষতা বঢ়াবলৈ পোন প্ৰথমবাৰৰ বাবে মাধ্যমিক স্তৰত বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা অনুমোদন কৰিছিল। নাগৰিকৰ প্ৰকৃত গুণ, অভ্যাস, আদৰ্শ আৰু মনোভাব লবলৈ গণতান্ত্ৰিক নাগৰিক শিক্ষাৰ ওপৰত জোৰ দিছিল। প্ৰত্যেক ক্ষেত্ৰতে ভৱিষ্যতৰ নেতাৰ সৃষ্টি কৰি নেতৃত্ব লাভৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰাৰ ওপৰত প্ৰাধান্য দিছিল। মুডেলিয়াৰ আয়োগৰ শিক্ষাৰ উদ্দেশ্য সাফল্যমণ্ডিত হোৱা হলে আমাৰ মাজত আজি এদল সুস্থ, দক্ষ, সচেতন নাগৰিকৰ সৃষ্টি হ'লহেঁতেন।

এঘাৰ বছৰীয়া পাঠ্যক্ৰম

আয়োগৰ অনুমোদন মতে ১১ বছৰীয়া পাঠ্যক্ৰম প্ৰৱৰ্তন

কৰাব দিহা কৰিব লাগে। অকল ব'র্ডে বিষয়-বস্তু নির্বাচন কৰি দিলেই নহব, সেই বিষয়ৰ উন্নতি কেনেকৈ সাধন কৰিব লাগে, আঞ্চলিক প্ৰয়োজন অনুযায়ী বিষয়-বস্তু শিক্ষাৰ্থীৰ গ্ৰহণযোগ্য কৰিব পাৰি আদি জানিবলৈ বাস্তৱ ক্ষেত্ৰত থকা শিক্ষকৰ অভিমত, পৰামৰ্শ আৰু সহযোগ লব লাগে। শিক্ষাক বাস্তৱমুখী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিবলৈ নতুন শিক্ষা ব্যৱস্থাৰ বিভিন্ন দিশত বিশদ আলোচনা কৰিবলৈ নবীকৰণ পাঠচৰ্যা, (refresher course), কৰ্মাগাৰ, নিদর্শন (demonstration) প্ৰদৰ্শনী আদিৰ ব্যৱস্থা কৰিব লাগে। নতুন শিক্ষা সম্বন্ধে জ্ঞান দিবলৈ উন্নত দেশৰ স্কুলসমূহৰ কৰ্মাৱলীৰ চিনেমা দেখুৱাব লাগে, শ্ৰৱণ-দৃষ্টি আহিলাৰ ব্যৱহাৰে উন্নত শিক্ষা পদ্ধতি সম্বন্ধে জ্ঞান দিব লাগে। আন স্কুললৈ পঠিয়াই নতুন শিক্ষা পদ্ধতি সম্বন্ধে জ্ঞান দিয়াৰ ব্যৱস্থা কৰিব লাগে। চহৰতকৈ গাঁৱত এনেধৰণৰ ব্যৱস্থা সঘনে কৰিব লাগে যাতে চহৰৰ পৰা দূৰৈত থাকিও নতুন শিক্ষা সম্বন্ধে জ্ঞান লাভ কৰিব পাৰে।

পৰীক্ষামূলক নতুন শিক্ষা পদ্ধতি

কুঠাৰী আয়োগে কোৱা মতে শিক্ষকসকলক শিক্ষণ প্ৰণালীত স্বাধীনতা দিয়াতো অতিশয় প্ৰয়োজন বুলি অনুভৱ নকৰে। নিজৰ সৃজনী শক্তিক ব্যৱহাৰ কৰি নিজা ধৰণেৰে পঢ়ুওৱাৰ স্বাধীনতা দিলে তেওঁলোকে উৎসাহেৰে, সততাৰে আৰু অধিক কষ্ট কৰি শিক্ষাৰ্থীক জ্ঞান দান কৰা আৰু কৰ্ম অভিজ্ঞতা লাভ কৰাত সহায় কৰিব। শিক্ষকক পৰীক্ষামূলকভাৱে নতুন শিক্ষা পদ্ধতি আৰম্ভ কৰাতো উৎসাহ যোগাব লাগে আৰু তাৰ বাবে আঁচনি প্ৰস্তুত কৰাত কৰ্মকৰ্তা-সকলে অনুৰোধ জনাব লাগে। উন্নত শিক্ষা পদ্ধতি প্ৰচলন কৰিবলৈ কিমানখিনি আহিলা-পাতি লাগে, কেনেকুৱা প্ৰস্তুতিৰ প্ৰয়োজন, শ্ৰেণীৰ সংগঠন কেনে হব লাগে আৰু নতুন ধৰণৰ কি সুবিধাৰ প্ৰয়োজন আদি কথা শিক্ষকসকলেহে জনাব পাৰিব।

সামাজিক অনুষ্ঠানৰ লগত সহযোগ

শিক্ষাক বাস্তৱমুখী কৰিবলৈ হলে আজি স্কুলৰ সামাজিক অনুষ্ঠান-সমূহৰ লগত সহজ সম্বন্ধ স্থাপন কৰিব লাগিব। বিজ্ঞান শিক্ষা যেনেকৈ বিজ্ঞানাগাৰ নোহোৱাকৈ দিয়াটো অকল্পনীয় কথা সেইদৰে কৰ্ম অভিজ্ঞতা আৰু ব্যৱহাৰিক জ্ঞানো বিভিন্ন অনুষ্ঠানত থাকি নোলোৱাটো অসম্ভৱ বুলি ভাবিব লাগিব। আমাৰ বৰ্তমান স্কুল-সমূহে কৰ্ম অভিজ্ঞতা দিবলৈ বহুত সুবিধাৰ সৃষ্টি কৰিব লাগিব যাৰ বাবে বহুত টকা আৰু কেইবা বছৰো লাগিব। কিন্তু ছোভিয়েট ৰুছিয়াত যেনেকৈ ফেক্টৰী, কাৰিকৰী কেন্দ্ৰ, কৃষি কেন্দ্ৰ, শিল্পানুষ্ঠান আদি কৰি বিভিন্ন অনুষ্ঠানত সপ্তাহত প্ৰায় ১২ ঘণ্টাকৈ পলিটেকনিক শিক্ষা আৰু প্ৰশিক্ষণ দিয়ে, সেইদৰে আমাৰ ইয়াতো তাৰ দৰে নহলেও ব্যৱসায়ী, কাৰিকৰী, কৃষি কেন্দ্ৰত শিক্ষা আৰু প্ৰশিক্ষণ লাভ কৰাৰ ওপৰত বেছি জোৰ দিব লাগে। বিভিন্ন বিষয়ত প্ৰকৃত অভিজ্ঞতা লাভ কৰিবলৈ বিভিন্ন ঠাই, শিল্প কলাৰ মিউজিয়াম আদি পৰিভ্ৰমণ কৰিব লাগে। চাবন ফেক্টৰী, ইটা ভাটি, ঘৰ সজা, কুটিৰ শিল্পৰ কেন্দ্ৰ, ৰং দিয়া, ছপাখানা, কিতাপ বন্ধা কেন্দ্ৰ আদি কৰি সৰু সুৰা অনুষ্ঠানবো সহযোগ লব লাগে যাতে স্বাৱলম্বী হোৱাৰ অনুপ্ৰেৰণা লাভ কৰাৰ লগতে কৰ্মদক্ষতা লব পাৰে।

অধিক শিক্ষকৰ নিযুক্তি

নতুন শিক্ষা ব্যৱস্থাত অধিক সংখ্যক প্ৰশিক্ষণ প্ৰাপ্ত আৰু আধুনিক শিক্ষণ প্ৰণালীত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ নিযুক্তিৰ প্ৰয়োজন। বিষয় প্ৰধান প্ৰশিক্ষণৰ ব্যৱস্থাও কেইমাহমানৰ কাৰণে কৰিব লাগে। শিক্ষাৰ্থীসকলক কেনে ধৰণেৰে কৰ্ম অভিজ্ঞতা দিব, কেনে ধৰণেৰে ব্যৱহাৰিক জ্ঞান দিব তাৰ শিক্ষা দিবলৈ শিক্ষকসকলে নিজেই প্ৰশিক্ষণ লব লাগিব। শিক্ষকতাৰ কাৰণে গুণী আৰু উপযুক্ত মানুহক আকৰ্ষণ কৰিবলৈ শিক্ষকৰ দৰমহা বেছি কৰাৰ

উপৰিও চৰকাৰী চাকৰিত পোৱা সুবিধাবোৰ দিব লাগে। প্ৰয়োজনীয় প্ৰাথমিক স্কুলত শিক্ষকৰ সংখ্যা অতি সোনকালে বঢ়াব লাগে।

কৰ্ম নিযুক্তি কেন্দ্ৰ

পশ্চিমীয়া দেশসমূহত থকাৰ দৰে আমাৰ ইয়াতো অঞ্চলে প্ৰতি কৰ্ম নিযুক্তি কেন্দ্ৰ আৰু স্কুলত তাৰ শাখা ৰখাৰ প্ৰয়োজন হৈ পৰিছে। শিক্ষা আৰু কৰ্মৰ সম্বন্ধ স্থাপন কৰাটো সহজ হব—যদিহে এই কেন্দ্ৰবোৰে স্কুল এৰা শিক্ষাৰ্থীৰ কৰ্মসংস্থানৰ ব্যৱস্থা কৰিব পাৰে। পঢ়ি থকা অৱস্থাতো নিজৰ খৰচ উলিয়াবলৈ আংশিকভাৱে কাম কৰাৰ সুবিধাও শিক্ষাৰ্থীক দিব লাগে। বিভিন্ন ধৰণৰ কামৰ সন্ধান উচ্চ শ্ৰেণীত পঢ়া শিক্ষাৰ্থীক দিব লাগে যাতে তেওঁলোকে নিজ অভিৰুচি অনুযায়ী যিকোনো এটা কামৰ কাৰণে নিজকে প্ৰস্তুত কৰিব পাৰে। কেনে ধৰণৰ প্ৰস্তুতিকৰণে শিক্ষাৰ্থীক কাম পোৱাত সহায় কৰিব, তাক জানিবলৈ- এই নিযুক্তি কেন্দ্ৰৰ বিষয়াই ব্যৱসায়ী প্ৰতিষ্ঠানৰ লগত সম্বন্ধ স্থাপন কৰিব লাগে আৰু স্কুলৰ কৰ্তৃপক্ষয়ো সেই প্ৰতিষ্ঠানৰ সহযোগত তেনেধৰণৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰয়োজন হলে তেওঁলোকৰপৰা আহিলা-পাতি আনিব লাগে বা তেওঁলোকৰ তাত শিক্ষাৰ্থীক ব্যৱহাৰিক জ্ঞান দিবলৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। এটা কথা মনত ৰাখিব লাগিব যে মাধ্যমিক শিক্ষাৰ শেষত বেছিভাগেই সংসাৰ যুদ্ধত সোমাব আৰু কৰ্মৰ সন্ধানে সিহঁতক বহুত চিন্তাৰপৰা ৰেহাই দিব।

অৱসৰ সময়ৰ সদ্ ব্যৱহাৰ

যুৱকৰ অফুৰন্ত শক্তি, অদমনীয় ইচ্ছা আৰু সৃজনী শক্তি প্ৰকৃত পৰিবেশ নোপোৱাৰ ফলত পৰিপূৰ্ণভাৱে প্ৰস্ফুটিত হবলৈ নাপায়। বহুত সময়ত দেখা যায় যে আবেলি বা ৰাতিপুৱা সময়ত কোনো নিৰ্দিষ্ট ঠাই নথকাৰ বাবে ৰাস্তাত উদ্দেশ্যহীনভাৱে ঘূৰি, ওচৰেদি যোৱা

মানুহক অশোভনীয় ব্যৱহাৰ কৰি, চিনেমা চাই সময় কটায়। কিন্তু স্কুলকে কেন্দ্ৰস্থল কৰি নাইবা ক্লাবঘৰ সজাৰ সুবিধা দি খেলৰ সঁজুলি, বস্তু সজোৱাৰ আহিলা-পাতি দিলে যুৱক-যুৱতীয়ে ভাল দৰে সময় কটোৱাৰ সুবিধা পাব। ভাল দৰে সংগঠন কৰিলেই যুৱক-যুৱতীক তেওঁলোকৰ অভিৰুচি অনুযায়ী সৃজনী প্ৰতিভা বিকাশৰ সুবিধা কৰি দিব পাৰে। গাঁৱত ই সামাজিক কেন্দ্ৰই পৰিলে সকলোৰে অৱসৰ সময় কটোৱাৰ পথো সহজ হয়। কেনে ধৰণেৰে খেল, কাম আদি সংগঠন কৰিব, সেইটো ৰাইজ, কৰ্তৃপক্ষ আৰু বিভিন্ন প্ৰতিষ্ঠানৰ সহায়ত এখন আঁচনি কৰিব লাগে আৰু তাক কাৰ্যকৰী কৰাৰ দায়িত্বও সকলোৰে লব লাগিব।

মাধ্যমিক শিক্ষা প্ৰসাৰ আৰু উন্নতিকৰণৰ বাবে এই বিষয়সমূহৰ উপৰিও পৰীক্ষা প্ৰণালী পৰিবৰ্তনকে ধৰি কেবাটাও বিষয় আছে। কিন্তু শিক্ষা সংগঠনৰ সময়ত উপৰোক্ত ব্যৱস্থাসমূহলৈ চকু দিব লাগে যাতে নতুন ব্যৱস্থাই কৃতকাৰ্য লাভ কৰে। বৰ্তমান শিক্ষা ব্যৱস্থাৰ দায়িত্ব অকল শিক্ষা বিভাগতে নহয়, স্বাস্থ্য বিভাগ, উদ্যোগ বিভাগ, সমাজ কল্যাণ বিভাগ আদিৰো সমানে দায়িত্ব আছে। তেতিয়া হলে নিজ বিভাগত থকা সুবিধাসমূহ স্কুললৈ সম্প্ৰসাৰণ কৰিব পাৰে। ইয়াৰ উপৰিও সকক শিক্ষা দিয়াটো আজি স্কুল কৰ্তৃপক্ষ, শিক্ষা বিভাগ, চৰকাৰ, বিভিন্ন সামাজিক প্ৰতিষ্ঠান, সামাজিক আৰু কাৰিকৰী উদ্যোগ আদিৰ সমানে দায়িত্ব আছে বুলি লৈ কাম কৰিব লাগিব। তেতিয়াহে বৰ্তমান শিক্ষাৰ উদ্দেশ্য সফল হোৱাৰ সম্ভাৱনাই দেখা দিব।

কৰিছিল শিক্ষাৰ এই উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ। কিন্তু শিক্ষাৰ মাজেৰে যিটো পৰিবৰ্তন বিচৰা হৈছিল, সেইটো এতিয়াও পোৱা নাই। প্ৰাথমিক স্তৰক বাদ দি মাধ্যমিক স্তৰৰ উন্নতি সাধন কৰাটো অসম্ভৱ কথা। জনসাধাৰণ শিক্ষিত নহলে যিখিনি প্ৰয়োজনীয় সহযোগ বাইজ, অভিভাৱক আৰু সামাজিক অনুষ্ঠানৰ-পৰা পোৱা প্ৰয়োজন, তাক পোৱা নাযায়। জনসাধাৰণ শিক্ষিত নোহোৱা কাৰণে যিখিনি সামাজিক, অৰ্থ নৈতিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ প্ৰয়োজন সেই পৰিবৰ্তন আমাৰ সমাজত হোৱা নাই। অসমতো এই বিষয়ত আৰু পাছ পৰা জনসাধাৰণ সজাগ হোৱাহেঁতেন শিক্ষাৰ পৰিবৰ্তনত আগভাগ ললেহেঁতেন আৰু কোনো পৰিবৰ্তিত পদ্ধতিত তেওঁলোকে মতামত দিলেহেঁতেন। শিক্ষাক সমাজৰ গণ্ডীৰ বাহিৰৰ কোনো বিষয় হিচাপে ভবাৰ বাবে শিক্ষা আৰু সমাজ, শিক্ষক আৰু অভিভাৱক, কৰ্তৃপক্ষ আৰু ৰাইজৰ মাজত যি ঘনিষ্ঠ সম্বন্ধ থাকিব লাগে; সেইটো হৈ উঠা নাই। বৃত্তিমূলক শিক্ষা দিবলৈ শিল্প উদ্যোগ আৰু সামাজিক অনুষ্ঠানৰ লগত স্কুলৰ যি সম্বন্ধ থাকিব লাগিছিল, সিও গঢ়ি উঠা নাই। মাধ্যমিক আয়োগৰ অনুমোদন মতে সৃষ্টি হোৱা উচ্চ মাধ্যমিক আৰু বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়সমূহে শিক্ষাৰ্থীৰ বুদ্ধি, বৃত্তি অনুযায়ী বিভিন্ন ধৰণৰ বিষয়-বস্তু দিবলৈ অসমৰ্থ হৈছিল। অৰ্থৰ অভাৱত বহুত স্কুলে কলা আৰু বিজ্ঞানৰ কেইটামান বিষয় খুলি সন্তুষ্ট আছিল। কৰ্তৃপক্ষ আৰু শিক্ষকসকলৰ মানসিক প্ৰস্তুতি আৰু প্ৰশিক্ষণ নথকাৰ বাবে নাগৰিক শিক্ষা দিবলৈ যি সামাজিক পৰিবেশ স্কুলত সৃষ্টি কৰিব্ লাগিছিল তাতো ব্যৰ্থ হৈ উঠিছিল। বিষয়গত পৰীক্ষাত বেছিকৈ জোৰ দিয়াৰ কাৰণে আৰু বৃত্তিত দেখুওৱা দক্ষতাৰ কোনো বৈজ্ঞানিক পৰিমাপৰ ব্যৱস্থা নথকাৰ কাৰণে আৰু পৰীক্ষাক কোনো স্থান নিদিয়াৰ বাবে বৃত্তিমুখী শিক্ষাদানত বহুতো স্কুল উদাসীন আছিল বা সেই শিক্ষাত মূল্য দিয়া নাছিল। নেতৃত্ব শিক্ষা দিবলৈ শিক্ষাৰ্থীৰ

কর্মাৱলীৰ প্রকৃত সংগঠন আৰু স্কুলত আৱশ্যকীয় পৰিবেশ সৃষ্টি কৰিবলৈ কর্তৃপক্ষ অসমর্থ হৈছিল। অৱশ্যে ইয়াৰ বাবে যি প্রশিক্ষণৰ প্রয়োজন সেইটো কাৰোৰে নাছিল। ১১ বছৰীয়া পাঠ্যক্রমৰ শেষত বৰ্ডৰ যি পৰীক্ষা আছিল, সেইটো আন পৰীক্ষাতকৈ একো বেলেগ নোহোৱাৰ কাৰণে শিক্ষকসকলে শিক্ষাৰ বহল উদ্দেশ্যতকৈ শিক্ষার্থীক পৰীক্ষাত উত্তীর্ণ হোৱাৰ ওপৰতহে প্রাধান্য দিছিল। কাৰণ পৰীক্ষা পাছৰ হাৰৰ ওপৰত এখন স্কুল স্বীকৃত বা অস্বীকৃত হৈছিল। ফলত এবছৰ বঢ়াই দিয়াৰ বাহিৰে এই স্কুল দুইবিধ হাইস্কুলতকৈ বেছি বেলেগ হোৱা নাছিল। মুডেলিয়াৰ আয়োগে শিক্ষাৰ নতুন উদ্দেশ্য অনুমোদন কৰিলেও তাক বাস্তৱত ৰূপায়িত কৰিবলৈ চৰকাৰ, জনসাধাৰণ আৰু শিক্ষক শিক্ষার্থীৰ মানসিক প্রস্তুতি নাছিল, উপযুক্ত পৰিবেশৰ সৃষ্টি হোৱা নাছিল, লাগতিয়াল আহিলা-পাতি, আচবাব পত্র, যন্ত্রপাতি যোগান ধৰিব পৰা নাছিল, অর্থ সঙ্কট থকাৰ বাবে স্কুলৰ প্রসাৰ সাধন কৰিব পৰা নাছিল, পুৰণি উদ্দেশ্য, পুৰণি শিক্ষা ব্যৱস্থা আৰু পৰীক্ষা প্রণালীৰপৰা কোনো মুক্ত হব পৰা নাছিল। ফলত ১১ বছৰীয়া শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য ব্যর্থ হবলগীয়াত পৰিছে।

কুঠাৰী আয়োগৰ পৰামর্শাৱলীৰ প্রণয়ন

১৯৬৬ চনৰ কুঠাৰী আয়োগে প্রস্তাৱ কৰা ১২ বছৰীয়া শিক্ষা ব্যৱস্থা কেন্দ্রীয় চৰকাৰে গ্রহণ কৰিছে। অসমত এই বছৰৰপৰাই এই ব্যৱস্থা আৰম্ভ কৰিছে। আয়োগে স্কুলৰ শিক্ষাক এক অবিচ্ছেদ্য অবিৰত গতি হিচাপে গণ্য কৰিছে—যাতে প্রাথমিক শিক্ষাক জনসাধাৰণৰ আৰু মাধ্যমিক শিক্ষাক এটা বিশেষ শ্রেণীৰ বুলি কোনেও অভিহিত নকৰে। এই অবিচ্ছেদ্য গতিত শিক্ষাক উৎপাদনশীলতাৰ লগত সম্বন্ধ ঘটাব লাগিব যাতে ৰাষ্ট্রীয় উৎপাদন শক্তি আৰু অর্থ নৈতিক উন্নতি শিক্ষার্থীৰ শিক্ষাৰ মাজেৰে সম্ভৱপৰ হয়। আয়োগে শিক্ষা, উদ্যোগ, শিল্প আৰু বিজ্ঞান শিল্পৰ সম্বন্ধ-

ওপৰত অতিশয় জোৰ দিছে। দেশৰ ভৱিষ্যৎ যে স্কুলৰ কোঠাসমূহত নিৰ্ভৰ কৰিছে, তাক বাৰে বাৰে সকীয়াই দিছে আৰু ইয়াৰ বাবে শিক্ষাৰ বৈপ্লৱিক পৰিবৰ্তন বিচাৰিছে—যি পৰিবৰ্তনে অৰ্থ নৈতিক, সামাজিক আৰু ৰাজনৈতিক উন্নতি সাধন কৰাত সহায় কৰে। ছোভিয়েট ৰুছিয়াত দিয়াৰ দৰে আয়োগে বিজ্ঞান শিক্ষা, ব্যৱহাৰিক শিক্ষা আৰু কৰ্ম অভিজ্ঞতাৰ ওপৰত্ জোৰ দিছে; সেয়ে ই সাধাৰণ শিক্ষাৰ এটা অংশ হৈ পৰিছে। গোটেই শিক্ষাক বৃত্তিমূলক কৰাৰ ওপৰত জোৰ দিয়াত স্কুলৰ শেষত কৰ্ম নিপুণ শিক্ষাৰ্থী এজনে নিজ অভিৰুচি অনুযায়ী কাম কৰাৰ সুবিধা পায়।

অসমত ১২ বছৰীয়া শিক্ষা ব্যৱস্থা আৰম্ভ কৰাৰ আগতে প্ৰয়োজনীয় ব্যৱস্থাসমূহৰ ওপৰত বেছি জোৰ দিয়াহেঁতেন এই ব্যৱস্থা ১১ বছৰীয়া শিক্ষা ব্যৱস্থাৰ দৰে ব্যৰ্থ নহ'লহেঁতেন। প্ৰাথমিক শিক্ষাক ৰাষ্ট্ৰই মৌলিক দায়িত্ব হিচাপে গ্ৰহণ নকৰিলে ইয়াক বাধ্যতা-মূলক কৰা কামটো দ্ৰুতগতিত আগ নাবাঢ়িব। এই ব্যৱস্থাৰ মহান উদ্দেশ্যসমূহ শিক্ষকসকলক জনোৱাটো অতিশয় প্ৰয়োজন আছিল আৰু ব্যৱহাৰিক জ্ঞান দিবলৈ উদ্যোগ, শিল্পানুষ্ঠান, সামাজিক অনুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ লগত যোগাযোগ কৰাৰ আঁচনি লব লাগিছিল। সেই বিষয়ে সকলোকে জ্ঞাত কৰাটো চৰকাৰৰ কৰ্তব্য আছিল।

বৈজ্ঞানিক শিক্ষাৰ প্ৰবৰ্তন

এটা কথা আমি উপলব্ধি কৰিছোঁ যে বিজ্ঞান সম্মত শিল্পই বৰ্তমান সমাজৰ দ্ৰুত উন্নতি আৰু পৰিবৰ্তন সাধন কৰিছে, জ্ঞানৰ সীমা বৃদ্ধি কৰিছে আৰু নানা ধৰণৰ জ্ঞান-বিজ্ঞানৰ সম্ভাৰেৰে জ্ঞান ভাণ্ডাৰ সমৃদ্ধ কৰিছে। এনেকুৱা এটা গত আমাৰ সমাজৰ উন্নতি সাধন কৰিবলৈ বৃত্তিমূলক বিষয়, বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। ভাৰতৰ সমাজৰ উন্নতিকৰণ আৰু

আধুনিকীকৰণৰ বিজ্ঞান আৰু শিল্পৰ ওপৰত ভিত্তি কৰি আমাৰ শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব। সেয়েহে ভৱিষ্যতৰ নাগৰিকক কৰ্মনিপুণ কৰি বেপাৰ-বাণিজ্যৰ উন্নতি সাধন কৰিব; বিজ্ঞানসম্মত-ভাৱে কৃষিৰ উন্নতি সাধন কৰি খাদ্যত স্বাৱলম্বী হব পাৰিব। মানুহেও নিজৰ জীৱন ধাৰণৰ মান উন্নত কৰিব পাৰিব। মুঠতে কুঠাৰী আয়োগে বৰ্তমান শিক্ষাত বিজ্ঞান আৰু শিল্পৰ প্ৰাধান্য স্বীকাৰ কৰি বিজ্ঞান শিক্ষা, বৃত্তিমূলক শিক্ষা আৰু শিল্পানুষ্ঠানত ব্যৱহাৰিক শিক্ষা একত্ৰীকৰণ কৰি এক নতুন শিক্ষা ব্যৱস্থা অনুমোদন কৰিছে।

নতুন শিক্ষা ব্যৱস্থাত কুঠাৰী আয়োগৰ অনুমোদন ক্ৰমে এক নতুন পাঠ্যক্ৰম দিয়াৰ ব্যৱস্থা কৰিছে আৰু ইয়াৰ বাবে পুথি প্ৰণয়নৰ ব্যৱস্থা হাতত লৈছে। কিন্তু আয়োগে বিচৰা শিক্ষাৰ উদ্দেশ্য পূৰণৰ বাবে নতুন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ হলে কেইটামান বিষয়লৈ চকু দিব লাগিব।

শিক্ষকৰ প্ৰশিক্ষণ

নতুন পুথি প্ৰণয়নে শিক্ষাৰ উদ্দেশ্য সফল নকৰে যদিহে শিক্ষক-সকলক নতুন পদ্ধতিত শিক্ষা দিবলৈ প্ৰশিক্ষণ দিয়া নহয়। শিক্ষা বিভাগ, প্ৰশিক্ষণ কেন্দ্ৰ আৰু বিশ্ববিদ্যালয়ৰ সহযোগত নতুন পাঠ্যক্ৰম প্ৰণয়ন কৰি এটা দলৰ শিক্ষকক প্ৰশিক্ষণ দিয়াত অতিশয় প্ৰয়োজন আছিল। তেওঁলোকে তেতিয়া নতুন চিন্তাধাৰা, নতুন পদ্ধতি আৰু নতুন শিক্ষা সম্বন্ধে অনেক শিক্ষা লব পাৰিলেহেঁতেন। কম দিনীয়া প্ৰশিক্ষণ কেন্দ্ৰ একোটা অঞ্চলত খুলি সেই অঞ্চলৰ শিক্ষকক নতুন পদ্ধতি সম্বন্ধে জ্ঞান দিব পাৰিলেহেঁতেন। গাঁৱে গাঁৱে বা একোটা কেন্দ্ৰত শিক্ষকসকলক লৈ সঘনে আলোচনা-চক্ৰ পতাৰ অতিশয় প্ৰয়োজন আছিল।

শিক্ষকসকলৰ অভিযোগ, স্কুলৰ আৰম্ভকতা আৰু সমাজৰ প্ৰয়োজন সম্বন্ধে স্কুলৰ বিষয়াসকলে জানি সেইমতে শিক্ষাৰ ব্যৱস্থা